# মঙলদৈ মহাবিদ্যালয়

# আলোচনী



৪৭ তম সংখ্যা, ২০১৫ চন

# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

৪৭ তম সংখ্যা

প্ৰকাশ ঃ ২০১৫ চন

তত্ত্বাৱধায়ক
শ্ৰীডিম্বেশ্বৰ বৰুৱা
ড০ সৰযূ প্ৰিয়া দেৱী

সম্পাদক
ভাস্কৰ জ্যোতি ডেকা

**Mangaldai Mahavidyalaya Alochani:** The annual house Journal of Mangaldai College, Published by Dr. Khagendra Kr. Nath, Principal, Mangaldai College on behalf of Mangaldai College Students' Union.

# মঙলদৈ মহাবিদ্যালয় আলোচনী

প্ৰকাশ ঃ ২০১৫ চন

## সম্পাদনা সমিতি

| | | |
|---|---|---|
| সভাপতি | ঃ | ড০ খগেন্দ্ৰ কুমাৰ নাথ |
| উপদেষ্টা | ঃ | ড০ বিজয় কুমাৰ শৰ্মা |
| | | শ্ৰীমনিমুগ্ধ বৰঠাকুৰ |
| | | শ্ৰীপৰেশ কুমাৰ শৰ্মা |
| তত্বাৱধায়ক | ঃ | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| | | ড০ সৰযূ প্ৰিয়া দেৱী |
| সম্পাদক | ঃ | শ্ৰীভাস্কৰজ্যোতি ডেকা |
| বিশেষ সদস্য | ঃ | ড০ আঙ্গিৰস |
| | | শ্ৰীমৌচুমী কংস বণিক |
| | | চৈয়দ আব্দুল মতলিব |
| সদস্য | ঃ | শ্ৰীৰূপম কলিতা |
| | | শ্ৰীকৌশিকজ্যোতি নাথ |
| | | শ্ৰীস্বৰ্ণৰেখা ডেকা |
| | | শ্ৰীৰূপজ্যোতি শৰ্মা |

বেটুপাতৰ পৰিকল্পনা ঃ সম্পাদনা সমিতি

ছপা ঃ পাৰামাউণ্ট অফ্‌চেট, বৰদৌলগুৰি, দৰং




মহাবিদ্যালয়ৰ মূল তোৰণ


জয় আই অসম
সদৌ অসম ছাত্ৰ সন্থা
শ্বহীদ বেদী
শ্বহীদ প্ৰণামো তোমাক

# শ্ৰদ্ধাঞ্জলি



বিগত সময়ছোৱাত আমাৰ মাজৰ পৰা চিৰকালৰ বাবে আঁতৰি যোৱা মহাবিদ্যালয়ৰ
পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপিকা দিপালী নেওগ বাইদেউ,
মহাবিদ্যালায়ৰ অৱসৰ প্ৰাপ্ত গ্ৰন্থগাৰিক জেহিৰ আহমেদ মহম্মদ ইক্‌বাল,
অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গজেন শৰ্মা, মঃ আহাদ আলী (কৰ্মৰত অৱস্থাত)
লগতে
বিশ্ব বৰেণ্য শিল্পী অসম সূৰ্য্য ড০ ভূপেন হাজৰিকা, প্ৰসিদ্ধ সাহিত্যিক ড০ মামনী ৰয়চম গোস্বামী,
প্ৰথিতযশা কবি হীৰেণ ভট্টচাৰ্য,
ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰত ৰত্ন ড০ এ পি যে আব্দুল কালম
আৰু
দেশৰ ৰাজনীতি, প্ৰতিৰক্ষা, শিক্ষা, বিজ্ঞান, শিল্প-কলা, সংস্কৃতি, আৰু ক্ৰীড়া জগতলৈ অমূল্য
বৰঙণি আগবঢ়াই পৰলোকপ্ৰাপ্তি হোৱা আমাৰ জ্ঞাত -অজ্ঞাত প্ৰতিগৰাকী মহান ব্যক্তিৰ
পূণ্যাত্মাৰ সদ্‌গতি কামনা কৰি
শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

— সম্পাদনা সমিতি

# অধ্যক্ষৰ আসনৰ পৰা একলম

মঙলদৈ মহাবিদ্যালয়ৰ এই সংখ্যা আলোচনী ছপা হৈ ওলোৱাৰ শুভ মুহূৰ্তত সকলোলৈ মোৰ আন্তৰিক অভিবাদন জনাইছো। মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ সৰ্বপ্ৰথম উচ্চ শিক্ষাৰ বাটকটীয়া শিক্ষানুষ্ঠান। কলা আৰু বিজ্ঞান শাখাৰ এই শিক্ষানুষ্ঠানখনত বৰ্তমান প্ৰায় আঢ়ৈ হাজাৰ বিদ্যাৰ্থীয়ে অধ্যয়ন কৰি আছে। প্ৰতিষ্ঠা কালৰে পৰা এই শিক্ষানুষ্ঠানখনিয়ে বিদ্যাৰ্থীসকলক মান বিশিষ্ট শিক্ষা প্ৰদানৰ ওপৰত গুৰুত্ব দি আহিছে। আমি আশাকৰো যে ভৱিষ্যতৰ দিনবোৰত মহাবিদ্যালয় খনিয়ে জিলাখনত উচ্চ শিক্ষা সম্প্ৰসাৰণত যথোচিত ভূমিকা গ্ৰহণ কৰি যাব।

মহাবিদ্যালয়খনৰ অধ্যক্ষৰূপে মোৰ চাৰিবছৰ কাৰ্যকাল অতিক্ৰম হ'ল। ঐতিহ্যপূৰ্ণ এই অনুষ্ঠানখনিত পূৰ্বৰে পৰা বহুতো অভাৱ-অভিযোগ আৰু সমস্যা আছে। দেশত সাম্প্ৰতিক কালত পৰিবৰ্তিত নতুন শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন হৈছে। এই ন-ন শিক্ষা ব্যৱস্থাৰ দিশসমূহ মহাবিদ্যালয়খনিয়ে এতিয়াও পূৰ্ণাঙ্গৰূপত সামৰি ল'ব পৰা নাই। সময়ৰ লগত খোজ মিলাই আমাৰ সকলোৰে আদৰৰ মহৎ অনুষ্ঠানটি আগবাঢ়ি যোৱাটোৱে আমাৰ কাম্য।

বিগত সময়খিনিত মহাবিদ্যালয়খনিৰ বিদ্যায়তনিক পৰিৱেশ উন্নত কৰাৰ বাবে প্ৰয়োজনীয় আৰ্ন্তগাঠনি উন্নয়নৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ সৈতে জড়িত আন আন সুবধিাসমূহ প্ৰদানৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বৰ্তমান মহাবিদ্যালয়খনত শ্ৰেণীকোঠাৰ অভাৱ পূৰণৰ বাবে আমাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছো। উল্লেখযোগ্য যে অসম চৰকাৰৰ পৰা লাভ কৰা এককোটি টকাৰ আৰ্থিক সাহাৰ্যৰে মহাবিদ্যালয়ৰ আৰ্ন্তগাঠনি উন্নয়নৰ কাম সম্পাদন কৰা হৈছে। ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ মন্ত্ৰালয়ৰ পৰা মহাবিদ্যালয়খনত Institutional level Biotech Hub এটি প্ৰতিষ্ঠা কৰাৰ সুবিধা লাভ কৰিছো। ভাৰত চৰকাৰৰ একে মন্ত্ৰালয়ৰ পৰা মহাবিদ্যালয়ত Star College Scheme ৰ অধীনত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, উদ্ভিদ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞান বিভাগৰ গৱেষণাগাৰ উন্নয়নৰ বাবে আৰ্থিক সাহাৰ্য লাভ কৰিছো। মহাবিদ্যালয় খনৰ বাবে এয়া অতি সুখৰ বিষয়।

চলিত বৰ্ষৰ পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমতি সাপেক্ষে মহাবিদ্যালয়ত B.Voc পাঠ্যক্ৰমৰ দুটা বিষয়ৰ পাঠদান আৰম্ভ কৰা হৈছে। ই মহাবিদ্যালয়খনৰ শৈক্ষিক ক্ষেত্ৰত এক ধনাত্মক দিশ।

মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ অন্যত কঠিয়াতলি। ইয়াৰ জৰিয়তে তেঁওলোকে ভাষা-সাহিত্য, শিল্প-কলা ইত্যাদি মৌলিক বিষয়ৰ প্ৰতিভা প্ৰকাশৰ সুবিধা লাভ কৰে। দুখৰ বিষয় এয়ে যে সম্প্ৰতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল সাহিত্য চৰ্চাৰ প্ৰতি অমনোযোগী হোৱাটো পৰিলক্ষিত হৈছে। ফলস্বৰূপে মহাবিদ্যালখনৰ আলোচনীত প্ৰকাশ কৰিব পৰাকৈ মান বিশিষ্ট লেখনীৰ অভাৱ ঘটিছে। ছাত্ৰ-ছাত্ৰীসকলে এই বিষয়টো হৃদয়ঙ্গম কৰা বাঞ্চনীয়।

আশা ৰাখিছো, অনাগত দিনবোৰত মঙলদৈ মহাবিদ্যালয় আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ হৈ থাকিব আৰু মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ লেখনী সমূহ প্ৰকাশৰ সুবিধা লাভ কৰিব। শেষত এই সংখ্যা আলোচনীৰ লেখক-লেখিকাসকললৈ মোৰ আন্তৰিক অভিনন্দন জনালো।

(ড০ খগেন্দ্ৰ কুমাৰ নাথ)




মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ
ডঃ খগেন্দ্ৰ কুমাৰ নাথ

# আলোচনী সম্পাদনা সমিতি



ড০ খগেন্দ্ৰ কুমাৰ নাথ
সভাপতি



ড০ বিজয় কুমাৰ শৰ্মা
উপদেষ্টা



শ্ৰীমণিমুগ্ধ বৰঠাকুৰ
উপদেষ্টা



শ্ৰীপ[illegible] কুমাৰ শৰ্মা
উপদেষ্টা



শ্ৰীডিম্বেশ্বৰ বৰুৱা
তত্ত্বাবধায়ক



ড০ সৰযূ প্ৰিয়া দেৱী
তত্ত্বাবধায়ক



শ্ৰীমৌচুমী কংশ বণিক
বিশেষ সদস্য



ড০ আঙ্গিৰস
বিশেষ সদস্য



চৈয়দ আব্দুল মতলিব
বিশেষ সদস্য



শ্ৰীভাস্কৰজ্যোতি ডেকা
সম্পাদক



শ্ৰীৰূপম কলিতা
সদস্য



শ্ৰীকৌশিকজ্যোতি নাথ
সদস্য



শ্ৰীস্বৰ্ণৰেখা ডেকা
সদস্য



শ্ৰীৰূপজ্যোতি শৰ্মা
সদস্য

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

বচনা

শ্রীপ্রভাত নাৰায়ণ চৌধুৰী

সুৰ আৰু স্বৰলিপি

কুমাৰ আনন্দ নাৰায়ণ দেৱ

তাল

দাদ্‌ৰা (ভাটখাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি ।।১।।

অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি।।২।।

বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।।৩।।

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স্থায়ী | | | | | | | | | | | |
| X | | | O | | | X | | | O | | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | –প | গৰ | গৰ | স |
| ম | স্থ | জী | ৱS | নS | ৰ | ম | স্থ | Sসা | ধS | নS | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | — | — | — |
| আ | শাS | ৰ | গ | জাS | লি | তু | মি | S | S | S | S |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | না | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মপ | প | নৰ | স | — | — | — | — |
| ম | হ্ব | ন | পুS | SS | ণ্য | ভূS | মি | S | S | S | S |
| ১ম অন্তৰা | | | | | | | | | | | |
| X | | | O | | | X | | | O | | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | ৰাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | — | নধ | পধ | — |
| জ | নS | তাS | আS | ছিS | ল | ডু | ৱি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | — | — | — | — |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধন |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |
| প | সন | — | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাS | S | সন | SS | জীS | ৱ | নী | S | SS | SS | S |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | — | — | — | — |
| সু | ধা | সন্ | SS | জী | SS | ৱ | নী | S | S | S | S |
| প | প | প | পধ | ম | মৰ | ম | ম | Sম | মপ | গমপ | ৰ |
| বি | কা | শি | তS | আ | জিS | শ | ত | Sশ | তS | দSS | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | — | — | — | — |
| তো | মা | ৰ | চ | ৰS | ণ | চুS | মি | S | S | S | S |
| ২য় অন্তৰা | | | | | | | | | | | |
| X | | | O | | | X | | | O | | |
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিS | প | ৰি | ছেSS | চৌ | S | দিS | শে | আS | জিS |
| স | ধ | ধ | পধ | গপ | ধ | — | — | — | — | — | — |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | নS |
| ন | ন | ন | ধন | পধ | গধ | প | — | — | — | — | — |
| তো | মা | ৰ | জ্যোS | তিS | Sৰ | বা | S | S | S | S | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰS | দীS | পS | Sৰ | চৌS | S | দিS | শেS | আS | জিS |
| স | ধ | ধ | পধ | গ | প | ধ | — | — | — | — | — |
| তু | মি | যে | দ্বীS | প্ | তি | মা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | — | — | — | — |
| তু | মি | যে | দ্বীS | Sপ্ | তিS | মা | S | S | S | S | ন |

(পুণৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# তত্ত্বাবধায়কৰ আষাৰ্-চেৰেক্

দেশৰ স্বাধীনতাৰ চাৰিটা বছৰ অতিক্ৰম হোৱাৰ পিছতেই ১৯৫১ চনৰ ২০ চেপ্তেম্বৰত মঙলদৈ মহাবিদ্যালয় প্ৰতিষ্ঠাপিত হৈছিল। তদানীন্তন্ কেইগৰাকীমান বিদ্যানুৰাগী মহানুভৱ শ্ৰদ্ধাভাজন ব্যক্তিৰ দূৰদৰ্শী চিন্তাৰ সুফল ৰূপে দৰং জিলাত সৰ্বপ্ৰথম এই উচ্চ শিক্ষাৰ অনুষ্ঠানখনিয়ে জন্ম লাভ কৰিছিল। সেই পবিত্ৰ সন্ধিক্ষণৰ পৰা এই বিদ্যামন্দিৰত আৰম্ভ হৈছিল জ্ঞান-সাধনাৰ অবিৰত যাত্ৰা। সম্প্ৰতি তিনিকুৰি বছৰৰো অধিক কাল অতিক্ৰম কৰা শিক্ষানুষ্ঠানখনিয়ে হেজাৰ হেজাৰ বিদ্যাৰ্থীক উচ্চ শিক্ষাৰে শিক্ষিত হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে আৰু আমাৰ জিলা খনৰ উচ্চ শিক্ষাৰ উন্নয়নত অমূল্য বৰঙণি আগবঢ়াইছে।

মহাবিদ্যালয়ৰ মুখপত্ৰ 'মঙলদৈ মহাবিদ্যালয় আলোচনী'খন শিক্ষানুষ্ঠানখনিৰ বিদ্যায়তনিক ক্ষেত্ৰখনৰ অন্যতম দিশ। আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ভাষা-সাহিত্য, কলা-সংস্কৃতি, জ্ঞান-বিজ্ঞান আৰু মৌলিক চিন্তা প্ৰকাশৰ সুবিধা লাভ কৰিছে। অকল সেয়াই নহয় আলোচনীখনৰ মাজেদি বহু পৰিমাণে প্ৰকাশ পায় ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক সফলতা, শিল্প-কলা আৰু ক্ৰীড়াৰ ক্ষেত্ৰত পাৰদৰ্শিতা আৰু সাফল্যৰ ৰূপৰেখা। সেয়েহে আলোচনীখন মহাবিদ্যালয়খনৰ গুৰুত্বপূৰ্ণ অংগ আৰু অতি আদৰৰ সম্পদ স্বৰূপ। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰথম সংখ্যাটো প্ৰকাশ হৈছিল ১৯৫৮-১৯৫৯ বৰ্ষত। সেই সংখ্যা আলোচনীৰ সম্পাদক (প্ৰথম গৰাকী) আছিল মহাবিদ্যালয়ৰ সেই সময়ৰ কৃতী ছাত্ৰ শ্ৰদ্ধাৰ শ্ৰীবোদ্ধেশ্বৰ ডেকা আৰু তত্ত্বাবধায়ক অধ্যাপক (প্ৰথম গৰাকী) আছিল শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা (পিছলৈ ড° পূৰ্ণ চন্দ্ৰ বৰা)। সেই সময়ৰ পৰা ২০১০-২০১১ বৰ্ষলৈকে আলোচনীখনৰ সৰ্বমুঠ ৪৬ টি সংখ্যা প্ৰকাশ হৈছে। ২০১১-২০১২, ২০১২-২০১৩ আৰু ২০১৩-২০১৪ বৰ্ষৰ সংখ্যা কেইটি সময়মতে প্ৰকাশ হোৱা নাই। মহাবিদ্যালয় খনৰ আলোচনীখনৰ বাৰ্ষিক সংখ্যা কেইটি নিয়মিয়াকৈ প্ৰকাশ নোহোৱাটো মহাবিদ্যালয় খনৰ এটি ঋণাত্মক দিশ। এইখিনিতে উল্লেখ নকৰি নোৱাৰি যে, মহাবিদ্যালয়খনৰ আলোচনীখন প্ৰকাশ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মান বিশিষ্ট লেখনী পোৱাটো বাঞ্ছনীয়। আমি বিগত তিনিওটা বৰ্ষৰ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য; আলোচনী আৰু চাৰু কলা বিভাগটোৰ সম্পাদক তিনিগৰাকীয়ে সংগ্ৰহ কৰি থোৱা লেখনীসমূহ একগোট কৰি আলোচনীখন প্ৰকাশ কৰাৰ বাবে আগবাঢ়িলো। এই লেখক-লেখিকা (ছাত্ৰ-ছাত্ৰী) সকলোবোৰেই ইতিপূৰ্বে মহাবিদ্যালয়ত তেওঁলোকৰ শিক্ষা শেষ কৰিছে। এই সুযোগতে তেওঁলোকৰ শলাগ লৈছো। মহাবিদ্যালয়ৰ সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ বহুমূলীয়া লেখাসমূহ দি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত বৰঙণি যোগোৱাৰ বাবে সকলোলৈকে কৃতজ্ঞতা জনালো। মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড০ হীৰেন্দ্ৰ কুমাৰ গোস্বামী, প্ৰাক্তন শিক্ষক শ্ৰীযুত জয়চন্দ্ৰ শৰ্মা, প্ৰাক্তন ছাত্ৰ কবি-গীতিকাৰ শ্ৰীযুত প্ৰভাত চৌধুৰী, আৰু কবি শ্ৰীভাৰ্গৱ কুমাৰ বৰুৱাই আলোচনীখনলৈ লেখা পঠিওৱাৰ বাবে চাৰিওগৰাকীলৈ শলাগ যাচিছো।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অধিক গুৰুত্ব দি বিশেষভাৱে আমাক দিহা-পৰামৰ্শ আগবঢ়াইছে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড০ খগেন্দ্ৰ কুমাৰ নাথদেৱে। তেখেতৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলো। আমাক বিশেষভাৱে সহযোগিতা আগবঢ়োৱা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীমনিমুগ্ধ বৰঠাকুৰ, অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীপৰেশ কুমাৰ শৰ্মা, প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ প্ৰণৱ কুমাৰ শৰ্মা আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ বৰ্ণালী কলিতাক অশেষ ধন্যবাদ জনালো। সম্পাদনা সমিতিৰ সন্মানীয় শিক্ষক-কৰ্মচাৰী সদস্যসকলক এইখিনিতে আন্তৰিক শলাগ যাচিছো। সম্পাদনা সমিতিৰ ছাত্ৰ-ছাত্ৰী সদস্যসকললৈও ধন্যবাদ আৰু মৰম যাচিছো। আলোচনীখন ছপা কৰাৰ দায়িত্ব লোৱা বৰদৌলগুৰিৰ পাৰামাউণ্ট অফ্‌চেটৰ স্বত্বাধিকাৰী মঃ ফজলুৰ ৰহমান ফাইজ (লুকু)ৰ শলাগ লৈছো।

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন ভৱিষ্যতৰ দিনবোৰত সৰ্বাঙ্গ সুন্দৰ ৰূপত ধাৰাবাহিকভাৱে প্ৰকাশ হওঁক; মহাবিদ্যালয়খনত ভাষা-সাহিত্য, শিল্প-কলা, জ্ঞান-বিজ্ঞানৰ চৰ্চাত ই অবিহণা যোগাওক সেই আশা ৰাখিলো। আলোচনীখন ছপা কৰি উলিওৱাৰ ক্ষেত্ৰত আমাৰ অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো।

**শ্ৰীডিম্বেশ্বৰ বৰুৱা**

**ড০ সৰযূপ্ৰিয়া দেৱী**

# সম্পাদকীয় চিন্তা—



ধ্ৰুপদী সাহিত্য আৰু প্ৰাচীন সাহিত্যই পাঠকক দিছিল ৰসানুভূতি আৰু আনন্দ। সাহিত্যৰ ৰসানুভূতি আৰু আনন্দই প্ৰাণৰ সঞ্চাৰ। এই সাহিত্যই বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ ৰূপটোও বহন কৰে। আধুনিক সাহিত্যই ৰসানুভূতি আৰু নান্দনিক আনন্দ দিয়াৰ উপৰিও জীৱন জিজ্ঞাসা প্ৰকাশ কৰে। সাহিত্যৰ বুকুত প্ৰকাশিত হয় জীৱন বৈচিত্ৰ্য। আনহাতে আধুনিক সাহিত্যই সামাজিক দায়বদ্ধতাক স্বীকাৰ কৰি সাহিত্যৰ বুকুত সমাজৰ কল্যাণকামী চিন্তাৰ উদ্ৰেক ঘটায়।

যুগ ধৰ্মৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্য-চিন্তাৰো পৰিবৰ্তন হৈ আহিছে আৰু সাহিত্যৰ ৰূপ-বৈচিত্ৰ্য ন-ন ৰূপত প্ৰকাশিত হৈছে। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভা বিকাশৰ উপযুক্ত মাধ্যম। ইয়াৰ জৰিয়তে তেওঁলোকে নিজৰ নিজৰ লেখনীসমূহ প্ৰকাশ কৰিবলৈ সুযোগ লাভ কৰি আহিছে। এই আলোচনীখনত লেখক হিচাপে আত্ম প্ৰকাশৰ সুবিধা লাভ কৰা বহুতো প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া সাহিত্যৰ জগতখনত লেখক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। সেয়েহে আলোচনীখন আমাৰ সকলোৰে অতি আদৰৰ। ভৱিষ্যতৰ দিনবোৰত মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ জৰিয়তে জন-জীৱন আৰু সমাজ জীৱন চিত্ৰিত সাহিত্য-কৰ্মৰ সৃষ্টি হওঁক।

মঙলদৈ মহাবিদ্যালয়ৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ গুৰু দায়িত্ব লৈ মই মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ইং ০৭/০২/২০১৪ তাৰিখে মহাবিদ্যালয়ৰ প্ৰাচীৰ-পত্ৰিকা 'সাঁচিপাত'খনি প্ৰকাশ কৰিছিলো। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী তথা ছাত্ৰ একতা সভাৰ তত্ত্বাবধায়ক সহযোগী অধ্যাপক শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা ছাৰে প্ৰাচীৰ-পত্ৰিকাখনি উন্মোচন কৰিছিল। তেখেতক এই সুযোগতে কৃতজ্ঞতা জনালো।

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য, আলোচনী আৰু চাৰুকলা বিভাগৰ সম্পাদক হিচাপে কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত সততে দিহা-পৰামৰ্শ দি সহায় কৰা বাবে এই বিভাগটোৰ তত্ত্বাবধায়িকা ড° সৰযূ প্ৰিয়া দেৱী আৰু আলোচনী সম্পাদনাৰ তত্ত্বাৱধায়ক শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা ছাৰৰ লগতে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° খগেন্দ্ৰ কুমাৰ নাথ ছাৰ, শিক্ষাগুৰু ড° বিজয় কুমাৰ শৰ্মা, শ্ৰীযুত মণিমুগ্ধ বৰঠাকুৰ, শ্ৰীযুত পৰেশ কুমাৰ শৰ্মা, শ্ৰীযুতা মৌচুমী কংস বনিক, শ্ৰীযুতা মঞ্জু কলিতা, শ্ৰীযুতা ৰূপজ্যোতি বৰুৱা, ড° বিজয়া বড়া, শ্ৰীযুতা প্ৰণামিকা শৰ্মা এই আটাই কেইগৰাকী মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জনালো। মোৰ কাৰ্যকালত সহায়-সহযোগ আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী, ৰূপজ্যোতি, দিপাংকৰ, অক্ষয়, হিৰকদা, স্বৰ্ণৰেখা, সংগীতা, কবিতাবা আৰু মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'লো।

সদৌশেষত অনিচ্ছাকৃত ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি মোৰ সম্পাদকীয় লেখনীৰ সামৰণি মাৰিলো।

জয়তু মঙলদৈ মহাবিদ্যালয়।
জয়তু মঙলদৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

**ভাস্কৰজ্যোতি ডেকা**
**সম্পাদক**
**সাহিত্য, আলোচনী আৰু চাৰুকলা বিভাগ**
ছাত্ৰ একতা সভা ২০১৩-১৪
মঙলদৈ মহাবিদ্যালয়

# সূচী পত্ৰ—

## প্ৰবন্ধ


| | | |
|---|---|---|
| জাগাৰ পূজা আৰু দুৰ্গাপূজাৰ মাল্চী গীত | মতিৰাম মেধি | ১৭ |
| প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ শিক্ষা | ড° বিজয় কুমাৰ শৰ্মা | ২০ |
| 'ঠাৰ' মঙলদৈ অঞ্চলত প্ৰচলিত গুপ্তভাষা | ৰূপজ্যোতি বৰুৱা | ২৩ |
| মানৱতাৰ এক চমু অৱলোকন | মঞ্জু কলিতা | ২৬ |
| বৈদিক সাহিত্যত স্বাস্থ্য আৰু চিকিৎসা বিজ্ঞান: এটি চমু আলোকপাত | গগেন কাকতি | ২৯ |
| ৰবীন্দ্ৰনাথ আৰু পোষ্টমাষ্টাৰ | মৌচুমী কংস বণিক | ৩২ |
| শিক্ষা কেনে হোৱা উচিত | অৰ্পনা দেৱী | ৩৫ |
| খিলঞ্জীয়া লোকৰ অধিকাৰ | ড° বৰ্ণালী ডেকা | ৩৭ |
| সমন্বয়ৰ প্ৰতীক বিষ্ণুপ্ৰসাদ ৰাভা | ড° বিজয়া বড়া | ৩৯ |
| এটি দুটি মৌ মিঠা সোঁৱৰণী | প্ৰভাত চৌধুৰী | ৪১ |
| কেইটামান চিত্তাকৰ্ষক অসমীয়া লোকবিশ্বাস আৰু লোকাচাৰ | নিকুমণি চৌধুৰী | ৪৪ |
| কিতাপ পঢ়াৰ আনন্দ | তনুশ্ৰী শৰ্মা | ৪৬ |
| বন্যপ্ৰাণী আৰু মানৱ সমাজ | শশাংক কুমাৰ নাথ | ৪৯ |
| অসম বন্ধ আৰু শিক্ষা | প্ৰণৱ কুমাৰ ডেকা | ৫০ |
| প্ৰকৃতিৰ এক অনন্য ভাষা— গণিত | গৌতম কুমাৰ চহৰীয়া | ৫১ |
| ৰক্ত-জীৱনৰ নৈ | গৌতম কুমাৰ দাস | ৫২ |
| স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰীৰ ভাষণ কিছু আশা, কিছু প্ৰত্যাশা | জ্যোতিৰূপা ডেকা | ৫৪ |
| অনুচ্ছেদ ৩৭০ আৰু কিছু বিতৰ্ক | নিৰঞ্জন কুমাৰ নাথ | ৫৫ |
| হেঁপাহৰ মঙলদৈ মহাবিদ্যালয় আৰু মোৰ অনুভৱ | মালবিকা দেৱী | ৫৬ |
| অংকীয়া ভাওনা | বিস্মিতা শৰ্মা | ৫৭ |
| চান্দো সদাগৰৰ মেৰঘৰ আৰু মা-চণ্ডিকা পীঠ | ডিম্পীমণি নাথ | ৫৮ |
| বুঢ়ীদিহিং আৰু নামফাঁকে | কংকনা চহৰীয়া | ৬০ |
| মঙলদৈ মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটো | সংগীতা নাথ | ৬১ |
| মঙলদৈ কলেজ গাৰ্লছ্ হোষ্টেল ঃ এক সজীৱ স্মৃতি | নমিতা দেৱী | ৬৩ |
| মামণি ৰয়ছম গোস্বামীৰ জীৱন পৰিক্ৰমা | ডেইজী বনিয়া | ৬৪ |

# সূচী পত্ৰ—

## কবিতা


| | | |
|---|---|---|
| লিমাৰিক | জয় চন্দ্ৰ শৰ্মা | ৬৬ |
| মূৰ্ত্ত প্ৰহৰ | ভাৰ্গৱ কুমাৰ বৰুৱা | ৬৭ |
| মহাৰথী কৰ্ণ | সুৰজিৎ কুমাৰ নাথ | ৬৮ |
| শৰতৰ সন্ধিয়া | তৃষ্ণা ডেকা | ৬৯ |
| এজাক বৰষুণৰ আপেক্ষাত | মনোজ কুমাৰ শৰ্মা | ৬৯ |
| ধূসৰ মন | দেৱশিষ কাশ্যপ | ৭০ |
| হেঁপাহৰ মঙলদৈ মহাবিদ্যালয় | কৌস্তভ মণি ডেকা | ৭০ |
| ব'হাগ | স্বৰ্ণৰেখা ডেকা | ৭১ |
| শৰতৰ শেৱালি | ক্ষীৰৱ জ্যোতি চহৰীয়া | ৭১ |
| মঙলদৈ মহাবিদ্যালয়লৈ আহিলে... | তৃষ্ণা নাথ | ৭২ |
| এমুঠি সেউজীয়া বিচাৰি | মনিষা ৰাজবংশী | ৭২ |
| দৃষ্টি | চিন্তু কলিতা | ৭৩ |
| মোৰ জীৱন | ৰুমী দাস | ৭৩ |
| বিতত নহওঁ তোমাৰ অভিনয়ত | ৰূপজ্যোতি শৰ্মা | ৭৪ |
| শান্তিৰ সুগন্ধি | অক্ষৰ ডেকা | ৭৫ |
| আগেয়ে জনা নাছিলো | মনালিছা হাজৰিকা | ৭৫ |
| ফাগুনৰ সেই বতাহজাক | জিতুমণি ডেকা | ৭৬ |
| শৰতৰ আগমণ | প্ৰণৱ কুমাৰ ডেকা | ৭৬ |
| প্ৰেম যেতিয়া অপ্ৰেম হয় | বিতুপন শৰ্মা | ৭৭ |
| আপেক্ষা | লক্ষ্যহীৰা শৰ্মা | ৭৭ |
| জোনাক | অৰ্চনা শৰ্মা | ৭৮ |
| নিষিদ্ধ জোনাক | হিৰক জ্যোতি ডেকা | ৭৮ |
| কাঞ্চন ফুল | মেহজেবিন চুলতানা | ৭৯ |
| স্বপ্ন ভগ্ন মানুহবোৰ | ৰাকেশ বেজবৰুৱা | ৭৯ |
| হুমুনিয়াহ | হিমাংশু নাথ | ৭৯ |
| উকা ৰুমাল | জুৰি কলিতা | ৮০ |
| অশান্ত অসম দেশ | জোনটি কলিতা | ৮০ |
| আৰক্ষী | দীপজ্যোতি ডেকা | ৮১ |

# সূচী পত্ৰ—

## কবিতা


| | | | |
|---|---|---|---|
| ☐ | প্ৰকৃত বন্ধুত্বৰ সংজ্ঞা | চেমিম চায়েদা | ৮২ |
| ☐ | কবিতাৰ শিৰোনাম 'সেউজীয়া হৃদয়' | কবিতা চমুৱা | ৮৩ |
| ☐ | ব'হাগৰ ৰং | কাকলি কলিতা | ৮৩ |
| ☐ | সূৰ্য পাহাৰৰ শীৰ্ষত তোমাৰ নাম | মাহমুদা ৰশ্মি চিদ্দিকা | ৮৪ |
| ☐ | কবিতাৰ শিৰোনাম | গায়ত্ৰী গন্ধৰ্ব | ৮৪ |
| ☐ | ৰঙা গোলাপ | মঞ্জুলা ডেকা | ৮৫ |
| ☐ | আশা | কৌশিল জ্যোতি নাথ | ৮৫ |
| ☐ | জুই ফুলা ফাগুন | চুমি কলিতা | ৮৬ |
| ☐ | বিষন্ন হিয়াৰ বিধস্ত সপোন | মঞ্জুলা কলিতা | ৮৬ |
| ☐ | নোৱানৈ পৰীয়া এখন গাঁৱৰ এটি গধূলি | পদ্মজা চহৰীয়া | ৮৭ |
| ☐ | মোক শৈশৱলৈ উভতি যাবলৈ দিয়া | দীপশিখা শইকীয়া | ৮৭ |
| ☐ | সকলোৱে মোক দেখি চকুলো টুকিলে | চুমি কলিতা | ৮৮ |
| ☐ | বৰষুণৰূপী হেঁপাহবোৰ | প্ৰীতিপুষ্পা দেৱী | ৮৮ |
| ☐ | মা | হীৰক জ্যোতি ডেকা | ৮৯ |
| ☐ | সন্ত্ৰাসবাদ | জেৰিফা ইয়াচমিন | ৮৯ |
| ☐ | বুদ্ধত্বৰ পিছত | ড° আঙ্গিৰম | ৯০ |
| ☐ | তোমাৰ অনুসন্ধানত মই | হাচানুৰ ৰহমান | ৯০ |
| ☐ | মানৱাধিকাৰ উলংঘনৰ গ্ৰুপ ফটো | সুৱজিৎ কুমাৰ নাথ | ৯১ |
| ☐ | জীৱনৰ অভিজ্ঞতা | প্ৰসাদ কুমাৰ ডেকা | ৯১ |
| ☐ | জ্ঞানী কোন আৰু মূৰ্খ কোন | পাপৰি ভূঞা | ৯২ |

# গল্প


| | | |
|---|---|---|
| ☐ অস্তমিত সূৰ্য | ড° মিনতি শৰ্মা | ৯৩ |
| ☐ ধন্যবাদ লোড্ শ্বেডিং | অবিনাশ বৰুৱা | ৯৬ |
| ☐ চন্দ্ৰকলা | ময়ূৰাক্ষি শৰ্মা | ৯৯ |
| ☐ নিয়তিৰ কুটিল আহ্বান | তুলুমণি বৰুৱা | ১০১ |
| ☐ জীৱনৰ বাটত তেজৰ ডোঙা | কল্পনা কলিতা | ১০৩ |
| ☐ অভিশপ্ত জীৱনৰ সমাধি ঘটিল | মমি কলিতা | ১০৫ |
| ☐ নুফুলা ফুলৰ সুবাস | চন্দন শেখৰ বৰুৱা | ১০৭ |
| ☐ এমুঠি আশা লৈ | অপৰূপা বৰুৱা | ১০৯ |
| ☐ মাই ফাৰ্ষ্ট লভ এট ফেচবুক | শিল্পীকা দাস | ১১০ |
| ☐ এলাৰ্জি | চিৰঞ্জীৱ ডেকা | ১১২ |
| ☐ প্ৰেমৰ অৰ্ধসমাপ্ত এটি অধ্যায় | মুকুট বৰ্মন | ১১৫ |
| ☐ সমন্বয়ৰ সাঁকো | মনোজ কুমাৰ শৰ্মা | ১১৯ |
| ☐ পৰিশোধ | মছউদ আলী | ১২০ |
| ☐ ভুল | বেনজিৰ জেবিন চুলতানা | ১২২ |
| ☐ উপঢৌকন | চুমি ডেকা | ১২৪ |
| ☐ উত্তৰৰ সন্ধানত | জিজ্ঞাসা শৰ্মা | ১২৬ |
| **বিচিত্ৰ কথা—** | | |
| ☐ মনালিছা | হীৰক জ্যোতি চহৰীয়া | ১২৯ |
| ☐ বিচিত্ৰ কথা | ৰঞ্জন ডেকা | ১২৯ |
| **ব্যঙ্গ ৰচনা—** | | |
| ☐ অনিচ্ছাকৃত দান বৰঙণি | পাৰ্থপ্ৰতিম চহৰীয়া | ১৩০ |
| **নীলা খামৰ চিঠি—** | | |
| ☐ নীলা খামৰ চিঠি | হীৰকজ্যোতি চহৰীয়া | ১৩১ |
| | মুকুট বৰ্মণ | ১৩২ |
| | নীলাক্ষী শৰ্মা | ১৩৩ |
| ☐ ব'হাগী নাহৰ আৰু শাৰদী গোলাপ | কৌশিক জ্যোতি নাথ | ১৩৪ |

## English Section


| | | | |
|---|---|---|---|
| ☐ | RABHA TRIBALS OF ASSAM | Dr. Hiredra Kr. Goswami | 136 |
| ☐ | ERICULTURE IN DARRANG DISTRICT- A BIRD'S EYE VIEW | Dr. Leena Saikia | 138 |
| ☐ | HERITAGE BUILDING : THE RELICS OF THE PAST | Pabitra Kr. Nath | 141 |
| ☐ | GANDHI'S CONCEPT OF WOMEN | Manju Kalita | 144 |
| ☐ | THE ROLE OF TEACHERS IN THE MILLENNIUM | Babita Sarma | 147 |
| ☐ | QUALITIES OF A GOOD TEACHER | Dr. M.D. Abul Qasim | 151 |
| ☐ | EARLY TEMPLE ARCHITECTURE OF DARRANG AND | Dr. Mridul Deka | 154 |
| ☐ | UDALGURI DISTRICT OF ASSAM | | |
| ☐ | E-LIBRARY | Pranab Das | 158 |
| ☐ | DEFORESTATION AND IMPACTS | Ranjita Goswami | 159 |
| ☐ | LIBYA UNDER MUAMMAR GADDAFI | Baharul Islam | 162 |
| ☐ | BRAIN DRAIN : BOON FOR DEVELOPED COUNTRIES, BUT BANE FOR INDIA. | Ijaz Ahmed | 164 |
| ☐ | DEFORESTATION AND ITS IMPACT ON MOTHER EARTH | Parismita Bharadwaj | 166 |
| ☐ | ECONOMIC GROWTH | Dharitri Saharia | 167 |
| ☐ | SOCIAL NETWORKING IN MODERN SOCIETY | Joyita Das | 169 |
| ☐ | STUDENT MAINTAINIG IN DISCIPLINE IN THIS TIME | Saurav Jyoti Bhuyan | 170 |
| ☐ | VITAMINS | Ginita Sarma | 171 |
| ☐ | CHARACTER- A MIRROR OF LIFE | Resma Ahmed | 172 |
| ☐ | LOKTOK LAKE- A PART OF BIO-DIVERSITY | Kanika Kalita | 173 |
| ☐ | NORTH-EAST : A MONTAGE OF CULTURE (S) | Gayatri Deka | 175 |
| ☐ | THE AMAZING GFOLOGICAL FEATURE OF USA | Dipanbita Kausik | 177 |
| ☐ | AN INTERVIEW WITH PADMASHREE DR. SARBESWAR SAHARIA | | 179 |
| ☐ | MY AIM | Banalata Saikia | 182 |
| ☐ | THE SOLITARY LIFE | Daimalu Muchahary | 183 |

বিভাগীয় সম্পাদকীয় প্ৰতিবেদন— ১৮৪-১৯৪
মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়ক সকলৰ নামৰ তালিকা ১৯৫-১৯৬
আলোকচিত্ৰ— ১৯৬-২০০

## প্ৰবন্ধ—

# জাগাৰ পূজা আৰু দুৰ্গাপূজাৰ মাল্‌চী গীত

**মতিৰাম মেধি**
সহযোগী অধ্যাপক
ভূগোল বিজ্ঞান বিভাগ।

মাল্‌চী গীতসমূহ দৰঙী কলা-কৃষ্টিৰ আপুৰুগীয়া অমূল্য সম্পদ। এই গীতসমূহ ব্যাস ওজাসকলে জাগাৰ বা 'মুদ্ৰা' গীতৰ অংশ হিচাপেহে ব্যৱহাৰ কৰে। হ'লেও ব্যাসৰ ওজাসকলে য'তে ত'তে এই গীত গাব নোৱাৰে। জাগাৰ পূজা, ৰজাঘৰীয়া দুৰ্গাপূজা আৰু ব্যাসৰ ঘৰতহে এই গীত গাব পাৰে সম্পূৰ্ণ নীতি-নিয়ম আৰু সংস্কাৰৰ মাজেৰে। ব্যাস সংগীত পৰম্পৰাৰ গুৰিতে যদিও বাসুদেৱ বিষ্ণুপূজাৰ লগত জড়িত আছিল পিছলৈ কিন্তু ই শৈৱ আৰু শক্তিপূজা উপাসনাৰ লগত জড়িত হৈ পৰে। বিশেষকৈ দৰঙত শিৱজাগৰ আৰু দেৱীজাগৰৰ যি উৎসৱ আছে তাত ব্যাস গোৱা ওজাপালিয়ে আজিও গীত-পদ গোৱাৰ পৰম্পৰা আছে। দেৱীৰ জাগাৰ পূজাতেই মালচী নামৰ এই শ্ৰেণীৰ গীতো ব্যাস ওজাপালিয়ে পৰিৱেশন কৰে। এই মাল্‌চী গীতবোৰ দেৱী দুৰ্গাৰ স্তুতি বা বন্দনাসূচক।

'জাগ' বা 'জাগৰণ' পদৰ পৰা 'জাগাৰ' পদ সৃষ্টি হৈছে। দৰং অঞ্চলত 'জাগাৰ' বা 'জাগৰ' দুয়োটা উপ-ভাষাই ব্যৱহাৰ কৰা হয়। শুই থকাৰ পৰা জগাই তোলা নতুবা জাগ্ৰত হোৱা অৱস্থাকে জাগাৰ বোলা হয়। এই জাগাৰ পদটিয়ে দৰঙী ৰজা ৰঘুদেৱ নাৰায়ণে সৰাবাৰী মৌজাৰ পাতিদৰং গাঁৱত অৰ্দ্ধনাৰীশ্বৰ মূৰ্তি স্থাপন কৰা শিৱ মন্দিৰত আৰু ৰজা চন্দ্ৰ নাৰায়ণে দিপীলা মৌজাৰ মাহৰিপাৰা গাঁৱৰ ৰুদ্ৰেশ্বৰ দেৱালয়ত প্ৰতি বছৰে জেঠ আৰু আহাৰ মাহৰ সংক্ৰান্তি আৰু কাতি-আঘোণ মাহৰ সংক্ৰান্তিত হোৱা উৎসৱকে বুজায়। দৰঙী পণ্ডিত বেদাচাৰ্যই খ্ৰীঃ ত্ৰয়োদশ শতিকাতে ৰচনা কৰা 'স্মৃতিৰত্নাকৰ' গ্ৰন্থত বিষুও জাগাৰৰ বিধান আৰু যাৱতীয় নিয়ম-নীতিৰ নিৰ্দেশ আদিৰ বৰ্ণনা আছে আৰু বেদাচাৰ্য প্ৰণীত বিধি ব্যৱস্থাৰেই বৰ্তমান দৰং অঞ্চলত জাগাৰ পূজা চলি আহিছে বুলি পণ্ডিতসকলে মত দাঙি ধৰিছে।

দৰং অঞ্চলত প্ৰচলিত জাগাৰ পূজাৰ ইতিবৃত্ত বিচাৰিলে পোৱা যায় যে প্ৰায় ৪২০ বছৰমান আগতে মঙলদৈৰ পাতিদৰং গাঁৱত অৰ্দ্ধনাৰীশ্বৰ শিৱমূৰ্তি জাগ্ৰত হৈছিল। দেৱতাসকলৰ কাতৰ মিনতি আৰু উমাৰ কঠোৰ তপস্যাত সন্তুষ্ট হৈ মহাদেৱ শিৱই উমাক পত্নীৰূপে গ্ৰহণ কৰে আৰু উমাক বাম উৰুত বহুৱাই লৈ যোগতত্বৰ বিষয়ে ব্যাখ্যা কৰে। শিৱ-পাৰ্বতীৰ এই মূৰ্তিয়েই হ'ল অৰ্দ্ধনাৰীশ্বৰ শিৱ মূৰ্তি আৰু এই মূৰ্তিটো জাগ্ৰত হোৱা দিনটোত অনুষ্ঠিত কৰা পূজাকে 'জাগৰ' বা 'জাগাৰ' পূজা বোলা হয়। আন এক কাহিনী মতে — ধৰ্মই সকলো দেৱতাকে সৃষ্টি কৰি অন্তত এগৰাকী দেৱী সৃষ্টি কৰিলে যদিও দেৱীৰ ৰূপত মুগ্ধ হৈ দেৱী গৰাকীক পত্নীৰূপে নেপাই অনুতপ্ত হৈ তেওঁ দেহত্যাগ কৰিলে। ধৰ্মৰ লগতে সেই দেৱীও সতী গ'ল। তেতিয়া তেওঁৰ চিতাগ্নিৰ মাজত কন্যা শিশু এটি উদ্ভৱ হোৱাত ব্ৰহ্মাৰ নিৰ্দেশ মতে কন্যা গৰাকীক মজুত ভৰাই নৈত উটুৱাই দিয়া হ'ল। নিঃসন্তান হেমন্ত ঋষিয়ে কন্যাজনীক উদ্ধাৰ কৰি আনি ডাঙৰ-দীঘল কৰিলে। ইফালে ধৰ্ময়ো শিৱ-মহেশ্বৰত প্ৰৱেশ কৰি অৰ্দ্ধেক ধৰ্ম আৰু অৰ্দ্ধেক মহেশ্বৰ হ'ল আৰু বিন্ধ্যা পৰ্বতৰ নামনিত এখন মনোমোহা উদ্যানত হেমন্ত ঋষিৰ কন্যা দুৰ্গা আৰু শিৱৰ মিলন হয়। এইদৰে পুৰুষ প্ৰকৃতিৰ মিলনত অৰ্দ্ধনাৰীশ্বৰ ধাৰণা অভিব্যক্ত হ'ল। নাৰী ঃ পাৰ্বতী, দুৰ্গা, ঈশ্বৰ ঃ শিৱ, অৰ্ধঃ আধা। অৰ্থাৎ যি ৰূপৰ ধাৰণাত আধা পুৰুষ (শিৱ) আৰু বাকী আধা প্ৰকৃতি (পাৰ্বতী) সেয়ে অৰ্দ্ধনাৰীশ্বৰ।

পাতিদৰঙৰ জাগাৰা পূজাৰ আৰম্ভণি সম্পৰ্কত এটি জনশ্ৰুতিও আছে। দৰঙৰ বৰমপুৰ অঞ্চলৰ জনৈক

ব্ৰাহ্মণৰ কপিলী গাই গৰুজনী হেৰাল। গাইজনী গধূলি ঘৰলৈ ঘূৰি নহাত পিছদিনা ব্ৰাহ্মণজনে বিচাৰি গৈ হাবিৰ মাজত এজোপা গছৰ তলত গাইজনী থিয় দি থকা দেখা পালে আৰু গাইজনী গুছি যোৱাত ব্ৰাহ্মণে সেই ঠাইখিনি খান্দি চাই দেখিলে যে— মাটিৰ কিছু তলত এটা অৰ্দ্ধনাৰীশ্বৰ শিৱমূৰ্ত্তি মূৰ্ত্তিমান হৈ আছে। লগে লগে ব্ৰাহ্মণজনে জাগাৰ কৃত্যৰে অৰ্দ্ধনাৰীশ্বৰ শিৱক পূজিবলৈ ধৰিলে। ব্ৰাহ্মণ গৰাকীয়ে এই জাগাৰ পূজা প্ৰথমতে জেঠ আৰু আহাৰ মাহৰ সংক্ৰান্তিৰ দিনাখন অনুষ্ঠিত কৰিছিল বাবেই তেতিয়াৰে পৰাই পৰম্পৰাগতভাৱে উক্ত দিনটোতে জাগাৰ পূজা পালন কৰি অহা বুলি জনা যায়। উল্লেখযোগ্য যে এই পূজাত কেৱল ব্যাসৰ ওজাইহে মুদ্ৰা গীত গাব পাৰে।

পাতি দৰঙত জাগাৰ পূজাৰ অংশ হিচাপে জেঠ মাহৰ ১লা তাৰিখৰ পৰা পূজাৰ আগদিনালৈ গধূলি নিতৌ জেঠুৱা নাম ধৰে। নামৰ আৰম্ভণিতে গীত আৰু মাল্চী গোৱাটো পূৰ্বৰে পৰাই চলি অহা নিয়ম। জাগাৰ পূজাৰ দিনা মন্দিৰত একেলগে ২০/২৫ টা হোম হয়। হোম আৰম্ভ হোৱাৰ লগে লগে এঠাইত ব্যাসৰ ওজাপালিয়ে মুদ্ৰা স্থাপন কৰি থয়। হোম শেষ হ'লে ৰাতি কেইবাযোৰা ওজাপালিয়ে হাতত মুদ্ৰা লৈ মুদ্ৰাৰ জন্মৰ লগতে শিৱ-দুৰ্গাৰ মাল্চী গীত গায়। পাতিদৰঙত জেঠৰ সংক্ৰান্তিত অনুষ্ঠিত হোৱা জাগাৰ পূজাৰ উদ্দেশ্যে শিৱ-পাৰ্বতীৰ বিয়া পতাহে বুলিও পণ্ডিতসকলে ভাবে। সেইদৰে মাহৰিপাৰাৰ ৰুদ্ৰেশ্বৰ দেৱালয়তো কাতি আৰু আঘোণ মাহৰ সংক্ৰান্তিত একে নিয়মেৰেই জাগাৰ পূজা অনুষ্ঠিত হয় যদিও তাত হোমৰ সংখ্যা কম। হাতত মুদ্ৰা লৈ ওজাই গীতেৰে শিৱ-পাৰ্বতীক জাগ্ৰত কৰে এনে ধৰণৰ —

অহে শংকৰ জাগ দিগম্বৰ ৰায়
ৰত্ন আসনত ধৰি চৰণত
জগাৱে পাৰ্বতী আই....।

সেইদৰে পাৰ্বতীয়ে শিৱক জগোৱাৰ গীতো ওজাপালিয়ে পৰিৱেশন কৰে এইদৰে —

উঠা প্ৰাণ প্ৰভূ জগতেৰে গুৰু
গৃহে চাউল মুঠি নাই
কাৰ্ত্তিক গণপতি পুত্ৰ দুই
ভোকে বৰ দুখ পায়।।

জাগাৰ পূজাৰ স্তুতিগীত আৰু দুৰ্গাপূজাৰ মাল্চী আদি গোৱাৰ সময়ত ব্যাসৰ ওজাই মুদ্ৰা নামৰ এটি দেৱীৰ বিগ্ৰহৰ স্বৰূপ সাংকেতিক বিগ্ৰহ হাতত লৈ দুৰ্গোৎসৱৰ উদ্বোধন সংগীত আৰু দেৱীস্তুতি গায়। দুৰ্গাপূজা উদ্বোধন কৰা পদসমূহকে 'জাগাৰ গোৱা' বোলা হয়। এই নিয়ম দৰঙী ৰজাসকলৰ দিনৰে পৰাই ৰজাৰ ঘৰত অনুষ্ঠিত দুৰ্গাপূজাতহে পালন কৰা হৈছিল। মুদ্ৰাবোৰ মঙ্গলচণ্ডী বা দুৰ্গাৰ প্ৰতীকী বুলি ব্যাস ওজাসকলে কয়। ৰজাৰ ঘৰ, পাতিদৰঙৰ শিৱ মন্দিৰ, ৰুদ্ৰেশ্বৰ দেৱালয়, তাম্ৰেশ্বৰ দেৱালয় আৰু ব্যাসৰ ঘৰৰ বাদে আন ঠাইত এই মুদ্ৰা লৈ জাগাৰ গোৱা নিয়ম সৰ্বসাধাৰণৰ বাবে নিষিদ্ধ আছিল। এই মুদ্ৰা অষ্ট ধাতুৰে নিৰ্মিত। দৰঙী ৰজাৰ দিনতে এই মুদ্ৰা তৈয়াৰ কৰা হৈছিল আৰু ব্যাস ওজাসকলক নিজৰ মন্দিৰত এই মুদ্ৰা ৰাখিবলৈ ৰজাই অনুমতি দিছিল। বৰ্তমানেও এই নিয়ম প্ৰচলিত হৈ আছে।

তাৰকাসুৰক বধ কৰিবলৈ ব্ৰহ্মাৰ বৰত মহাদেৱৰ ঔৰষত পাৰ্বতীৰ গৰ্ভত দেৱ সেনাপতি কাৰ্ত্তিকৰ জন্ম হোৱাত দেৱতাসকল আনন্দত মতলীয়া হৈছিল আৰু আনন্দৰ ফলস্বৰূপে তেওঁলোকৰ শৰীৰৰ পৰা হৰ্ষঘৰ্ম বাহিৰ হৈ মাটিত পৰাত তাৰ পৰাই উৎপন্ন হোৱা কাঁহ, পিতল আদি অষ্ট ধাতুৰ দ্বাৰাই মঙ্গলচণ্ডীৰ প্ৰতীকী স্বৰূপ এই মুদ্ৰাৰ সৃষ্টি কৰিলে। এই মুদ্ৰা গঠন প্ৰণালীও মন কৰিবলগীয়া। অষ্ট ধাতুৰে নিৰ্মিত দুটা পদুম ফুল ৪ ইঞ্চি দীঘলকৈ ঠাৰিৰে কাটি আনি ফুল দুটা দুফালে ৰাখি ঠাৰি দুডাল জপাই বান্ধিলে যেনেকুৱা আকৃতি পাই 'মুদ্ৰা'ৰ আকৃতিও ঠিক তেনে দেখা যায়। মাজৰ অংশটি হাতৰ মুঠিত সোমাই পৰা সদা শিৱৰ ডম্বৰুৰ দৰে দেখা যায়। মঙলদৈ অঞ্চলৰ ৰাইজৰ বিশ্বাস যে— হাতৰ মুদ্ৰালৈ ওজাসকলে নৃত্য-গীতেৰে দেৱীস্তুতি গীত গালে দেৱতাসকল হেনো পৰম সন্তুষ্ট হয়।

শ্ৰীযুত ৰজনীকান্ত বৰুৱাদেৱে তেখেতৰ 'দৰঙী কলা-কৃষ্টিৰ চমুকথা' নামৰ গ্ৰন্থত মুদ্ৰা পৰিধান কৰি ওজাসকলে দেৱীস্তুতি গোৱাৰ বিষয়ৰ জনশ্ৰুতি সম্পৰ্কে কৈছে যে- "ব্ৰহ্মাই এই বিদ্যা পোন প্ৰথমতে চিত্ৰসেন গন্ধৰ্বক দিয়ে। পিছত চিত্ৰসেন গন্ধৰ্বই ব্যাসৰ পাৰিজাতী নামৰ ধান ৰখীয়া তিৰোতা এগৰাকীক এই মুদ্ৰা গীত-নৃত্য শিকাই দিয়ে। সেই তিৰোতাজনীৰ

পৰাই প্ৰথমতে সৰ্বানন্দ ব্যাসে এই গন্ধৰ্ব বিদ্যা শিকি ল'লে। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীদেৱে এই কাল ১১-১৩ শতিকাৰ ভিতৰত বুলি কৈছে। ব্যাসৰ ওজাসকলে এই গন্ধৰ্ব বিদ্যা তিৰোতাৰ যোগেদি ৰাগ-গীত-নৃত্য আদি শিকাৰ কাৰণে তেখেতসকলে আজিও তিৰোতাৰ দৰে জামা আৰু গন্ধৰ্বৰ সাজপাৰ পৰিধান কৰিব লাগে বুলি কয়। মুদ্ৰা গীতসমূহ প্ৰথমতে সংস্কৃত ভাষাত আৰম্ভ হৈ মাজতে অসমীয়াৰ লগত মিশ্ৰিত হৈ অসমীয়াত শেষ হৈছে। ব্যাসৰ ওজাসকলে মুদ্ৰাৰ মাহাত্ম্য, নৃত্য-গীত আদি গন্ধৰ্বৰ পৰা পোৱা কথাটি দৰঙৰ ৰজাসকলৰ ওচৰত নিবেদন কৰাত তেওঁলোকে পৰম শ্ৰদ্ধাৰে এইবোৰত বিশ্বাস স্থাপন কৰিলে আৰু ওজাৰ ঘৰতে যত্ন সহকাৰে মুদ্ৰাবোৰ ৰাখিবলৈ নিৰ্দেশ দিলে। কথিত আছে যে এই মুদ্ৰা গীত সমূহ অনাদৰ বা শ্ৰদ্ধাহীনভাৱে য'তে ত'তে পৰিৱেশন কৰিলে মহাপাপ হয়।

দেৱীৰ জাগাৰ পূজাতেই মাল্চী নামৰ আন এক শ্ৰেণীৰ গীতো ওজাপালিয়ে পৰিৱেশন কৰে। জাগাৰ বা মুদ্ৰাৰ গীতৰ দৰেই অতীতত সংস্কৃতত ৰচিত মাল্চী পৰৱৰ্তী কালত ওজাপালিৰ হাতত পৰি অসমীয়া ৰূপ লয়। মালশ্ৰী শব্দৰ পৰাই 'মাল্চী' শব্দ হোৱা বুলি পণ্ডিতসকলে মত দাঙি ধৰিছে। মা- লক্ষ্মী + ল (আছে অৰ্থত) + শ্ৰী (সম্পদ) = মাল্চী শব্দ প্ৰতিপন্ন হৈছে। অৰ্থাৎ 'যি গীত গালে ধনে জনে অক্ষয় সম্পদ বাঢ়ে নিতে, সেই গীতেই মাল্চী গীত'। গীতসমূহ যথেষ্ট আধ্যাত্মিক অৰ্থৰে পৰিপূৰ্ণ আৰু ৰাগ-ৰাগিনীৰে সমৃদ্ধ। এই স্তুতিগীত সমূহৰ পৰিৱেশনে এটি গহীন পৰিৱেশৰ সৃষ্টি কৰে। ব্যাসৰ ওজাসকলে মাল্চী গীত দুই ধৰণে পৰিৱেশন কৰে— বহি সুন্দৰ লয়লাসেৰে আৰু থিয় হৈ। বহি এটি সুৰতে আৰু থিয় হৈ গালে দীঘলীয়া ৰাগ টানি গায়। জাগাৰ পূজাৰ সময়ত ওজাসকলে ওজাৰ সাজ-পাৰ নিপিন্ধাকৈ বহি বহি পদ গায় আৰু মুদ্ৰা লোৱা অনুষ্ঠানত ওজাৰ সাজ-পাৰ পৰিধান কৰি বৈদিক মন্ত্ৰেৰে বৰণ গ্ৰহণ কৰি থিয় হৈ মাল্চী গীত গায়। ৰজাঘৰীয়া দুৰ্গাপূজাতো তেওঁলোকে একে পদ্ধতিকে অৱলম্বন কৰিছিল। উল্লেখযোগ্য যে এই মালচী গীতসমূহ প্ৰধানকৈ দৰঙী কোচ ৰজাসকলৰ দিনত ৰচিত। পণ্ডিত দীনেশ্বৰ শৰ্মাৰ মতে এই মাল্চী গীতসমূহ ৰজা শিৱ সিংহৰ দ্বাৰা ভনীত। এইটোৱে প্ৰমাণ কৰে যে শিৱ সিংহৰ ৰাজ্যতো ব্যাস ওজাপালি আছিল। পাতিদৰঙৰ শিৱ মন্দিৰত জেঠুৱা নামৰ আৰম্ভণীতে ওজাপালিয়ে মাল্চী গায়। ব্যাসৰ ওজাসকলে শ্ৰীশ্ৰীদুৰ্গা পূজাৰ সময়ত ষষ্ঠীৰ দিনাৰ পৰা আৰম্ভ কৰি দশমী কৰি দশমী পূজালৈকে মাল্চী গীত গায়। এই গীতসমূহৰ দুটামান গীতৰ নমুনা তলত উল্লেখ কৰা হ'ল।

১। জন্মিল দশ ভূজা মহীতলে পূজা।
অসুৰ বধৰ হেতু।
যিজনে কৰে পূজা দুৰ্গাৰ চৰণে
সংসাৰ সাগৰে সেতু।।
ভুকুতি মুকুতি ঐশ্বৰ্য বিভূতি
দুৰ্গাক পুজিলে পায়।
দুৰ্ঘোৰ সংকটে দুৰ্গাপদ বিনে
উদ্ধাৰ কৰোঁতা নাই।।
মহিষা অসুৰে দেৱতাক খেদি
লৈলা সবে অম্ৰাৱতী।
গৈলা দেৱগণ যথা হৰি হৰ
ব্ৰহ্মাত লৈলা সন্মতি।। .......

২। নমো কাত্যায়নী ত্ৰিশূল ধাৰিণী
জগত জননী মাৰ।
শাকম্ভৰী ৰূপে জগত ৰাখিলা
কি স্তুতি কৰিবো মাৰ।।
অসুৰে দেৱক পীড়য় দেখিয়া
তাহাতে ৰাখিলা আই।
মই অধমক ৰাখিও জননী
পদ তলে দিয়া ঠাই।।
তুমি দুৰ্গা লক্ষ্মী সংসাৰ শাসিনী
জগতকে আছা ধৰি।
কিবা দ্ৰব্য দিয়া পূজিবো তোমাক
ৰাখিবাহা কৃপা কৰি।। ..........

<u>সহায়ক গ্ৰন্থপঞ্জী ঃ</u>

১। ডঃ বিজয় কুমাৰ শৰ্মা (২০০৫) ঃ দৰং জিলাৰ উৎসৱ-অনুষ্ঠানৰ অধ্যয়ন।

২। শ্ৰীৰজনীকান্ত বৰুৱা (১৯৮০) দৰঙী কলা-কৃষ্টিৰ চমু কথা।

৩। শ্ৰীদীনেশ্বৰ শৰ্মা (১৯৬১) মঙলদৈৰ বুৰঞ্জী।

৪। ডঃ ৰামচন্দ্ৰ ডেকা সম্পাদিত (২০০১) দৰঙী কলা-কৃষ্টি প্ৰবাহ।

৫। ডঃ নবীন চন্দ্ৰ শৰ্মা (১৯৯৫) অসমীয়া লোক-সংস্কৃতিৰ আভাষ।

প্ৰবন্ধ—

# প্ৰাচীন ভাৰতীয় পৰম্পৰাৰ শিক্ষা

ড° বিজয় কুমাৰ শৰ্মা
মুৰব্বী অধ্যাপক, অসময়ী বিভাগ

**মা**নুহৰ জীৱনৰ কিছুমান গুণৰ অনুশীলন বা বিকাশেই হ'ল শিক্ষা। আন কথাত মানুহৰ জীৱনেই শিক্ষা বা শিক্ষাই জীৱন। শিক্ষাই মানুহৰ জ্ঞানৰ পৰিধি বিস্তাৰ কৰে। অন্তৰ্দৃষ্টিক গভীৰ কৰি তোলে।

শিক্ষা শাস্ত্ৰত মানুহৰ মন, বুদ্ধি আৰু সৰ্বাঙ্গীন বিকাশক শিক্ষা বোলা হৈছে। শিক্ষাৰ লগত ব্যক্তিৰ সম্বন্ধ যিমান, সমাজৰ সম্বন্ধ তাতোকৈ অধিক। মানুহে জীৱনত যিখিনি জ্ঞান আহৰণ কৰে সেয়া শিক্ষাৰ পৰিণাম। শিক্ষাৰ দ্বাৰা সহস্ৰ বছৰৰ পৰা সমাজে আহৰণ কৰা অনুভৱ শিশুলৈ হস্তান্তৰিত হয়। ব্যক্তিৰ চৰিত্ৰ, ব্যক্তিত্ব, সংস্কৃতি, চিন্তা, বুজাপৰা, কুশলতা অভ্যাস তথা জীৱনৰ সৰু-বৰ কথাবোৰ শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। শিক্ষাৰ দ্বাৰা শিশুৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক বিকাশ ঘটে; চৰিত্ৰ নিৰ্মাণ হয়। সামাজিকৰণৰ জৰিয়তে প্ৰত্যেক প্ৰজন্মৰ পৰা সমাজৰ সম্পদবোৰ উত্তৰ পুৰুষলৈ সংৰক্ষণ, সংবৰ্ধন আৰু হস্তান্তৰ হৈ থাকে। গতিকে শিক্ষা প্ৰক্ৰিয়াটো সামাজিক দৃষ্টিকোণৰ পৰা চোৱাটো যুগুত।

শিক্ষা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে দেশ এখনৰ চৰিত্ৰ। অৰ্থাৎ 'দেশৰ ভৌতিক সম্পন্নতা বৌদ্ধিক শ্ৰেষ্ঠতা, সংস্কাৰকামিতা, মানৱীয় ৰুচি, সদ গুণ, সদাচাৰ, জীৱনৰ মূল্য আদি সকলোৰে আধাৰ শিক্ষা।'

শিক্ষা বিষয়ৰ পুৰণি কালৰে পৰা ভাৰতবৰ্ষৰ নিজস্ব দৃষ্টিভঙ্গী আছে। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ওপৰত বিশ্বৰ বিভিন্ন দেশৰ আস্থা গভীৰ। পৃথিৱীৰ বিভিন্ন দেশৰ পৰা ভাৰতবৰ্ষলৈ অধ্যয়নৰ বাবে শিক্ষাৰ্থীৰ আগমন ঘটিছিল। ভাৰতীয় শিক্ষা দৰ্শনৰ লগত পৰিচয় হৈ এই শিক্ষা সম্পদ তেওঁলোকৰ নিজ নিজ দেশলৈ লৈ গৈছিল।

ভাৰতবৰ্ষৰ শিক্ষাব্যৱস্থাক শিক্ষা দৰ্শন বুলিলে হয়তো আপত্তি নাথাকিব। এই শিক্ষা দৰ্শন হ'ল বিদ্যালয়ৰ অধ্যাপক, ঘৰৰ মাক-দেউতাক আৰু সমাজৰ বিশিষ্ট লোকসকলে দিয়া সাৰতত্ব। এই সাৰতত্বত নিহিত আছে ভাৰতীয় জীৱন দৰ্শন।

প্ৰশ্ন উঠিব পাৰে ভাৰতীয় জীৱন দৰ্শননো কি? ভাৰতীয় জীৱন দৰ্শন উপলব্ধি কৰিবলৈ কেইবাটাও তত্বৰ লগত পৰিচয় হোৱা দৰকাৰ। ভাৰতীয় জীৱন দৰ্শনৰ মূল তত্ব আমি আত্মা। অকল শৰীৰ, মন আৰু বুদ্ধিয়েই আমি নহয় আমি আত্মা। এই ধাৰণাটোৰ লগত পৰিচয় হোৱাটো প্ৰথম কথা। আত্মাৰ ধাৰণাটো হ'ল সঁচা জীৱন পদ্ধতি। আত্মাৰ ধাৰণা উপলব্ধি কৰিবলৈ শিক্ষাৰ বিষয়ে কোৱা হৈছিল— 'সা বিদ্যা যা বিমুক্তয়ে'। সাধাৰণ অৰ্থত বাক্যটোৱে দৈনন্দিন জীৱনৰ পৰা ফালৰি কাটি পৰমাত্মা. আধ্যাত্মিকতা আদিৰ কথা কোৱা যেন লাগে। আচলতে বাক্যটোৱে প্ৰকাশ কৰা অৰ্থ হ'ল— কৰ্মেন্দ্ৰিয়ৰ জড়তা নাশ কৰা, জ্ঞানেন্দ্ৰিয়ক অসংবেদনশীলতাৰ পৰা মুক্ত কৰা। অৰ্থাৎ-মানুহক স্বতন্ত্ৰ আৰু পূৰ্ণতাপ্ৰাপ্ত কৰাটোৱেই বিমুক্তি। কৰ্মেন্দ্ৰিয়ৰ জড়তা নাশ কৰিবৰ শাৰীৰিক, প্ৰাণীক, মানসিক, বুদ্ধি আৰু আত্মাৰ বিকাশৰ প্ৰয়োজন।

শাৰীৰিক বিকাশ হ'ল শৰীৰ ভালে ৰখা ব্যৱস্থা। শৰীৰ ভাল মানে বল শক্তি থকা প্ৰতিটো অংগ ক্ৰিয়াশীল হৈ থকা, প্ৰতিকুল পৰিস্থিতিতো কষ্ট সহিষ্ণু হৈ থাকিব পৰা, এনেকুৱা শৰীৰক বিকশিত শৰীৰ বোলা হয়।

জীৱিত মানুহ মাত্ৰেই প্ৰাণ থাকে। এই প্ৰাণ বলবান, আত্মবিশ্বাসী, উৎসাহী, বিজিগীষু মনোবৃত্তি, দৈন্যভাৱ নোহোৱা, হেয় মনোভাৱ নথকা,

নিৰাশা আৰু হতাশগ্ৰস্ত নোহোৱা আৰু সদায় কৰ্মক প্ৰবৃত্ত হোৱাকে প্ৰাণৰ বিকাশ বোলে। মনোৰুগ্নতা আঁতৰ কৰা, লালসা, বাসনা, দুখ, মোহ আদি দূৰ কৰি একাগ্ৰতা, দয়া, কৰুণা, স্নেহ, অনুকম্পাৰে মনটো জাগ্ৰত কৰাই মানসিক বিকাশ।

ভালবেয়া, সঁচা-মিছা, উচিত-অনুচিত আদি যুক্তিৰে অনুমান কৰা, সাম্য-ভেদ আদিৰ আধাৰত তুলনা কৰা আদিৰ মাধ্যমেৰে বুদ্ধিয়ে বিবেক তৈয়াৰ কৰে। মন স্থিৰ আৰু শান্ত হৈ থাকিলে বুদ্ধিৰ বিকাশ ঘটে।

শৰীৰ, মন, প্ৰাণ আৰু বুদ্ধিৰ ঠিক মতে বিকাশ ঘটিলে জড়তা, প্ৰমাদ, মোহ, চঞ্চলতা, অজ্ঞানতা, অবিবেকতা আদি নোহোৱা হয়। তেতিয়া আত্মা হৈ পৰে জ্ঞানময়, আনন্দময়, প্ৰেমময়। এই অনুভূতিৰ আন নাম মুক্তি। মুক্তিৰ লক্ষ্যই সাংসাৰিক জীৱনৰ পৰা আঁতৰি যোৱাটো নুবুজায়, বৰঞ্চ সাংসাৰিক জীৱনক ভালতকৈ ভাল কৰি লোৱাটোকহে সূচায়।

আমাৰ শিক্ষা ব্যৱস্থাত বুদ্ধিৰ বিকাশ ঘটাব বিচৰা হৈছে কিন্তু শৰীৰ, মন, প্ৰাণৰ বিকাশৰ নিয়ম প্ৰণালীবোৰ শিথিল। অকল বুদ্ধিৰ বিকাশেই পৰ্যাপ্ত নহয়। মনোভাৱ ভাল নহলে বুদ্ধিৰ বিকাশে মানুহক স্বাৰ্থপৰ, শোষক আদি কৰি তোলে। সেয়ে বুদ্ধিৰ বিকাশৰ আগত স্থান দিয়া হৈছে আত্মাৰ বিকাশৰ। আত্মাৰ বিকাশ নঘটিলে মনুষ্য জীৱন সাৰ্থক নহয়। এনে দোষ আঁতৰাব পাৰিলে বিদ্যা হৈ পৰে ভোগকৰী, যশকৰী আৰু যুগকৰী। উল্লেখ কৰা প্ৰয়োজন যে এই আলোচনাত শিক্ষা, বিদ্যা আৰু জ্ঞান শব্দকেইটা প্ৰায়বোৰ ক্ষেত্ৰতে সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হৈছে যদিও প্ৰসঙ্গ মৰ্মে প্ৰতিটো শব্দই নিজা অৰ্থ বহন কৰিছে।

"প্ৰাচীন যুগৰ পৰাই ভাৰতৰ সকলো সমাজ ৰচনাত ব্যক্তিগত গুণ দোষ, সামাজিক শিষ্টাচাৰ, সদ্ গুণ, বাণিজ্য, কলা কাৰিকৰী, শাসন-প্ৰশাসন, তত্বজ্ঞান, মনোবিজ্ঞান, অৰ্থশাস্ত্ৰ, ৰাজনীতিশাস্ত্ৰ, বিজ্ঞান, তন্ত্ৰ জ্ঞান, কৃষি, উদ্যোগ, ব্ৰত, উৎসৱ পৰ্ব, খোৱা-লোৱা, থকা-মেলা, গৃহ নিৰ্মাণ আদি জীৱনৰ সৰু বৰ দিশ জীৱন দৰ্শনৰ ওপৰত আধাৰিত হৈ আছে। জীৱন দৰ্শন আৰু শিক্ষা ব্যৱস্থা একাকাৰ হোৱা বাবে ভাৰত চিৰঞ্জীৱ হৈ আছে।" শিক্ষাশাস্ত্ৰ জীৱন দৰ্শনৰ ওপৰত আধাৰিত নহ'লে দেশৰ দুৰৱস্থা সুস্থ অৱস্থালৈ অনাত অসুবিধা হৈ পৰে। ইংৰাজসকলে ভাৰতবৰ্ষত যি শিক্ষা ব্যৱস্থাৰ পাতনি মেলিলে তাৰ জৰিয়তে ভাৰতবৰ্ষই ইংৰাজ পূৰ্বৰ শিক্ষা দৰ্শনৰ পৰিবৰ্তন আনিলে, ফলত ইউৰোপীয় দেশ আৰু ভাৰতবৰ্ষৰ জীৱন দৰ্শনৰ সংঘৰ্ষ, কেতিয়াবা কেতিয়াবা দুয়োটাৰে খিচিৰি হৈ পৰাত দুৰৱস্থা, দৰিদ্ৰতা আৰু মানসিক অৱসাদ আহি পৰিছে। সেয়ে ভাৰতীয় জীৱন দৰ্শনৰ ওপৰত ভিত্তি কৰি শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন কৰাটো ভাল। এই পৰিবৰ্তন সূক্ষ্মও হ'ব পাৰে স্থূলও হ'ব পাৰে, ব্যৱস্থা অথবা পৰিস্থিতি অথবা প্ৰক্ৰিয়াৰ দিশতো সলনি হ'ব পাৰে।

বৰ্তমান ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা অধ্যাপন আৰু অধ্যাপক কেন্দ্ৰিক; অধ্যয়ন বা অধ্যয়ন কৰোঁতাক লৈ নহয়। মানুহৰ অন্তৰত সমস্ত জ্ঞান নিহিত হৈ থাকে, ইয়াক প্ৰকট কৰাটোৱে শিক্ষা। মানুহে যেতিয়া কৰ্মেন্দ্ৰিয়, জ্ঞানেন্দ্ৰিয় বিলাক মন, বুদ্ধি, চিত্ত, অহংকাৰ বিকশিত কৰাৰ বাবে ব্যৱহাৰ কৰে তেতিয়া আত্মাৰ ওপৰৰ পৰা অজ্ঞতাৰ আৱৰণ দূৰ হৈ জ্ঞান স্বৰূপে আত্ম প্ৰকট হয়। এনেকুৱা স্থিতিলৈ অহাটোৱেই শিক্ষাৰ প্ৰক্ৰিয়া। এই অৱস্থা পাবৰ বাবে প্ৰয়োজনীয় গুণ হ'ল শ্ৰদ্ধা। শ্ৰীমদ্ভাগৱত গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে— "শ্ৰদ্ধাবান লভতে জ্ঞানম্ তৎপৰম সংযতেন্দ্ৰিয়"। অৰ্থাৎ যিজন শ্ৰদ্ধাবান, তৎপৰ আৰু ইন্দ্ৰিয়ক সংযত কৰিব পাৰে, তেৱেঁই জ্ঞান আহৰণ কৰিব পাৰে। শ্ৰদ্ধা মানে নিজে নিজৰ ওপৰত ৰখা শ্ৰদ্ধা, জ্ঞানক শ্ৰদ্ধা আৰু জ্ঞান দান কৰি ৰাখিব পৰা শক্তি। মনে বিভিন্ন আসক্তিৰ পিছত দৌৰি ফুৰে। খং, ৰাগ, সুখ, দুখ আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈ বিবেকৰ দুৱাৰ বন্ধ কৰি ৰাখে। ইয়াৰ দ্বাৰা জ্ঞান অৰ্জনত বাধা আহি পৰে। সেয়ে বিদ্যাৰ্থীৰ মন সংযত হোৱাটো অতীব প্ৰয়োজনীয় বিষয়।

বিদ্যাৰ্থীৰ ব্যৱহাৰ সন্দৰ্ভত গীতাত কোৱা হৈছে— 'তদ্বিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেবয়া'। প্ৰণিপাতৰ অৰ্থ— বিনম্ৰ হোৱা, পৰিপ্ৰশ্ন হৈছে বাৰে বাৰে প্ৰশ্ন সোধা আৰু সেৱাৰ মনোভাৱেৰে গ্ৰহণ কৰা। অধ্যয়নৰ উপাদান পাঁচটা— অধীতি, বোধ, অভ্যাস, প্ৰয়োগ আৰু প্ৰসাৰ। অধীতিৰ অৰ্থ আনক পঢ়িবলৈ দি

জ্ঞানেন্দ্ৰিয়ৰ যোগেদি বুজিবলৈ যত্ন কৰা। বোধ আৰু অভ্যাস হ'ল মন, বুদ্ধি আদিৰে গ্ৰহণ কৰাবোৰ আত্মাধীন কৰিবলৈ যত্ন কৰা। প্ৰয়োগৰ অৰ্থ হ'ল লাভ কৰা জ্ঞান জীৱনৰ ব্যাপক স্থিতিত ব্যৱহাৰ কৰা। প্ৰসাৰ হ'ল স্বাধ্যায় আৰু প্ৰবচন। স্বাধ্যায় হ'ল উপলব্ধ জ্ঞানক মৌলিক চিন্তাৰ দ্বাৰা সমৃদ্ধ কৰা, প্ৰবচন হ'ল নিজৰ জ্ঞান সমাজৰ হিতৰ বাবে বিনিয়োগ কৰা। জ্ঞানাৰ্জনৰ এই কাৰকসমূহ বিকাশশীল কৰিবৰ বাবে নিম্নলিখিত বিষয়সমূহত গুৰুত্ব আৰোপ কৰা হৈছিল। বিষয়সমূহ অধ্যয়নৰ ফল এনেধৰণৰঃ

১) খেলা-ধূলা আৰু শ্ৰম কৰিলে শৰীৰ সুস্থ হৈ থাকে, ২) প্ৰাৰ্থনা যোগভ্যাস আদিৰে সিৰা উপসিৰাবোৰ পৰিশোধন কৰা হয়, ৩) গণিত, তৰ্কশাস্ত্ৰ অধ্যয়নৰ যোগেদি তাৰ্কিক আৰু তাত্বিক প্ৰক্ৰিয়া উপলব্ধি কৰিব পৰা যায়, ৪) বিজ্ঞান পঢ়িলে নিৰীক্ষণ, পৰীক্ষণ, সংশ্লেষণ, বিশ্লেষণ আদি পদ্ধতিৰ বিকাশ হয়, ৫) ভাষা অধ্যয়ন কৰিলে বাণী নামৰ কৰ্মেন্দ্ৰিয়ৰ বিকাশৰ লগতে চিন্তা-চৰ্চাৰ প্ৰণালী পৰিষ্কাৰ হয় আৰু সৃষ্টিৰ প্ৰতি আত্মিক দৃষ্টিকোণ ওপজে, ৬) সাহিত্য অধ্যয়নৰ লগতে সৌন্দৰ্যবোধ, ৰসানুভূতি, সংবেদনশীলতা আদি গুণ বাঢ়ে, ৭) ইতিহাস আৰু ভূগোল অধ্যয়নৰ ফলত দেশ, কালৰ ধাৰণা ব্যাপক হয়, ৮) সংগীত সাধনাৰ ফলত ৰসবৃত্তি পৰিষ্কাৰ হয়, বাণী শুদ্ধ আৰু মধুৰ হয়, মনস্থিৰ আৰু একাগ্ৰ হোৱাৰ লগতে বুদ্ধিৰ একাত্ম হয়। জ্ঞানাৰ্জনৰ ক্ষেত্ৰত স্বতন্ত্ৰতাৰ সিদ্ধান্ত প্ৰয়োগ কৰা হয়। মদ্ভাগৱত গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছিল 'যথেচ্ছসি তথা কুৰু' অৰ্থাৎ তোমাৰ যেনে ইচ্ছা তেনে কৰা। প্ৰাচীন ভাৰতবৰ্ষত গুৰুৱে শিষ্যক জ্ঞান নিদিয়ে; জ্ঞান লাভৰ উপায় নিৰ্দেশ কৰে। শিষ্যই নিজে জ্ঞান আহৰণ কৰিব লাগে।

জ্ঞান অৰ্জনৰ কাৰকৰ বিকাশৰ আন এটা মাধ্যম হৈছে জীৱন চৰ্চা। অৰ্থাৎ আহাৰ, নিদ্ৰা, অভ্যাস, সেৱাকাৰ্য, খেল-ধেমালি, মনোৰঞ্জন আদি। শৰীৰক শোষণ আৰু মনক সংস্কাৰিত কৰাৰ দৃষ্টিৰে শিক্ষাৰ্থীৰ ভোজন শুদ্ধ আৰু সাত্বিক হোৱা উচিত। সোনকালে শোৱা, সোনকালে শুই উঠা, ৰোগীক পৰিচৰ্যা কৰা, সংযম, সদাচাৰ, পৰিশ্ৰম, সৰলতা, ঋজুভাষিতা, বিনয়ীশীলতাই মন আৰু বুদ্ধিক সাত্বিক কৰে। এইবোৰ শিক্ষাৰ্থীৰ জীৱন চৰ্যাৰ অংশ। এইবোৰৰ শৈক্ষিক গুৰুত্ব আছে। আজি কালিৰ পঢ়াৰ লগত এইবোৰৰ সম্পৰ্ক দেখা নাযায়।

আজিৰ ভাৰতবৰ্ষৰ শিক্ষা পশ্চিমীয়া আৰ্হিৰে গঢ় লৈ উঠা বাবে জাতীয় জীৱনত আঘাত পৰিছে। আনৰ পৰা আহৰণ কৰা জীৱন দৰ্শন ইমানেই শক্তিশালী হৈ পৰিছে যে সি তপস্যাৰত মহাদেৱৰ ওপৰত কামদেৱৰ আক্ৰমণৰ দৰে। সেয়েহে বেদৰ সময়ৰে পৰা আৰম্ভ কৰি আজিলৈকে বিদ্যাৰ গুৰুসকলক স্মৰণ কৰি তেওঁলোকৰ প্ৰেৰণাৰে, ভাৰতীয় ব্যৱস্থাৰে শিক্ষাক পুনৰ গঠন কৰিলেই বিশ্বক চমক লগাব পাৰিব বুলি আশা কৰিব পাৰি।

■■

প্ৰবন্ধ—

# 'ঠাৰ' মঙলদৈ অঞ্চলত প্ৰচলিত গুপ্তভাষা

ৰূপজ্যোতি বৰুৱা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ।

মানৱ সমাজত ইজনে সিজনৰ মনৰ ভাৱ প্ৰকাশ কৰিবৰ কাৰণেই ভাষাৰ জন্ম। কিন্তু কেতিয়াবা এটা ভাষা সম্প্ৰদায়ৰ লোকৰ মাজত বিশেষ পৰিস্থিতিত এজনৰ মনোভাৱ যাতে আন এজনে বুজি নাপায় তাৰ কাৰণেও এক প্ৰকাৰ ভাষাৰ উদ্ভৱ হয়। ইয়াৰ নামেই গুপ্ত ভাষা।

সাধাৰণতে বেপাৰী, ৰাজনৈতিক বিদ্ৰোহী দল, সৈনিক, গুপ্তচৰ আৰু অপৰাধী জগতৰ চোৰ-ডকাইত, চোৰাং বেপাৰী আদি লোকৰ মাজত গুপ্তভাষাৰ বিশেষভাৱে প্ৰচলন থকাৰ কথা জনা যায়। গোপনীয়তা ৰক্ষাই গুপ্তভাষা সৃষ্টিৰ মূল কাৰণ। সেয়ে কিছুমান সম্প্ৰদায়ৰ মাজতো সাম্প্ৰদায়িক গোপনীয়তা ৰক্ষা কৰিবলৈ কিছুমান সাংকেতিক ভাষাৰ ব্যৱহাৰ কৰা হয়। ডঃ সুকুমাৰ সেনে তেখেতৰ 'ভাষাৰ ইতিবৃত্ত' নামৰ গ্ৰন্থখনত গুপ্তভাষাৰ সংজ্ঞা এনেদৰে দিছে— "গোপনীয় তথ্য সৰবৰাহ অথবা অসৎ উদ্দেশ্য দলৰ লোকৰ ওচৰত প্ৰকাশ্যে আনৰ কাৰণে অবোধ্য অথচ প্ৰয়োজনীয় সংলাপ স্বাভাৱিক ভাৱে চলাবৰ কাৰণে বিশেষ বিশেষ শব্দ বিশেষ বিশেষ অৰ্থত ব্যৱহাৰ কৰা হয়। এনে ধৰণৰ ভাষা ব্যৱহাৰকে অপাঠ্য ভাষা বা সাংকেতিক ভাষা বোলা হয়।"

পৃথিৱীৰ বিভিন্ন ঠাইত এই সংকেতিক বা গুপ্তভাষাৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। ভাৰতৰ উত্তৰ পশ্চিম সীমান্ত অঞ্চলত প্ৰচলিত যাযাবৰী গুপ্তভাষাৰ প্ৰায় বাৰটামান ৰূপৰ প্ৰচলন আছে। সেইবোৰৰ গঠন প্ৰণালীত কোনো কোনো ঠাইৰ বিদেশী গুপ্তভাষাৰ গঠন প্ৰণালীৰ সৈতে সদৃশ্য আছে। পৃথিৱীৰ আন আন ঠাইৰ দৰেই অসমীয়া ভাষাৰ মাজতো এনে গুপ্তভাষাৰ ব্যৱহাৰ দেখা যায়। বিশেষকৈ কোনো কোনো সম্প্ৰদায়ে নিজৰ সাম্প্ৰদায়িক গোপনীয়তা ৰক্ষা কৰিবলৈ আনে বুজি নোপোৱাকৈ এই সাংকেতিক ভাষাৰ ব্যৱহাৰ কৰে। ডঃ ৰমেশ পাঠকে 'ভাষা বিজ্ঞানৰ ভূমিকা' নামৰ গ্ৰন্থখনত অসমীয়া সোণাৰী সকলৰ মাজত প্ৰচলিত এনে এটি গুপ্তভাষাৰ বিষয়ে উল্লেখ কৰিছে। এইখিনিতে পুৰণি অসমীয়া 'চৰ্যাগীত' সমূহৰ ভাষা 'সন্ধ্যা ভাষা'কো এক প্ৰকাৰৰ সাংকেতিক ভাষা বুলি ক'ব পাৰি।

অসমীয়া ভাষাৰ এই গুপ্তভাষা সমূহৰ বিষয়ে বিস্তৃতভাৱে চৰ্চা হোৱা নাই। ডঃ উপেন্দ্ৰনাথ গোস্বামী দেৱে তেখেতৰ 'ভাষা বিজ্ঞান' নামৰ গ্ৰন্থখনৰ এঠাইত এই বিষয়ে এটি চমু আলোচনা আগবঢ়াইছে। এই আলোচনা প্ৰসঙ্গত মঙলদৈ অঞ্চলৰ বিশেষকৈ ব্যাসপাৰাৰ ব্যাস ওজা সকলৰ মাজত প্ৰচলিত 'ঠাৰ'টোক তেওঁ অসমীয়া ভাষাৰ বিশিষ্ট গুপ্তভাষা বুলি অভিহিত কৰিছে।

মঙলদৈত অঞ্চলত এসময়ত কেইবাপ্ৰকাৰৰ গুপ্তভাষাৰ প্ৰচলন আছিল। এই গুপ্তভাষা সমূহক 'ঠাৰ' বুলি কোৱা হয়। 'ঠাৰ' শব্দৰ আভিধানিক অৰ্থ 'আকাৰে ইঙ্গিতে বুজোৱা'। মঙলদৈৰ ভালেমান অঞ্চলত এই 'ঠাৰ' সমূহৰ প্ৰচলন আছে যদিও ব্যাসপাৰা, বড়িগাঁও আৰু থেকেৰাবাৰীত ইয়াৰ প্ৰচলন ব্যাপক আছিল। এই গুপ্তভাষা সমূহৰ প্ৰচলনৰ সঠিক কাৰণ নিৰ্ণয় কৰা কঠিন। এসময়ত ব্যাপকভাৱে প্ৰচলিত এই গুপ্তভাষা সমূহ চৰ্চাৰ অভাৱত বৰ্তমান লুপ্তপ্ৰায়। এতিয়াও ব্যাসপাৰা বড়িগাঁও আৰু থেকেৰাবাৰীত যি 'ঠাৰ' চলি আছে সেইটোযে এসময়ৰ বিখ্যাত গুপ্তভাষাটোৰ বিকৃত অৱস্থা সেয়া সহজে অনুমান কৰিব পাৰি। মঙলদৈত 'কৰ পল্লৱ', 'বৰৰুচি ঠাৰ', 'আকাৰ ইকাৰ ঠাৰ' আদি কেইবাপ্ৰকাৰৰ 'ঠাৰ'ৰ প্ৰচলন আছে যদিও 'উল্টা ঠাৰ' বুলি চলি অহা গুপ্তভাষাটোকহে বিশিষ্ট গুপ্তভাষা বুলি ক'ব পাৰি।

এইগুপ্তভাষাটোত সাধাৰণতে শব্দত ব্যৱহাৰ হোৱা বৰ্ণসমূহৰ ক্ৰম ওলোটাই নতুন শব্দ সৃষ্টি কৰা হয় আৰু সেই নতুন শব্দৰে বাক্য গঠন কৰা হয়। ইয়াৰে কিছুমানৰ গঠন পদ্ধতি আন ভাষাৰ গুপ্তভাষাৰ গঠন পদ্ধতিৰ সৈতে মিল আছে আৰু কিছুমান শব্দ কোনো নিয়মৰ মাজেৰে গঠন হোৱা নাই। সংস্কৃত ব্যাকৰণৰ 'নিপাতনে সিদ্ধ'ৰ দৰে এই শব্দবোৰো নিপাতনে সিদ্ধ।

মঙলদৈত প্ৰচলিত গুপ্তভাষাটো মঙলদৈৰ স্থানীয় উপভাষাৰ ওপৰত ভিত্তি কৰিয়েই সৃষ্টি হৈছে। সেয়ে ধ্বনি আৰু ৰূপতত্ত্বৰ ক্ষেত্ৰত স্থানীয় উপভাষাটোৰ লগত গুপ্তভাষাটোৰ পাৰ্থক্য নাই, পাৰ্থক্য মূলতঃ শব্দ সম্ভাৰৰ ক্ষেত্ৰতহে। গুপ্তভাষাটোত ব্যৱহাৰ হোৱা শব্দসমূহ স্থানীয় উপভাষাটোত ব্যৱহাৰ হোৱা শব্দসমূহৰ পৰা ধ্বনি পৰিবৰ্তনৰ কেইটামান বিশেষ প্ৰক্ৰিয়াৰে পৰিবৰ্তন হৈ গঠন হৈছে। তলত সেই প্ৰক্ৰিয়া সমূহৰ এটি চমু আলোচনা আগবঢ়োৱা হ'ল —

**১। ধ্বনি বিপৰ্যয় ঃ**

কোনো শব্দৰ বিভিন্ন স্থানত থকা দুটা ধ্বনিৰ পাৰস্পৰিক স্থান পৰিবৰ্তনৰ প্ৰণালীৰ নাম ধ্বনি বিপৰ্যয়। এই প্ৰক্ৰিয়াত উচ্চাৰণ কৰোতে শব্দৰ বিভিন্ন স্থানত থকা ধ্বনিৰ অগা-পিছা হয়। মঙলদৈ অঞ্চলত প্ৰচলিত এই গুপ্তভাষাটোৰ অধিক সংখ্যক শব্দতেই ধ্বনি পৰিবৰ্তনৰ এই নিয়ম প্ৰযোজ্য হয় যেনে ঃ

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| ভাত | তাভ |
| পানী | নাপী |
| হাত | তাহ |

**২। অক্ষৰ বিপৰ্যয় ঃ**

কোনো শব্দৰ বিভিন্ন স্থানত থকা দুটা অক্ষৰৰ পাৰস্পৰিক স্থান পৰিবৰ্তনৰ নাম অক্ষৰ বিপৰ্যয়। মঙলদৈৰ গুপ্তভাষাটোত অক্ষৰ বিপৰ্যয় ঘটাই নাইবা ধ্বনি আৰু অক্ষৰ দুয়োটাৰে বিপৰ্যয় ঘটাই নাইবা ধ্বনি আৰু অক্ষৰ দুয়োটাৰে বিপৰ্যয় ঘটাই শব্দ সৃষ্টি কৰা হয়, যেনে —

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| ৰাতি | তিৰা |
| পিৰা | ৰাপি |
| ঘটি | টিঘ |

**৩। আগম ঃ**

উচ্চাৰণ সহজ কৰিবৰ কাৰণে শব্দৰ আগত নতুন ধ্বনিৰ আগম হয়, ইয়াৰ ফলত মূল শব্দটোৱেই নতুন ৰূপত দেখা দিয়ে। যেনেঃ সংস্কৃত ঃ স্ত্ৰী > প্ৰাকৃত ঃ ইস্থী। মঙলদৈত গুপ্ত ভাষাটোত এই নিয়মেৰেও কিছুমান শব্দ গঠন হৈছে, যেনে —

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| মাহ | হ্‌মাহ |
| আনা | হানা |
| ঝিয়া | ঝিঝিয়া |

৪। ধ্বনি বিপৰ্যয়ৰ উপৰিও আন নতুন ধ্বনি যোগ দিও নতুন নতুন শব্দ সৃষ্টি কৰা হয় যেনে—

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| খা | বাখে (খা> আখ, ব + আখ = বাখ) |
| দি (দিয়া) | বিদ (দি> ইদ, ব+ ইদ = বিদ্) |
| আঠ | ঠাহ (আঠ> ঠা+ হ = ঠাহ) |

৫। এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি বহুৱাই নতুন শব্দ সৃষ্টি কৰা হয়, যেনে—

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| কাপোৰ | দাপোৰ |
| অসুৰ | মচুৰ |
| পাঁচটা | থাচটা |

৬। এটা শব্দৰ আৰম্ভণি আৰু মাজত এটা নতুন ধ্বনি যোগ দি, যেনে —

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| এটা | এটা > খ-এ-হ-টা> খেহটা। |

৭। কোনো সম্প্ৰদায় বুজোৱা শব্দৰ প্ৰথম নাইবা শেষৰ ধ্বনিৰ লগত নতুন ধ্বনি যোগ কৰি, যেনে —

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| বামুণ | বকাৰ |
| গনক | কজাৰ |

৮। কেতিয়াবা স্থানীয় শব্দৰ সলনি কিছুমান সংস্কৃত শব্দৰ এটা বৰ্ণৰ ঠাইত আন এটা বৰ্ণ বহুৱাই নতুনকৈ শব্দ সৃষ্টি কৰা হয়, যেনে —

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| ভচক | ভুচুল |

ওপৰত দিয়া নিয়ম বিলাকেৰে গঠিত শব্দৰ উপৰিও এই গুপ্ত ভাষাটোত আৰু দুই ধৰণৰ শব্দৰ ব্যৱহাৰ কৰা হয় ঃ

(ক) কিছুমান সংস্কৃত শব্দৰ কোনো পৰিবৰ্তন নোহোৱাকৈ ব্যৱহাৰ হয়, যেনে—

| মান্য অসমীয়া | সংস্কৃত | মঃ গুঃ ভাঃ |
|---|---|---|
| চোৰ | তস্কৰ | তস্কৰ |
| এতিয়া | অধুনা | অধুনা |
| ছাগলী | মেচা | মেচা |

(খ) কিছুমান একেবাৰে নতুন শব্দৰ ব্যৱহাৰ কৰি। এই শব্দবোৰৰ আতি-গুৰি বিচাৰি পোৱা কঠিন, যেনে —

| মঃ স্থাঃ উঃ | মঃ গুঃ ভাঃ |
|---|---|
| তেখেত | নাৰ |
| গাখীৰ | খিলো |
| মাছ | ছামিলা |
| মানুহ | বান |
| মই | হোমি |
| তাই | নাবেকি, খেহেনি |
| সি | ততৰা |
| | - ইত্যাদি |

ভাষাটোত ব্যৱহৃত শব্দসমূহৰ কিছুমানে পৰিস্থিতি ভেদে ভিন্ ভিন্ অৰ্থ প্ৰকাশ কৰে, যেনে- বান - মানুহ, মতা মানুহ?

দৈনন্দিন জীৱনত ব্যৱহৃত সকলো শব্দ ভাষাটোত পোৱা নাযায় যদিও ব্যৱহাৰ কৰা সকলে নতুন শব্দ এটাও হঠাতে সলনি কৰি ওলোটাকৈ কৈ দিব পাৰে।

এনেকৈ সৃষ্ট শব্দবোৰৰ পিছত আৰু অনুসৰি অসমীয়া শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি আদি লগ লগোৱা হয়, যেনে ঃ গে+ইল > গেল, = গ'ল, গুল+ই'ল> গুলিল = মৰিল, মাটি> টামি+তে> তামিতে = মাতিতে ইত্যাদি।

ওপৰৰ চমু আলোচনাৰ পৰা জানিব পাৰি যে এই ভাষাটো (ঠাৰ) যথেষ্ট বুদ্ধি খটুৱাই সৃষ্টি কৰা হৈছিল। অসমীয়া ভাষাত এই ভাষাটোৱে এটা বিশিষ্ট গুপ্ত ভাষাৰ আসন অধিকাৰ কৰি আছে।

নোট ঃ

সংক্ষিপ্ত ৰূপ আৰু চিহ্ন ঃ

মঃ স্থাঃ উঃ - মঙলদৈৰ স্থানীয় উপভাষা

মঃ গুঃ ভাঃ - মঙলদৈৰ গুপ্ত ভাষা

'>' - এটাৰ পৰা হোৱা

প্ৰবন্ধ—

# মানৱতাৰ এক চমু অৱলোকন

মঞ্জু কলিতা
সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ।

**মা**নৱতাবাদৰ ধাৰণা প্ৰাচ্য তথা পাশ্চাত্যৰ যদিও প্ৰাচীন কালৰ পৰাই বিদ্যমান তথাপি এক দাৰ্শনিক আৰু সাহিত্যিক জাগৰণ হিচাপে ইয়াৰ আৰম্ভণি হৈছিল চৈধ্যশ শতিকাৰ দ্বিতীয় ভাগত ইটালীত। মানৱতাবাদৰ প্ৰথম প্ৰৱৰ্তক হিচাপে পেট্ৰাক নামৰ চিন্তাবিদজনৰ নাম উল্লেখ কৰিব পাৰি। তেওঁ 'Humanities' নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল আৰু এই কিতাপখনেই সমগ্ৰ মানৱ সমাজত মানৱতাবাদৰ সচেতনতা জগাই তুলিছিল। মানৱতাবাদ নৱজাগৰণৰ এক মৌলিক দিশ আৰু ইয়াৰ পৰাই সেইসময়ৰ চিন্তাবিদ সকলে মানুহক প্ৰকৃতিজগতৰ লগত পুনৰ ঐক্যবদ্ধ কৰিব বিচাৰিছিল।

ইংৰাজী 'Humanities' শব্দটো অসমীয়া 'মানৱতাবাদ' শব্দটোৰ প্ৰতিশব্দ হিচাপে গ্ৰহণ কৰা হৈছে। এই 'Humanities' শব্দটো আহিছে লেটিন শব্দ 'Humanities' ৰ পৰা; যাৰ অৰ্থ হৈছে মানুহৰ আত্মাৰ পূৰ্ণতাৰ অনুসন্ধান অৰ্থাৎ সম্ভাৱনা বিকাশৰো ইঙ্গিত দিয়ে। মানৱতাবাদৰ এক প্ৰথম দিশ হ'ল মানৱীয়তাৰ পৰিপূৰ্ণতাৰ অনুসন্ধান কৰা। মানৱতাবাদে 'মনুষ্যত্ব' শব্দৰ লগত সন্মিলিত মানৱধৰ্মী গুণ যেনে বুজাবুজি, বদান্যতা, দয়া-ক্ষমা, সহিষ্ণুতা, বিচাৰশক্তি, বিচক্ষণতা, বাগ্মিতা আৰু চৰিত্ৰৰ উৎকৰ্ষতা আদিকো সূচায়। গ্ৰীকসকলে Humanities ক 'Padia' বুলিও কয়। Padia শব্দই শিক্ষা বুজায় আৰু এনেকুৱা শিক্ষাই মানুহক উদাৰপন্থী কলাক বিবেচনা কৰাত সহায় কৰে। এই ধৰণৰ শিক্ষাই মানুহক পশুত্বৰ পৰা পৃথক কৰায় অৰ্থাৎ মানুহক মনুষ্যত্বৰ জ্ঞান প্ৰদান কৰে। মানৱতাবাদক সূত্ৰিত কৰিবলৈ হ'লে প্ৰকৃতাৰ্থত মানুহ হোৱাৰ যি আদৰ্শ সেই আদৰ্শ সম্পৰ্কে জগতত মানুহৰ স্থান কি, মানুহৰ ভৱিষ্যত কি, মানুহৰ স্বতন্ত্ৰতা আৰু মৰ্যাদাৰ ভিত্তি কি এই সম্পৰ্কীয় সকলোবিলাক দাৰ্শনিক পদ্ধতি আৰু নৈতিক নিয়ম সম্পৰ্কে গভীৰভাৱে চিন্তা কৰিব লাগিব।

মানৱতাবাদৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হিচাপে তলত উল্লেখ কৰা বৈশিষ্ট্যবোৰকে উনুকিয়াব পাৰি ঃ

১। এই বিশ্বব্ৰহ্মাণ্ডত মানুহেই হৈছে সঁচা-মিছা বিচাৰৰ একমাত্ৰ মাপকাঠি (Man is the measure of all things) —এই কথাষাৰ প্ৰাচীন গ্ৰীক দাৰ্শনিক প্ৰট'গোৰাছে উল্লেখ কৰিছিল। ভাৰতীয় চিন্তাবিদ তথা দাৰ্শনিক চণ্ডী দাসে কৈছে— "সবাৰ উপৰে মানুহ সত্য তাহাৰ উপৰে নেই।" আন্তৰ্জাতিক খ্যাতি সম্পন্ন মানৱতাবাদী সংগীতজ্ঞ শ্ৰদ্ধাৰ ডঃ ভূপেন হাজৰিকা দেৱেও তেওঁৰ এটি বিখ্যাত গীতত উল্লেখ কৰিছে— "মানুহে মানুহৰ বাবে /যদিহে অকনো নাভাবে/ ভাবিব কোনেনো কোৱা..." অৰ্থাৎ- মানুহৰ মুক্তিদাতা মানুহবোৰেই।

২। মানুহে নিজৰ ভাগ্য নিজেই নিৰ্ণয় কৰে।

৩। সকলো ধৰণৰ অতিপ্ৰাকৃতিক বিষয়ক বৰ্জন কৰাটো মানৱতাবাদৰ আন এক বৈশিষ্ট্য।

৪। মানৱতাবাদে সমগ্ৰ মানৱ জাতিৰ মাজত ঐক্য আৰু সংহতি স্থাপনৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। বিখ্যাত সংগীতজ্ঞ পল ৰবচনে তেওঁৰ গীতেৰেই কৈছে— "We are in the same boat brother."

৫। মানৱতাবাদৰ আন এক বৈশিষ্ট্য হৈছে আত্ম সংস্কৃতি। মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত মানৱতাবাদে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

৬। সহিষ্ণুতা, সমতা, ভাতৃত্ববোধ, দয়া, ক্ষমা, অহিংসা, মমতা, সাধুতা আদিৰ বিকাশ সাধন কৰাটো মানৱতাবাদৰ অন্য এক দিশ। এই মানৱধৰ্মী গুণবিলাকৰ দ্বাৰাই আত্মউপলব্ধি কৰিব পৰাটো মানৱতাবাদৰ অন্যতম বৈশিষ্ট্য। আমেৰিকান হিউমেনিষ্ট এচ'ছিয়েচনে মন্তব্য প্ৰকাশ কৰিছে যে মানৱতাবাদ এক দয়াৰ দৰ্শন। সমসাময়িক ভাৰতীয় দাৰ্শনিক স্বামী বিবেকানন্দৰ মূল দৰ্শনেই আছিল বিশ্বভাতৃত্ববোধ স্থাপন কৰা।

৭। মানৱতাবাদৰ আন এক লক্ষ্য হৈছে মানুহৰ সামগ্ৰিক দৃষ্টিভংগীৰ ওপৰত আলোকপাত।

৮। মানুহৰ আধ্যাত্মিক আৰু

বৈষয়িক ইচ্ছাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো মানৱতাবাদৰ আন এক বৈশিষ্ট্য।

৯। মানৱতাবাদীসকলে মানুহক এক দায়িত্বশীল ব্যক্তি হিচাপে গণ্য কৰে।

১০। মানুহৰ সমস্যাৰ ওপৰত কাম কৰা আৰু মানুহৰ সমস্যাসমূহৰ মানৱীয় শৈলীৰে সমাধান কৰা।

১১। 'অভয়ম' নৈতিক আৰু আধ্যাত্মিক মানৱতাবাদৰ এক উল্লেখনীয় বৈশিষ্ট্য।

১২। ভাৰতীয় চিন্তাত মানৱতাবাদ আধ্যাত্মিক আৰু ধাৰ্মিক। ভাৰতীয় দাৰ্শনিক সকলৰ মতে মানৱতাবাদ আৰু ধৰ্ম পৰস্পৰ নিৰ্ভৰশীল। তেওঁলোকৰ মতে মানৱসেৱাই প্ৰকৃত ধৰ্ম আৰু মানৱসেৱাই ঈশ্বৰ সেৱা।

১৩। ভাৰতীয় দৰ্শনৰ পৰা কিছু ভিন্ন দৃষ্টিভংগীৰে পাশ্চাত্য দাৰ্শনিকসকলে মানৱতাবাদৰ ধাৰণা ব্যক্ত কৰিছে। পাশ্চাত্য চিন্তাত মানৱতাবাদ বৈজ্ঞানিক। এওঁলোকৰ মতে মানৱতাবাদ জ্ঞান অনুধাৱনত ব্যৱহৃত হোৱা যুক্তি আৰু বিজ্ঞানৰ দৰ্শন। পাশ্চাত্যৰ মানৱতাবাদীসকলে প্ৰযুক্তি বিদ্যাৰ বিকাশৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰে আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক মানৱ কল্যাণৰ হকে ব্যৱহাৰ কৰে।

১৪। শেষত ক'ব পাৰি যে এক সামাজিক লক্ষ্যৰে মানৱতাবাদে ব্যক্তি আৰু সমাজৰ মাজত সংহতি স্থাপন কৰিব বিচাৰে। ডঃ ভূপেন হাজৰিকা দেৱে এটি গীতত সেয়ে কৈছে— "ব্যক্তি যদি ব্যক্তি কেন্দ্ৰিক/ সমষ্টি যদি ব্যক্তিত্ব ৰহিত/ তেনে শিথিল সমাজক নাভাঙা কিয় ?" অৰ্থাৎ এই গৰাকী সমকালীন ভাৰতীয় দাৰ্শনিকৰ মতে ব্যক্তি কেৱল ব্যক্তিকেন্দ্ৰিক হ'লে আৰু সমাজ ব্যক্তিৰ প্ৰতি উদাসীন হ'লে, সেইখন প্ৰকৃত মানৱতাবাদী সমাজ হৈ থাকিব নোৱাৰে।

মানুহ আৰু মানুহৰ বিভিন্ন সমস্যাৰ ওপৰত নিৰ্ভৰ কৰি মানৱতাবাদ শব্দটোৰ বিভিন্ন অৰ্থ পোৱা যায় আৰু এই বিভিন্ন অৰ্থক কেন্দ্ৰ কৰি বিভিন্ন প্ৰকাৰৰ মানৱাতাবাদৰ জন্ম হয়। বিভিন্ন প্ৰকাৰৰ মানৱতাবাদ হ'ল —

**সাহিত্য বিষয়ক মানৱতাবাদ** ঃ সাহিত্য বিষয়ক মতবাদ সাহিত্য সংস্কৃতিৰ প্ৰতি থকা এক মহান ত্যাগ। বিভিন্ন সময়ত বিভিন্ন মানৱতাবাদ সাহিত্যিক তথা সংস্কৃতিপ্ৰেমীয়ে তেওঁলোকৰ সৃষ্টিৰে গভীৰ মানৱতাবাদৰ পোহাৰ মেলা দেখা যায়।

**নৱউন্মেষক মানৱতাবাদ** ঃ চতুৰ্থ শতিকাত ইউৰোপত নৱ উন্মেষক মানৱতাবাদৰ উদ্ভৱ হয় আৰু এই সময়তে সমগ্ৰ ইউৰোপত শিল্প সাহিত্য আৰু বিজ্ঞানৰ পুনৰ অভ্যুদয় হয়। মানুহৰ যে মুক্তি বিচাৰেৰে চলিব পৰা শক্তি আছে এই কথাৰ স্বীকৃতি প্ৰদান কৰে এই মানৱতাবাদে।

**সাংস্কৃতিক মানৱতাবাদ** ঃ প্ৰাচীন গ্ৰীক আৰু ৰোমত সাংস্কৃতিক মানৱতাবাদৰ আৰম্ভণি হয়। এই মানবতাবাদৰ ভেটি হ'ল তেওঁলোকৰ অভিজ্ঞতাবাদ বৌদ্ধিক পৰম্পৰা। সাংস্কৃতিক মানৱতাবাদে পাশ্চাত্যৰ বিজ্ঞান, ৰাজনীতিতত্ত্ব, নীতিশাস্ত্ৰ আৰু আইনৰ এটা মূল অংশ।

**দাৰ্শনিক মানৱতাবাদ** ঃ মানুহৰ প্ৰয়োজনীয়তা আৰু ইচ্ছাক কেন্দ্ৰ হিচাপে লৈ জীৱনৰ প্ৰতি থকা যিকোনো সদৰ্থক দৃষ্টিভংগীয়েই হৈছে দাৰ্শনিক মানৱতাবাদ। দাৰ্শনিক মানৱতাবাদক আকৌ দুভাগত ভগোৱা হৈছে।

(১) খ্ৰীষ্টিয়ান মানৱতাবাদ

(২) আধুনিক মানৱতাবাদ

(১) খ্ৰীষ্টিয়ান মানৱতাবাদ ঃ খ্ৰীষ্টীয় নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত এই প্ৰকাৰ মানৱতাবাদৰ দৰ্শন হৈছে আত্মসিদ্ধি আৰু মনুষ্যত্বৰ ওপৰত সম্পূৰ্ণ গুৰুত্ব প্ৰদান।

(২) আধুনিক মানৱতাবাদ ঃ আধুনিক মানৱতাবাদক প্ৰাকৃতিক মানৱতাবাদ, নৈতিক মানৱতাবাদ আৰু গণতান্ত্ৰিক মানৱতাবাদ বুলিও কোৱা হয়। বিশিষ্ট চিন্তাবিদ কৰলিচ লেমাইন্টে আধুনিক মানৱতাবাদক এনেধৰণে সূত্ৰিত কৰিছে— যি মানৱতাবাদে অতি প্ৰাকৃতিবাদক অস্বীকাৰ কৰে আৰু বুদ্ধি আৰু বিজ্ঞান, গণতন্ত্ৰ আৰু মানবীয় সহানুভূতিক সৰ্বাত্মক গুৰুত্ব আৰোপ কৰে তাকে প্ৰাকৃতিক মানৱতাবাদ বোলে।

**ধৰ্মনিৰপেক্ষ মানৱতাবাদ** ঃ ওঠৰ শতিকাৰ শৈক্ষিক তথা সাংস্কৃতিক বুদ্ধিবাদত ধৰ্মনিৰপেক্ষ মানৱতাবাদৰ জন্ম হয়। উনৈশ শতিকাৰ দাৰ্শনিকসকলৰ মুক্ত চিন্তাত এই প্ৰকাৰ মানৱতাবাদে প্ৰতিষ্ঠা লাভ কৰে। বহু সংখ্যক ধৰ্ম নিৰপেক্ষ গোষ্ঠী যেনে- গণতান্ত্ৰিক আৰু ধৰ্ম নিৰপেক্ষ মানৱতাবাদ পৰিষদ, আমেৰিকান বুদ্ধিবাদ সংঘ আৰু আন বহুতো দাৰ্শনিক আৰু বৈজ্ঞানিকে ধৰ্মনিৰপেক্ষ মানৱতাবাদক সমৰ্থন কৰে।

**ধৰ্মীয় মানৱতাবাদ** ঃ এই প্ৰকাৰ মানৱতাবাদে সীমিত পৰিসৰত

বুদ্ধিবাদৰ মূল্য গ্ৰহণ কৰিছে। ধৰ্মীয় মানৱতাবাদে অতি প্ৰাকৃতিক শক্তিৰ অস্তিত্বকো বিশ্বাস কৰে। মানুহৰ নৈতিকতা পৰিচালিত হয় চৰম ঐশ্বৰিক শক্তিৰ দ্বাৰা; বুদ্ধি কিম্বা যুক্তিৰ দ্বাৰা নহয়। ধৰ্মীয় মানৱতাবাদী সকলে মত পোষণ কৰে যে বেছিসংখ্যক মানুহৰে ব্যক্তিগত আৰু সামাজিক প্ৰয়োজনীয়তা আছে আৰু এই প্ৰয়োজনবিলাক ধৰ্মৰ দ্বাৰাই পূৰ্ণ কৰিব পাৰি। অৰ্থাৎ ধৰ্মই মানুহৰ ব্যক্তিগত আৰু সমূহীয়া জীৱনত এক গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰে। ধৰ্মীয় মানৱতাবাদে মানুহক জগতৰ শ্ৰেষ্ঠ জীৱ হিচাপে মানি লয় আৰু এই মতবাদ অনুসৰি ঈশ্বৰে মানুহক তেওঁৰ নিজস্ব ভাৱ মূৰ্তিৰে সৃষ্টি কৰিছে। আমাৰ কবিয়েও কৈছে "মানুহেই দেৱ, মানুহেই সেৱ, মানুহ বিনে নাই কেৱ, কৰা কৰা পূজা পাদ্য অৰ্ঘ্যলৈ জয় জয় মানৱ দেৱ।"

ধৰ্মনিৰপেক্ষ মানৱতাবাদ আৰু ধৰ্মীয় মানৱতাবাদৰ জগত সম্পৰ্কীয় দৃষ্টিভংগী আৰু তেওঁলোকৰ মৌলিক নীতি একে। ১৯৩৩ চনৰ মানৱতাবাদী ইস্তাহাৰ দ্বিতীয়ত চহী কৰা দাৰ্শনিক সকলৰ ভিতৰত তেওঁলোকো আছে। দাৰ্শনিক দৃষ্টিভংগীৰ পৰা তেওঁলোকৰ মাজত কোনো বৈসাদৃশ্য নাই। মাত্ৰ ধৰ্মৰ সংজ্ঞা আৰু দৰ্শনৰ অনুশীলনৰ ক্ষেত্ৰত ধৰ্মীয় মানৱতাবাদী আৰু ধৰ্ম নিৰপেক্ষ মানৱতাবাদীসকলৰ মাজত মতবিৰোধ দেখা পোৱা যায়।

**আধ্যাত্মিক মানৱতাবাদ ঃ**

আধ্যাত্মিক মানৱতাবাদে ঈশ্বৰৰ অন্তৰ্নিহিত অতীন্দ্ৰিয় ধাৰণা সঞ্চাৰিত কৰে আৰু ঈশ্বৰৰ পূৰ্ণতাকৃতি মানুহৰ আত্মাত প্ৰতিফলিত কৰে। গীতিকাৰে গীতত সেয়ে কৈছে— "আজি বন্দো কি ছন্দেৰে/ সমাগত বিশ্বৰ নৰ নাৰায়ণ ৰূপ।" মানুহ স্বৰ্গীয় আৰু পবিত্ৰ— এয়া মানুহৰ মৌলিক অস্তিত্ব আৰু ইয়াৰ বাবেই আধ্যাত্মিক মানৱতাবাদে মানুহক উচ্চ আসনত অধিষ্ঠিত কৰিছে। এই মতবাদে মানুহক আধ্যাত্মিক আৰু নৈতিক জীৱ হিচাপে স্বীকাৰ কৰে।

**বিজ্ঞানসন্মত মানৱতাবাদ ঃ**

বিজ্ঞানসন্মত মানৱতাবাদ অনুসৰি মানুহৰ ভৱিষ্যত প্ৰাকৃতিক শক্তিবোৰৰ দ্বাৰাই নিৰ্ধাৰিত, মানুহৰ ইচ্ছাৰ দ্বাৰাই নিয়ন্ত্ৰিত। বিজ্ঞানসন্মত মানৱতাবাদে মানুহৰ ভাগ্যনিয়ন্তা কোনো দৈৱিক শক্তি আছে বুলি বিশ্বাস নকৰে। সকলো ধৰণৰ অতি প্ৰাকৃতিক শক্তিক অস্বীকাৰ কৰি তেওঁলোকে মানুহৰ সকলো ধৰণৰ মানসিক গুণৰ সন্ধান কৰে। বিজ্ঞানসন্মত মানৱতাবাদে বিজ্ঞানৰ মহান সাফল্যতাৰ প্ৰশংসা কৰে আৰু বিজ্ঞানৰ সমলসমূহ মানৱ কল্যাণ আৰু সমাজৰ উন্নতিৰ অৰ্থে ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰে। বিজ্ঞানৰ সকলো প্ৰকাৰ আৱিষ্কাৰ প্ৰকৃতাৰ্থত মানৱকল্যাণৰ বাবে বুলি এওঁলোকে ক'ব বিচাৰে।

**আৱেগপ্ৰৱণ মানৱতাবাদ ঃ**

বৈজ্ঞানিক মানৱতাবাদৰ এক বিপৰীত মতবাদ হিচাপে আৱেগপ্ৰৱণ মানৱতাবাদে স্বতন্ত্ৰতাৰ মূল্য, বুদ্ধিবাদ আৰু আধ্যাত্মিক নৈতিকতা মানি ল'লে। আৱেগ প্ৰৱণ মানৱতাবাদে যুক্তিতকৈ আৱেগিক দৃষ্টিভংগীৰে মানুহৰ মৰ্যাদা স্বীকাৰ কৰিব খোজে।

**ঈশ্বৰকেন্দ্ৰিক মানৱতাবাদ ঃ**

ঈশ্বৰকেন্দ্ৰিক মানৱতাবাদে ঈশ্বৰক মানুহৰ কেন্দ্ৰবিন্দু হিচাপে স্বীকাৰ কৰে। মানুহৰ সকলো কাৰ্য্য তথা লক্ষ্য ঈশ্বৰৰ দ্বাৰাই নিয়ন্ত্ৰিত হয় বুলি এই মতবাদে মত পোষণ কৰে। এই বিশ্বব্ৰহ্মাণ্ড ঈশ্বৰৰ সৃষ্টি। গতিকে ঈশ্বৰে বেয়া পোৱা কোনো কাম কৰিব নোৱাৰে।

**মানৱকেন্দ্ৰিক মানৱতাবাদ ঃ**

মানৱকেন্দ্ৰিক মানৱতাবাদে মানুহক মানুহ আৰু সকলো বস্তু কেন্দ্ৰবিন্দু হিচাপে স্বীকাৰ কৰে। ইয়ে মানুহ আৰু স্বাধীনতাৰ প্ৰকৃতি তাত্বিক ধৰণীৰ সূচনা কৰে।

প্ৰাচীন গ্ৰীক দৰ্শনৰ পৰা সমসাময়িক পাশ্চাত্য দৰ্শনলৈকে মানৱতাবাদ বিভিন্ন দাৰ্শনিকৰ সিদ্ধান্ত প্ৰতিফলিত হোৱা দেখা যায়। সেইদৰে ভাৰতীয় দৰ্শনত বৈদিক যুগৰ পৰা সমসাময়িক ভাৰতীয় দৰ্শনলৈকে বিভিন্ন দাৰ্শনিক সকলৰ চিন্তা আৰু বিভিন্ন দাৰ্শনিক সম্প্ৰদায় বিলাকৰ মাজত মানৱতাবাদ পৰিব্যাপ্ত হৈ আছে। বেদ, উপনিষদ, পুৰাণ, গীতা, আস্তিক আৰু নাস্তিক সম্প্ৰদায় সমূহত মানৱতাবাদী চিন্তা পৰিলক্ষিত হয়। আধুনিক ভাৰতীয় চিন্তাবিদ বাল গঙ্গাধৰ তিলক, ৰবীন্দ্ৰনাথ ঠাকুৰ, স্বামী বিবেকানন্দ, মহাত্মা গান্ধী, ঋষি অৰবিন্দ, মানবেন্দ্ৰ ৰয়, ডঃ ভূপেন হাজৰিকা আদি লোকসকলে মানৱতাবাদী হিচাপে পৰিগণিত হৈছে। কেৱল দাৰ্শনিক সকলেই নহয় ধৰ্মগুৰু, কবি, সাহিত্যিক, ৰাজনীতি তথা অৰ্থনীতিবিদ, বৈজ্ঞানিক সমাজ সংস্কাৰক আদিৰ দৃষ্টিত মানৱতাবাদ প্ৰচাৰ হোৱা দেখা যায়। ■ ■

প্ৰবন্ধ

# বৈদিক সাহিত্যত স্বাস্থ্য আৰু চিকিৎসা বিজ্ঞান ঃ এটি চমু আলোকপাত

গগেন কাকতি
সহকাৰী অধ্যাপক , সংস্কৃত বিভাগ।

জ্ঞানৰ অমূল্য আৰু অক্ষয় নিধি বৈদিক বাঙ্ময় ভাৰতীয় সংস্কৃতি আৰু জ্ঞান-বিজ্ঞানৰ মূলাধাৰ। ইষ্টৰ প্ৰাপ্তি তথা অনিষ্টৰ পৰিহাৰৰ কাৰণে বেদ অলৌকিক উপায়। বেদত ধৰ্মৰ সৈতে মানৱ জীৱনৰ বিভিন্ন পক্ষও উল্লেখ আছে। মানৱ জীৱনক সুৰক্ষিত আৰু আৰু সুস্থ ৰখাৰ কাৰণে চিকিৎসা বিজ্ঞানৰ অনেক তত্ত্ব আৰু সিদ্ধান্ত বেদত নিহিত আছে। এই চিকিৎসা বিজ্ঞান পৰম উপযোগী আয়ুৰক্ষক আৰু পুষ্টিবৰ্ধক। চিকিৎসাশাস্ত্ৰৰ মুখ্য লক্ষ্য হৈছে- ৰোগ নিবাৰণ। প্ৰাচীন কালত ৰোগ নিবাৰণতকৈ ৰোগ নোহোৱাকৈ ৰখাৰ ওপৰত অধিক গুৰুত্ব দিছিল।

বৈদিক বাঙ্ময়ত মানৱ জীৱনৰ দীৰ্ঘায়ুৰ কাৰণে বৃক্ষ, বনস্পতি, পানী, বন, অগ্নি আদি প্ৰাকৃতিক তত্ত্বৰ মহত্ত্ব প্ৰতিপাদিত কৰিছিল। 'নমো বৃক্ষেভ্যঃ,[১] বৃক্ষাণাং পতয়ে নমঃ, ওষধীনাং পতেয় নমঃ, অৰণ্যানাং পতয়ে নমঃ,[২] আদি সন্দৰ্ভৰ পৰা স্পষ্ট প্ৰতীত হৈছে যে সুস্থ আৰু দীৰ্ঘায়ু হোৱাৰ কাৰণে আৱশ্যক শুদ্ধ আৰু সুন্দৰ পৰ্যাবৰণৰ সংৰক্ষণৰ মহত্ত্বক দেখুৱাই বনস্পতি বিলাকক নমস্কাৰ কৰিছে। মধুমান্নো বনস্পতিঃ,[৩] সুমিত্ৰায় ন আপ ওযধয়ঃ সন্তু,[৪] ওষধয়ঃ শান্তিঃ বনস্পতয়ঃ শান্তিঃ[৫] আদি সন্দৰ্ভৰ পৰা পানী, বনস্পতি আদি যে মানৱ জীৱনৰ কাৰণে অত্যুপযোগী আৰু লাভদায়ক ঔষধ, এইটো স্পষ্ট ইঙ্গিত পোৱা গৈছে।

ঋগ্‌বেদৰ পৰা অথৰ্ৱবেদ পৰ্যন্ত সকলো সংহিতাত চিকিৎসা বিজ্ঞানৰ আলোচনা আছে। যজুৰ্বেদত কৰ্মকাণ্ডৰ দ্বাৰা চিকিৎসা বিজ্ঞান তথা স্বাস্থ্য জীৱনৰ ওপৰত আলোচনা পোৱা যায়। সাম্‌বেদত দীৰ্ঘায়ু আৰু স্বাস্থ্য ৰক্ষাৰ গান আছে। কিন্তু অথৰ্ৱবেদত চিকিৎসা বিজ্ঞান আৰু স্বাস্থ্যৰ সৈতে সম্বৰ্দ্ধিত সৰ্বাধিক আৰু সুব্যৱস্থিত প্ৰসঙ্গ পোৱা যায়। শৰীৰ গঠন আৰু ক্ৰিয়া বিজ্ঞানৰ সৈতে অনেক প্ৰকাৰৰ ৰোগ দূৰ কৰাৰ উপায়, ঔষধ, চিকিৎসা পদ্ধতি তথা ৰোগ উৎপন্নকাৰী কৃমিৰ বিষয়ত আলোচনা আছে। অৰ্থৱবেদত বিভিন্ন মন্ত্ৰত শৰীৰৰ প্ৰত্যেক অংগত হোৱা ৰোগৰ উল্লেখ আছে।

অথৰ্ৱবেদত কিছুমান বিশিষ্ট ঔষধিৰ বৰ্ণনা আছে। যি ৰোগ নিবাৰণ কৰাত সমাজৰ কাৰণে অত্যুৎপযোগী। 'পৃশ্নিপৰ্ণী' নামৰ ঔষধৰ উল্লেখ সেইবোৰ ৰোগকাৰী কৃমি নাশ কৰাৰ কাৰণে কৰিছে, যিবোৰৰ দ্বাৰা শৰীৰৰ শক্তি নষ্ট হয় আৰু শৰীৰৰ তেজ হ্ৰাস হৈ যায়। লগতে যিয়ে গৰ্ভ নাশ কৰে। [৬] 'অপামাৰ্গ' নামৰ ঔষধিক বনস্পতি বিলাকৰ ভিতৰত মুখ্য বুলি স্বীকাৰ কৰা হৈছে। এই ঔষধৰ দ্বাৰা কৃষি, মনুষ্য তথা পশুৰ ৰোগ দূৰ কৰা হয়।

অথৰ্ৱবেদৰ বহু সূক্তত কুষ্ঠ নামৰ ঔষধিৰ বৰ্ণনাও পোৱা যায়। এই ঔষধিৰ ৰস পান কৰিলে বল বাঢ়ে, ক্ষয়ৰোগ দূৰ হয়। শিৰ আৰু চকু সম্বন্ধীয় তথা অন্য শাৰীৰিক ৰোগ দূৰকৰাত এই ঔষধি সহায়ক হয়। ইয়াৰ উপয়োগিতা এই কাৰণে সিদ্ধ হৈছে যে মানুহে অত্যধিক ধন ব্যয় কৰি ইয়াক লাভ কৰাৰ কাৰণে হিমালয়লৈ যায়।[৭]

অঞ্জন নামৰ ঔষধি, পৰ্বতত অংকুৰিত হোৱা বনস্পতিৰ দ্বাৰা প্ৰস্তুত কৰা হয়। ইয়াৰ দ্বাৰা নেত্ৰ সম্বন্ধী সমস্ত ৰোগ দূৰ কৰা হয়। জ্বৰ, ক্ষয়, কফ, উদাৰবৰ্ত নামৰ পেটৰ ৰোগ তথা সপৰি বিষদুৰ কৰাত এই ঔষধি সহায় হয়। এইটো কেৱল মানুহৰ কাৰণে নহয়, পশুৰ কাৰণেও উপযোগী।

অথৰ্ৱবেদত 'শমী' ঔষধিক চুলিৰ কাৰণে উপযোগী বুলি কোৱা হয়। এই ঔষধিৰ ৰস ঔষধ হিচাপে প্ৰয়োগ কৰা হয়। [৮] 'পিপ্‌লী' নামৰ ঔষধিৰ মহত্ত্বক স্বীকাৰ কৰি অৰ্থৱবেদত কোৱা হৈছে, যে যিজন ব্যক্তিক এই ঔষধি খুৱাই দিয়া হয় তেওঁ অমৰ হয়। এই ঔষধিৰ প্ৰয়োগৰ দ্বাৰা মহাব্যাধি,

চুলি সম্বন্ধীৰোগ তথা উন্মাদ আদি ৰোগ উপশম হয়। এই ঔষধিৰ জ্ঞান প্ৰথমতে অসুৰৰ পাছত দেৱতাসকলৰ হৈছিল।

ৰোহিনী, অম্‌বা, অৰুন্ধতী নামেৰে পৰিচিত ঔষধি শৰীৰ জ্বলিলে উপযোগ কৰা হয়। এই ঔষধিৰ প্ৰয়োগৰ দ্বাৰা শৰীৰত মাংস, মজ্জা তথা তেজৰ মাত্ৰা বৃদ্ধি কৰা হয়। যদি শৰীৰৰ কোনো হাড়া ভাঙি যায় তেতিয়া তাক সংযোগ কৰাৰ কাৰণে এই ঔষধিৰ উপযোগী হয়। এই ঔষধিৰ প্ৰয়োগ অন্য ঔষধিৰ সৈতে মিশ্ৰিত কৰি নাইবা স্বতন্ত্ৰৰূপেৰে কৰা হয়।[১০]

অথৰ্ববেদত আহত গছ, ঘাহ, সোমলতা, জলা তথা ঘেহু আদিক দিব্য ঔষধি বুলি কৈছে।[১১] ঔষধিৰ বাহিৰেও কিছুমান মনি যেনে শংখমনি[১২] শতবাৰ মনি,[১৩] অস্তৃত তথা দৰ্ভ[১৪] আদিবো অথৰ্ববেদত উল্লেখ আছে, যি বিভিন্ন ৰোগৰ নিৰাময়ত সহায়ক হয়। এই মণিক সন্দৰ্ভত এইটো উল্লেখনীয় যে উক্ত মণিবোৰ বনস্পতি বিশেষৰ পৰা নিৰ্মাণ কৰা হয়।

চিকিৎসা বিজ্ঞানৰেই অঙ্গৰূপ শল্য চিকিৎসাৰ বিস্তৃত বৰ্ণনা ঋগ্‌বেদ আৰু অথৰ্ববেদত পোৱা যায়। ঋগ্‌বেদত শল্যকৰ্মৰ অদ্ভুত আৰু আশ্চৰ্যজনক প্ৰসঙ্গ বিদ্যমান আছে আৰু সেই প্ৰসঙ্গটো হৈছে মানুহৰ শিৰ কাটি তাৰ ঠাইত অন্য জন্তুৰ শিৰ শল্যক্ৰিয়াৰ দ্বাৰা প্ৰত্যাৰোপণ, পূৰ্বশিৰক সুৰক্ষিত ৰখা তথা কিছুসময় পিছত পুনৰ সেই ব্যক্তিৰ পূৰ্বশিৰক প্ৰত্যাৰোপিত কৰা।[১৫] এই প্ৰসঙ্গত পাত্ৰ হৈছে ইন্দ্ৰ, দধীচি তথা দুজন অশ্বিনী কুমাৰ। ইন্দ্ৰই এবাৰ দধীচিক মধুবিদ্যাৰ শিক্ষা দিছিল আৰু কৈছিল যে যদি তুমি এই বিদ্যাৰ জ্ঞান অন্য কাৰোবাক কোৱা তেতিয়া মই তোমাৰ শিৰ কাটি পেলাম। অশ্বিনী কুমাৰদ্বয়ে সেই বিদ্যা জানিবলৈ আৰু দধীচিৰ প্ৰাণ ৰক্ষা কৰাৰ কাৰণে এটা অদ্ভুত শল্যক্ৰিয়া কৰিছিল। দুয়োজনে দধীচিৰ শিৰ কাটি সুৰক্ষিত কৰি লৈছিল, তাৰ ঠাইত অশ্বৰ শিৰ প্ৰত্যাৰোপিত কৰি বিদ্যা শিকিছিল। ইন্দ্ৰই অশ্বিনী কুমাৰদ্বয়ক মধুবিদ্যা শিকোৱা বুলি শুনি সেই অশ্বশিৰ কাটিছিল। অশ্বিনীকুমাৰে পুনৰ তৎপৰতাৰে পূৰ্ব সুৰক্ষিত মানৱ শিৰটোক প্ৰত্যাৰোপণ কৰিছিল। "দেৱানাং ভিষজে" বুলি কৈ যজুৰ্বেদত অশ্বিনী কুমাৰক দেৱতাসকলৰ বৈদ্য বুলি কৈছে। দুয়োজনক শল্যক্ৰিয়াত প্ৰবীণ বুলি কোৱা হৈছিল। বেদত ভঙ্গ অঙ্গক সংযোগ কৰা, মূত্ৰ চিকিৎসা, প্ৰসূতি চিকিৎসা, পশু চিকিৎসা আদিও শল্যক্ৰিয়াৰ মাধ্যমেৰে চিকিৎসা কৰাৰ কথা উল্লেখ পোৱা যায়। অথৰ্ববেদত শল্যচিকিৎসাৰ বিশেষ আলোচনা আছে।

বৈদিক সাহিত্যত স্পষ্টৰূপে প্ৰতিপাদিত আছে যে যথানিয়মে কৰা অগ্নিহোত্ৰযজ্ঞই বায়ু শুদ্ধি কৰি সঞ্জীৱনী শক্তি বিস্তাৰিত কৰে।[১৬] এইকাৰণে ঋষিসকলে প্ৰাৰ্থনা কৰিছিল যে বায়ু আমাৰ হৃদয়ৰ কাৰণে ভেষজৰূপত শান্তিদায়ক-সুখকাৰক হৈ প্ৰবাহিত হওক আৰু আমাৰ আয়ুস বৃদ্ধি কৰক।[১৭] বৈদিক সাহিত্যত অগ্নিহোত্ৰদ্বাৰা ত্বচা সম্বন্ধী ৰোগৰ উপচাৰৰো স্পষ্ট সঙ্কেত উপলব্ধ হয়। অথৰ্ববেদানুসৰি সূৰ্যোদয়ৰ সময়ত অগ্নিহোত্ৰ কৰা যাজকক শিৰৰ বিষ আৰু ত্বচা (ছাল) সম্বন্ধীয় ৰোগৰ মুক্তিপ্ৰাপ্ত হয়।[১৮]

মানৱ-শৰীৰত ৰোগ-কৃমিৰ প্ৰৱেশ কেঁচা, আধা পকা, পূৰ্ণ পকা আৰু অধিক পকা অন্নৰ পৰা হয়।[১৯] ইয়াৰ লগে লগে গাখীৰ, মাখন আৰু পানী আদিৰ মাধ্যমেৰেও অনেক কৃমিৰ শৰীৰত অনায়াসে সংচৰণ হৈ থাকে।[২০] যজ্ঞাগ্নিৰে এই ৰক্তক শুকোৱা কৃমিৰ নাশ হয়। মানৱ-শক্তিক ক্ষীণ কৰা এই কৃমিবোৰে অগ্নিক পৰাস্ত কৰিব নোৱাৰে। যজ্ঞাগ্নিৰে ইয়াৰ মূল কাৰণৰেই পূৰ্ণৰূপে নাশ হৈ যায়।[২১]

বৈদিক সাহিত্যত শাৰীৰিক ৰোগৰ লগে লগে মানসিক ৰোগৰ চিকিৎসাৰ বিষয়ে উল্লেখ আছে। অথৰ্ববেদৰ কেইবাটাও সূত্ৰত মনৰ চঞ্চলতা, মনৰ বেগ আৰু মনৰ লক্ষণৰ উল্লেখ আছে। মনক জগতৰ মূল কাৰণ বুলি কৈছে। কিন্তু যদি মন ৰোগীয়া হয় তেতিয়া চিকিৎসা দুঃসাধ্য অথবা কেতিয়াবা-কেতিয়াবা অসাধ্য হৈ যায়। অথৰ্ববেদৰ ঋষিসকলে মানৱ মনৰ বিকট স্থিতিৰ আভাস পাইছিল, এইকাৰণে মানুহৰ মানসিকৰোগ উপশম কৰাৰ কাৰণে চিকিৎসাৰ উল্লেখ পোৱা যায়। অথৰ্ববেদৰ উন্মত্ততা 'মোচন' সূত্ৰত উন্মাদ ৰোগক পাপৰ পৰা বুলি উৎপন্ন বুলি কৈছে আৰু উন্মাদজন্য ৰোগৰ ঔষধিৰ ৰূপত পিপলী (পিপলী লতা)ৰ উল্লেখ কৰিছে। আত্মহত্যা, সাংসাৰিক ক্ৰিয়া-কলাপৰ প্ৰতি বিমুখ, মৌন হৈ থকা,

দুঃস্বপ্নাদি অনেক মানসিক ৰোগৰ তথা সেইবোৰৰ চিকিৎসাৰ বিষয়েও উল্লেখ পোৱা যায়।

উপৰোক্ত বিৱৰণৰ পৰা স্পষ্ট হৈছে যে বৈদিক সাহিত্যত শাৰীৰিক আৰু মানসিক ৰোগৰ লক্ষণ, চিকিৎসা, ঔষধ আৰু শল্য চিকিৎসা আদিৰ বিস্তৃত আৰু বৈজ্ঞানিক আলোচনা পোৱা যায়। আধুনিক যুগত যেতিয়া অনেক প্ৰকাৰৰ ৰোগে মানৱ সমাজক পূৰ্ণৰূপে আক্ৰান্ত কৰি আছে, এই প্ৰসঙ্গৰ আধাৰৰ ওপৰত যদি শোধকাৰ্য (Research) কৰা হয় তেতিয়াহ'লে নিশ্চিতভাৱে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত নতুন দিশ প্ৰাপ্ত হ'ব আৰু অনেক দুঃসাধ্য ৰোগৰ পৰা মানৱ জীৱনক মুক্তিপ্ৰাপ্ত কৰিব পৰা যাব।


সন্দৰ্ভ ঃ গ্ৰন্থঃ

১। যজুৰ্বেদ ১৬/১৭
২। যজুৰ্বেদ ১৬/২০
৩। ঋগ্‌বেদ ২/৯০/৮০
৪। যজুৰ্বেদ ৩৬/ ২৩
৫। যজুৰ্বেদ ৩৬/ ৯৬
৬। অথৰ্ববেদ ৭/ ১৩/১-২
৭। অথৰ্ববেদ ৫/ ৪/১-২, ৬-১০
৮। অথৰ্ববেদ ৬/ ৩০/২-৩
৯। অথৰ্ববেদ ৬/ ১০৯/১-৩
১০। অথৰ্ববেদ ৪/ ১২/১-৭, ৬/৫৯/১-৩
১১। অথৰ্ববেদ ৮/ ৭/১৯-২০, ২২-২৬
১২। অথৰ্ববেদ ৪/ ১০/১-৭
১৩। অথৰ্ববেদ ১৯/ ৩৬/১-৬
১৪। অথৰ্ববেদ ১৯/ ২৮/১, ১৯/৪৬/১-৬
১৫। ঋগ্‌বেদ ১/ ১১৬/১২
১৬। যজুৰ্বেদ ১/৩
১৭। যজুৰ্বেদ ১/২
১৮। অথৰ্ববেদ ৯/ ৮/২২
১৯। অথৰ্ববেদ ৫/ ২৯/৭
২০। যজুৰ্বেদ ১৬/৬২
২১। অথৰ্ববেদ ৫/২৯/৩০

প্ৰবন্ধ—

# ৰবীন্দ্ৰনাথ আৰু পোষ্টমাষ্টাৰ

মৌচুমী কংস বণিক
সহকাৰী অধ্যাপিকা, বাংলা বিভাগ।

কুৰি শতিকাৰ আধুনিক ভাৰতীয় সাহিত্যৰ এগৰাকী অন্যতম প্ৰসিদ্ধ কথাশিল্পী আছিল ৰবীন্দ্ৰনাথ ঠাকুৰ। তেওঁ খণ্ডকালৰ হৈও সৰ্বকালৰ, বিশেষ হৈও সমগ্ৰ বিশ্বৰ। বাংলা গীতিকবিতাৰ লগতে বাংলা চুটি গল্পৰ জগতত একছত্ৰী সম্ৰাট আছিল ৰবীন্দ্ৰনাথ। তেওঁ চুটি গল্পৰ আৱিষ্কৰ্তা আৰু একেধাৰে পৰিণতি বিধাতা।

কবিগুৰু ৰূপে জনাজাত ৰবীন্দ্ৰনাথ ঠাকুৰ একেধাৰে কবি, দাৰ্শনিক, গীতিকাৰ সুৰকাৰ, নাট্যকাৰ, প্ৰৱন্ধকাৰ, উপন্যাসিক গল্পকাৰ, সমালোচক, চিত্ৰকাৰ, অভিনেতা, সমাজ সংস্কাৰক আৰু শিক্ষাবিদ কলিকাতাৰ জোড়াসাকোৰ ঠাকুৰ পৰিয়ালত ১৮৬১ খ্ৰীষ্টাব্দৰ ২৫ ব'হাগত তেওঁৰ জন্ম হয়। ব্ৰাহ্মসমাজৰ প্ৰতিষ্ঠাপক মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰ আৰু সাৰদাদেৱীৰ ত্ৰয়োদশ সন্তান আছিল ৰবীন্দ্ৰ নাথ ঠাকুৰ। তেওঁৰ স্কুলীয়া শিক্ষা নাথাকিলেও শিক্ষা-সংস্কৃতিত সমৃদ্ধ ঠাকুৰবাড়িৰ পৰা তেওঁ বিদ্যা, সঙ্গীত ইত্যাদি শিক্ষাত পাৰদৰ্শিতা লাভ কৰিছে। বাৰ বছৰ বয়সত তেওঁৰ প্ৰথম কবিতা 'দ্বাদশবৰ্ষীয় বালকেৰ ৰচিত অভিলাষ' প্ৰকাশ পাইছিল। কিন্তু তাত তেওঁৰ নাম নাছিল। 'হিন্দু মেলাৰ উপহাৰ' তেওঁৰ নিজৰ স্বাক্ষৰ যুক্ত প্ৰথম কবিতা, লাহে লাহে তেওঁ সাহিত্য জগতত বলিষ্ঠভাৱে পদাৰ্পণ কৰে তেওঁৰ কবিতা পুথি 'গীতাঞ্জলি'ৰ ইংৰাজী অনুবাদ *'Song Offering's* এ ১৯১৩ চনত এচিয়া মহাদেশৰ ভিতৰতে প্ৰথম সাহিত্যত নোবেল বঁটা লাভ কৰে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ একক প্ৰচেষ্টাত বাংলা ভাষা সাহিত্য বিশ্বৰ দৰবাৰত বিশিষ্ট আসন লাভ কৰে। তেওঁৰ উদ্যোগতেই শান্তিনিকেতনত ব্ৰাহ্মচৰ্য আশ্ৰম আৰু শ্ৰীনিকেতনত কাৰিকৰি শিক্ষা বিভাগ স্থাপিত হয়। শান্তিনিকেতন পৰৱৰ্তীকালত বিশ্বভাৰতী বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত হয়।

সোণাৰতৰী, চিত্ৰা, চৈতালী, গীতাঞ্জলি আদি কাব্যগ্ৰন্থ। চোখেৰ বালি, গোৰা, ঘৰে বাইৰে আদি উপন্যাস। ৰক্তকৰবী, ৰাজা প্ৰভৃতি তত্ত্ব নাটক, বহুতো চুটি গল্প আৰু গীতৰ সংকলন, নৃত্য-নাটিকা, গীতিনাট্য, গদ্যকাব্য, ৰাজনৈতিক আৰু ব্যক্তিগত ৰচনাৰে ৰবীন্দ্ৰনাথ বাংলা সাহিত্য সমৃদ্ধ কৰি থৈ গৈছে। পৃথিবীৰ তেওঁৰেই একমাত্ৰ শিল্পী যাৰ দুটিগীত 'জন-গণ-মন' আৰু 'আমাৰ সোনাৰ বাংলা' দুখন স্বাধীন দেশ ক্ৰমে ভাৰত আৰু বাংলাদেশৰ জাতীয় সঙ্গীতৰূপে স্বীকৃত হৈছে। ১৯৪১ চনৰ ২২ শাওনৰ দিনা তেওঁ পৰলোক গমন কৰে।

জমিদাৰী তত্ত্বাৱধানৰ সূত্ৰত গ্ৰামবাংলাৰ সংস্পৰ্শলৈ আহি ৰবীন্দ্ৰনাথে মানৱ জীৱনৰ সুখ-দুখৰ যি বিচিত্ৰ অভিজ্ঞতা সঞ্চয় কৰিছিল তেওঁৰ চুটিগল্প বিলাক ইয়াৰ 'স্বৰ্ণফসল'। পদ্মাতীৰৱৰ্তী মানুহ আৰু প্ৰকৃতিয়ে ৰবীন্দ্ৰনাথৰ ওচৰত এক নতুন জগতৰ সন্ধান দিছিল। ৰবীন্দ্ৰনাথ 'ছিন্নপত্ৰৰ' এখন চিঠিত লিখিছে, "জমিদাৰী দেখা উপলক্ষে নানা ৰকম লোকে সঙ্গে মেশাৰ সুযোগ হয় এবং সেই থেকেই আমাৰ গল্প লেখা শুৰু।"

ৰবীন্দ্ৰনাথৰ উপন্যাসৰ জনপ্ৰিয়তা নাথাকিলেও চুটিগল্পত তেওঁ যিকোনো শ্ৰেষ্ঠ গল্প লিখকৰ সমকক্ষ আছিল। গীতিকবি আছিল বাবে তেওঁৰ বহুগল্প কাব্যৰসত সমৃদ্ধ। বাংলা সাহিত্যত ৰবীন্দ্ৰনাথেই প্ৰথম 'ছোটগল্প' শব্দটো ব্যৱহাৰ কৰিছিল। ৰবীন্দ্ৰনাথৰ চুটিগল্পবিলাক আকৃতিত চুটি, চৰিত্ৰ সংখ্যাও বেছি নহয়, সাধাৰণত এটা চৰিত্ৰই উজ্বল আৰু উদ্ভাসিত। ৰবীন্দ্ৰনাথৰ 'সোনাৰতৰী' কাব্যগ্ৰন্থৰ 'বৰ্ষাযাপন' কবিতাত চুটি গল্পৰ সংজ্ঞা বৰ্ণনা কৰিছে—

"ছোটপ্ৰাণ, ছোটব্যাথা,
ছোট ছোট দুঃখ কথা
নিতান্তই সহজ-সৰল;
সহস্ৰ বিস্মৃতি ৰাশি প্ৰত্যহ

যেতেছেভাসি
তাৰি দু-চাৰিটি অশ্রুজল।
নাহি বৰ্ণনাৰ
ছটাঘটনাৰ ঘনঘটা
নাহি তত্ত্ব নাহি উপদেশ;
অন্তৰে অতৃপ্তি ৰবে
সাঙ্গ কৰি মনেহৱে
শেষ হয়ে হইল না শেষ।।

বাংলাদেশত গল্প আখ্যান প্রচলিত আছিল যদিও ৰবীন্দ্ৰনাথে যথাৰ্থতে চুটিগল্পক জীৱন দান কৰে। ড° অসীত কুমাৰ বন্দ্যোপাধ্যায়ৰ মতে,— ' ৰবীন্দ্ৰনাথই প্ৰথমে সচেতনভাৱে ছোটগল্প লিখত প্ৰবৃত্ত হন। তিনিই এৰ পথ নিৰ্মাতা, আবাৰ তিনিই এৰ শ্ৰেষ্ঠ শিল্পী।' (বাংলা সাহিত্যৰ সম্পূৰ্ণ ইতিবৃত্ত) ৰবীন্দ্ৰনাথৰ প্ৰথম চুটিগল্প 'ভিখাৰিনী'। গল্পটো 'ভাৰতী' পত্ৰিকাত প্ৰকাশিত হৈছিল। ৰবীন্দ্ৰনাথৰ চুটিগল্পত মানুহ, প্ৰকৃতিৰ লগত অতিপ্ৰাকৃতৰ বিশেষ প্ৰভাৱ দেখা যায়। দেনা-পাওনা, খোকাবাবুৰ প্ৰত্যাবৰ্তন, অতিথি, কাবুলিওয়ালা, পোষ্টমাষ্টাৰ, ক্ষুধিত, পাষণ, স্ত্ৰীৰপত্ৰ, নষ্টনীড়া আদি তেওঁৰ উল্লেখযোগ্য গল্প।

নাগৰিক জীৱনত প্ৰতিপালিত ৰবীন্দ্ৰনাথ শিলাইদহত থকা সময়ত পল্লী জীৱনৰ লগত ঘনিষ্ঠ যোগাযোগ ঘটিছিল। সুভা, অতিথি, পোষ্টমাষ্টাৰ প্ৰভৃতি গল্পবিলাকত গ্ৰামবাংলাৰ সজল প্ৰকৃতি যেন প্ৰেক্ষাপট ৰচনা কৰিছে। আমাৰ আলোচ্য 'পোষ্টমাষ্টাৰ' গল্পটো ১৮৯১ চনত 'হিতবাদী' পত্ৰিকাত প্ৰকাশিত হয়।

'পোষ্টমাষ্টৰ' গল্পৰ কাহিনী হ'ল— কলিকতা চহৰৰ ল'ৰা পোষ্টমাষ্টাৰ হৈ আহিছে উলাপুৰ নামৰ গাঁৱলৈ। গ্ৰামীণ জীৱনৰ সাৰল্য নিৰ্জনতা আৰু প্ৰাকৃতিক দৃশ্যই তাক আনন্দ দিব পৰা নাই, 'জলেৰ মাছ কে ডাঙায় তুলিলে যেৰকম হয়' এই গাওঁত আহি তাৰ অৱস্থা তদুনৰূপ। কথা পতা মানুহৰ অভাৱ, যিবিলাক মানুহ আছে 'ভদ্ৰলোকেৰ সঙ্গে মিশিবাৰ উপযুক্ত নহে।' এই নিঃসঙ্গ অৱস্থাত পোষ্ট মাষ্টৰে লগ পাইছে পিতৃ-মাতৃহীন অনাথ বালিকা ৰতনক। ঘৰৰ কাম-বন কৰি দিয়াৰ বিনিময়ত খাবলৈ পায়। পোষ্টমাষ্টৰ সময় কটোৱাৰ কাৰণে ৰতনক শিক্ষাদান কৰাৰ দায়িত্ব গ্ৰহণ কৰে। এনেদৰে ৰতন আৰু পোষ্টমাষ্টাৰৰ মাজত নিবিড় আত্মীয়তা গঢ় লৈ উঠিছিল।

পোষ্টমাষ্টৰৰ প্ৰবাসী জীৱনত ৰোগগ্ৰস্থ হ'লৈ ৰতনে স্নেহময়ী জননীৰ স্থান অধিকাৰ কৰি তেওঁৰ চিকিৎসাৰ বাবে কবিৰাজক মাতি আনে আৰু ৰাতি উজাগৰে থাকি ৰোগীৰ যত্ন লয়। কিছুদিন পিছত সুস্থ হৈ উঠি পোষ্টমাষ্টৰ উলাপুৰৰ পৰা বদ্‌লি হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ৰতনক কথাটো জনায়, ৰতনে অনুৰোধ কৰিলে তাইক লগত লৈ যোৱাৰ কাৰণে । কিন্তু পোষ্টমাষ্টৈৰ ৰতনৰ মনৰ খবৰ অনুভৱ কৰিব পৰা নাই, যোৱাৰ সময়ত পোষ্টমাষ্টৰে তাইৰ হাতত তুলি দিলে নিজৰ দৰমহাৰ টকা কেইটা আৰু ক'লে নতুন পোষ্টমাষ্টৰজনে তাইক যত্ন কৰিব। কিন্তু ৰতনে পোষ্টমাষ্টৰৰ ভৰিত ধৰি কৈছে—'.......তোমাৰ দুটি পায়ে পড়ি আমাৰ জন্য কাউকে কিছু ভাবতে হবে না।" পোষ্টমাষ্টাৰে জাহাজত উঠি ৰতক লৈ যোৱাৰ কথা ভাবিছিল যদিও লগে লগে নিজকে সান্ত্বনা দিছে, 'পৃথিৱীতে কে কাহাৰ।' কিন্তু ৰতনৰ মনত কোনো তত্ত্ব কথা জাগ্ৰত হোৱা নাছিল তাই আশা কৰিছিল "দাদা বাবু যদি ফিৰিয়া আসে।' কিন্তু তাইৰ আশা মৰিচিকাৰ নিছিনা।

'পোষ্টমাষ্টাৰ' গল্পৰ মুখ্য চৰিত্ৰ দুটা পোষ্টমাষ্টৰ আৰু ৰতন। এই গল্পৰ মুখ্য চৰিত্ৰ পোষ্টমাষ্টাৰ জনৰ নাম উল্লেখ হোৱা নাই। শিলাই দহত জমিদাৰী পৰিদৰ্শনত যোৱাৰ পিছৰ সময়ত নিজৰ প্ৰবাসী জীৱনত সুখ-দুখ, ব্যথা-বেদনা একত্ৰিত হৈ পোষ্টমাষ্টৰৰ কায়া-কল্প নিৰ্মিত হৈছে। কলিকতাত বসবাস কৰা পোষ্টমাষ্টৰ চাকৰী সূত্ৰে উলাপুৰ নামৰ গাঁৱত আহে, গাঁৱৰ পৰিৱেশ তেওঁৰ অনুকুল নাছিল নিজৰ সময় কটোৱাৰ কাৰণে ৰতন নামৰ ১২/১৩ বছৰীয়া ছোৱালী ৰতনৰ লগত কথাপাতি সময় কটায় তেওঁৰ ওচৰত ৰতনৰ প্ৰয়োজন স্বাৰ্থপুষ্ট। পোষ্টমাষ্টৰজন অন্তৰে বাহিৰে আত্মকেন্দ্ৰিক। তেওঁৰ অসুস্থতাৰ সময়ত ৰতনে শুশ্ৰূষা কৰি তেওঁক সুস্থ কৰি তুলিলে কিন্তু গাঁও এৰি যোৱাৰ সময়ত ৰতনক যোৱাৰ খবৰটো হে দিলে। এই জনোৱা ঘটনা টো Formal ঘটনা, ইয়াৰ লগত অন্তৰৰ কোনো যোগ সূত্ৰ নাই। পোষ্ট মাষ্টৰে ৰতনৰ অন্তৰৰ খবৰ জানিব পৰা নাই কাৰণ এই সম্পৰ্ক ৰতনৰ নিজস্ব। পোষ্টমাষ্টৰৰ গাঁও এৰি যোৱাৰ খবৰত ৰতন যেতিয়া ক্ৰন্দনত ভাঙ্গি পৰিছে, তেতিয়াও পোষ্টমাষ্টৰ ৰতনৰ হৃদয়ৰ খবৰ জানিবপৰা নাই।

পোষ্টমাষ্টৰৰ ওচৰত যি বাস্তৱ ৰতনৰ ওচৰত সেয়া বোধগম্য নহয়, কাৰণ 'সে ৰয়েছে তাৰ হৃদয় ৰাজ্যে।' এক ৰাতিৰ ভিতৰত ৰতন যেন বালিকাৰ পৰা অভিমানিনী নায়িকালৈ ৰূপান্তৰিত হৈছে। যোৱাৰ আগতে ৰতনক পাৰিশ্ৰমিক দিব খোজোতে ৰতনে পোষ্টমাষ্টাৰৰ ভৰিত ধৰি কৈছে 'আমাৰ জন্য কাউকে কিছু ভাবতে হবে না' ইয়াতেই তাইৰ নাৰী সত্বাৰ উন্মোচন হৈছে। এয়াই হৈছে এই গল্পৰ মূলভাব।

'পোষ্টমাষ্টাৰ' গল্পৰ প্ৰকৃতি আৰু মানুহ অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে। প্ৰকৃতি আৰু মানুহৰ ৰবীন্দ্ৰনাথৰ অন্তৰঙ্গ পৰিচয় হৈছে শিলাইদহত পদ্মাতীৰত ৰবীন্দ্ৰনাথে লিখিছে— 'বাংলাদেশেৰ নদীতে নদীতে গ্ৰামে গ্ৰামে ঘুৰে বেড়াচ্ছি, এৰ নতুনত্ব চলন্ত বৈচিত্ৰ্যেৰ নতুনত্ব। ........ এইখানে নিৰ্জন-স্বজনেৰ নিত্য সংগম চলছিল, আমাৰ জীৱনে অহৰহ সুখ-দুখৰ বাণী নিয়ে মানুষেৰ জীৱন যাত্ৰাৰ বিচিত্ৰ কলৰব এসে পৌঁছেছিল আমাৰ হৃদয়ে।' (ভূমিকা, সোনাৰতৰীকাব্য) 'পোষ্টমাষ্টাৰ' গল্পৰ পল্লীবাংলা মনোৰম হয়। এই গাঁও কবিৰ কল্পনাৰ গাঁও নহয়। পল্লীবাংলা নিজস্ব স্বৰূপত ইয়াত আৰ্বিভূত পোষ্টমাষ্টৰৰ চকুত দেখা গ্ৰামবাংলা আৰু বাস্তৱ জীৱনত গাঁও একে। পল্লীবাংলা নিজস্ব স্বৰূপত ইয়াত আৰ্বিভূত। ৰতনে যেন এই গ্ৰামবাংলাৰ স্নিগ্ধ মানবী মূৰ্ত্তি।

এই গল্পত প্ৰকৃতি ৰতনৰ মৰ্মবেদনা প্ৰকাশৰ অনুসঙ্গত ব্যৱহাৰ হৈছে। পোষ্টমাষ্টাৰে যেতিয়া ৰতনক গাঁও এৰি যোৱাৰ কথা ক'লে তেতিয়া তাইৰ বেদনা প্ৰকাশৰ প্ৰতীক লেখকে মূৰ্ত্ত কৰি তুলিছে পাৰিপাৰ্শ্বিকতাৰ মাজত "অনেক ক্ষণ আৰ কেহ কোনো কথা কহিল না। মিট্ মিট্ কৰিয়া প্ৰদীপ জলিতে লাগিল এবং একস্থানে ঘৰেৰ টিনেৰ চাল ভেদ কৰিয়া একটি মাটিৰ সৰাৰ উপৰ টপ্ টপ্ কৰিয়া বৃষ্টিৰ জল পড়িতে লাগিল।"

এই গল্পত ৰবীন্দ্ৰনাথৰ স্বত্যন্ত্ৰ ভাৱনাই যেন পোষ্টমাষ্টাৰৰ বাস্তৱ ব্যক্তিত্বক গ্ৰাস কৰিছিল। সেয়েহে ৰতনৰ কাৰণে পোষ্টমাষ্টাৰৰ বেয়া লগা বিশ্বব্যাপী হৈ উঠিছে 'একটি সামান্য গ্ৰাম্য বালিকাৰ কৰুণ মুখচ্ছবি যেন এক বিশ্বব্যাপী বৃহৎ অব্যক্ত মৰ্মব্যাথা প্ৰকাশ কৰিতে লাগিল।' এই গল্পত প্ৰকৃতিৰ লগত মানুহৰ একাত্মতাৰ ৰূপ প্ৰাণবন্ত হৈ প্ৰকাশিত হৈছে।

এই গল্পৰ পোষ্টমাষ্টাৰ স্বয়ং আৰু বালিকা ৰতন একান্ত বাস্তৱ এওঁলোকৰ কাহিনীও বাস্তৱ, জীৱন কথা সহজ, সৰল, সঁচা। জীৱন বিষয়ক গল্পকাৰৰ সহৃদয়তাৰ সুন্দৰ নিদৰ্শন বৰ্ণিত হৈছে। গল্পটোত লেখকৰ সৌন্দৰ্য তন্ময়তা আৰু কবি সত্তাৰ সাৰ্থক প্ৰতিফলন লক্ষ্য কৰা যায়।

ৰবীন্দ্ৰনাথৰ গল্প বা উপন্যাসৰ বৰ্ণনা ভঙ্গীৰ বিশেষত্ব হ'ল নৈৰ্ব্যক্তিকতা। এই বাবেই তেওঁৰ গল্পবোৰ বিশেষ সৌন্দৰ্যশালী হৈ পৰিছে। পোষ্টামাষ্টাৰ গল্পৰ সমাপ্তিত সংযোগ কৰা দাৰ্শনিক তত্ত্বমূলক কথাখিনিয়ে গল্পৰ অবিচ্ছেদ্য অংগ গল্পৰ মাজত প্ৰকাশ পোৱা ৰোমান্টিক চেতনা, দাৰ্শনিক উপলব্ধি আৰু শিল্প বৈভৱৰ কাৰণে ই এটা চিৰস্মৰণীয় গল্প হৈৰ'ব। (ড° পৰাগ ভট্টাচাৰ্য কথা শিল্প' প্ৰসঙ্গ) 'পোষ্টমাষ্টাৰ কেৱল গল্প নহয়, গল্পৰ মাজেদি ঘটিছে যি, একমাত্ৰ ৰবীন্দ্ৰনাথৰ দ্বাৰাই সম্ভৱ 'বিৰাট মানৱ জীৱনেৰ চিৰন্তন সত্যৰ প্ৰকাশ।'

■■

# প্ৰবন্ধ— শিক্ষা কেনে হোৱা উচিত

অৰ্পনা দেৱী
সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ।

"কা সা শিক্ষা যা মূল্যবোধ বৰ্জিতা
কা সা শিক্ষা যা সদাচাৰহীনা
কা সা শিক্ষা যা নীতিবিহীনা
কা সা শিক্ষা যা মানৱকল্যাণ ৰহিতা"

প্ৰাচীন কালত বিদ্যাৰ্থীসকলে গুৰু গৃহত থাকি শিক্ষা গ্ৰহণ কৰিছিল। গুৰুসকলক দেৱতাৰূপে জ্ঞান কৰা হৈছিল। গুৰুৰ স্থান আছিল সবাতোকৈ ওপৰত। সেই শিক্ষা প্ৰণালীৰ ফলত ব্যক্তি জীৱন তথা সমগ্ৰ সামাজিক জীৱন ব্যৱস্থাত মূল্যবোধে আধিপত্য লাভ কৰিছিল। মানুহৰ জীৱন, শান্তি, পাৰস্পৰিক স্নেহ আৰু সহযোগিতা, অহিংসা, সত্যতা, ন্যায়, নৈতিকতাৰে পৰিপূৰ্ণ আছিল। ৰজা-প্ৰজা সকলোৰে জীৱন আছিল সন্তুষ্টতাৰে পৰিপূৰ্ণ আৰু দুখ-বেদনা, অশান্তি, ৰোগ-শোকৰ আধিপত্য যেন একেবাৰেই নাছিল। মানুহৰ চৰিত্ৰৰূপী ধন আছিল আৰু শান্তি, সুখ, আনন্দৰে মানুহৰ জীৱন সমৃদ্ধ আছিল। সেই সময়ত সংগীত-বিদ্যা, জ্যোতিযবিদ্যা, ৰাজবিদ্যা, বেদ-বেদাংগ আদি শাস্ত্ৰ। বিষয়ৰ শিক্ষা দিয়া হৈছিল যদিও তাৰ আগতে প্ৰাৰ্থনা, ধ্যান, ত্যাগ, তপস্যা, সেৱা সমভাৱাপন্নতা ইত্যাদি মূল্যবোধৰ শিক্ষা দিয়া হৈছিল। গুৰুগৃহত এজন ৰাজকুমাৰক যিধৰণে শিক্ষা দান কৰা হৈছিল, আন আন শিক্ষাৰ্থীসকলকো সমানভাৱে শিক্ষা প্ৰদান কৰা হৈছিল। গুৰু প্ৰবেশ কৰিলে এজন ৰজায়ো আসন ত্যাগ কৰি তেওঁৰ আতিথ্য সৎকাৰ কৰিছিল। গুৰুৱে আধ্যাত্ম বিদ্যাৰ দ্বাৰা জীৱনত মূল্যবোধ আহৰণ কৰাইছিল। প্ৰাচীন শিক্ষা ব্যৱস্থাত মূল্যবোধৰ শিক্ষা আছিল এক অবিচ্ছেদ্য অংগ। ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থৰ অধ্যয়নৰ পৰা আমি বুজি পাওঁ কিদৰে প্ৰাচীনকালত মানুহে মূল্যবোধ সম্পন্ন জীৱন যাপন কৰিছিল। সেই সময়ৰ সমাজত মূল্যবোধৰ বিজয় আৰু মূল্যবোধহীন ব্যক্তিৰ নাশ দেখুওৱা হৈছে। এই মূল্যবোধৰ শিক্ষা তথা নৈতিক শিক্ষাৰ বাবে ভাৰতবৰ্ষ মহান দেশ হিচাপে সমগ্ৰ বিশ্বতে পৰিচিত।

আমাৰ দেশৰ বৰ্তমান শিক্ষা ব্যৱস্থা হৈছে বিদেশীসকলৰ অৱদান। দেশে স্বাধীনতা লাভ কৰাৰ পিছত কোঠাৰী কমিশ্যন, ৰাজীৱ গান্ধী 'নিউ এডুকেশ্বন পলিচি', ৰাধাকৃষ্ণণ কমিশ্যন ইত্যাদিৰ দ্বাৰা নৈতিক শিক্ষা আৰু যোগ শিক্ষাৰ বিভিন্ন পৰামৰ্শ আগবঢ়ালে। কিন্তু কোটি কোটি টকা ব্যয়ৰ পিছতো আজিৰ শিক্ষা প্ৰণালীয়ে চৰিত্ৰবান, আত্মবিশ্বাসেৰে পৰিপূৰ্ণ, সুস্থ-সবল মানসিকতাৰ মুক্ত যুৱক-যুৱতী গঢ়ি তুলিব পৰা নাই। বৰ্তমান শিক্ষা ব্যৱস্থাই কেৱল উপাধি প্ৰদান কৰা আৰু চাকৰিৰ যোগ্য কৰি তোলাতেই সীমাবদ্ধ হৈ ৰৈছে। আজিৰ শিক্ষা ব্যৱস্থা জীৱনৰ লগত সম্বন্ধযুক্ত নহয়। বিদ্যালয়ত গণিত, বিজ্ঞান আদি বিষয়ৰ শিক্ষা দিয়া হয়; কিন্তু চৰিত্ৰ নিৰ্মাণৰ ওপৰত গুৰুত্ব কম দিয়া হয়। আজিৰ শিক্ষা ব্যৱস্থাই ডাক্তৰ, ইঞ্জিনিয়াৰ, বিজ্ঞানী আদি সকলো গঢ়ি তুলিছে কিন্তু নিষ্ঠাবান, সৎভাৱনাযুক্ত, পৰোপকাৰী, চৰিত্ৰবান কেইজন ব্যক্তি গঢ়ি তুলিবলৈ সক্ষম হৈছে? দেশ স্বাধীন হোৱাৰ আগেয়ে শিক্ষিত লোক বেছি নাছিল, আজি শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি হৈছে, কিন্তু ব্যক্তিৰ মাজত উদাসীনতা, হতাশা, অসন্তুষ্ট বৃদ্ধি হব ধৰিছে। কাৰণ জীৱন প্ৰণালীৰ মূল্যবোধৰ লগত যেন শিক্ষা ব্যৱস্থাৰ অকণো সম্বন্ধ নাই।

শিক্ষা এনে এটি বীজ যাৰ দ্বাৰা জীৱন এজোপা ফলবান বৃক্ষ সদৃশ হৈ উঠে। প্ৰকৃত শিক্ষাই সদায় এজন ব্যক্তি সৎকামৰ বাবে প্ৰেৰিত, উৎসাহিত, উদ্যত আৰু তৎপৰ কৰি

তোলে। শিক্ষাই যেতিয়া মানুহৰ মানসিক বিকাশ ঘটাব পাৰিব তেতিয়াহে সেই শিক্ষা ফলদায়ক আৰু জন কল্যাণমুখী হ'ব। এজন বাস্তৱিক শিক্ষাপ্ৰাপ্ত ব্যক্তি কেৱল নিজৰ বাবেই জীয়াই নাথাকে, তেওঁ কৰুণাশীল আৰু পৰোপকাৰী হয়। ঘৃণা-দ্বেষ আদিৰ পৰা মুক্ত তথা স্বচ্ছ হয়। যি শিক্ষাৰ দ্বাৰা মানুহৰ ব্যৱহাৰ শ্ৰেষ্ঠ হয়, চৰিত্ৰ মহান হয় তেনে শিক্ষাহে প্ৰকৃত শিক্ষা। নিজৰ জীৱন যদি সৎ চৰিত্ৰবান নহয়, সমাজৰ বাবে যদি আমাৰ কোনো অৱদানেই নাথাকে তেনেহলে সেই শিক্ষাৰ কোনো মূল্য থাকিব নোৱাৰে। ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণে কৈছিল যে মানুহক প্ৰকৃত মানুহ হিচাপে গঢ় দিয়াই শিক্ষাৰ লক্ষ্য হোৱা উচিত। গতিকে বৰ্তমান শিক্ষা ব্যৱস্থাৰ কি অভাৱ আছে যাৰ বাবে সমাজত পাৰিবাৰিক স্নেহ, সৎভাৱনা, নৈতিকমূল্যৰ অৱক্ষয় হৈছে। শিক্ষা ব্যৱস্থাত নৈতিক, আধ্যাত্মিক, শিক্ষাক যথোচিত স্থান নিদিয়াৰ পৰিণাম স্বৰূপে আজি যুৱ-প্ৰজন্মৰ মাজত অনুশাসনহীনতাই দেখা দিছে। হিংসাত্মক কাৰ্য দিনে দিনে বাঢ়ি গৈছে, যুৱক-যুৱতী সকলৰ মানসিক দৈন্যতা তথা সংঘাত বাঢ়ি যোৱাৰ ফলত মাদক দ্ৰব্যৰ সেৱন ক্ৰমান্বয়ে বৃদ্ধি হ'বলৈ ধৰিছে, মানসিক হতাশাৰ ফলত আত্মহত্যাৰ দৰে ঘটনা হ'বলৈ ধৰিছে। সমগ্ৰ দেশতে নৈতিক মূল্যৰ অৱক্ষয়ী বাতাবৰণ গঢ়ি উঠিছে। ব্যক্তিৰ সৰ্বাঙ্গীন বিকাশৰ বাবে আধ্যাত্মিক তথা মূল্যবোধৰ শিক্ষা আৱশ্যক। মহৰ্ষি অৰবিন্দ, মহাত্মা গান্ধী, ৰবীন্দ্ৰ নাথ ঠাকুৰ আদি বিভূতিয়ে মূল্যবোধৰ শিক্ষাৰ উৎস আধ্যাত্মিকতা বুলি অভিহিত কৰিছে। স্বামী বিবেকানন্দৰ প্ৰতিভা স্বামী ৰাম কৃষ্ণৰ ছত্ৰ-ছায়াতে আধ্যাত্মিক জ্ঞানৰ দ্বাৰা প্ৰস্ফুটিত হৈছিল। আধ্যাত্মিক শিক্ষা হৈছে মূল্যবোধ শিক্ষাৰেই আন এটি নাম। এনে শিক্ষাৰেহে আত্ম সংযম, আত্মবল আনিব পাৰি, ব্যৱহাৰ সন্তুলিত হয় আৰু ব্যক্তি সৎ চৰিত্ৰবান হয়। গতিকে বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত মূল্যবোধ তথা আধ্যাত্মিক শিক্ষাক যদি বৰ্তমান শিক্ষা ব্যৱস্থাৰ লগত সাঙুৰি লোৱা যায়, তেনেহলে শিক্ষাৰ প্ৰকৃত লক্ষ্য পূৰণ হ'ব কাৰণ কোনো ৰাষ্ট্ৰ ধন শক্তিৰে মহান হ'ব নোৱাৰে। শ্ৰেষ্ঠ চৰিত্ৰবান নাগৰিকৰ দ্বাৰাহে হ'ব পাৰে।

ভৱিষ্য নিৰ্মাণ প্ৰকৃততে শিক্ষকৰ ওপৰত নিৰ্ভৰশীল। এই ক্ষেত্ৰত শিক্ষক মাগদৰ্শী হোৱা উচিত। ব্যক্তিক শিক্ষিত কৰি তুলিবলৈ উপদেশকৰ উপদেশ বা শিক্ষকৰ কেৱল মৌখিক শিক্ষাৰ ইমান প্ৰভাৱ নপৰে; যিমান শিক্ষকৰ ব্যৱহাৰিক আৰু আচৰণৰ প্ৰভাৱ পৰে। গতিকে শিক্ষক সকলে আধ্যাত্মিক জ্ঞান, মূল্যবোধৰ জ্ঞান তথা নিজকে ব্যৱহাৰিক আচৰণৰ জৰিয়তে আজিৰ যুৱ প্ৰজন্মক সঠিক দিশেৰে আগুৱাই লৈ যাব পাৰে, সঠিক মাগদৰ্শক হ'ব পাৰে।

"সৈব শিক্ষা যা মূল্যবোধসমন্বিতা  
সৈৱ শিক্ষা যা সদাচাৰসমেতা  
সৈব শিক্ষা যা নীতিগুম্ফিতা  
সৈব শিক্ষা যা মানৱকল্যাণনিৰতা।"

■■

প্ৰবন্ধ

# খিলঞ্জীয়া লোকৰ অধিকাৰ

ড° বৰ্ণালী ডেকা
সহকাৰী অধ্যাপিকা, ৰাজনীতি বিভাগ।

ৰাষ্ট্ৰসংঘই খিলঞ্জীয়া লোকসকলৰ অধিকাৰক মানব অধিকাৰৰ অবিচ্ছেদ্য অংশ হিচাপে স্বীকৃতি দিছে। 'খিলঞ্জীয়া' শব্দটোৱে সাধাৰণ অৰ্থত স্থায়ীভাৱে বসবাস কৰি সামগ্ৰিকভাবে সকলো অধিকাৰ ভোগ কৰি যুগ যুগ ধৰি বসবাস কৰি অহা লোকসকলকে বুজায়। অৰ্থাৎ খিলঞ্জীয়া বা আদিম অধিবাসী হ'ল সেইসকল লোক যিসকল কোনো এখন ৰাষ্ট্ৰত অন্য কোনো ঠাইৰ পৰা কোনো মানুহ অহাৰ পূৰ্বৰে পৰাই বসবাস কৰি আছিল। এখন ৰাষ্ট্ৰত আদিম অৱস্থাৰ পৰা বসবাস কৰা জনসাধাৰণৰ সন্তান বা বংশধৰসকলকো খিলঞ্জীয়া শব্দটোৰ অন্তৰ্ভূক্ত কৰিব পাৰি। খিলঞ্জীয়াসকলক সাধাৰণতে এখন ৰাষ্ট্ৰৰ প্ৰথম অধিবাসী, আদিম অধিবাসী, ভূমিপুত্ৰ, আদিমপুৰুষ, জনজাতি আদি বিভিন্ন নামেৰে জনা যায়। এই আদিম অধিবাসীসকলে নিজকে পাছত প্ৰৱেশ কৰা জনসাধাৰণৰ পৰা পৃথক বুলি বিবেচনা কৰে।

মানৱ ইতিহাসত দেখা যায় যে যেতিয়া কোনো শক্তিশালী চুবুৰীয়া গোষ্ঠীয়ে নতুন অঞ্চলৰ প্ৰসাৰ সাধন কৰে বা দূৰৰ পৰা অহা অধিবাসীয়ে শক্তি প্ৰয়োগৰ দ্বাৰা নতুন অঞ্চল দখল কৰে তেতিয়া খিলঞ্জীয়া অধিবাসীৰ সংস্কৃতি, জীৱিকা আৰু আনকি অস্তিত্বও বিপদাপন্ন হয়। ফলত তেওঁলোক জীৱন ধাৰণৰ বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হয়। বিশ্বৰ বিভিন্ন প্ৰান্তত সিচঁৰতি হৈ থকা খিলঞ্জীয়া লোকসকলৰ অধিকাৰ সাম্ৰাজ্যবাদী শাসনৰ সময়ত প্ৰবেশ কৰা জনসাধাৰণৰ দ্বাৰা উলংঘিত হৈছে। মন কৰিবলগীয়া যে, সাংস্কৃতিক আৰু গোষ্ঠীগত ভিন্নতা থকা সত্ত্বেও বিভিন্ন খিলঞ্জীয়া গোষ্ঠীৰ সমস্যা ক্ষোভ আৰু স্বাৰ্থৰ সাদৃশ্য পৰিলক্ষিত হয়। সেইবাবেই আন্তৰাষ্ট্ৰীয় মঞ্চত এই গোষ্ঠীবোৰৰ উপস্থিতি লক্ষ্য কৰা যায়। বিশেষকৈ দ্বিতীয় মহাসমৰৰ অন্তত ঔপনিবেশিক শাসনৰ পৰা মুক্ত হৈ নতুনকৈ স্বাধীনতা লাভ কৰা ৰাষ্ট্ৰবোৰৰ খিলঞ্জীয়া অধিবাসীসকলে নিজৰ সুকীয়া সত্ত্বা আৰু সাংস্কৃতিক ঐতিহ্য ৰক্ষাৰ বাবে যথেষ্ট চেষ্টা কৰিছিল।

পৃথিৱীৰ সকলো অঞ্চলৰ খিলঞ্জীয়া জনসাধাৰণে সন্মুখীন হোৱা সমস্যাসমূহ সাধাৰণতে দুই ধৰণৰ— অৰ্থনৈতিক আৰু সাংস্কৃতিক সমস্যাসমূহৰ প্ৰধান সমস্যা হ'ল যে খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰত থকা ভূমিৰ পৰিমাণ হ্ৰাস পাইছে। অৰ্থনৈতিক বিকাশৰ নামত পৃথিৱীৰ আটাইবোৰ অঞ্চলৰ খিলঞ্জীয়া জনসাধাৰণক তেওঁলোকৰ অধিকৃত ভূমিৰ পৰা সামান্য ক্ষতিপূৰণ দি খেদি পঠোৱা হৈছে। বিশেষকৈ কৃষিভূমি হ্ৰাসৰ বাবে তথা নিয়োগৰ সা-সুবিধা লাভ কৰিবলৈ সক্ষম নোহোৱা বাবে খিলঞ্জীয়া লোকসকল আৰ্থিক সংকটৰ সন্মুখীন হৈছে। তাৰ উপৰিও খিলঞ্জীয়া জনসাদাৰণে বসবাস কৰা অঞ্চলৰ চাৰিওফালে বিজ্ঞান আৰু কাৰিকৰী জ্ঞানৰ সুফল ভোগকাৰী পৃথক সংস্কৃতিৰ জনসাধাৰণ বসবাস কৰা কাৰণে খিলঞ্জীয়া জনসাধাৰণৰ প্ৰাচীন কলা সংস্কৃতিও আক্ৰমণৰ সন্মুখীন হৈছে।

খিলঞ্জীয়া জনসাধাৰণৰ জীৱন-নিৰ্বাহৰ প্ৰতি অহা এনেধৰণৰ ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি আন্তৰাষ্ট্ৰীয় পৰ্যায়ত তেওঁলোকৰ স্ব-অধিকাৰ আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এইক্ষেত্ৰত আন্তৰ্জাতিক বনুৱা সংগঠনৰ ভূমিকা উল্লেখযোগ্য। ১৯৫৩ চনত আন্তৰ্জাতিক বনুৱা সংগঠনে খিলঞ্জীয়া লোকৰ অধিকাৰৰ ওপৰত এক অধ্যয়ন সমাপ্ত কৰি ইয়াৰ আধাৰত ১৯৫৩ চনত 'খিলঞ্জীয়া আৰু জনগোষ্ঠীয় লোকৰ অধিকাৰৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু ই বিশেষ সফল হ'ব নোৱাৰাত ১৯৮৯

চনত ইয়াৰ সংশোধিত আকাৰত এক চুক্তি সম্পাদন কৰে। এই চুক্তি ১৯৯১ চনৰ ৫ চেপ্তেম্বৰ তাৰিখৰ পৰা কাৰ্যকৰী হৈছে। এই সিদ্ধান্ত বিশ্বৰ স্বাধীন ৰাষ্ট্ৰসমূহৰ জনজাতি লোকসকলৰ ওপৰত প্ৰয়োগ কৰা হৈছে, যিসকল সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত অন্য জাতীয় সম্প্ৰদায়ৰ পৰা পৃথক আৰু যিসকলৰ মৰ্যাদা তেওঁলোকৰ নিজ নিজ প্ৰথা, পৰম্পৰা অথবা কোনো বিশেষ আইন বা নীতি-নিয়মৰ দ্বাৰা সম্পূৰ্ণৰূপে বা আংশিকভাবে পৰিচালিত হয়। উল্লেখযোগ্য যে ১৯৯৪ চনত 'খিলঞ্জীয়া জনসাধাৰণৰ অধিকাৰৰ খচৰা ঘোষণা পত্ৰ' এখন গ্ৰহণ কৰা হয়। এই ঘোষণা পত্ৰত খিলঞ্জীয়া লোকৰ মৌলিক স্বাধীনতা, তেওঁলোকৰ পৃথক পৰিচয় ৰক্ষা, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ, পৃথক ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক বৈশিষ্ট্য তথা স্বকীয় আইন পদ্ধতি ৰক্ষা, জাতীয়তাৰ অধিকাৰ, শান্তি, নিৰাপত্তা আৰু স্বাধীনতাৰ অধিকাৰ, ভূমিৰ অধিকাৰ, প্ৰাকৃতিক পৰিবেশ আৰু সম্পদৰাজি ৰক্ষাৰ অধিকাৰ আদি বিষয় সন্নিবিষ্ট কৰা হৈছে। লগতে খিলঞ্জীয়াৰ বিষয়সমূহৰ প্ৰতি সজাগতা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰসংঘই ১৯৯৪ চনৰ ১০ ডিচেম্বৰৰ পৰা ২০০৪ চনলৈ 'খিলঞ্জীয়াৰ আন্তৰ্জাতিক দশক' পালনৰ ব্যৱস্থা কৰে। ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদে ২০০০ চনত খিলঞ্জীয়া লোকসকলৰ এখন স্থায়ী ফ'ৰাম গঠন কৰে। এই ফ'ৰামে মানৱ অধিকাৰ, পৰিবেশ আৰু উন্নয়নত যথেষ্ট প্ৰভাৱ পেলাব, য'ত খিলঞ্জীয়া লোকসকলে নিজৰ আৰ্থ-সামাজিক উন্নতি আৰু বৰ্ণ বিদ্বেষৰ বিৰুদ্ধে ওজৰ আপত্তি দাখিল কৰিব পাৰিব। ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহত খিলঞ্জীয়াৰ অধিকাৰ ৰক্ষা সম্পৰ্কীয় স্থায়ী ফ'ৰামৰ এটা সচিবালয় খোলা হয়। এই সচিবালয়ে ৰাষ্ট্ৰসংঘৰ নীতিৰ আধাৰত ইয়াৰ অধীনৰ ৰাষ্ট্ৰসমূহৰ খিলঞ্জীয়া লোকসকলৰ অধিকাৰ আৰু জীৱন-ধাৰণৰ বিভিন্ন দিশ সম্পৰ্কে পৰ্যালোচনা কৰিব।

২০১২ চনত ১৭ তম 'বিশ্ব খিলঞ্জীয়া দিৱস' বিশ্বৰ অন্য প্ৰান্তৰ লগতে ভাৰতবৰ্ষতো উদ্‌যাপন কৰা হয়। খিলঞ্জীয়া বৰ্ষৰ এই বৰ্ষৰ মূল নীতি আছিল 'খিলঞ্জীয়া মাধ্যম, খিলঞ্জীয়া দাবীক ক্ষমতাশালী কৰা।' খিলঞ্জীয়া জনসাধাৰণে যি অন্যায় অবিচাৰৰ সন্মুখীন হৈ আহিছে, যি জাতি-জনগোষ্ঠীসমূহৰ সাংস্কৃতিক, ধৰ্মীয়, ভাষিক ঐক্য আৰু পৰম্পৰাৰ সংৰক্ষণ কৰি আহিছে তেওঁলোকক সুৰক্ষা প্ৰদান কৰিব লাগে। ভাৰতৰ্যত খিলঞ্জীয়া জনজাতিসকলৰ বৰ্তমানৰ সংগ্ৰাম মূলতঃ ভূমি, পানী, সংস্কৃতি, স্বাস্থ্য, যাতায়ত, পুষ্টি আৰু শিক্ষা, নিজস্ব পৰিচয় ৰক্ষা আদিৰ লগত জড়িত। তেওঁলোকৰ মূল উদ্দেশ্য হ'ল স্ব-অধিকাৰ ৰক্ষাৰে সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক অধিকাৰ সাব্যস্ত কৰা ভাৰতৰ খিলঞ্জীয়াৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে হাতত লোৱা কিছুমান উল্লেখযোগ্য আন্দোলন হ'ল নৰ্মদা বচাও আন্দোলন, তেলেঙ্গনা বনাঞ্চল সুৰক্ষা আন্দোলন, পশ্চিমবঙ্গৰ চিংগুৰ ভূমি আন্দোলন, ভূমি হস্তান্তৰকৰণ বিৰোধী আন্দোলন আদিয়েই প্ৰধান। ভাৰতবৰ্ষত খিলঞ্জীয়া লোকসকলৰ অধিকাৰ সাব্যস্ত কৰিব পৰাকৈ সাংবিধানিক ব্যৱস্থাও আছে। সংবিধানৰ ৪৬ নং অনুচ্ছেদত ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিত খিলঞ্জীয়াসকলৰ অধিকাৰ, সুৰক্ষা আৰু প্ৰতিৰক্ষাৰ বিধান আছে। সেয়েহে খিলঞ্জীয়াসকলৰ স্ব-অধিকাৰৰ দাবীসমূহ ৰাষ্ট্ৰ তথা চৰকাৰে সুৰক্ষিত কৰা উচিত।

সংগ্ৰহ—

১। 'মানৱ অধিকাৰ'— লিখক ঃ পদ্মেশ্বৰ কাটনী।

২। 'মানৱ অধিকাৰ'— লিখক ঃ ড° ৰীপিমা বুজৰ বৰুৱা আৰু ড° ভূপেশ মল্ল বুজৰ বৰুৱা।

৩। 'মানৱ অধিকাৰ'— লিখক ঃ ধনেশ্বৰ বৈশ্য।

৪। 'মানৱ অধিকাৰ'— লিখক ঃ ড° যজ্ঞেশ্বৰ বৰা।

প্ৰবন্ধ—

# সমন্বয়ৰ প্ৰতীক বিষ্ণুপ্ৰসাদ ৰাভা

ড০ বিজয়া বড়া
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ

গণদৰদী গণশিল্পী অসমীয়া জাতীয় জীৱনৰ অন্যতম পুৰোধা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আছিল একেধাৰে কবি, গীতিকাৰ, সুৰকাৰ, সংগীত শিল্পী, নাট্যকাৰ, অভিনেতা, নৃত্যশিল্পী, প্ৰবন্ধকাৰ তথা বহুমুখী প্ৰতিভাৰ আকৰ কলাকাৰ আৰু সুন্দৰৰ পূজাৰী। বিষ্ণুপ্ৰসাদ ৰাভাই অসমৰ জাতীয় জীৱনক মহীয়ান কৰি বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰে অসমৰ জাতীয় সংহতি প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। অসমৰ সকলো লোকৰ মাজত সমন্বয়-সংহতি আৰু ভ্ৰাতৃত্ববোধ জগাই তুলিবলৈ গৈ তেওঁ নিজৰ জীৱনটোকে বিপদাপন্ন কৰি তুলিছিল।

সমন্বয় সম্পৰ্কে বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ আছিল প্ৰচলিত সকলো আদৰ্শৰ বিপৰীতে এক নতুন ধৰণৰ চিন্তা, এক নতুন আদৰ্শ। বিষ্ণুপ্ৰসাদ ৰাভাৰ দৃষ্টিত সমন্বয় আছিল অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো বাস্তৱ পৰিস্থিতিৰ অনুসন্ধান কৰি পৃথিৱীৰ আগৰণুৱা চিন্তা-চৰ্চাৰ পোহৰেৰে উদ্ভাসিত এক বৈজ্ঞানিক চিন্তাধাৰা। তেওঁৰ বাবে সকলো চিন্তাৰ কেন্দ্ৰীয় উৎস আছিল সৰ্বসাধাৰণ জনতা, হাজাৰ-হাজাৰ হালোৱা-হজুৱা, বনুৱা। এই হালোৱা-হজুৱা-বনুৱাৰ সৃষ্টিশীল কৰ্মৰাজি আৰু প্ৰজ্ঞাই বিষ্ণুপ্ৰসাদ ৰাভাক সমন্বয়ৰ বাট বুলিবলৈ অসীম সাহস আৰু প্ৰেৰণা যোগাইছিল। সেয়ে তেওঁ এই খাটি খোৱা নিৰীহ মেহনতী জনতাক ভেঁটি কৰিয়েই সমন্বয়ৰ বাটত আগুৱাব বিচাৰিছিল। এই নিৰীহ জনতাক আদৰ্শ আৰু সংগ্ৰামৰ জৰিয়তে একত্ৰিত কৰাটোৱেই তেওঁ সমন্বয়ৰ প্ৰধান বাট বুলি ধৰি লৈছিল। তেওঁ বুজি উঠিছিল যিদৰে সাধাৰণ খাটি খোৱা নিৰক্ষৰ শ্ৰমজীৱী লোকসকল সংস্কৃতিৰ ধাৰক, বাহক সেইদৰে তেওঁলোকেই হ'ল সমন্বয়ৰো ধাৰক-বাহক। তেওঁলোকেই সম্প্ৰীতি-সংহতি-সমন্বয় গঢ়ি তোলে, ৰক্ষাও কৰে আৰু কেতিয়াবা কেতিয়াবা ভঙ্গও কৰে। সাধাৰণ ৰাইজৰ পৰাই তেওঁ প্ৰকৃত সমন্বয়ৰ আদৰ্শ গ্ৰহণ কৰিছিল আৰু পুনৰ সেই আদৰ্শকে তেওঁলোকৰ মাজলৈ লৈ গৈছিল। সাধাৰণ ৰাইজে সেইবোৰ বুজি পাইছিল আৰু তেওঁৰ বক্তব্যৰ অন্তৰালত নিহিত হৈ থকা সত্যক উপলব্ধি কৰিব পাৰিছিল। সেয়েহে সাধাৰণ ৰাইজৰ বাবে বিষ্ণুপ্ৰসাদ ৰাভা আছিল সমন্বয়ৰ প্ৰতীক।

বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল সমন্বয়ৰে গঢ়ি উঠা বিশাল অসমীয়া জাতিৰ কথা, বিৰাট অসমীয়া সংস্কৃতিৰ কথা। তেওঁ সদায়েই কৈ আহিছিল অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ নিজস্ব ভাষা-সংস্কৃতিৰ বিকাশৰ কথা। কিয়নো অসমৰ আটাইবোৰ জাতি-জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ উন্নতিৰ জড়িয়তেহে বিশাল অসমীয়া জাতিৰ ভাষা-সংস্কৃতিৰ উন্নয়ন তথা সমন্বয় সম্ভৱ হ'ব বুলি তেওঁ ভাবিছিল। এই কথা বিষ্ণুপ্ৰসাদ ৰাভাই বুজিব পাৰিছিল বাবেই তেওঁ অসমৰ সকলো জনগোষ্ঠীৰ নিজস্ব আশা-আকাংক্ষা উপেক্ষা নকৰি তেওঁলোকক উপলব্ধি আৰু সন্মান কৰিবলৈ সকলোকে সঁকিয়াই দিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁৰ 'বড়ো কৃষ্টি' নামৰ প্ৰবন্ধটিত জাতীয় সমন্বয় সম্পৰ্কে উল্লেখ কৰিছে এইদৰে —

"এটা জাতিৰ লগত আন এটা জাতিৰ সমন্বয় হ'বলৈ হ'লে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা উচিত। নিজৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ উপৰিও আনৰ ধৰ্ম, কৃষ্টি, সমাজ আৰু সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা উচিত। পৰস্পৰৰ ভিতৰত অকৃত্ৰিম আৰু আন্তৰিক শ্ৰদ্ধা ৰাখি কালৰ ৰথৰ চকাত অগ্ৰগতিৰ তালে তালে প্ৰগতিৰ অসীম বাটেদি অগ্ৰসৰ হোৱা উচিত।" সেয়ে তেওঁ স্পষ্ট ভাষাৰেই কৈছিল যে যদিহে পাৰস্পৰিক জ্ঞানৰ অভাৱ থাকে তেন্তে দুটা জাতিৰ মাজৰ সমন্বয় কেতিয়াও বিশুদ্ধ হ'ব নোৱাৰে, বৰং কলুষেৰে ভৰপূৰ হৈ ধ্বংসৰ বাটহে মুকলি কৰা হয়। বিষ্ণুপ্ৰসাদ ৰাভাই বিশ্বাস কৰা বৃহত্তৰ অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত অংশীদাৰী হ'বলৈ সকলো জাতি-জনজাতিকে তালত তাল মিলাই ওলাই আহিবলৈ উদাত্ত কণ্ঠেৰে আহ্বান

জনাইছিল —
'জাগ ট্ৰাইবেল।
জাগিব লাগিব তই কছাৰী, মিকিৰ
খাচী, ৰাভা, গাৰো, মিৰি, কুকি, নগা
বীৰ,খামটি, মিচিম, আবৰ, লালুং লুচাই
চিংফো, চিনটেং, মণিপুৰী, টাই
টিপৰা, ডিমাছা, অকা, ডফলা ককাই
চুতীয়া, মদাহী, দেউৰী, টোটোলা,
কোঁচ, হাজং, বৰাহী
জাগিব লাগিব তই জাগ
ল চোন আগ ভাগ।'

অসমৰ বৰ্ণাঢ্য ইতিহাস লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ জনসাধাৰণৰ মাজত সাংস্কৃতিক সমন্বয় তেতিয়াহে দৃঢ় হয় যেতিয়া ইয়াৰ লগত অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগ্ৰামৰ দিশটো জড়িত হৈ থাকে আৰু তেতিয়াহে সাংস্কৃতিক বিকাশৰ পথ মুকলি হয়। আৰম্ভ হয় জাতি গঠনৰ প্ৰক্ৰিয়া। সেয়ে বিষ্ণুপ্ৰসাদ ৰাভাই সাংস্কৃতিক সমন্বয়ৰ প্ৰসঙ্গত অৰ্থনীতি আৰু ৰাজনীতিক সংযুক্ত কৰিছিল। তেওঁ সামন্তবাদী শোষণ আৰু ধনী পুঁজিপতি, দালালসকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত যুগ সাপেক্ষে সমন্বয়ৰ ভেঁটি সুদৃঢ় কৰিব পাৰিছল। সেয়ে তেওঁ বিভিন্ন জনগোষ্ঠীয় ভাষাত বিভিন্ন গীত-পদ, নিবন্ধ আদি ৰচনা কৰিছিল। নিজৰ কৰ্মময় জীৱনৰ চানেকিৰে, সংগ্ৰামৰ মাজেৰে বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰমাণ কৰি দিছিল কেনেকৈ অৰ্থনৈতিক উন্নতিৰ লগত সংলগ্নিত কৰি সাংস্কৃতিক সমন্বয় কাৰ্যকৰী কৰিব পাৰি। তেওঁৰ ৰচনাৰাজিয়েই ইয়াৰ উৎকৃষ্ট উদাহৰণ। তেওঁৰ সমগ্ৰ ৰচনাতে আমি কেৱল সমমৰ্যাদাৰ দিশটোহে প্ৰকট হৈ উঠা দেখা পাওঁ, যি সুস্থ জাতি গঠনৰ প্ৰধান সমল। উদাহৰণ স্বৰূপে বিষ্ণুপ্ৰসাদ ৰাভাৰ 'সপোন কুঁৱলী' নাটত সমন্বয়ৰ এক অপূৰ্ব চিত্ৰ পৰিলক্ষিত হয়। এইনাটখনিত একেখন পথাৰতে বড়ো ৰোৱনী, মিৰি ৰোৱনী, মুছলমান ৰোৱনী, হিন্দু ৰোৱনী আদিয়ে দেশৰ সমস্যাৰ কথা আলোচনা কৰি ভুঁই ৰুইছে। বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল— "... লুইতে ডিবঙে বোৱাই আনে মিচিমি কৃষ্টি, কুণ্ডিলে চুতীয়া কৃষ্টি, দিহিং, নোৱা দিহিং আৰু টেঙাপানীয়ে খামতি, চিংফৌ, ফাকিয়াল, মৰাণ সোণোৱাল কছাৰী কৃষ্টি, দিখৌৱে আনে নগা, টাই আহোম কৃষ্টি, সোৱনশিৰীয়ে মিচিং মিৰি কৃষ্টি, কুৰী বুঢ়ী গাং ভৰলীয়ে দফলা কৃষ্টি, লংকা, কপিলী, যমুনা, কলঙে মিকিৰ ডিমাছা কৃষ্টি। সেইদৰে ৰাভা, কোঁচ, গাৰো, খাচীয়া, নাথ, কৈৱৰ্ত, কলিতা, কায়স্থ, ব্ৰাহ্মণ্য কৃষ্টি উপনৈবোৰে ধুই পখালি আনে। ..... " বিষ্ণুপ্ৰসাদ ৰাভাই বুজিছিল যে অসমৰ প্ৰতিটো জনগোষ্ঠীক হাড়ে-হিমজুৰে বুজি লৈ পৰস্পৰে-পৰস্পৰক বুজিলেহে সম্প্ৰীতি বা সংহতিৰ সেঁতু গঢ়িব পৰা যাব আৰু তেওঁ তাকেই কৰিছিল। পৰস্পৰে-পৰস্পৰৰ ধৰ্ম, সমাজ, কৃষ্টি, সংস্কৃতিৰ পূৰ্ণজ্ঞান থাকিলেহে জাতিৰ সমন্বয় সাধন কৰিব পাৰি। সেইবাবে বিষ্ণুপ্ৰসাদ ৰাভাই বিচাৰিছিল পাৰম্পৰিক বিশ্বাস আৰু সমতাৰ পটভূমিকাত মুকলিকৈ একান্ত দায়িত্ব ও গুৰুত্ব সহকাৰে ভিন-ভিন জনগোষ্ঠীৰ সমস্যাসমূহ আৰু জাতীয় আকাংক্ষাসমূহক চিহ্নিত কৰি দেশৰ সামগ্ৰিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এক প্ৰকৃত প্ৰতিনিধিত্বমূলক ব্যৱস্থা গঢ়ি তোলাৰ জৰিয়তে এইবোৰ সমাধান কৰা। এই পথটোৰ দ্বাৰাই বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া জাতি তথা বিশাল অসমীয়া সমন্বয়ৰ সংস্কৃতি গঢ়ি তোলাৰ পোষকতা কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনটোৱেই আছিল সমন্বয়ৰ এক জীৱন্ত ৰূপ। তেওঁ যি কৈছিল, তাকে কৰি দেখুৱাইছিল। অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰ নিকট সংস্পৰ্শলৈ গৈ নিজকে বৃহৎ অসমীয়া সংস্কৃতিৰ চলমান বিশ্বকোষৰূপে গঢ়ি তুলিছিল। প্ৰকৃত শিল্পী সত্তাৰে জাতি-জনজাতি নিৰ্বিশেষে ৰাইজৰ মাজত তেওঁ হৈ পৰিছিল সেঁতু, সমন্বয়ৰ দূতস্বৰূপ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৰ্হিৰে বহল জাতীয়তাবোধেৰে বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াক গতিশীল কৰাৰ লগতে সৰ্বসাধাৰণক আৰ্থ-সামাজিক দিশৰ জাগৰণকে ধৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ বাবে চেতনা যোগোৱা প্ৰথমগৰাকী পুৰোধা বিষ্ণুপ্ৰসাদ ৰাভা। অসমৰ জাতীয় সংহতি তথা সমন্বয় গঢ়াৰ ক্ষেত্ৰত বিষ্ণুপ্ৰসাদ ৰাভাক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিছতে স্থান দিব পাৰি। অসমত ক্ষুদ্ৰ জাতিসত্তা, সংকীৰ্ণ জাতীয়তাবোধ আৰু বিচ্ছিন্নতাবাদী চিন্তাৰ পৰা উত্তৰ পুৰুষক উদ্ধাৰ কৰি বহল জাতীয়তাবোধ তথা ভ্ৰাতৃত্ববোধেৰে অসমৰ জাতীয় সংহতি সুদৃঢ় কৰাৰ বাবে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ এনে চিন্তা আৰু আদৰ্শ সদায় প্ৰাসংগিক হৈ থাকিব।

■■

প্ৰবন্ধ—

# এটি দুটি মৌ মিঠা সোঁৱৰণী

প্ৰভাত চৌধুৰী
প্ৰাক্তন ছাত্ৰ, কবি, গীতিকাৰ।

আব্দুল্লা মেহমুদ আৰু মই মঙলদৈ মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিবলৈ গৈছিলো কাৰ্যালয়ৰ পৰা প্ৰ-পত্ৰ সংগ্ৰহ কৰি সেইখন পূৰণ কৰিবলৈ ঠাই বিচাৰিলো। এটা খালী ৰূমত এখন প্ৰকাণ্ড মেজ আৰু তাৰ দুকাষে দুখন 'আৰ্ম বেঞ্চ' দেখা পাই তালৈকে তিনিও সোমাই গৈ প্ৰ-পত্ৰ পূৰণ কৰাত লাগিলো। অলপ সময় পাছত দেখো বাৰান্দাত এজনী দুজনীকৈ ছোৱালী আহি আমালৈ চিৰিয়াখানাৰ জন্তু চোৱাৰ দৰে চাইছে। কোনেও মুখেৰে কিন্তু মতা নাই। আমি আমাৰ কামত মনোযোগ দিলো। অলপ পাছত বাৰান্দাত এটা বিস্ফোৰণ ঘটিল। ঐ গলিনে তহঁত? চাওঁ যে অকনমানি বাইদেউ প্ৰণতি ডেকা। আমি তেওঁৰ ভায়েকৰ লগৰ। তেওঁ ভিতৰলৈ সোমাই আহি আমাক তাৰপৰা খেদি ক'লে 'এইটো গাৰ্লচ্ কমনৰূম'। প্ৰথম দিনটো আমাৰ তেনেকৈ গৈছিল। এতিয়া মোৰ বাহিৰে দুই বন্ধুৱে অকালতে চিৰ শান্তিৰ শয্যাত শয়ন কৰিলে।

নাম ভৰ্ত্তিৰ কিছুদিন পিছতে নৱাগতৰ আদৰণি সভা। তেতিয়া বৰ্তমানৰ ৬,৭ আৰু ৮ নং কোঠালী কেইটাৰ ঠাইত তিনিটা কোঠা মিলাই এটা প্ৰকাণ্ড কোঠালী আছিল আৰু অস্থায়ী মঞ্চ সাজি তাতে সাংস্কৃতিক অনুষ্ঠান নাইবা সভা সমিতিবোৰ অনুষ্ঠিত হৈছিল। সেই সময়ত মহাবিদ্যালয়ৰ দিবা-নৈশ শাখা মিলাই পাঁচশ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত এজনো তবলাবাদক নাছিল। মই প্ৰণালীবদ্ধ ভাৱে নিশিকিলেও কাম চলাই দিব পৰাকৈ 'টুং টাং' বজাইছিলোঁ। সেই সময়ত এজন সাংস্কৃতিক কৰ্মী হিচাপে বিভিন্ন ঠাইৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা গানগোৱা বা অভিনয় কৰা ছাত্ৰ-ছাত্ৰীখিনি বিচাৰি উলিয়াই তেওঁলোকক মঞ্চত পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে অনুসন্ধান কৰি লাজ-ভয় আঁতৰাই মৰমেৰে তেওঁলোকক মঞ্চত তুলিলো। এই দিশত সেই সময়ৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰ গৌৰী কান্ত ডেকাৰো অৱদান অনস্বীকাৰ্য। (শ্ৰীডেকা ঢেকীয়াজুলিৰ অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক) তেওঁ একেধাৰে কবি, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, নাট পৰিচালক, অভিনেটা আৰু চিত্ৰ শিল্পী। সাংস্কৃতিক সম্পাদকৰ সৰহখিনি কাম আমিয়েই কৰিছিলো। তেতিয়াৰেপৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলৰ মাজত ভালদৰে পৰিচিত হ'লো। তাৰোপৰি, মঙলদৈৰ পৰা প্ৰকাশিত চতুৰ্থখন আলোচনী 'সুন্দৰম'ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰকাশক হিচাপে প্ৰায়বোৰ ছাত্ৰ-ছত্ৰীয়ে মোক জানিছিল। সেইবাবেই বহুতো বন্ধু-বান্ধবীয়ে মোক সেই বছৰৰ আলোচনী সম্পাদক হিচাপে ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ এক প্ৰকাৰ জোৰকৈ নমালে। পিছে বাৰটা ভোটৰ ব্যৱধানত হাৰিলোঁ। পৰৱৰ্তী বছৰত কিন্তু জয়লাভ কৰিলোঁ।

ছয় নম্বৰ কোঠাটোৰ মাজত দুখন বেৰ দি কৰ্তৃপক্ষই তিনিটা কোঠা কৰাৰ লগে লগে আমাৰ সাংস্কৃতিক অনুষ্ঠান নোহোৱাকৈ নৱাগত আদৰণি সভা পাতিবলৈ ক'লে। আমি আপত্তি কৰিলোঁ। এতিয়াৰ প্ৰেক্ষা-প্ৰকোষ্ঠ থকা ঠাইখিনিতে অস্থায়ীকৈ ৰভা-দি বাৰান্দাৰ আহল বহল ঠাইখিনিক মঞ্চ হিচাপে ব্যৱহাৰ কৰিব পাৰি বুলি তেখেতক পতিয়ন নিয়ালোঁ। অৱশেষত তেখেতে সকলো দায়িত্ব মোৰ ওপৰত জাপি দিলে। সাংস্কৃতিক বিভাগৰ তদাৰকী অধ্যাপক প্ৰয়াত খৰ্গেশ্বৰ গোস্বামী চাৰক মতাই আনি মোৰ হাতত ১৬০.০০ (এশ যাঠি টকা) দিবলৈ ক'লে। সেই টকাৰে মই বাঁহ কিনি ৰভা দি ওপৰত তিৰ্পাল লগাব লাগিব; মাইক্ৰোফোন আৰু লাইটৰ খৰছৰ উপৰিও অন্যান্য সকলো খৰচ

তাতেই সীমিত ৰাখিব লাগিব। চৰ্ত অকল তাতেই শেষ নহয়, অনুষ্ঠান সন্ধিয়া ঠিক ছয় বজাত আৰম্ভ কৰি নিশা ন বজাত শেষ কৰিব লাগিব। চাৰৰ কথা শিলৰ ৰেখাৰ দৰে। মই প্রতিটো চৰ্ত মানিলৈ ঘৰলৈ আহিলো। ৰাতি টোপনি নহ'ল। পিছদিনাৰ পৰা নতুন গায়ক-গায়িকাৰ অনুসন্ধান কৰিবলৈ বন্ধু বৰ্গক অনুৰোধ জনাই মই পাব পৰা চৰকাৰী বিভাগ তিনিটা আছিল গড়কাপ্তানি, জলসিঞ্চন আৰু অসম চৰকাৰৰ অধুনালুপ্ত মথাউৰি আৰু বান্ধ বিভাগ..। কাৰ্যালয় কেইটাৰ ওপৰৱালা বিষয়াক লগধৰি চাৰিখনমান ডাঙৰ তিৰ্পাল বিচাৰি কাকুতি-মিনতি কৰি কৰি অৱশেষত গড়কাপ্তানি বিভাগতে তিনিখন বৰ ডাঙৰ তিৰ্পাল পালো। দিনত ৰভা দিয়া কাম, সংগীতৰ আখৰা আৰু ৰাতি তিনি ঘন্টীয়া অনুষ্ঠানটোৰ পৰিকল্পনা কৰোঁ। সেই তিনি ঘন্টীয়া অনুষ্ঠানটোত বহুতো আগ্রহী ছাত্র-ছাত্রীক সুযোগ দিব নোৱাৰিলো বহুতো চেষ্টাৰ পাছতো। অৱশেষত আধা ঘন্টাৰ নাটক এখন বাদ দিয়া হ'ল। অধ্যক্ষ মহোদয়ৰ কথা ৰাখিবই লাগিব। ঘড়ীৰ কাটাক সন্মান কৰিবই লাগিব। সুযোগ দিব নোৱাৰাসকলে দেখিলেই মুখ ঘুৰোৱা হ'ল। অৱশেষত সেই দিনটো আহিল। সাংস্কৃতিক সম্পাদক হৰেন্দ্র মোহন ভট্টাচাৰ্য। তেওঁ বৰ্তমান অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সাংস্কৃতিক বিষয়া হিচাপে অৱসৰ লাভ কৰিছে। সভাখন শেষ হওঁতেই পাঁচ বাজিল। এটা সমবেত সংগীতেৰে অনুষ্ঠান আৰম্ভ কৰাৰ কথা সমবেত গীতটোত অংশগ্রহণকাৰী ল'ৰা-ছোৱালীখিনিয়ে ঘৰৰপৰা কাপোৰ সলাই আহো বুলি বেগাই খোজ ল'লো। কাৰোবাৰ ঘৰ ভেবাৰঘাটত, কাৰোবাৰ আকৌ টেঙাবাৰীত। গীটাৰ বাদক প্রদীপ দৈমাৰী থাকে ছাত্রাবাসত। তেখেত বি.এচ.এন. এলৰ অৱসৰী বিষয়া। মই সকলোকে ছয় বজাৰ আগতে পোৱাকৈ আহিবলৈ অনুৰোধ জনালোঁ। সকলোৱে সন্মতি জনালে যদিও মোৰ উৎকণ্ঠা বাঢ়ি গ'ল। এটাই সাহস আছিল। হৰেন্দ্রমোহন ভট্টাচাৰ্যৰ (সাংস্কৃতিক সম্পাদক) এখন এম্বেছেডৰ গাড়ী আছিল। বৰ টান পৰিলে গাড়ী পঠিয়াই দূৰৰ ল'ৰা-ছোৱালীখিনি অনাৰ ব্যৱস্থা কৰিম। ছয় বাজিবলৈ দহ মিনিট বাকী আছে। এজনো ল'ৰা-ছোৱালীৰ দেখা-দেখি নাই। খৰ্গেশ্বৰ গোস্বামী ছাৰে সময়মতে আৰম্ভ কৰিব পাৰিমনে সুধিলে। মই কলো পাৰিম। ছয় বাজিবলৈ পাঁচ মিনিট বাকী আছে। দেখিলো অধ্যক্ষ গোস্বামী ছাৰ তেখেতৰ বাস ভৱনৰ বাৰান্দাৰ পৰা ৰভা তলীৰ ফালে চাইছে। মই হৰেণক গাড়ী লৈ আগুৱাই যাবলৈ ক'লো আৰু মাইক্রোফোনটো সক্রিয় কৰি গৌৰী ডেকাৰ হতুৱাই ঠিক ছয় বজাৰ লগে লগে সাংস্কৃতিক অনুষ্ঠান আৰম্ভ হ'ব বুলি এটা ঘোষণা দিয়ালো। হৰেণে গাড়ী লৈ ৰাস্তা পালেগৈ। এনেতে কেইজনীমান ছোৱালীয়ে দৌৰি দৌৰি খেলপথাৰৰ মাজেৰে আহিব ধৰিছে। অধ্যক্ষ মহোদয় ছয় বাজিবলৈ এক মিনিট থাকোতে আহি আসন গ্রহণ কৰিলে। আটাই কেইজন ল'ৰা-ছোৱালী সময়মতে আহি নাপালেও আমি পাঁচজনী ছোৱালীয়েই সমবেত সংগীত আৰম্ভ কৰিলোঁ ঠিক সময়মতে। ন বজাত জাতীয় সংগীত গাই অনুষ্ঠান সামৰিলো। অধ্যক্ষ মহোদয়ে আৰম্ভণিৰ পৰা শেষলৈকে অনুষ্ঠান উপভোগ কৰিলে। পিছদিনা আমি ৰভাখন ডাঙি ধাৱলৈ অনা সামগ্রী সমূহ যথাস্থানত ঘূৰাই দিলোঁ। দ্বিতীয় দিনা সাংস্কৃতিক বিভাগৰ ভাৰপ্রাপ্ত অধ্যাপক খৰ্গেশ্বৰ গোস্বামী ছাৰক লগ ধৰি হিচাব দাখিল কৰিলোঁ। ৰাহি হোৱা যোল্ল টকা তেখেতক উভটাই দিয়াত ছাৰে ক'লে- তোমালোকে দেহা মাৰি ইমান পৰিশ্রম কৰিছা এইখিনি টকা ওভটাই দিব নালাগে, আটায়ে কিবা খোৱাগৈ। মই ক'লো, আমি সকলোৱে ভালদৰে চাহ মিঠাই খোৱাৰ পাছত ৰাহি হোৱা টকা এই কেইটা। ছাৰে সোঁ হাতেৰে টকা কেইটা লৈ থিয় হ'ল আৰু মোৰ কান্ধত হাত এখন থৈ অধ্যক্ষ মহোদয়ৰ কোঠালৈ লৈ গৈ আদ্যোপান্ত বিৱৰি ক'লে। অধ্যক্ষ মহোদয়ে ক'লে সদিচ্ছা আৰু সততা থাকিলে বহুতো অসম্ভৱকো সম্ভৱ কৰিব পাৰি।

অধ্যক্ষ প্রবোধ চন্দ্র গোস্বামী ছাৰ এগৰাকী বিৰল ব্যক্তিত্ব সম্পন্ন লোক আছিল। তেখেতে মহাবিদ্যালয়খনৰ বাবে কৰিব খোজা কামৰ বিষয়ে আমাৰ দৰে দুই চাৰি ছাত্রৰ সতেও আলোচনা কৰিছিল। মহাবিদ্যালয়ৰ পাছফালে খালী হৈ থকা পঞ্চাশ বিঘা মাটিত খেতি-বাতি *কৰাবলৈ তেখেতৰ মন আছিল।* ১৯৬৯ চনত হুছেইন চুবুৰীৰ জনাৰাম কলিতা নামৰ প্রগতিশীল খেতিয়ক এজনক

আনি খালী পৰি থকা মাটিত খেতি কৰিব দিলে। তেখেতৰ পুত্ৰ গজেন (বৰ্তমান প্ৰয়াত) মোৰ বন্ধু আছিল। তেওঁলোকে ছয় বিঘা মাটি ভাগি খেতি কৰি লাভৱান হ'ব নোৱাৰি গুচি গ'ল। মই খেতি কৰিবলৈ আগ্ৰহ কৰাত মোক দিলে। মই আন এজন বন্ধুক লগ লৈ পঞ্চাশ বিঘা মাটিতে খেতি কৰিলোঁ। দুবছৰ খেতি কৰি লাভৱান হ'ব নোৱাৰিলো। উদঙীয়া গৰুৰ জাকে ৰাতিৰ ভিতৰতে খেতি উচন কৰে।

মঙলদৈ মহাবিদ্যালয়ত বহুদিন কটায়ো মই কিন্তু বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম নহ'লো। ৰূপালী জয়ন্তীৰ আগে আগে মই ৰচনা কৰা গীতটো অধ্যক্ষ মহোদয়ে মহাবিদ্যালয় সংগীত হিচাপে স্বীকৃতি দিয়াত মই ধন্য হৈছোঁ। তাতোকৈ ডাঙৰ কথাটো হ'ল মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ মুকলি সভাত প্ৰাক্তন অধ্যক্ষ গোস্বামী ছাৰে তেখেতৰ ভাষণৰ মাজতে কৈছিল— 'এইখন কলেজত মই প্ৰভাত চৌধুৰীৰ দৰে আদৰ্শ ছাত্ৰ পাইছিলোঁ।' তেখেতৰ মুখৰ এইষাৰ কথা মোৰ বাবে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীবোৰতকৈ বহু ওপৰৰ। আজি এইখিনি কথা সুঁৱৰিবলৈ পাই নিজকে ধন্য মানিছোঁ লগতে সেইগৰাকী মহান আত্মালৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো।

■■

প্ৰবন্ধ—

# কেইটামান চিত্তাকৰ্ষক অসমীয়া লোকবিশ্বাস আৰু লোকাচাৰ

নিকুমণি চৌধুৰী
স্নাতক দ্বিতীয় ষাণ্মাসিক।

অতি প্ৰাচীন কালৰে পৰা অসমত নানা জাতিৰ লোকে বসতি কৰি আছে। অসমৰ বহুসংখ্যক বাসিন্দা বিভিন্ন সময়ত প্ৰব্ৰজনকাৰী হিচাপে অসমত প্ৰৱেশ কৰিছিল। বিভিন্ন সময়ত বিভিন্ন কাৰণত বিভিন্ন প্ৰজাতিৰ লোক অসমলৈ আহিছে আৰু তেওঁলোকৰ সংমিশ্ৰণতেই বৃহত্তৰ অসমীয়া জাতি গঢ় লৈ উঠিছে। বিভিন্ন সময়ত বিভিন্ন ভাষা-ভাষী মানুহ আহি যি এই অসমৰ বৈশিষ্ট্যৰ লগত নিজকে মিলাই দিছে তেৰেঁই অসমীয়া।

পুৰণি কালৰে পৰা অসমীয়া সমাজত প্ৰচলিত হৈ থকা বিভিন্ন লোকবিশ্বাস আৰু লোকাচাৰৰ কিছুমান বিশেষ চিত্তাকৰ্ষক। এইবোৰৰ ভিতৰত বিভিন্ন অশৰীৰি দেৱ-দেৱীক কৰা বিশ্বাস, গছ, অগ্নি, গৰু আদি পূজা উপাসনা আদিয়েই প্ৰধান।

অসমীয়া লোকসমাজত এক অশৰীৰী নেতৃ স্থানীয় গুৰুগম্ভীৰ প্ৰকৃতিৰ এগৰাকী হিচাপে জনাজাত 'বুঢ়াডাঙৰীয়া'। এগৰাকী সম্ভ্ৰান্ত অসমীয়া লোকৰ দৰে বগা চেলেং, চুৰিয়া পৰিধান কৰি মূৰত বৰ পাগুৰি মাৰি এই অশৰীৰী বুঢ়া ডাঙৰীয়াই কেতিয়াবা মাজৰাতি নিৰ্দিষ্ট ঠাইৰ পৰা নিৰ্দিষ্ট ঠাইলৈ অহা-যোৱা কৰে। লোকবিশ্বাস অনুসৰি এই বুঢ়া ডাঙৰীয়াই কোনো প্ৰকাণ্ড গছ অথবা মন্দিৰ, নামঘৰ কিম্বা থানত বসবাস কৰে। শুকুলা ঘোঁৰাত উঠি বুঢ়া ডাঙৰীয়াই অহা-যোৱা কৰে। তেওঁ অহা-যোৱা কৰা সময়ত যদি কোনোবাই তেওঁৰ পথ অতিক্ৰম কৰে অথবা কোনোবাই যদি তেওঁৰ বাসস্থান ভিন্ন প্ৰকাৰে অপবিত্ৰ কৰে তেন্তে বুঢ়া ডাঙৰীয়াৰ ৰোষত পৰে। জ্বৰ সদৃশ ৰোগত কোনো ব্যক্তি অস্বাভাৱিক ধৰণে শুকাই খীনাই গ'লে মানুহে কোনো ডাঙৰ বৃক্ষ বা মন্দিৰ, থানত পূজা আগবঢ়াই বুঢ়া ডাঙৰীয়াৰ ৰোষৰ পৰা হাত সাৰে।

অসমীয়া সমাজত অগ্নি আৰু গছক পবিত্ৰ জ্ঞান কৰা হয়। ধৰ্মীয় আৰু সামাজিক উৎসৱ অনুষ্ঠানত অগ্নিৰ বিশেষ ব্যৱহাৰ আছে। সন্তান জন্মৰ পাছত মাকৰ কাষত তুঁহ জুই আৰু গোবৰ খুঁটিৰ জুই একুৰাহে জ্বলাই থোৱাৰ নিয়ম প্ৰচলিত। এনে কৰিলে ভূত প্ৰেতে সন্তানৰ অপকাৰ কৰিব নোৱাৰে বুলি বিশ্বাস কৰা হয়। সেইদৰে জুইত সৰিয়হ দি মুখলগা ভঙা আৰু ভূত প্ৰেত খেদোৱা হয়। অসমৰ সমাজ জীৱনত তামোল-পাণৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। তামোল-পাণক অসমীয়া সমাজৰ মান-সম্ভ্ৰমৰ দ্ৰব্য বুলি ধৰা হয়। বিহুগীতত তামোলৰ মূল নুবুজাজনক ইতিকিং কৰি গায়—

"তামোলৰ আমোলে মোলে ঐ নাচনী
তামোলৰ আমোল মোল
ক'ৰপৰা পালাহি দেৱা-চালি খোৱালৈ
তামোলৰ নেজান মোল।"

উৎসৱ অনুষ্ঠানত তামোল নহ'লে নচলে। বিয়াৰ সময়ত কইনাৰ ঘৰলৈ ঠোক তামোলৰ ভাৰ নিয়া, দৰা কইনাৰ মাজত তামোল কটাৰী সলোৱা, গুৰুৰ ঘৰলৈ গুৱা-পাণ আগবঢ়োৱা আদি। বন্ধুত্ব আৰু প্ৰেম-প্ৰীতিও তামোলৰ মাজেদিয়েই হয়। ভাত খাই তামোলেৰে মুখহুদি নেমাৰিলে মুখ শুদ্ধি নহয়। যাৰে তাৰে হাতৰ কটা তামোল খালে জাত যোৱাৰ ভয়—

"তোমাৰ কটা তামোল
নেখাওঁ ঐ লাহৰি
আমাৰে মৰিব কুল।"

জুই আৰু গছৰ দৰে শিলকো অতি পবিত্ৰ বুলি ধৰা হয়। মৰাশ সৎকাৰ কৰি অহাৰ পাছত গা ধুই এডোখৰ শিলৰ ওপৰত ভৰি থৈ জুইত হাত সেকিহে ভিতৰত সোমোৱাৰ নিয়ম। শিলত ভৰি থলে মৰাশৰ লগত অশৌচ দূৰ হয় বুলি বিশ্বাস কৰা হয়।

অসমীয়া সমাজত মাছক উৰ্বৰতাৰ প্ৰতীক বুলি ধৰা হয়। অসমীয়া বিবাহৰ জোৰোণৰ লগত পঠিওৱা কাপোৰ-কানি, আ-অলংকাৰৰ লগত মাছ অপৰিহাৰ্য। বিয়াৰ আঠদিনৰ 'আঠমঙলা' উপলক্ষে নৱদম্পতী প্ৰথম মাকৰ ঘৰলৈ আহিলে তাত আয়োজিত ভোজ ভাতত মাছ নহ'লেই নহয়। মৃতকৰ শ্ৰাদ্ধৰ তিনিদিনৰ দিনা অনুষ্ঠিত 'গিয়াতনি' ভোজতো মাছৰেহে ব্ৰত ভঙাৰ নিয়ম। মৃতকৰ শ্ৰাদ্ধাদিৰ পাছত পৰিয়ালে প্ৰথম আমিষ আহাৰ গ্ৰহণ কৰা আচাৰবিধক 'মছুৱা'

বোলা হয়। মাছ ধৰিবলৈ যোৱাৰ আগতে জকাই, জুলুকি, পল আদি মাছ ধৰা সঁজুলিত বাঢ়নীৰে কোবাই লোৱা, পানীত নমাৰ আগতে মাছ ধৰা সঁজুলিত তিনিবাৰ থুৱাই লোৱা আদি বিশ্বাসবোৰ অতীজৰে পৰা অসমীয়া সমাজত চলি আহিছে।

চৰাই, পখিলা, মৌ-মাখিক লৈয়ো অসমীয়া সমাজত বহুবোৰ লোকবিশ্বাস আছে। কাউৰীৰ মাতত বহুধৰণৰ অৰ্থ কৰা হয়। কাউৰীয়ে কলকলালে ঘৰলৈ আলহী অহাৰ আগজাননী বুলি বিশ্বাস কৰা হয়। কাউৰীয়ে কা-কা কৰি ৰমলিয়ালে অমংগলৰ চিন বুলি নিশ্চিত ধাৰণা প্ৰচলিত। ফেঁচাই নিউ-নিউকৈ চিঞৰিলে পৰিয়ালৰ কাৰোবাৰ মৃত্যু হয় বুলি বিশ্বাস। ক'লা পৰুৱাৰ শাৰী পাতিলে বানপানীৰ আগ-জাননী বুলি বিশ্বাস কৰা হয়। জেঠী আৰু মেকুৰীৰ সৈতে জড়িত বহুবোৰ লোকবিশ্বাস অসমীয়া সমাজত চলি আহিছে। ক'লা মেকুৰীক ভূত-প্ৰেতৰ লগত সম্বন্ধ থকা জীৱ বুলি বিশ্বাস কৰা হয়। যাত্ৰা পথত মেকুৰী আগেদি পাৰ হৈ গ'লে অমংগলৰ চিন বুলি ধৰা হয়। ঠিক সেইদৰে জেঠীয়ে অমংগল সূচায় আৰু ভৱিষ্যত সতৰ্ক কৰি দিয়ে। কোনোবাই কথা পাতি থাকোঁতে জেঠীয়ে টিক্ টিক্ বুলি শব্দ কৰিলে কথা কওঁতাজনে সইত্ সইত্ সইত্ বুলি উচ্চাৰণ কৰে। এনে কৰিলে কথাটো সঁচা বুলি প্ৰমাণিত হয়, এই বিশ্বাস সকলোৱে কৰে।

চাউল অসমীয়া মানুহৰ কেৱল খাদ্যই নহয়, নানান মাংগলিক কাৰ্যতো ইয়াক ব্যৱহাৰ কৰা হয়। অসমীয়াৰ বিয়াত দৰা যেতিয়া কইনা ঘৰত আহে, তেতিয়া দৰাৰ গালৈ চাউল ছটিওৱাৰ প্ৰথা আছে। এনে কৰিলে দৰা-কইনাক অপকাৰ কৰিব পৰা অপদেৱতা দূৰ হয় বুলি বিশ্বাস হয়। সেইদৰে কইনা মাকৰ ঘৰৰ পৰা ওলাই যাওঁতে এমুঠি চাউল ঘৰৰ ভাতৰ চৰুত আৰু ঘৰৰ চাললৈ চটিয়াই দিয়া নিয়ম। এনে কৰিলে ঘৰৰ লক্ষ্মী ঘৰতে থাকি যায় বুলি বিশ্বাস কৰা হয়।

লোহাৰ আহিলা পাতিৰ লগতো বহুতো বিশ্বাস জড়িত হৈ আছে। লোহা লগত থাকিলে ভূত-প্ৰেত ওচৰ চাপিব নোৱাৰে বুলি বিশ্বাস কৰা হয়। অমংগলৰ পৰা বিশেষকৈ কুমন্ত্ৰ আদিৰ পৰা ৰক্ষা পাবৰ বাবে বিয়াৰ দিনা দৰা-কইনাই একোখনকৈ কটাৰী লগত ৰাখে।

পানী পোতাত সন্ধিয়া থিয় হৈ কিবা খালে ভূতে পোৱা, থিয়ৈ থিয়ৈ খালে কুকুৰৰ পেটলৈ যোৱা, হাতে হাতে ইজনে সিজনক চূণ দিলে, খৰিয়াল লগা হাতেৰে পান ফালিলে বিচ্ছেদ হোৱা, খিৰিকীৰে বস্তু দিলে আৰু ৰাতি ঘৰ সাৰি জাবৰ পেলালে লক্ষ্মী যায় বুলি বিশ্বাস কৰা হয়। সেইদৰে খোৱাৰ সময়ত চৰ্চৰণি খালে 'সুৰ সুৰ মোমাইৰ কাণে যক' বুলি ক'লে চৰ্চৰণি তৎক্ষণাত নাইকিয়া হয় বুলি বিশ্বাস প্ৰচলিত। টকালি পাৰি বা মুখেৰে সালৌপ সালৌপ শব্দ কৰি ভাত খোৱা কুলক্ষণীয়াৰ চিন। কাঁহীৰ দাঁতিত কেঁচা নিমখ লৈ খোৱাও দৰিদ্ৰৰ লক্ষণ। ৰান্ধোতে বা বাঢ়োঁতেইও কাঁহী-বাটি, চৰু-হেতাৰ থেকেচ-থেকেচ হোৱা কুলক্ষণীয়াৰ চিন। কাৰোবাৰ ঘৰৰ পৰা চূণ আনিলে খুজি আনিব লাগে। মনে মনে আনিলে আনোতাজনৰ বগা বেমাৰ হয় বুলি বিশ্বাস কৰে।

যাত্ৰাৰ শুভাশুভৰ ক্ষেত্ৰত কেতবোৰ বিশ্বাস প্ৰচলিত আছে। ক'ৰবালৈ যাওঁতে পানীৰ পূৰ্ণ পাত্ৰত হাত দি গ'লে যাত্ৰা শুভ বুলি বিশ্বাস। যাত্ৰাপথত দামুৰিয়ে ওহাৰ পি থকা দেখিলে, হাতী দেখিলে যাত্ৰা শুভ হয় বুলি বিশ্বাস। আনহাতেদি কোনোবাই ওলাই যাওঁতে 'ক'লৈ যোৱা' বুলি সোধে বা যাত্ৰা কৰি ওলাওতেই খালী পাত্ৰ চকুত পৰে, তেন্তে সেই যাত্ৰা নিস্ফল হোৱাৰ সম্ভাৱনা থাকে। যাত্ৰা কৰোঁতাজনক পিছফালৰ পৰা মতাও নিষেধ। অৱশ্যে এইক্ষেত্ৰত মাক ব্যতিক্ৰম বুলি বিশ্বাস কৰে।

অসমীয়া মানুহে গাত পখিলা পৰিলে বিয়াৰ লগ্ন কাষ চাপিছে বুলি বিশ্বাস কৰে। তেনেকৈ ক'লা পখিলাই বেমাৰ আজাৰৰ বতৰা আনে। সেইদৰে আপোনা-আপুনি মৌ-মাখি এবাৰ ঘৰ সোমালে সৌভাগ্যৰ লক্ষণ আৰু মৌ বাহে ঘৰ এৰিলে দুৰ্ভাগ্য হয় বুলি বিশ্বাস।

অসমীয়া বিয়াত দৰা-কইনা ঘৰলৈ আহোতে দৰাজনে ক'লা ছাতিৰ আঁৰত নজৰ নালাগিবৰ বাবে সোমাই আহে। দিনটো উপবাস থকা হেতুকে বিয়াৰ দিনা দৰাৰ নাকত যাতে বিয়াৰ তেল, মছলাৰ গোন্ধ লাগিব নোৱাৰে সেয়ে দৰাই মুখত এখন ৰুমাল লৈ অহাৰ নিয়ম অসমীয়া সমাজত প্ৰচলিত।

অসমীয়া সমাজত প্ৰচলিত এনেবোৰ বিশ্বাস, আচাৰ আৰু সংস্কাৰৰ বহুতেই হ'ল অন্ধবিশ্বাস আৰু বহুতৰে কোনো বৈজ্ঞানিক সত্যতা নাই। অৱশ্যে এনেধৰণৰ লোকবিশ্বাসবোৰে সমাজক এটা বান্ধোন দিয়ে। তদুপৰি এই বিশ্বাসবোৰৰ বহুবোৰ আজিকালি প্ৰায় নাইকিয়া হৈ আহিছে।

■■

প্ৰবন্ধ—

# কিতাপ পঢ়াৰ আনন্দ

তনুশ্ৰী শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

গ্ৰন্থই মানুহক দিয়ে নান্দনিক আনন্দৰ মাধ্যমেৰে প্ৰজ্ঞাৰ পোহৰ, জীৱনৰ বিশালতা আৰু গভীৰতাৰ সন্ধান। কিতাপ বা গ্ৰন্থ এটা মনোমোহা শব্দ। কিতাপৰ দৰে বিশ্বস্ত আৰু বিশ্বাসী বন্ধু আন কোনো হ'ব নোৱাৰে। হয়তো অন্য বন্ধু-বান্ধৱীবোৰে মানুহ এজনৰ যন্ত্ৰণাৰ সময়ত তেওঁক দূৰৰ পৰা সহানুভূতি জনোৱাত বাহিৰে আন একো কৰিব নোৱাৰে। কিন্তু কিতাপে এজন মানুহক সংগ কেতিয়াও ত্যাগ নকৰে, মানুহ এজনে কিতাপৰ জৰিয়তে নিজৰ যন্ত্ৰণা, দুখ-কষ্ট সকলো পাহৰি হাঁহিবলৈ চেষ্টা কৰে। ইয়াতে এটা প্ৰশ্ন আহি পৰে যে, আমি কিতাপ কিয় পঢ়িব লাগে? ইয়াৰ উত্তৰটো হ'ল কিতাপ পঢ়িলে জ্ঞান বাঢ়ে, মন বহল হয়, বহু নজনা কথা জানিব পাৰি। তদুপৰি দেশ-বিদেশৰ বিদ্বান লোকসকলৰ চিন্তা ভাবনা, সাহিত্য, কৰ্ম সকলো আমি সেই লোকসকলে ৰচনা কৰা কিতাপৰ পৰাই জানিব পাৰোঁ। আজৰি সময় কটাবৰ বাবেও কিতাপ অতি সুন্দৰ সংগী। বৰ্তমান সময়ত দেখা যায় যে ল'ৰা-ছোৱালীবোৰে কিতাপ হাতেৰে চুবও নিবিচাৰে, নপঢ়িলে নহয় বাবে পাঠ্যপুথি কেইখন পঢ়িবলৈ সকলো বাধ্য। কিন্তু বহুতৰ মতে আকৌ বাহিৰা কিতাপ পঢ়ি সময় বৰবাদ কৰাতকৈ টি.ভি চোৱা অথবা কম্পিউটাৰত গেম, ফেচবুকত চাটিং কৰায়ে ভাল। কিতাপ পঢ়িলে মানুহৰ সময়ৰ অপচয় নহয় বৰং সময়ৰ সদ্ ব্যৱহাৰহে হয়। কিতাপ পঢ়িবলৈ মানুহক নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন নহয়। সাহিত্যিক হোমেন বৰগোহাঞিদেৱৰ 'ডাৰউইন' লেখকে এটা বিশেষ চৰিত্ৰ হৰিনাথ পাঠকৰ মুখেদি কিতাপ কেনেকৈ পঢ়িব লাগে, সেই বিষয়ে কোৱাইছে। **হৰিনাথ পাঠকে কলেজৰ পুথিভঁৰালৰ পৰা আনি এখন সৰু ইংৰাজী কিতাপ পঢ়িছিল, যিমানদূৰ তেওঁৰ মনত পৰে কিতাপখনৰ নাম আছিল 'How to Read a Book'।** (যুগান্তকাৰী বিজ্ঞানী) গ্ৰন্থখনত কিতাপখনত কিতাপ সম্পৰ্কীয় বহুতো মূল্যবান কথা কোৱা হৈছিল। সেইবোৰৰ ভিতৰত এটা বিশেষ কথাই হৰিনাথ পাঠকৰ মনত স্থায়ী দাগ বহুৱাইছিল। বহুত মানুহে ব্যস্ততাৰ অজুহাত দেখুৱাই কিতাপ নপঢ়ে, অৰ্থাৎ তেওঁলোকে কিতাপ পঢ়িবলৈ সময় উলিয়াব নোৱাৰে বুলি কয়। কিন্তু ওপৰত উল্লেখ কৰা কিতাপখনৰ লেখকজনে কৈছে যে কিতাপ পঢ়িবলৈ আন্তৰিক আগ্ৰহ থাকিলে আৰু সামান্য বুদ্ধি খটুৱাব জানিলে যিকোনো মানুহেই কিতাপ পঢ়িবলৈ প্ৰচুৰ সময় উলিয়াব পাৰে। উদাহৰণস্বৰূপে তুমি যেনিবা চাহ খাবলৈ মন কৰি পানীৰ চচপেনটো জুইৰ ওপৰত তুলি দিলা; পানীখিনি উতলিবলৈ পাঁচ মিনিটমান লাগিব। সেই সময়খিনিত তুমি আন একো কৰিব নোৱাৰিলেও যিকোনো এখন কিতাপৰ এটা পৃষ্ঠা বা কমেও আধা পৃষ্ঠা পঢ়িব পাৰা। নাইবা ব্যায়াম বা প্ৰাতঃভ্ৰমণ কৰি আহি জিৰণি লোৱাৰ সময়তো কিতাপৰ পাতত চকু ফুৰাব পৰা যায়। এইদৰেই সাহিত্যিক বৰগোহাঞিদেৱে তেখেতৰ কেইবাখনো মূল্যবান গ্ৰন্থত কিতাপ পঢ়াৰ সম্পৰ্কে নানা কথা আলোচনা কৰিছে। টেলিভিছনত সম্প্ৰচাৰিত হোৱা তেখেতৰ জনপ্ৰিয় অনুষ্ঠান কথা-বাৰ্তাটো তেখেতে কিতাপ সম্পৰ্কে বহুগৰাকী বৰেণ্য অধ্যাপিকা, সাহিত্যিকৰ সৈতে আলোচনাত বহিছে। তেখেতৰ উপৰিও আন বহু ভাৰতীয় লেখক-লেখিকাসকলে কিতাপৰ সম্পৰ্কে লিখা নানা প্ৰবন্ধ পাতি পঢ়িবলৈ পোৱা যায়।

যুৱ চামৰ বৰ্তমান জনপ্ৰিয় হ'বলৈ ধৰা ৰবিন শৰ্মা নামৰ মুম্বাইৰ লেখকগৰাকীৰ গ্ৰন্থ 'who will cry when you Die?' ত উল্লেখ কৰিছে কিছুমান জীৱন সম্পৰ্কে ধাৰণা। গ্ৰন্থখনত তেওঁ কৈছে যে 'Always carry a Book with you'. উক্ত প্ৰবন্ধটোৰ পৰা কিছু অংশ তলত দিয়া হ'ল----

"All it takes is one idea from the right book to

reshape your character or to transform your relationships or to ... your life. A book can change the way you like as the philosopher Henry David Thoreau observed in.... There are probably words addressed to our condition exactly, which if we could really hear and understand would be more salutary than the morning or the spring to our lines, and panoply put a new aspect on the face of things for us. How many a man has dated a new era of his life from the reading of a book. The book exists for us purchase which will explain our miracles and renewal new ones."

গতিকে সদায় নিজৰ লগত এখন কিতাপ লৈ ফুৰাটো উচিত যাতে 'ট্ৰেফিক জাম'ত ফঁচি থাকোতে অথবা কাৰোবালৈ অপেক্ষা কৰি ৰেষ্টোৰাত বহি থাকোতে আমাৰ সময়খিনি কিতাপ এখনৰ সৈতেই কটাব পাৰি। মই নিজেই নিজৰ হেণ্ডবেগত এখন কিতাপ লৈ ফুৰো। লণ্ডন, আমেৰিকা, আমষ্টাৰদাম আদিত কিতাপৰ আদৰ বহুত বেছি, সেই ঠাইৰ মানুহে তেওঁলোকৰ সময়বোৰ অপচয় নকৰি কিতাপ পঢ়ি কটায়। বাছ, ট্ৰেইন আনকি প্লেনটো মানুহবোৰে কিতাপ পঢ়ি অহাটো দেখা পোৱা যায়। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি ডেকা, বুঢ়া সকলোৱেই নিজৰ আজৰি সময়কণ পুথিভঁৰালত পাৰ কৰা দেখা যায়। শিক্ষানগৰী 'কেম্ব্ৰিজ' কিতাপৰ দোকানৰ বাবে বিখ্যাত। 'কেম্ব্ৰিজ'ৰ অলিয়ে গলিয়ে নানাধৰণৰ কিতাপৰ দোকান আৰু পুথিভঁৰাল দেখিবলৈ পোৱা যায়।

কিতাপ পঢ়াৰ অভ্যাস পিছে একেদিনাই কৰিব নোৱাৰি। কিন্তু এবাৰ অভ্যাস হৈ গ'লে, অৰ্থাৎ পঢ়াৰ এবাৰ নিচা লাগিলে আমৰণ আৰু এই নিচাৰ পৰা উদ্ধাৰ নাই। পাৰ্থক্য মাথোঁ এটাই যে মদ, চিগাৰেট আদি অতি অনিষ্টকাৰী নিচাৰ দৰে ই মানুহক তিলে তিলে ধ্বংস নকৰি, মানুহৰ জ্ঞান-বুদ্ধিৰ উৎকৰ্ষ সাধনৰ লগতে আনন্দ বৰ্দ্ধনতো সহায় কৰে। চক্ৰেটিছে কৈছিল, "নিৰল আনন্দ আৰু নিবিড় সুখানুভূতি লাভৰ বাবে ভগৱানে মানুহৰ কাৰণে এটা মাত্ৰ পথেই সৃষ্টি কৰি গ'ল— গ্ৰন্থ প্ৰেম। 'অন্য যিকোনো।' সাংসাৰিক উপভোগে এদিন নহয় এদিন আমাৰ পৰা বিদায় লয়। কিন্তু কিতাপ, কিতাপ পঢ়াৰ অভ্যাস আৰু কিতাপৰ জ্ঞানে কোনোদিন মানুহক ত্যাগ নকৰে। গ্ৰন্থপ্ৰেম মানুহৰ জীৱন আজীৱন সংগী হৈ ৰয়। নিয়মিত কিতাপ পঢ়াৰ অভ্যাস কৰিবলৈ আৰু কিতাপৰ ভাল বেয়া বিচাৰ কৰিবলৈ কিছুমান নিয়ম আছে। কিছুমান কিতাপ কেৱল চেলেকি চাব লাগে, কিছুমান কিতাপ গিলিব লাগে, কিন্তু কেইখনমান কিতাপহে লাহে লাহে চোবাব আৰু হজম কৰিব লাগে। ডঃ মাৰ্টিমাৰ এড্‌লাৰ নামৰ আমেৰিকান পণ্ডিত এজনে কৈছিল, "নতুন কিতাপ এখন হাতত পৰিলেই এঘণ্টামান সময় ওপৰে ওপৰে চকু ফুৰাই চাই স্থিৰ কৰিবলৈ চেষ্টা কৰিবা— কিতাপখন পঢ়িবৰ উপযোগী হয় নে নহয়। যদি দেখা যে কিতাপখন পঢ়াৰ উপযোগী, যিমান পাৰা সোনকালে পঢ়ি শেষ কৰি পেলাবা। কিতাপখনৰ মাজে মাজে যদি কঠিন বা দুৰ্বোধ্য অংশ পোৱা, সেইবোৰ বুজিবলৈ চেষ্টা নকৰি কেৱল পঢ়ি যাবা। লেখকৰ যুক্তি তৰ্ক, পাদটীকা, বিভিন্ন কিতাপৰ উল্লেখ একোলৈকে ভ্ৰুক্ষেপ নকৰিবা এইদৰে কিতাপখন এবাৰ ওপৰে ওপৰে পঢ়ি লোৱাৰ পিছত কিতাপখনৰ বিষয়ে তোমাৰ এটা সাধাৰণ ধাৰণা হ'ব। যেনেকৈ এখন অচিনাকি ঠাইত ফুৰিবলৈ আহি চাৰিওফালে এটা পাক মাৰি লোৱাৰ পিছত ঠাইখনৰ বিষয়ে এটা ধাৰণা লাভ কৰা যায়। একেদৰে কিতাপখন এবাৰ খৰ-ধৰকৈ পঢ়ি শেষ কৰি লোৱাৰ পিছত দ্বিতীয়বাৰ খুব লাহে-ধীৰে পঢ়িবলৈ আৰম্ভ কৰা। এইবাৰ লেখকৰ প্ৰতিটো কথা বুজিবলৈ চেষ্টা কৰিবা কিতাপৰ মূল কথাবোৰত দাগ দি যাবা, প্ৰত্যেক পৃষ্ঠাৰ কাষে কাষে টোকা লিখি যাবা আৰু কিতাপখনৰ শেষৰ ফালৰ খালি পাতকেইটাত গোটেই কিতাপখনৰ সাৰাংশ আৰু প্ৰধান বক্তব্য কেইটা লিখি পেলাবা।" এইয়া হৈছে আমেৰিকান পণ্ডিত এড্‌লাৰ কিতাপ পঢ়া সম্পৰ্কে কৰা মন্তব্য। বহুতো আগশাৰীৰ সাহিত্যিকৰ আত্মজীৱনী

অথবা লেখনিৰ পৰা জানিব পাৰি যে তেওঁলোকে শৈশৱৰ পৰায়ে কিতাপৰ আনন্দ লৈ আহিছে। উদাহৰণস্বৰূপে হোমেন বৰগোহাঞিদেৱে মজলীয়া বিদ্যালয়ত পঢ়ি থকা কালতে পাঁচশ গ্ৰন্থ পঢ়ি শেষ কৰি প্ৰধান শিক্ষকক নতুন গ্ৰন্থৰ বাবে খাটনি ধৰি আছিল। সাহিত্যিক, কবি নিৰ্মলপ্ৰভা বৰদৈলৈয়ে দ্বিতীয়, তৃতীয় শ্ৰেণীতে প্ৰকাণ্ড বাংলা আৰব্য উপন্যাস, বাইবেল আদিৰ দৰে গ্ৰন্থ পঢ়ি শেষ কৰিছিল। বিখ্যাত হিন্দী আৰু ইংৰাজী লেখিকা অমৃতা প্ৰীতম, মহাশ্বেতা দেৱী, কমলা ৰত্নম, বিখ্যাত ন্যায়াধীশ লীলা শেঠ, চলচিত্ৰ পৰিচালক চাই পৰাঞ্জপে আদিৰ জীৱনত কিতাপৰ ভূমিকাৰ কথা তেওঁলোকৰ লেখনিত পঢ়িবলৈ পোৱা যায়। একোখন কিতাপ পঢ়িলে আনন্দ লাভ কৰাৰ লগতে মনৰো বিকাশ সাধন হয়। তদুপৰি কেতিয়াবা কিতাপ পঢ়োঁতে এনে এটা কথা পোৱা যায়, যিটো কথা আমি হয়তো কাহানিও শুনা নাই, এনে নতুন কথাৰ খবৰ আমাক কিতাপেহে দিব পাৰে। জীৱনত এজন প্ৰকৃত মানুহ হোৱাত একোখন ভাল কিতাপে সৰ্বাধিক সহায় কৰিব পাৰে।

বিশেষকৈ কিতাপ এখন বেলেগক দেখুৱাই কিনি ঘৰত সজাই পৰাই থৈ একো লাভ নাই। এগৰাকী বিখ্যাত ইংৰাজ লেখকৰ মতে 'যিখন ঘৰত কিতাপ নাই, সেইখন ঘৰৰ সমান দুখী আৰু আন ক'তো নাই।' মোৰ সহপাঠী তথা জ্যেষ্ঠ, কণিষ্ঠ সকলোলৈ মোৰ এটা বিনম্ৰ অনুৰোধ প্ৰত্যেক দিনাই সকলোৱে এখনকৈ কিতাপৰ এটা পৃষ্ঠা হ'লেও যেন পঢ়ে। কিতাপ পঢ়ি যিমান আনন্দ পোৱা যায়, ফেচবুক, ইন্টাৰনেট, ইউটিউবে্‌ সেই আনন্দ কেতিয়াও দিব নোৱাৰে। সেয়েহে কিতাপক আদৰ আৰু সন্মান কৰা উচিত। একোখন ভাল কিতাপৰ দৰে নিঃস্বাৰ্থ আজীৱন সংগী আৰু সৎ বন্ধু একোৱেই নাই আৰু সেয়ে আমি কিতাপ পঢ়িব লাগে। আশাকৰোঁ, বৰ্তমানৰ যুৱপ্ৰজন্মই কিতাপক নিজৰ বিশ্বস্ত লগৰী হিচাপে গ্ৰহণ কৰি জ্ঞান অন্বেষণৰ জয়যাত্ৰাত সহায় কৰক। কিতাপ পঢ়াৰ আনন্দ সকলোৱেই এবাৰ হ'লেও লওঁ আহক।

■■

# বন্যপ্ৰাণী আৰু মানৱ সমাজ

শশাংক কুমাৰ নাথ
স্নাতক চতুৰ্থ ষাণ্মাসিক।

মানুহক সাধাৰণতে জীৱ-শ্ৰেষ্ঠ বুলি কোৱা হয়, কিন্তু এই কথাফাঁকি যেন এতিয়া এক অবাস্তৱ যেন লাগে। কিয়নো বৰ্তমান জীৱশ্ৰেষ্ঠ মানুহে আন বন্যপাণী সমূহৰ ওপৰত যিধৰণে অবাধে ধ্বংসকাৰ্য চলাই আছে তাৰ কাৰণেই যেন মানুহ নিকৃষ্ট জীৱ হিচাপে পৰিগণিত হৈছে। পৃথিৱীত পোৱা বন্যপ্ৰাণীবোৰ প্ৰকৃতিৰ এক অমূল্য সম্পদ, কিন্তু মানুহে নিজ স্বাৰ্থ পূৰণৰ বাবে নিৰীহ বন্যপ্ৰাণীৰ ওপৰত চলাই অহা হত্যাকাণ্ডৰ বাবে ধৰাৰ বুকুৰ পৰা কিছুমান অতি আপুৰুগীয়া প্ৰাণী চিৰদিনৰ বাবে হেৰাই যোৱাৰ উপক্ৰম হৈছে। তাৰ এক উৎকৃষ্ট উহদাহৰণ হ'ল অসমৰ এশিঙীয়া গঁড়। এই বিধ প্ৰজাতিৰ গঁড়ৰ বৰ্তমান বাসস্থান কাজিৰঙা তথা আন অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানসমূহ যেন এতিয়া কোনোমতেই নিৰাপদ নহয়। নিতৌ চলি অহা ধাৰাবাহিক গঁড় হত্যাৰ বাবে এদিন অসমে হেৰুৱাব এইবিধ গঁড়ৰ বাসস্থানৰ স্বীকৃতি। তথাপি প্ৰকৃতিপ্ৰেমীৰ অহৰহ প্ৰতিবাদৰ পিছতো চৰকাৰৰ কোনো গা লৰা নাই। প্ৰতিশ্ৰুতিৰ পিছত প্ৰতিশ্ৰুতি দিয়ো চৰকাৰে গঁড় হত্যা বন্ধ কৰিব পৰা নাই। মানুহ কিদৰে তললৈ নামিব পাৰে তাৰ এক কৰুণ উদাহৰণ হ'ল— অসমৰ বিভিন্ন জিলাত সততে ওলাই থকা নাহৰ ফুটুকী বাঘ ধৰি বান্ধি তথা হানি-খুচি হত্যা কৰাৰ দৰে ঘটনা। অকল হত্যা কৰাই নহয়। মৃত বাঘটোৰ গাৰ পৰা মাংস কাটিও খোৱাৰ দৰে ঘটনাও সংঘটিত হৈছে। ৰাইজৰ উপযুক্ত সজাগতাৰ বাবেই হওক বা আন প্ৰতিশোধমূলক কথাৰেই হওক এইদৰে বাঘ হত্যাৰ খবৰ যেন এক নিলৰ্জ ঘটনা। উপযুক্ত সংৰক্ষণৰ অভাৱৰ বাবেও এই কাৰ্য যেন দিনক দিনে বৃদ্ধি পাইছে। বাঘ যদিও হিংস্ৰ প্ৰাণী তথাপি ইয়াক সংৰক্ষণ কৰাতো আমাৰ সকলোৰে কৰ্তব্য।

মানুহৰ হাতত ধ্বংস হ'বলৈ ধৰা আন এক বন্যপ্ৰাণী হ'ল সাপ। বহুতো মানুহে সাপক এক হিংস্ৰ জীৱ হিচাপে গণ্য কৰে আৰু দেখা পোৱা মাত্ৰেই বধ কৰে। কিয়নো সাপে দংশন কৰিলে মানুহ তথা আন প্ৰাণীৰ মৃত্যু হয়, কাৰণ সাপৰ বিয আছে। কিন্তু আমি এইটো জনা দৰকাৰ যে পৃথিৱীত পোৱা সৰহ সংখ্যক সাপৰে বিষ নাই। সাপ ওলোৱা মাত্ৰেই সাপদাল বিষাক্ত নে অবিষাক্ত. তাক নজনাকৈয়ে বধ কৰাটো এটা অনুচিত কাৰ্য। এইদৰে ধাৰাবাহিক সাপ হত্যাৰ ফলত ইতিমধ্যে পৃথিৱীৰ বুকুৰ পৰা বহুত প্ৰজাতি বিলুপ্তি হৈ গৈছে। বৰ্তমান ভাৰত বা অসমৰ প্ৰায়খিনি মানুহ অশিক্ষিত হোৱাৰ লগতে কেতবোৰ অন্ধবিশ্বাসৰ কৱলত পাৰি সাপৰ প্ৰতি ভয়-শংকা তথা হিংস্ৰ মনোভাৱ এটি গ্ৰহণ কৰিছে। সাপে মানুহৰ অপকাৰী এন্দুৰ, নিগনি সমূহ খেতিপথাৰ তথা অন্য ঠাইৰ পৰা খাদ্য হিচাপে গ্ৰহণ কৰি এইবোৰৰ সংখ্যা কমাই ৰাখে। কিন্তু আজিও সাপবোৰক হিংস্ৰ জীৱ হিচাপেহে চোৱা হয়। বৰ্তমান সময়ত পৃথিৱীৰ কিছুমান উন্নত দেশত সাপৰ বিষৰ পৰা 'এন্টি ভেনম' উলিয়াই সাপে দংশন কৰা লোকক প্ৰদান কৰা হয় যাৰ বাবে সেই দেশবোৰত সাপে দংশন কৰাৰ ফলত মানুহৰ মৃত্যুৰ হাৰ কম। কিন্তু ভাৰত বা অসমৰ ঠাইবোৰ পিছপৰা হোৱা বাবে এইদৰে সাপৰ বিষৰ পৰা 'এন্টি ভেনম' দৰৱ উলিওৱাটো সহজ হোৱা নাই কিয়নো এই প্ৰক্ৰিয়াত হোৱা খৰছৰ পৰিমাণ অতি বেছি। কিন্তু তথাপি বৰ্তমান চেন্নাইত তেনে এটি কেন্দ্ৰ সংস্থাপন কৰা হৈছে য'ত সাপৰ বিষৰ পৰা 'এন্টি ভেনম' উলিওৱা হয়। এই কেন্দ্ৰটো ভাৰতৰ প্ৰথম 'এন্টি ভেনম' প্ৰস্তুত কৰা কেন্দ্ৰ যাক স্থাপন কৰে ভাৰতৰ বিশিষ্ট সৰীসৃপ বিজ্ঞানী ৰমুলছ হুইটেকাৰে। তেওঁ ইতিমধ্যে সৰ্প দংশনত ভোগা বহুতো মানুহক 'এন্টি ভেনম' প্ৰয়োগ কৰি মৃত্যুৰ মুখৰ পৰা বচোৱাৰ লগতে সাপৰ বিভিন্ন প্ৰজাতিক মানুহৰ হিংস্ৰ চিকাৰৰ পৰা বচাবলৈ সক্ষম হৈছে। যদিহে অসমত তেনে এটি কেন্দ্ৰ স্থাপন কৰা হয় তেনেহ'লে বহুতো মানুহৰ জীৱন ৰক্ষাৰ লগতে সাপবোৰকো মানুহৰ হত্যাকাণ্ডৰ পৰা ৰক্ষা কৰিব পৰা যাব। কিন্তু তাৰ বাবে চৰকাৰে পূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব লাগিব লগতে মানুহবোৰে

চৰকাৰৰ ওচৰত আবেদন জনাব লাগিব। এইক্ষেত্ৰত অকল চৰকাৰেই নহয় বেচৰকাৰী, ব্যক্তিগত সংস্থাবোৰেও এনেধৰণৰ কেন্দ্ৰ স্থাপন কৰি নিবনুৱা সকলক এইক্ষেত্ৰত প্ৰশিক্ষণ দি নিয়োগ কৰিব পাৰে। এইক্ষেত্ৰত বিভিন্ন বন্যপ্ৰাণী সংস্থাবোৰে আগভাগ ল'ব পাৰে। বৰ্তমান চলি থকা বন্যপ্ৰাণী হত্যাই যি ভীষণ ৰূপ ধাৰণ কৰিছে তাৰ কাৰণে মানৱ সমাজে ভৱিষ্যতে মূল্য ভৰিব লাগিব। বন্যপ্ৰাণী সংৰক্ষণ কৰাতো সকলোৰে কৰ্তব্য। এই পৃথিৱীখন অকল মানৱ সমাজৰ বাবেই নহয়, আন বন্যপ্ৰাণী তথা চৰাই-চিৰিকটিৰো বাসস্থান। গতিকে এচাম মানুহৰ হাতত নিৰীহ জীৱবোৰ শেষ হৈ যাব দিব নোৱাৰি। আমি সকলো আগুৱাই আহিব লাগিব, তেতিয়াহে বন্যপ্ৰাণীৰ ওপৰত চলি অহা ধ্বংসকাৰ্য শেষ কৰি প্ৰকৃতিৰ প্ৰতি আমি ন্যায়সঙ্গত আচৰণ দাঙি ধৰিব পাৰিম।

■■

# অসম বন্ধ আৰু শিক্ষা

প্ৰণৱ কুমাৰ ডেকা
স্নাতক দ্বিতীয় ষাণ্মাষিক (কলা)

**শি**ক্ষা হৈছে এটা জাতিৰ মেৰুদণ্ডস্বৰূপ। যি শিক্ষাই মানুহৰ শাৰীৰিক, নৈতিক, আবেগিক, মানসিক, আধ্যাত্মিক আদি সকলো দিশৰ উৎকৰ্ষ সাধন কৰে। সেই শিক্ষা হৈছে প্ৰকৃত শিক্ষা যি শিক্ষাত বিভিন্ন উপায়েৰে লাভৱান্বিত হোৱা দেখা যায়। বিশেষকৈ পুথিগত, ভ্ৰমণগত ইত্যাদি। কিন্তু পুথিগত শিক্ষা আহৰণৰ বাবে আমাৰ ৰাজ্যত বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। যাৰফলত শিক্ষাব্যৱস্থা সম্পূৰ্ণৰূপে ফলপ্ৰসূ হোৱা নাই। যিয়ে সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিক প্ৰভাৱিত কৰে সেয়া গুৰুতৰ ৰূপে বিবেচনা কৰিব পাৰি। যেনেঃ অন্যায়-অত্যাচাৰ, অবিচাৰ, হত্যা, লুণ্ঠন, ধৰ্ষণ আদি জঘন্যকাণ্ডৰ বাহিৰেও আজিৰ অসমৰ প্ৰধান সমস্যা হ'ল 'অসম বন্ধ।'

বৰ্তমান সময়ত বিভিন্ন ধৰণৰ জাতি, সংগঠনবোৰে নিজ স্বাৰ্থ, নিজ ইচ্ছানুসৰি যি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে সেয়ে অসম বন্ধৰ উৎপত্তি। আজিৰ অসমত বহুদিনৰে পৰা বন্ধৰ আহ্বান দেখা যায়। কিন্তু, এই বন্ধৰ জৰিয়তে সাধাৰণ মানুহৰ কোনোধৰণৰ লাভ হোৱা দেখা নাযায়, বৰং লোকচানহে পৰিলক্ষিত হয়। এই বন্ধৰ আহবানকাৰীসকলে নানাধৰণৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা দেখা যায়। যেনেঃ পথ বন্ধ, পথত টিউব জ্বলোৱা, যান-বাহন পুৰি পেলোৱা, প্ৰতিমূৰ্তি দাহ আদি কাৰ্য সম্পাদন কৰে আৰু চৰকাৰে এই বিষয়ত কোনো ধৰণৰ আগ্ৰহ প্ৰকাশ নকৰে। কাৰণ চৰকাৰৰ ইয়াৰ ফলত নানাধৰণৰ লোকচানহে পৰিলক্ষিত হয়। চৰকাৰৰ লোকচান মানে জনসাধৰণৰ লোকচান। কাৰণ চৰকাৰ জনসাধাৰণৰ বাবে প্ৰতিষ্ঠিত।

বৰ্তমান সময়ত শিক্ষাবৰ্ষটোত চৰকাৰী বন্ধৰ উপৰিও সংগঠনসমূহে আহ্বান কৰা অসম বন্ধৰ কাৰ্যসূচীয়ে শৈক্ষিক পৰিবেশত বেয়াকৈ ব্যাঘাত জন্মাইছে। সঘনে সলনি হৈ থকা পাঠ্যক্ৰম, পাঠ্যপুথিৰ অভাৱ, ত্ৰুটিপূৰ্ণ সহায়িকা, পৰীক্ষাগৃহত নকলক কেন্দ্ৰ কৰি ঘটি থকা অপ্ৰীতিকৰ ঘটনা, শিক্ষক নিযুক্তিত দুৰ্নীতি আদি শৈক্ষিক পৰিৱেশৰ অশুভ দিশ। এই অশুভ দিশটোক ইন্ধন যোগাইছে বন্ধ কাৰ্যসূচীয়ে। ছাত্ৰ-ছাত্ৰীসকলে সঘনে শ্ৰেণীকক্ষৰ পৰা আঁতৰি থাকিবলগীয়া হোৱাত তেওঁলোকৰ মনত অনীহা ভাবৰ সৃষ্টি হৈছে। যি অত্যন্ত শিক্ষাৰ বাবে অতি ক্ষতিকাৰক। বন্ধৰ প্ৰভাৱত বছৰেকীয়া পাঠ্যক্ৰম আধৰুৱা বা ততালিকে শেষ কৰা প্ৰক্ৰিয়াই কেনেধৰণে ফলাফলৰ পাতনি মেলিব সেয়া সকলোৰে বাবে অসম্ভৱ। তদুপৰি সুকীয়া পৰীক্ষাগৃহৰ অভাৱত বহু শিক্ষানুষ্ঠানত চলি থকা বিভিন্ন পৰীক্ষাৰ কাৰ্যসূচী, নানাধৰণৰ প্ৰতিযোগিতামূলক নিৰ্বাচনে শিক্ষাবৰ্ষটোত পাঠদান কাৰ্যসূচীত ব্যাঘাত জন্মাইছে। যাৰ ফলত নিৰ্দিষ্ট পাঠসমূহ বহুক্ষেত্ৰত অসম্পূৰ্ণ হৈ থকা পৰিলক্ষিত হয়। ফলত আজিৰ অসমত টিউচনৰ ব্যাপক প্ৰসাৰতাই এক বহল 'ব্যৱসায়িক ক্ষেত্ৰ' সৃষ্টি কৰাটো প্ৰত্যেকৰে দৃষ্টিগোচৰ হৈছে। ফলত দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। যাৰফলত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী শিক্ষাৰ পৰা বঞ্চিত হৈছে।

■■

প্ৰবন্ধ—

# প্ৰকৃতিৰ এক অনন্য ভাষা— গণিত

গৌতম কুমাৰ চহৰীয়া
উচ্চতৰ মাধ্যমিক।

"No human investigation can be called real science if it cannot be demonstrated mathematically."—— লিঅ'নাৰ্ড' ড্যা-ভিঞ্চি

বিশ্ব চৰাচৰৰ যি ঘটনা প্ৰবাহৰ যোগেদি পৰম সত্য আৱিষ্কৃত হৈছে তাৰ প্ৰকৃত ভাষা হৈছে গণিত। গ্ৰীক দাৰ্শনিক প্লেটোৱে ঘোষণা কৰিছিল যে কোনোধৰণৰ বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা নকৰাকৈ কেৱল যুক্তিনিষ্ঠ চিন্তা-চৰ্চাৰ যোগেদিয়েই প্ৰকৃতিৰ ৰহস্য উদ্‌ঘাটন কৰিব পাৰি আৰু এই চিন্তা-চৰ্চাৰ ভাষা হ'ল গণিত। তেওঁৰ মতে জগত সম্পৰ্কীয় প্ৰকৃত সত্য দাঙি ধৰিব পাৰে কেৱল গণিতেহে। গণিতেহে প্ৰকৃতিৰ নীতিসমূহ নিৰ্ণয় কৰিছে।

গণিতক বিজ্ঞানৰ ভাষা বুলি কোৱা হয়। বৈজ্ঞানিক নীতিসমূহ সংক্ষেপে আৰু দ্ব্যৰ্থহীন ভাষাত প্ৰকাশ কৰিবৰ বাবে গণিতৰ সহায় লোৱা হয়। পৃথিৱীৰ বিভিন্ন অঞ্চলত থকা বিভিন্ন জনগোষ্ঠীৰ মাজৰ ভাষা ভিন ভিন। ঠিক তেনেকৈ গণিতৰ বিশাল সাম্ৰাজ্যৰ বিশাল প্ৰান্তৰ ভাষাৰ মাজতো ভিন্নতা আছে। প্ৰকৃতি সম্বন্ধে বিভিন্ন ধাৰণাবোৰে গ্ৰহণ কৰা সত্যৰ ৰূপো ভিন ভিন আৰু সেইবাবে সেইবোৰক গণিতীয় ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। কিছুমান ধাৰণা প্ৰকাশৰ বাবে সাধাৰণ বিজগণিতীয় নীতি প্ৰয়োগ কৰিব পাৰি কিন্তু আন ক্ষেত্ৰ সমূহত এইবোৰৰ সলনি ভেক্টৰ আৰু টেনছৰ কলন গণিতৰ প্ৰয়োজন। কিছুমান পৰিঘটনা বৰ্ণনাৰ বাবে ইউক্লিডীয় জ্যামিতি যথেষ্ট। কিন্তু বক্ৰ স্থান কালৰ বাবে প্ৰযোজ্য হয় ৰাইমেনিয়ান জ্যামিতি।

বিজ্ঞানৰ কিছুমান অতি আচৰিত ধৰণৰ ধাৰণা প্ৰকাশ কৰিবৰ বাবে কিছুমান বিষেয় গণিতীয় পদ্ধতিৰ প্ৰয়োজন। কিন্তু আচৰিত কথা এই যে বৈজ্ঞানিক নীতিসমূহ আৱিষ্কাৰ হোৱাৰ বহু আগৰে পৰাই বিশুদ্ধ গণিত জগতত এই নীতিবোৰ প্ৰচলিত হৈ আছে। উদাহৰণস্বৰূপে, আইনষ্টাইনৰ আপেক্ষিকতাবাদ সূত্ৰৰ বাবে বিশুদ্ধ গণিতত ৰাইমেনিয়ান জ্যামিতি আৰু টেনছৰ কলন গণিত আগৰ পৰাই আছিল।

আপেক্ষিকতাবাদৰ দৰেই কোৱান্টাম কলবিজ্ঞানৰ আচৰিত নীতিবোৰৰ বাবেও অৱকলন সমীকৰণ, ভেক্টৰ আৰু মেট্ৰিক্স গণিতে বিশুদ্ধ গণিতত আগৰ পৰাই অপেক্ষা কৰি আছিল। কোৱান্টাম ক্ষেত্ৰতত্ত্ব, গেইজ্ তত্ত্ব আদিক স্বাগতম জনাবলৈ যেন কমপ্লেক্স্ ভেৰিয়েব'ল গ্ৰুপ থিয়ৰী আদিয়ে নিজকে যেন আগৰ পৰাই প্ৰস্তুত কৰি ৰাখিছিল।

গণিতক 'আমাৰ চিন্তা ভাৱনাৰ বিজ্ঞান' বুলি কোৱা হয়। দৈনন্দিন অভিজ্ঞতা আৰু পৰীক্ষা নিৰীক্ষাৰ ভিত্তিত প্ৰকৃত কাৰ্যনীতি সম্বন্ধে আমাৰ মনত কিছুমান ধাৰণাৰ সৃষ্টি হয়। এই ধাৰণাবোৰৰ যুক্তিযুক্ততা বিচাৰ কৰি সংক্ষেপে প্ৰকাশ কৰিবৰ বাবে গণিতৰ সহায় লোৱা হয়। গণিত সম্পূৰ্ণ যুক্তিনিষ্ঠ, গতিকে ইয়াকে বিচাৰকৰ আসনত বহুওৱা হৈছে।

প্ৰতিটো গণিতীয় ৰাশি বা সমীকৰণৰ অন্তৰালত একোটা সত্য নিহিত হৈ থাকে। এই সত্যই হৈছে পৰম সত্য। ইয়াৰ পৰাই গঢ় লৈছে বিজ্ঞানৰ দৰ্শন। সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বৰ সমীকৰণকেইটা উদ্দেশ্য কৰি আইনষ্টাইনে এবাৰ মন্তব্য কৰিছিল যে এই সমীকৰণকেইটা সমাধান কৰাটো অতি জটিল কাম, কিন্তু ইয়াৰ অন্তৰ্নিহিত গণীতিয় যুক্তি অতি সবল। বহুতো বিজ্ঞানীয়ে বিশ্বাস কৰে যে প্ৰকৃতিৰ নীতি এটা শুদ্ধ হ'বলৈ হ'লে ই শুদ্ধ, সৰল আৰু সুন্দৰ গণিতৰ ভিত্তিত প্ৰতিষ্ঠিত হ'বই লাগিব। সেইবাবেই বিখ্যাত পদাৰ্থবিদ পি.এম. *ডিৰাকে কৈছে—* "God is a mathematication of very high order and He used very advanced mathematics in constructing the universe."

■■

প্ৰবন্ধ

# ৰক্ত-জীৱনৰ নৈ

গৌতম কুমাৰ দাস
স্নাতক চতুৰ্থ ষাণ্মাসিক ।

*আহক, আহক.... লোকেল, ভকুৱা মাছ*....... Superfine তাজা মচ্‌লী..... আহক, আহক। মাছ বজাৰৰ হেজাৰ কোলাহলৰ মাজৰ পৰা ধনায়ে মাতিবলৈ ধৰিলে, গ্ৰাহকৰ অপেক্ষাত। আজি তাৰ বিক্ৰী পাত্তা নাই, কাষৰে বেপাৰী ৰতনে কিনি অনা মাছ বেচি ভাল ইনকাম কৰিছে। ধনায়ে কালি কিনি অনা মাছসোপা এতিয়া গেলিবলৈ আৰম্ভ কৰিছে। তাত অলপ কেঁচা তেজ পৰা হ'লে। Fresh হ'লহেঁতেন সি কাষৰে বেপাৰী ৰতনক তাৰ কটা মাছৰ পৰা ওলোৱা তেজ অলপমান খুজিলে, নাই তাৰ কাণসাৰ নাই। সি বাৰে বাৰে খুজিলে। এইবাৰ সি নিজেই ৰতনৰ সন্মুখৰ থালৰ পৰা তেজ অলপ আনিব খোজোতেই, ৰতনে তাক বাধা দিলে। সি জোৰ-জবৰদস্তি কৰাত, হতাহতি হ'ল, সি উফৰি আহি নিজৰ ছিটত পৰিল। মনৰ আশা মনতে ৰাখি সি সন্ধিয়া হোৱা বাবে চাকিগছ জ্বলাই গ্ৰাহকৰ অপেক্ষাত ৰ'ল। জোলোঙাৰ পৰা পইচা ওলাব খোজোতেই সি হাতখন তিতি যোৱা অনুভৱ কৰিলে। কিন্তু, এয়া কি? তেজ...... তাৰ হাতত তেজ ক'ৰ পৰা আহিল? বোধহয় সেই হতাহতিতেই তাৰ হাত কাটি তেজ ওলাল, সি গমকেই নাপালে। লগে লগে সি তাৰ তেজ লগা হাতখন গেলিবলৈ ধৰা ভকুৱা মাছ কেই ডোখোৰত সানি দি গ্ৰাহকক মাতিবলৈ ধৰিলে। অলপ পিছত তাৰ গোটেই কেইটুকুৰা মাছ বেচা হ'ল।

তেজৰ সৈতে জড়িত সাহিত্য আৰু ইতিহাস বিভিন্ন প্ৰথিতযশা সাহিত্যিকৰ উপন্যাসত পোৱা যায়। তাৰোপৰি বিভিন্ন ৰোমান্টিক, কবি-সাহিত্যিকৰ ৰচনাক নিজৰ প্ৰিয়জনক ভালপোৱাৰ প্ৰমাণস্বৰূপে তেজেৰে 'ভালপাওঁ' বুলি লিখি দিয়াৰ উদাহৰণো আছে। তেজক শোণিত নামেৰেও জনা যায়। অসমৰ শোণিতপুৰ জিলাৰ সদৰ ঠাই তেজপুৰত ভগৱান শ্ৰীকৃষ্ণই নিজৰ নাতি অনিৰুদ্ধৰ উদ্ধাৰৰ্থে শোণিতপুৰৰ বানৰজাৰ সকলো দস্যু দানৱক বধি তেজেৰে ৰাঙলী কৰিছিল। পূৰ্বৰ গুৱাহাটী প্ৰাগজ্যোতিষপুৰত ৰজা ভগদত্তৰ পিতৃ নৰকাসুৰক শ্ৰীকৃষ্ণই নিধন কৰি অসুৰৰ ৰক্তেৰে ৰাঙলী কৰিছিল, তাৰ প্ৰমাণ স্বৰূপে আজিও তেজপুৰ আৰু গুৱাহাটীৰ মাটিৰ ৰং কিছু ৰঙচুৱা।

ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ ফালৰ পৰা তেজক 'পৰিয়ালৰ সম্বন্ধ চিহ্ন' (Symbol of family relationship) হিচাপে গণ্য কৰা হয়। দাৰ্শনিক লেভিটিকাছ (Leviticus-1771)এ কৈছিল যে, "The Life of creature is in blood." একোটা পৰিয়ালৰ মাজত বংশগত (Genetic) জিনৰ সম্পৰ্ক থকা বাবে সাধাৰণ মানুহে 'তেজৰ সম্পৰ্ক' আছে বুলি কয়। তাৰোপৰি একেটা বংশ, গোত্ৰ বা পৰিয়ালৰ মাজত বিবাহ নকৰোৱা হিন্দু ধৰ্মৰ প্ৰথাটো এটা বৈজ্ঞানিক ভিত্তি আছে।

মানৱ দেহত চিৰপ্ৰবাহমান গতিৰে ক্ৰিয়া কৰি থকা জুলীয়া পদাৰ্থ বিধৰ নামেই হ'ল তেজ। অক্সফৰ্ড ইংৰাজী অভিধানৰ মতে, তেজ (Blood) শব্দটো পুৰণি জাৰ্মান ভাষাৰ Bluot (ব্লুঅট)ৰ পৰা সৃষ্টি হোৱা ইংৰাজী পৰিভাষা Blood (ব্লড)ৰ পৰা উৎপত্তি হৈছে। চিকিৎসা বিজ্ঞান বা প্ৰাণীবিজ্ঞানৰ মতে তেজ হ'ল এবিধ সংযোজক কলা (Connection Tissue)। উচ্চ মেৰুদণ্ডী প্ৰাণী সমূহৰ ভিতৰত বেছিভাগৰেই তেজৰ ৰং ৰঙা। *আমাৰ দেহত প্ৰায় ৫* লিটাৰ তেজ থাকে। মানুহৰ দেহত তেজৰ পৰিমাণ 6%ৰ পৰা 7.5% আৰু দেহৰ ওজনৰ প্ৰায় $^1/_{13}$ ভাগ। অসুস্থ হ'লে বা অতিপাত ৰক্তক্ষয় হ'লে দেহত তেজৰ পৰিমাণ কমিব পাৰে। তেজ আৰু ৰক্তজনিত ৰোগৰ বিষয়ে অধ্যয়ন কৰা চিকিৎসা বিজ্ঞানৰ শাখাক ৰক্তবিজ্ঞান (Haematology) বা হিমাট'লজি বোলে। হিম (Haem) হ'ল এবিধ

জীব-ৰাসায়নিক পদাৰ্থ। তেজত আইৰণ (Fe)এ পৰফাইৰিনবৰ্গৰ লগত সংযুক্ত হৈ হিম গঠন কৰে। হিমবৰ্গই গ্লবিউলিন নামক প্ৰটিনৰ লগলাগি হিমগ্ল'বিন (Hb-Haemoglobin)ৰ সৃষ্টি কৰে। হিমগ্ল'বিন থকা বাবে তেজৰ ৰং ৰঙা হয়। উদ্ভিদৰ ভিতৰত কলডিল, বীট, গাজৰ, সেউজীয়া, শাক-পাচলি আৰু প্ৰাণীৰ ভিতৰত কুঁচিয়া (Amphipnous), শিঙিমাছ, মাগুৰ, পাৰৰ মাংস আদিত প্ৰচুৰ পৰিমাণে হিম'গ্লবিন পোৱা যায়।

ভৌতিক প্ৰকৃতিৰ ফালৰ পৰা তেজ অসুস্থ আৰু সান্দ্ৰ (Viewes) আঠাতেলীয়া পদাৰ্থ, ধমনী (Aretery)ৰ তেজ উজ্জ্বল ৰঙা, সিৰা (Vein)ৰ তেজ সামান্য বেঙুনীয়া। তেজৰ স্বাদ সামান্য লুনীয়া। আমাৰ দেহৰ বাহিৰৰ অংশত কটা-চিঙা হ'লে তাৰ পৰা কিছু সময় তেজ ওলোৱাৰ পিছত আপোনা আপোনি বন্ধ হৈ যায়, ইয়াৰ কাৰণ হ'ল ৰক্ত আতঞ্চন (Blood coagulation) প্ৰক্ৰিয়া। তেজত থকা অনুচক্ৰিকাবোৰে কটা অংশ গোট খাই কিছুমান জীব-ৰাসায়নিক প্ৰক্ৰিয়াৰে এখন জালিকাৰ সৃষ্টি কৰি তেজ ওলোৱাত বাধা প্ৰদান কৰে। কিন্তু পথাৰৰ হাতীজোকে (Indian catle lech)এ কামুৰিলে তেজ ওলোৱাটো সহজে বন্ধ নহয়। কাৰণ জোকৰ লালটিত কিছুমান প্ৰতি আতঞ্চক পদাৰ্থ (Anti-coagulant Substance) থাকে বাবেই তেজ গোট মৰাত বাধা প্ৰদান কৰে। আমাৰ শৰীৰৰ তেজৰ উষ্ণতা প্ৰায় $39.9^0$ ছেন্টিগ্ৰেড।

তেজত দুটা উপাদান থাকে — এবিধ হ'ল তৰল প্ৰবাহমান ভৌমদ্ৰব্য বা প্লাজমা (55%) আৰু এই প্ৰবাহত উটি ভাহি ফুৰা ৰক্ত কোষ (45%) বোৰ।

তেজক জীৱনৰ নৈ বুলিও কোৱা হয় কাৰণ ই আমাৰ গোটেই শৰীৰত অক্সিজেন ($O_2$), খাদ্যবস্তু, হৰ'মন আদি কঢ়িয়াই লৈ ফুৰে। আমাৰ দেহৰ সুৰক্ষা ব্যৱস্থা (Defence mechanism)টোৱেই হ'ল তেজ। বিভিন্ন ধৰণৰ সংক্ৰামক ৰোগৰ পৰা হাত সাৰিবলৈ তেজত থকা শ্বেত ৰক্ত কণিকা (W.B.C.)বোৰে আমাৰ খাদ্যৰ লগত বা উশাহত দেহৰ ভিতৰলৈ যোৱা বেক্টেৰীয়া, ভাইৰাছ, অনুজীৱ আদিক আক্ৰমণ কৰি গিলি থয় আৰু সংক্ৰমণৰ পৰা ৰক্ষা কৰে। মানুহৰ তেজ প্ৰধানত চাৰি প্ৰকাৰৰ— সেয়া হ'ল— A, B, AB আৰু O। ইয়াৰে O বৰ্গক সাৰ্বজনীন দাতা (Universal Doner) বুলি কোৱা হয় যদিও কথাষাৰ সম্পূৰ্ণৰূপে শুদ্ধ নহয়।

খ্ৰীঃ 1900 ত কাৰ্ল লেণ্ডষ্টিনাৰ (Karl Landsteiner) নামৰ অষ্ট্ৰীয়া দেশৰ এগৰাকী চিকিৎসাবিদে মানুহৰ তেজৰ এনে প্ৰকাৰ উদ্‌ঘাটন কৰিবলৈ সমৰ্থ হৈছিল। মানুহৰ তেজত পোৱা এবিধ এণ্টিজেন হ'ল Rh-factor বা Rh কাৰক। ইয়াক ৰিছাছ (Rhesus) নামৰ সাধাৰণ বান্দৰ প্ৰজাতিৰ এবিধৰ লোহিত ৰক্ত কণিকা (R.B.C)ত পোৱা যায় আৰু খ্ৰীঃ 1940 ত লেণ্ডষ্টিনাৰ আৰু ওৱেনাৰএ এই কাৰকবিধ আৱিষ্কাৰ কৰিছিল। ৰক্ত সংৰচনা বা তেজৰ আদান প্ৰদান *কৰোতে* Rh কাৰক পৰীক্ষা কৰোৱাটো অত্যন্ত জৰুৰী। নহ'লে শৰীৰত বিভিন্ন ধৰণৰ বেমেজালিয়ে দেখা দিব পাৰে। উদাহৰণস্বৰূপে গৰ্ভৱতী মাতৃৰ $Rh^-Ve$ ত যুক্ত কাৰক $Rh^+$ Ve যুক্ত সন্তানৰ দেহলৈ প্ৰৱেশ কৰিলে জন্মৰ পূৰ্বেই বা জন্মৰ কিছুদিনৰ ভিতৰত শিশুৰ মৃত্যু ঘটে। কেতিয়াবা মাতৃৰো মৃত্যু ঘটিব পাৰে। এনে ৰোগক ভ্ৰূণীয় লোহিতকণা স্ফুটনৰোগ (Erythro blastosis factalis) বোলে। তাৰোপৰি ৰক্ত সংৰচনা কৰোতে দাতা বা গ্ৰাহীতাৰ HIV পৰীক্ষা কৰোৱাটো জৰুৰী। এই ভাইৰাছবিধৰ ফলত AIDS (Acquired Immuno. Deficiancy Syndrome) বেমাৰ হয়। এই ভাইৰাছৰ উপস্থিতি প্ৰমাণ কৰিবলৈ ELISA (Enzyme Linked Immunosorbent Assay) নামৰ পৰীক্ষা কৰোৱা হয়। এই বেমাৰবিধ মাৰাত্মক নিৰৱ ঘাতক (Silent Killer)।

তেজে ধমনীৰ সহায়ত প্ৰয়োজনীয় খাদ্য দ্ৰব্য আৰু অক্সিজেনবোৰ নদীৰ সোঁতৰ গতিৰ লেখীয়াকৈ গোটেই শৰীৰত কঢ়িয়াই লৈ ফুৰে আৰু দেহৰ বৰ্জনীয় পদাৰ্থ, কাৰ্বন-ডাই-অক্সাইড ($CO_2$) আদি সিৰাৰ জৰিয়তে ঘূৰাই আনি দেহৰ বাহিৰ কৰি দিয়ে। সেইবাবে তেজক জীৱনৰ বোৱতী নৈ (The river of Life) বুলি কোৱা হয়।

■■

প্ৰবন্ধ—

# স্বাধীনতা দিৱসত প্ৰধানমন্ত্ৰীৰ ভাষণ— কিছু আশা, কিছু প্ৰত্যাশা

জ্যোতিৰূপা ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

এইবাৰ স্বাধীনতা দিৱসত নৱ নিৰ্বাচিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ ভাষণে দেশবাসীৰ মাজত তুমুল আলোড়নৰ সৃষ্টি কৰিলে। সুদীৰ্ঘ পৰিক্ৰমাত এনে দৃষ্টান্ত অদ্বিতীয়। তেওঁৰ ভাষণৰ গভীৰতা দৃঢ়তা স্পষ্টতা আৰু দূৰদৰ্শিতাই দেশবাসীক আপ্লুত কৰিছে। ভাষণৰ সময়ত তেওঁ কোনো বুলেট প্ৰুফ বেষ্টনী গ্ৰহণ নকৰিলে আৰু কোনো লিখিত ভাষণৰ সহায় নোলোৱাকৈ সম্পূৰ্ণ ৬৭ মিনিট এটা অবিৰত ভাষণ দিলে।

নৰেন্দ্ৰ মোদী হৈছে ভাৰতবৰ্ষৰ প্ৰথমগৰাকী ব্যক্তি যিয়ে এগৰাকী সাধাৰণ চাহ দোকানীৰ পৰা দেশৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হৈছে। তেৱেঁই হয়তো প্ৰথম ব্যক্তি যিয়ে লালকিল্লাত থিয় হৈ সাধাৰণ জনতাক অনাময়ৰ কথা কয়।

স্বাধীনতা দিৱসৰ ক্ষণত দেশৰ প্ৰধানমন্ত্ৰী গৰাকীৰ ভাষণে দেশবাসীৰ মাজলৈ কিছু আশাৰ বতৰা কঢ়িয়াই আনিছে। আমি আশা কৰিছোঁ মোদীয়ে এটা পৰিবৰ্তনৰ ঢৌ আনক, আমাৰ ক্ৰমে বিপৰ্যয়ৰ দিশলৈ আগবঢ়া প্ৰশাসনীক ব্যৱস্থাটোক পুনৰ তেওঁ দৃঢ় ৰূপত প্ৰতিষ্ঠা কৰক। প্ৰধানমন্ত্ৰীৰ ভাষণে দেশপ্ৰেম আৰু একাত্মবোধ বহু পৰিমাণে মানুহৰ মাজত জগাই তুলিছে। আশা কৰিছোঁ কৰ্মৰ জৰিয়তেও যেন তেওঁ এনেদৰে জনসাধাৰণক একত্ৰিত কৰি ৰাখে।

স্বাধীনতা উৎসৱৰ ক্ষণত মোদীয়ে দুটা আঁচনি ৰূপায়নৰ কথা ঘোষণা কৰিছে—

১। **ধন-জন যোজনাঃ** এই আঁচনিৰ অধীনত দেশৰ প্ৰতিজন দৰিদ্ৰ নাগৰিককে বেংক একাউন্ট খোলাৰ সুবিধা লাভ কৰিব। আৰু তেওঁলোকে ডেবিট কাৰ্ড আৰু এক লাখ টকাৰ জীৱন সুবিধাও পাব।

২। **সাংসদ আদৰ্শ গ্ৰাম যোজনা ঃ** এই আঁচনিৰ জৰিয়তে প্ৰতিজন সাংসদে ২০১৬ৰ ভিতৰত তেওঁৰ সমষ্টিত এখন আদৰ্শ গাঁও স্থাপন কৰিব। একোজন সাংসদে তেওঁৰ পাঁচ বছৰীয়া কাৰ্যকালত ক্ৰমেও পাঁচখন আদৰ্শ গাঁও গঠন কৰিব।

তেওঁ দুখন ভাল আঁচনি ৰূপায়নৰ কথাই ব্যক্ত কৰিছে। কিন্তু আন মন্ত্ৰী সাংসদৰ দৰে মুখত আঁচনি ৰূপায়নৰ কথা কৈ হাতে কামে তথৈবচ হৈ বহি থাকিলে নহ'ব সেই আঁচনিৰ তেওঁ সঠিক ৰূপায়ণ কৰি দেখুৱাব লাগিব।

আচলতে ক্ষমতা লাভৰ ৰাজনৈতিক মেৰপাকত আমি সাধাৰণ মানুহবোৰ অতিষ্ঠ হৈ পৰিছো। অসমৰ ৰাজনীতিতটো এইটো আৰু এখোপ চৰা। কোনফালে চাবা আজি বিসম্বাদ কাইলৈ সীমান্ত বিবাদ।

প্ৰত্যেক সময়ত নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব হৈছে, আমাৰ নাগৰিকৰ স্বাধীনতা কাঢ়ি নিছে তথাপিতো আমাৰ প্ৰশাসন নিমাত কিয়? আচলতে ৰক্ষকেই যেতিয়া ভক্ষক তেতিয়া অৱস্থাবোৰ চাগে এনেকুৱাই হ'ব।

আজি সমগ্ৰ ভাৰতবাসীয়ে নৰেন্দ্ৰ মোদীক লৈ সপোন দেখিছে। নাজানো এই সপোনক তেওঁ কিমানদূৰ বাস্তৱত ৰূপায়িত কৰিব পাৰিব সেই আশাতেই বন্দী হৈ আছে আজি সমগ্ৰ ভাৰতবাসী...।

■■

প্ৰবন্ধ

# অনুচ্ছেদ ৩৭০ আৰু কিছু বিতৰ্ক

নিৰঞ্জন কুমাৰ নাথ
স্নাতক চতুৰ্থ ষাণ্মাসিক।

স্বাধীনতাৰ পিছৰে পৰা আজি পৰ্যন্ত সংবিধানৰ ৩৭০ নং অনুচ্ছেদক লৈ বিতৰ্ক অব্যাহত আছে। সংবিধানৰ এই অনুচ্ছেদৰ অন্তৰ্ভুক্তিক লৈ সেই সময়ত বহুতে আপত্তি কৰিছিল যদিও সেই সময়ৰ তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আঁকোৰগোজ স্থিতিৰ বাবেই অনিচ্ছাকৃতভাৱে সেই সময়ৰ আইন মন্ত্ৰী ডঃ বি.আৰ. আম্বেদকাৰে এই অনুচ্ছেদক সংবিধানত অন্তৰ্ভুক্তি কৰিছিল। শেহতীয়াকৈ এই অনুচ্ছেদক সংবিধানৰ পৰা আঁতৰাই দিবলৈ বহুতে মত পোষণ কৰাৰ পাছতেই পুনৰ বিতৰ্কৰ সূত্ৰপাত হৈছে।

**৩৭০ ধাৰানো কি?**

স্বাধীনতাৰ সময়ত জম্মু-কাশ্মীৰ ভাৰত আৰু পাকিস্তানৰ লগত থকাৰ বিপৰীতে সম্পূৰ্ণ পৃথক ৰাষ্ট্ৰ হিচাপে থকাৰ সিদ্ধান্ত আছিল জম্মু-কাশ্মীৰ চৰকাৰৰ। কিন্তু ১৯৪৭ চনৰ ২৬ অক্টোবৰত আজাদ কাশ্মীৰী সেনাই পাকিস্তানৰ সহায়ত কাশ্মীৰ আক্ৰমণ কৰে। এই আক্ৰমণৰ পৰা ৰক্ষা পোৱাৰ লগতে প্ৰত্যুত্তৰ দিয়াৰ বাবে ভাৰতৰ সহায় বিচাৰে। চুক্তি সাপেক্ষে ভাৰতেও সহায়ৰ হাত আগবঢ়ায় আৰু জৱাহৰলাল নেহৰু আৰু হৰি সিঙে এক চুক্তিত মিলিত হৈ 'ইঞ্চট্ৰুলেণ্ট অব এক্সেচন্' স্বাক্ষৰ কৰে। এই আইন প্ৰস্তুত কৰে ওমৰ আব্দুল্লাৰ ককাক শেখ আব্দুল্লাই।

সংবিধানৰ এই ধাৰা অনুসৰি কিছুমান বিশেষ সা-সুবিধা জম্মু-কাশ্মীৰক দিয়া হৈছে। যিবোৰ আন ৰাজ্যবোৰক সাধাৰণতে দিয়া নাই। এই ধাৰা থকালৈকে জম্মু-কাশ্মীৰত ৰাষ্ট্ৰপতি শাসন সম্ভৱপৰ নহয়। ইয়াৰ উপৰিও ১৯৭৬ চনৰ ভূমি আইনো তাত বলবৎ নহয়।

**সংবিধানৰ ৩৭০ নং অনুচ্ছেদে জম্মু-কাশ্মীৰক প্ৰদান কৰা সুবিধা সমূহ ঃ**

১। জম্মু-কাশ্মীৰৰ নাগৰিকক দ্বি-নাগৰিকত্ব প্ৰদান কৰা হৈছে।

২। জম্মু-কাশ্মীৰৰ নিজাকৈ পতাকা আছে।

৩। জম্মু-কাশ্মীৰৰ বিধানসভাৰ কাৰ্যকাল ৬ বছৰ।

৪। ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাক অশ্ৰদ্ধা কৰিলেও অপৰাধ গণ্য নহয়।

৫। কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট কিছুমান বিষয়তহে আইন প্ৰণয়ন কৰিব পাৰে।

৬। উচ্চতম ন্যায়ালয়ৰ আদেশেও জম্মু-কাশ্মীৰত মান্যতা নাপায়।

৭। কোনো নাৰীয়ে যদি অইন ৰাজ্যৰ ল'ৰাৰ লগত বিয়া হয় সেইগৰাকী নাৰীৰ নাগৰিকত্ব লোপ পায়। পাকিস্তানৰ ব্যক্তিৰ লগত বিয়াত বহিলে নাগৰিকত্ব অটুট থাকে।

৮। ভাৰতৰ কোনো আইন তাত বলবৎ নহয়। R.T.I., R.T.E., Keg তাত বলবৎ নহয়।

৯। জম্মু-কাশ্মীৰৰ নাৰীৰ ওপৰত শ্বৰিয়ত আইন বলবৎ হৈ আছে।

১০। পঞ্চায়তৰ কোনো অধিকাৰ নাই।

১১। জম্মু-কাশ্মীৰত সংখ্যালঘুএ ১৬ শতাংশ সংৰক্ষণ নাপায়।

১২। ভাৰতৰ আন ৰাজ্যৰ নাগৰিকে তাত মাটি ক্ৰয় কৰিব নোৱাৰে।

১৩। এই ধাৰাৰ বাবে পাকিস্তানৰ নাগৰিকে কাশ্মীৰী মহিলাক বিয়া কৰালেই ভাৰতীয় নাগৰিকত্ব অনায়াসে পায়।

**পুনৰ বিতৰ্কৰ সূত্ৰপাতঃ**

নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত নৰেন্দ্ৰ মোদীয়ে ৩৭০ ধাৰাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰাৰ লগে লগে বিতৰ্কৰ সূত্ৰপাত ঘটে। পৰৱৰ্তী সময়ত বৰ্তমানৰ মন্ত্ৰী জীতেন্দ্ৰ সিঙে এই বিষয়ত মুকলি বিতৰ্কৰ প্ৰয়োজন আছে বুলি চৰকাৰৰ স্থিতি স্পষ্ট কৰিছিল। এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ওমৰ আব্দুল্লাই কয় যদি ৩৭০ ধাৰা উঠাই দিয়ে তেন্তে জম্মু-কাশ্মীৰ ভাৰতৰ অংগৰাজ্য হৈ নাথাকিব। জম্মুৰ বিজেপি সাংসদ যুগল কিশোৰ শৰ্মা, বিজেপি নেতা চৈয়দ শ্বাহনৱাজেও আত্মপক্ষ সমৰ্থ কৰি নিজৰ নিজৰ বক্তব্য দাঙি ধৰি ৩৭০ ধাৰা উঠায় দিব লাগে বুলি মত পোষণ কৰিছে। শাসনাধিষ্ঠিত কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ ৩৭০ নং অনুচ্ছেদৰ বাবে দেশ যে অৰ্থনৈতিকভাৱে ক্ষতিৰ সন্মুখীন হৈ আছে সেই কথা দেশবাসীক বুজাব পাৰিবনে? ইয়াৰ বিপক্ষে তীব্ৰ জনমত গঢ়ি তুলিব পাৰিবনে? দেশৰ আন আন বিৰোধী ৰাজনৈতিক দলবোৰক মান্তি কৰাই সংবিধানৰ এই বহু বিতৰ্কিত তথা চৰ্চিত অনুচ্ছেদটো বিলুপ্তিৰ ক্ষেত্ৰত কিমান দূৰ সফলতা লাভ কৰে সেয়া সময়তহে *ক'ব পৰা যাব।*

■■

প্ৰবন্ধ—

# হেঁপাহৰ মঙলদৈ মহাবিদ্যালয় আৰু মোৰ অনুভৱ

মালবিকা দেৱী
স্নাতক ষষ্ঠ ষাণ্মাসিক।

**পোন** প্ৰথমে মই মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীলৈ নমস্কাৰ জনাইছোঁ। মহাবিদ্যালয়ৰ বিষয়ে মতামত দিব পৰা মোৰ হয়তো বিশেষ সামৰ্থ নাই যদিও চমুকৈ কব ওলাইছোঁ।

মঙলদৈ মহাবিদ্যালয়খন পোন প্ৰথমে স্থাপিত হৈছিল ১৯৫১ চনত। বহুতো মহৎ আৰু বৰেণ্য ব্যক্তিৰ তত্বাৱধানত এই মহাবিদ্যালয়খন গঢ়ি উঠিছিল। প্ৰথমে মই সেই মহান তথা বৰেণ্য ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। প্ৰতিষ্ঠাকালৰে পৰা মহাবিদ্যালয়খন শিক্ষা তথা সকলো দিশতে যথেষ্টখিনি আগবঢ়া। ছাৰ-বাইদেউ সকলৰো এই ক্ষেত্ৰত যথেষ্টখিনি সহায়ৰ হাত দেখিবলৈ পোৱা যায়। সেইহেতু মঙলদৈ মহাবিদ্যালয়খনক মই এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে আখ্যা দিব খোজোঁ। আনহাতে মহাবিদ্যালয়খনৰ পৰিবেশ সম্পৰ্কে কব গ'লে এই মহান শিক্ষানুষ্ঠানখন ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত এটা সুন্দৰ ভৌগলিক পৰিবেশতঅৱস্থিত। এইমহাবিদ্যালয়-. খনৰ প্ৰাকৃতিক পৰিৱেশ আজিৰ পৰা কিছুবছৰ আগলৈকে অসমত এক বিশেষ স্থান আছিল। যদিও এতিয়াও প্ৰাকৃতিক পৰিবেশ কোনো দিশে পিছপৰা নহয়।

মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধাৰ্থে বিভিন্ন জিৰণিকোঠা, পুথিভঁড়াল, ব্যায়ামশালা আদিৰ ব্যৱস্থা আছে। তাৰোপৰি শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক চাহিদা পূৰণ কৰি আহিছে যদিও এই সুবিধাসমূহ আৰু অধিক উন্নত কৰাৰ প্ৰয়োজন আছে। কিন্তু বৰ্তমান সময়ত বিশেষকৈ পৰ্যাপ্ত শ্ৰেণীকোঠা আৰু ছাত্ৰ সকলৰ বাবে ছাত্ৰাবাস, ছাত্ৰ জিৰণী কোঠাৰ যথেষ্ট প্ৰয়োজন যাৰ ফলত তেওঁলোকৰ বাবে গঢ়ি উঠিছে প্ৰাইভেট ছাত্ৰাবাস আৰু সেইবোৰত কেৱল আৰ্থিকভাৱে স্বচ্ছল ছাত্ৰ-ছাত্ৰী কেইগৰাকীয়ে তাৰ সুবিধা লাভ কৰিছে আনহাতে অভাৱী ঘৰৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্টখিনি অসুবিধাৰ সন্মুখীন হৈছে। আনফালে ছাত্ৰী জিৰণী কোঠা যদিও নামত আছে তথাপিও বৰ বিশেষ উন্নতমানৰ নহয়, গতিকে অনতি পলমে এনেবোৰ সমস্যা নুই হোৱাটো বিচাৰোঁ।

মঙলদৈ মহাবিদ্যালয়ৰ ৰাজনৈতিক ক্ষেত্ৰলৈ পৰিণত হোৱা নোহোৱা উত্তৰ এটা বাক্যত কোৱাটো টান। কিন্তু আমি প্ৰধানতঃ ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ বেলিকা এই কথা স্পষ্টকৈ দেখা পাওঁ। কিয়নো এই নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বীসকল কোন কোন জাতীয় দল বা সংগঠনক প্ৰতিনিধিত্ব কৰে, এই কথা সকলোৰে জ্ঞাত। প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে আৰ্থিকভাৱে স্বচ্ছল বা ছাত্ৰ-সংগঠনৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীৰ পক্ষেহে নিৰ্বাচনৰ ফলাফল দেখা যায়। ফলত ই ছাত্ৰ সমাজৰ মাজত অলপ হ'লেও ৰাজনৈতিক প্ৰভাৱ পেলাই আহিছে। গতিকে মঙ্গলদৈ মহাবিদ্যালয়ত ৰাজনৈতিক প্ৰভাৱ একেবাৰে না কৰিব নোৱাৰি।

আনহাতে প্ৰত্যেক মহাবিদ্যালয়তে বছৰি একোখন আলোচনী প্ৰকাশ কৰা হয়, ঠিক তেনেকৈ মঙলদৈ মহাবিদ্যালয়তো বছৰি একোখনকৈ আলোচনী প্ৰকাশ পায়। মহাবিদ্যালয় আলোচনীক মহাবিদ্যালয় এখনৰ মনৰ কথা বুলিব পাৰি। গতিকে মঙলদৈ মহাবিদ্যালয় বুলিয়েই নহয় সকলো মহাবিদ্যালয়ে আলোচনীখন ভাল হোৱাটো বিচাৰে। মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী মহাবিদ্যালয়ৰ সম্পদ যদিও পৰোক্ষ ভাৱে ছাত্ৰ-ছাত্ৰীসকলৰহে সম্পদ। কিয়নো আলোচনীখনৰ জৰিয়তে প্ৰধানতঃ ছাত্ৰ-ছাত্ৰীৰ সকলো সাহিত্যিক সুপ্ত প্ৰতিভা প্ৰকাশিত হয়। কিন্তু আলোচনীৰ পৃষ্ঠাত প্ৰকাশ হোৱা কিছুমান লিখনি (কবিতা, গল্প) তুলনামূলকভাৱে গাম্ভীৰ্যহীন বুলি বহুতো সচেতন ব্যক্তিয়ে সময়ে সময়ে মত প্ৰকাশ কৰি আহিছে। গতিকে আমাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লিখনি সমূহত বিশেষ গুৰুত্ব দিলে এই অপবাদৰ পৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ

সকলো পৰিয়ালেই ৰক্ষা পৰিব। তথাপিও মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী কোনোপধ্যে নিম্নমানৰ বুলিব নোৱাৰি।

মহাবিদ্যালয় এখন হ'ল জীৱন গঢ়ি তোলাৰ এটা কেন্দ্ৰস্থল। ইয়াতেই সৃষ্টি হৈছে অলেখ অজুত মহান ব্যক্তি যাৰ ফলত এখন সুন্দৰ সমাজ সৃষ্টি কৰি তুলিব পৰা যায়। এই শিক্ষানুষ্ঠানখনতে বহুতো লোকে শিক্ষা গ্ৰহণ কৰি নিজৰ ভৱিষ্যৎ ৰঙীন কৰি তুলিবলৈ সক্ষম হৈছে আৰু হয়তো এনেভাৱে চেষ্টা চলালে আমিও এদিন কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হ'ম আৰু আমাৰ এই মহান শিক্ষানুষ্ঠানখন যথেষ্টখিনি উন্নতিৰ পথলৈ অগ্ৰসৰ হ'ব।

■■

# অংকীয়া ভাওনা

বিস্মিতা শৰ্মা
স্নাতক দ্বিতীয় ষাণ্মাসিক (বিজ্ঞান)।

মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ দ্বাৰা ৰচিত ১২ খন নাটকক অঙ্কীয়া নাট বা ভাওনা বোলা হয়। অঙ্কীয়া ভাওনাত গীত, বাদ্য, নৃত্য প্ৰধানভাৱে থাকিলেও ইয়াৰ আনুসঙ্গিক ভাৱৰীয়াৰ সংলাপ-অভিনয়, ৰসৰ সমাবেশৰ কথা সূত্ৰ আদিও আছে। এই অংকীয়া ভাওনাৰ সূত্ৰধাৰে প্ৰথমে প্ৰৱেশ কৰি নৃত্য আৰম্ভ কৰে আৰু তাৰ পিছত অন্যান্য নৃত্যসমূহৰ পিছত বাকী ভাওৰীয়াসকলৰ আগমন নিগমনৰ কথা সমাজক বুজাই দিয়ে। তাৰ পিছতে দ্বিতীয় চৰিত্ৰ ৰূপে ৰাম বা কৃষ্ণই নাচি নাচি প্ৰৱেশ কৰে। ৰাম বা কৃষ্ণ প্ৰথমে সিন্ধুৰা ৰাগেৰে একতালত প্ৰৱেশ কৰে। পিছত বাজনাৰ নাচ চুতাতালত বা একতালত বজোৱা আৰু নচুৱা হয়। বাজনাৰ পিছত শ্লোকৰ নাচ নচা নিয়ম। এই শ্লোকবোৰো একতাল বা চুতাতালত হ'লে ভাল হয়। তৃতীয়তে প্ৰৱেশ হয় স্ত্ৰী চৰিত্ৰৰ, সীতা, সত্য ভ্যামা, যশোদা ইত্যাদি। এওঁলোকেও প্ৰথমে বাজনাৰ নাচত প্ৰৱেশ কৰে। আৰু চুতা বা একতালত নাচে। তাৰ পিছত শ্লোকৰ নাচ নাচি শেষ কৰে। স্ত্ৰী চৰিত্ৰৰ পিছতে ৰজা আদিৰ প্ৰৱেশ হয়। এওঁলোকেও একতালত গুৰু গাম্ভীৰ্যপূৰ্ণ পৰিবেশত প্ৰৱেশ কৰে। পৰিতালো ব্যৱহাৰ হয়। ৰজাৰ পিছত ঋষি, মুনি আদিৰ আগমন হয়। এওঁলোকৰো পৰিতাল বা চুতকলা তালত আগমন বা নিৰ্গমন হয়। অংকীয়া নাটৰ কাহিনী পৌৰাণিক আৰু ভক্তিমূলক, ভাগৱত আৰু ৰামায়ণৰ কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত। কৃষ্ণ বা ৰামভক্তিয়ে স্থান পাইছে। অন্যান্য চৰিত্ৰসমূহৰ ভিতৰত বীৰ ৰসত- ইন্দ্ৰ, নৰকাসুৰ, শিশুপাল, ৰুক্মবীৰ আদি, ৰৌদ্ৰ ৰসত- পৰশুৰাম, বিশ্বামিত্ৰ আদি, কৰুণ ৰসত- ৰাম বিজয় নাটকত সীতাৰ, হাস্য ৰসত- ৰুক্মিণী হৰণ নাটকত বেদনিধি ইত্যাদিৰ প্ৰৱেশ হয়। এই নাটকত নৱৰসৰ উপৰিও ভক্তিৰসে প্ৰাধান্য লাভ কৰিছে।

অঙ্কীয়া নাটকত প্ৰতিটো চৰিত্ৰই সম্পূৰ্ণ তাল, মান, লয় আদিক কেন্দ্ৰ কৰি আগমন আৰু নিৰ্গমণ কৰাকে প্ৰৱেশৰ আৰু প্ৰস্থানৰ নাচ বোলা হয়। প্ৰতিটো চৰিত্ৰৰ বেলেগ বেলেগ ৰস, ভাব, তাল, মান, লয় আদি মন কৰিবলগীয়া। নাটকত ব্যৱহাৰিক নাচৰ ভিতৰত সূত্ৰধাৰী নাচ, ৰাম-লক্ষ্মণৰ নাচ, কৃষ্ণ-উদ্ধৱ আদিৰ নাচ, সখীসকলৰ নাচ যেনেঃ সীতা, কনকাৱতী, ৰুক্মিণী, সত্যভামা, যশোদা ইত্যাদি। ৰজাৰ প্ৰৱেশৰ নাচৰ ভিতৰত যেনে- দশৰথ, জনক, ভীষ্ম, ইন্দ্ৰ, নন্দ ইত্যাদি। বীৰসকলৰ ভিতৰত যেনে- ৰুক্মবীৰ, শিশুপাল, নৰকাসুৰ, শংখচূড় ইত্যাদি। ছোঁ মুখা আদি ব্যৱহাৰ কৰা নানা চৰিত্ৰ দেখা পোৱা যায়। তাৰ ভিতৰত ৰাৱণ, বান্দৰ, পশু-পক্ষী আদি উল্লেখনীয়। তাৰোপৰি সমূহীয়া ৰজাসকলৰ প্ৰৱেশ নাচ আছে। ভাত, নাৰদ আদিৰ প্ৰৱেশৰ নাচ বিভিন্ন তালত আগমন নিৰ্গমনৰ পিছত নাটকখনি মুক্তিমঙ্গল ভটিমাৰে আৰম্ভ কৰি কল্যাণ খৰমান তালত সমাপ্ত হয়।

■■

প্ৰবন্ধ—

# চান্দো সদাগৰৰ মেৰঘৰ আৰু মা-চণ্ডিকা পীঠ

ডিম্পীমণি নাথ
স্নাতক তৃতীয় যান্মাসিক।

গুৱাহাটীৰ পৰা প্ৰায় ৩৯ কি.মি পশ্চিমে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অৱস্থিত 'চম্পক নগৰ' এই পথৰ উত্তৰে বৰ্তমানৰ গোসাঁনীমঠ গাঁৱত চণ্ডিকা পীঠ আৰু দক্ষিণে চান্দো সদাগৰৰ মেৰঘৰ অভিশপ্ত মেৰঘৰৰ ভগ্নাৱশেষ। এই পথেৰে আকৌ এক কি.মি পশ্চিমে গ'লে পোৱা যায় ছয়গাঁও।

ইতিহাস প্ৰসিদ্ধ বেউলা লক্ষ্মীন্দৰৰ স্মৃতি বিজড়িত চান্দো সদাগৰৰ মেৰঘৰৰ বিষয়ে 'পদ্ম-পুৰণি'ত বিস্তৃতভাৱে বৰ্ণনা কৰা আছে।

চান্দোসদাগৰৰ আদি বাসস্থান আছিল ছাগল চাৰী পৰ্বতৰ নামনিতে। কিন্তু ব্যৱসায়-বাণিজ্যৰ সুবিধাৰ কাৰণে ছাগল চাৰীৰ পৰা প্ৰায় ২০ মাইল দূৰত অৱস্থিত বৰ্তমানৰ মঠপাৰাত তেওঁৰ ৰাজধানী স্থাপন কৰে। চান্দোসদাগৰে তেওঁৰ মাক চম্পাৱতীৰ নাম অনুসৰি নতুৰ ৰাজধানীখনৰ নাম 'চম্পক নগৰ ৰাখিলে। চান্দোসদাগৰ পৰম শিৱভক্ত আছিল। শিৱৰ বাহিৰে তেওঁ আন কোনো দেৱ-দেৱীক পূজা নকৰিছিল। এই বিষয়ক লৈয়ে চান্দোসদাগৰ আৰু শিৱৰ জীয়েক মনসাদেৱীৰ মাজত কাজিয়া হয়। মনসাদেৱীয়ে বিচাৰিছিল চান্দোসদাগৰে তেওঁক পূজা কৰক। কিন্তু ভীষণ জেদী স্বভাৱৰ চান্দোসদাগৰে মনসাক পূজা কৰিবলৈ মান্তি নহ'ল। ফলস্বৰূপে মনসাদেৱীৰ চক্ৰান্তত চান্দোসদাগৰে তেওঁৰ ছয়পুত্ৰৰ লগতে বহুতো সা-সম্পত্তি হেৰুৱাব লগা হ'ল। তথাপিও তেওঁ মনসাদেৱীক পূজা দিবলৈ মান্তি নহ'ল। তেতিয়া মনসাই ভাবিলে ছয়পুত্ৰক হেৰুৱায়ো চান্দোসদাগৰ বিচলিত হোৱা নাই। আকৌ যদি এক পুত্ৰৰ জন্ম দিব পৰা যায় শেষ পুত্ৰ বুলি ভাবি হয়তো মায়াত ভোল যাব। এইবুলি ভাবি মনসাই সৰগৰ পৰা উষা আৰু অনিৰুদ্ধক আনি অনিৰুদ্ধৰ জীৱটো চান্দোসদাগৰৰ পত্নী সনেকাৰ গৰ্ভত স্থিতি কৰালে, আনহাতে উষাৰ জীৱটো নিসাহে ৰজাৰ ঔৰষত আৰু সুমিত্ৰাৰ গৰ্ভত স্থিতি কৰালে। (বৰ্তমান মঙলদৈ অঞ্চল সাহে ৰজাৰ ৰাজ্য আছিল বুলি অনুমান কৰা হয়। এইদৰে অনিৰুদ্ধই 'লক্ষ্মীন্দৰ' আৰু উষাই 'বেউলা' নাম ধৰি পৃথিৱীত জন্মগ্ৰহণ কৰে। দুয়ো দুই ৰাজ্যত থাকি ডাঙৰ হ'বলৈ ধৰিলে। উপযুক্ত বয়সত লক্ষ্মীন্দৰৰ বিয়াৰ বাবে উপযুক্ত ছোৱালী বিচৰাৰ কাম আৰম্ভ হ'ল। বহু অনুসন্ধান কৰাৰ পিছত সাহে ৰজাৰ জীয়েক বেউলাৰ লগত লক্ষ্মীন্দৰৰ বিবাহ ঠিক হ'ল। ইফালে মনসা দেৱীয়ে চান্দোসদাগৰৰ পৰা পূজা নাপাই ঘৈনীয়েক সনেকাৰ হতুৱাই পূজা পাবলৈ সপোনত সনেকাক দেখুৱালে যে মনসাক পূজা নকৰিলে ফুলশয্যাৰ নিশাই নাগৰ হতুৱাই বেউলা লক্ষ্মীন্দৰৰ কোৱাত সদাগৰে নিৰ্ভয় দি ক'লে ফুলশয্যাৰ নিশা বেউলা লক্ষ্মীন্দৰক মনসা দেৱীৰ কোপ দৃষ্টিৰ পৰা ৰক্ষা কৰিবৰ বাবে অভেদ্য 'মেৰঘৰ' নিৰ্মাণ কৰিব। সেইমতে কেশাই' নামৰ মিস্ত্ৰী এজনৰ হতুৱাই শিল কাটি লোহাৰ গজালেৰে জোৱা লগাই 'মেৰঘৰ' নিৰ্মাণ কৰিলে। কিন্তু মনসাদেৱীয়ে কেশাইক ভয় খুৱাই অভেদ্য মেৰঘৰ এডাল চুলি সৰকি যাব পৰা বিন্ধা ৰাখিলে। এই বিন্ধাটোৰে সোমাই মনসা দেৱীৰ নিৰ্দেশত কালী নাগে ফুলশয্যাৰ নিশাই লক্ষ্মীন্দৰক দংশন কৰি মৃত্যু ঘটায়। শেষত সতী বেউলাই কৈলাশলৈ গৈ দেওধনী নৃত্যৰে শিৱক সন্তুষ্ট কৰিলে আৰু লক্ষ্মীন্দৰক জীয়াই দিবলৈ অনুৰোধ কৰিলে। তেতিয়া শিৱই জীয়েক মনসাক মাতি আনি লক্ষ্মীন্দৰক জীয়াই দিবলৈ নিৰ্দেশ দিলে। মনসাক মাতি আনি লক্ষ্মীন্দৰক জীয়াই দিবলৈ নিৰ্দেশ দিলে। মনসাই লক্ষ্মীন্দৰক জীয়াই দি বেউলাক ক'লে যদি উভতি গৈ চান্দোসদাগৰক মনসা পূজা কৰিবলৈ বাধ্য কৰিব নোৱাৰে, তেন্তে লক্ষ্মীন্দৰৰ পুনৰ মৃত্যু হ'ব। তেতিয়া বেউলাই দেৱীক মিনতি কৰি ক'লে চান্দোসদাগৰৰ আন ছয়গৰাকী পুত্ৰক জীয়াই দিলে তেওঁ শহুৰেকৰ মনসাদেৱীক পূজা কৰিবলৈ বাধ্য কৰাব পাৰিব। বেউলাৰ কথাত দেৱী সন্মত হ'ল। লগতে দেৱীয়ে চান্দোসদাগৰৰ

লগত বিবাদ কৰি কাঢ়ি লোৱা সকলোবোৰ মানুহ আৰু সা-সম্পত্তিসমূহ বেউলাৰ হাতত উভতাই দিলে। ছয়মাহ পিছত বেউলা কৈলাশৰ পৰা চম্পক নগৰলৈ উভতি আহিল। দেৱীৰ কথামতে বেউলাই চান্দোসদাগৰক মনসা পূজা কৰিবলৈ অনুৰোধ কৰিলে। আকোঁৰগোজ স্বভাৱৰ সদাগৰে প্ৰথমে মান্তি হোৱা নাছিল যদিও শেষত চম্পক নগৰৰ প্ৰজাসকলৰ হেঁচাত সদাগৰে মনসা পূজা কৰিবলৈ সন্মত হ'ল। কিন্তু তেওঁ পিছমুৱা হৈ বাওঁহাতেৰে মাত্ৰ এটি বেলপাতেৰে মনসা পূজা কৰিলে। মনসা দেৱী তাতেই সন্তুষ্ট হ'ল।

এয়েই চমুকৈ বেউলা লক্ষ্মীন্দৰৰ স্মৃতি বিজড়িত চান্দোসদাগৰৰ মেৰঘৰৰ কাহিনী। মেৰঘৰৰ উত্তৰে থকা চণ্ডিকা ভক্ত আছিল। এদিন চম্পাৱতীয়ে পুতেক চান্দোসদাগৰক কৈলাশৰ পৰা চণ্ডিকা দেৱীক আনি তেওঁৰ মন্দিৰত প্ৰষ্ঠিতা কৰিবলৈ নিৰ্দেশ দিছিল। মাকৰ কথামতে সদাগৰে কৈলাশলৈ গৈ দেৱী চণ্ডিকাক তেওঁৰ আগমনৰ উদ্দেশ্য কোৱাত দেৱীয়ে চান্দোসদাগৰৰ মাতৃভক্তি দেখি সন্তুষ্ট হৈছিল। দেৱী আহিবলৈ সন্মত হৈছিল, কিন্তু এটা চৰ্ত ৰাখিলে যে তেওঁক চান্দোসদাগৰে কান্ধত লৈ আহিব লাগিব। ক'তো ৰ'বও নোৱাৰিব, ক'তো থ'বও নোৱাৰিব। সদাগৰ দেৱীৰ কথাত মান্তি হৈছিলো কিন্তু দেৱীক লৈ চম্পক নগৰ পাওঁ পাওঁ হওঁতেই এটা অঘটন ঘটিল। চৰকীয়াৰঝাৰ (বৰ্তমানৰ গোসানী মঠ) নামৰ ঠাইত তেওঁৰ এনে প্ৰস্ৰাৱ লাগিলে যে দেৱীক তাত নমাই থ'বলৈ বাধ্য হ'ল। ফলত চৰ্তমতে দেৱী তাৰ পৰা নহা হ'ল। উপায়হীন হৈ চান্দোসদাগৰে তাতেই মন্দিৰ সাঁজি দেৱীক প্ৰতিষ্ঠা কৰিলে। এনেকৈয়ে চণ্ডিকা দেৱীৰ মন্দিৰটো প্ৰতিষ্ঠা হ'ল। প্ৰাকৃতিক দুৰ্যোগৰ ফলত মন্দিৰটো ভাঙি-ছিঙি যোৱাত স্বৰ্গদেউ শিৱসিংহই চণ্ডিকা মন্দিৰটো পুনৰ নিৰ্মাণ কৰে। ভূমিকম্পৰ ফলত এই মন্দিৰটো পুনৰ ভাঙি যোৱাত স্থানীয় ৰাইজে অশেষ কষ্টৰে এই মন্দিৰটো সাজি উলিয়াইছে। চান্দোসদাগৰে নিৰ্মাণ কৰা 'মেৰঘৰ'টো বৰ্তমান নাই। ভূমিকম্পৰ ফলত এইবোৰ ভাঙি-ছিঙি গৈছে। ছয়গাঁওৰ মঠপাৰা গাঁৱত আজিও ইপিনে সিপিনে সিচঁৰতি হৈ পৰি থকা শিলৰ মেৰঘৰৰ ভগ্নাৱশেষ, শিৱমন্দিৰ আৰু শিলত খোদিত কৰা চান্দোসদাগৰৰ মূৰ্তি, বেউলা লক্ষ্মীন্দৰৰ নিদ্ৰাৰত অৱস্থাত থকা দুটি মূৰ্তি আদিয়ে অতীতৰ শিল্প ভাস্কৰ্যৰ এটি সুন্দৰ নিদৰ্শন দাঙি ধৰাৰ লগতে চান্দোসদাগৰ, বেউলা লক্ষ্মীন্দৰৰ কাহিনীৰ আজিও জীৱন্ত কৰি ৰাখিছে।

■■

প্ৰবন্ধ—

# বুঢ়ীদিহিং আৰু নামফাঁকে


কংকনা চহৰীয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক।


এইবাৰ গৰমৰ বন্ধত ডিব্ৰুগড় জিলালৈ গৈছিলো। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া অঞ্চলৰ মাজেৰে বুঢ়ীদিহিং নৈখন বৈ গৈছে। বুঢ়ীদিহিঙৰ পাৰৰ এখন গাঁওৰ নাম 'নামফাঁকে গাঁও'। গাঁওখনৰ এটা বিশেষ তাৎপৰ্য আছে। এওঁলোকে অসমৰ থলুৱা লোক নাছিল। এওঁলোক আছিল সুদূৰ থাইলেণ্ডৰ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত এওঁলোক এই অঞ্চলত বৈ গৈছিল আৰু পিছত তাত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল।

এওঁলোকৰ ধৰ্ম আছিল বৌদ্ধ। এই গাঁওখনত এটা বৌদ্ধ মন্দিৰ আছে নাম 'বুদ্ধ বিহাৰ'। তাত বাস কৰা লোকসকলে মন্দিৰক 'বুদ্ধ বিহাৰ' বুলিয়েই কয়। বৌদ্ধ ধৰ্মৰ শিক্ষা গ্ৰহণ কৰি থকা লোক বা শিশুসকলে মুণ্ডন কৰাইছিল আৰু গাত গেৰুৱা বস্ত্ৰ পৰিধান কৰিছিল। গাঁওখনৰ এটা আকৰ্ষণীয় কথা আছিল যে তাত সকলো লোকে চাং ঘৰত বাস কৰিছিল।

আমি পোনে পোনে বুঢ়ীদিহিঙ নৈ পাৰলৈ গ'লো, তাৰ প্ৰাকৃতিক পৰিবেশ আৰু আবেলি পৰৰ সূৰ্যৰ হেলনীয়া পোহৰে মোক বাৰুকৈয়ে আপ্লুত কৰিলে। নৈখনৰ বালিচৰত বহি কিছুপৰ সেই মনোমোহা দৃশ্য উপভোগ কৰিলো। সূৰ্যৰ হেলনীয়া ৰশ্মিৰ পোহৰত নৈখনৰ পানীবোৰ চিক্‌মিকাই আছে। তাত মাছবোৰে এবাৰ ওপৰত এবাৰ শিলৰ মাজত সোমাই আনন্দ মনেৰে ফুৰিছে। বুঢ়ীদিহিঙ নৈৰ পাৰৰ এই মনোমোহা দৃশ্যই যেন মনৰ সকলো দুখ বেদনা আঁতৰাই এক পৰম সুখ প্ৰদান কৰিলে। মোৰ সেই পৰিৱেশটোৰ মাজতে সোমাই থাকিব মন গৈছিল। কিন্তু সময়ৰ অভাৱৰ কাৰণে বেছি সময় সেই পৰিবেশ উপভোগ কৰিব নোৱাৰিলো।

বুঢ়ীদিহিঙ নৈৰ পাৰৰ পৰা আহি এইবাৰ আমি তাৰে কাষতে থকা 'বুদ্ধ বিহাৰ' মানে বৌদ্ধ মন্দিৰটোলৈ গ'লো। মন্দিৰটোৰ পৰিৱেশ ইমান আকৰ্ষণীয় আছিল যে দেখিয়েই মনত ভক্তি ভাবৰ উদয় হৈ গৈছিল। মন্দিৰটোৰ দুৱাৰ মুখতে আমি চেণ্ডেলবোৰ থৈ ভিতৰলৈ গ'লো। ভিতৰত বহল থাপনাৰ ঠাই এখনত ডাঙৰ বৌদ্ধ মূৰ্তি আৰু তাৰ কাষে কাষে অসংখ্য সৰু সৰু মূৰ্তি দেখিলো। মন্দিৰটোৰ ভিতৰত আন্ধাৰ কিন্তু তাৰ সন্মুখত জ্বলাই থোৱা অসংখ্য মমবাতিয়ে মন্দিৰটো উজ্জ্বলাই ৰাখিছে। মন্দিৰটোৰ এই পৰিৱেশ দেখি যেন নাস্তিকৰ মনতো ভক্তি ভাবৰ উদয় হ'ব। মন্দিৰটোৰ চাৰিও দিশ ফুৰিলো। শেষত গাঁওখনৰ পৰা ওলাই আহিলো।

নামফাঁকে গাঁওখনৰ কথা আৰু জানিবলৈ মনত কৌতূহলৰ সৃষ্টি হৈছিল। গাঁওখনৰ কাষৰ স্থানীয় লোকৰ পৰা গাঁওখনৰ বিষয়ে বহু কথা জানিবও পাৰিলো। এওঁলোকৰ ভাষা বেলেগ আছিল। কি ভাষা আছিল সেইটো গম নাপালো। তেওঁলোকে কথা পতাও শুনিলো কিন্তু এটা শব্দও মোৰ মনত নৰ'ল। তেওঁলোকৰ ভাষাৰ ক্ষেত্ৰত এক বিশেষ বিশেষত্ব আছে, এওঁলোকে হেনো নিজৰ ভাষাটো কাকো নিশিকায়। এওঁলোকে ধানখেতি কৰে কিন্তু এওঁলোকে সকলো খাদ্য সিজাই খায়। শাক-পাচলিৰ পৰা মাছ-মাংসলৈকে সকলো। এওঁলোকৰ বিশেষভাৱে প্ৰচলিত খাদ্য হৈছে— চুঙা ভাত আৰু ছাই মদ।

এওঁলোকে সাজ-পোছাক অলপ বেলেগ ধৰণৰ পৰিধান কৰিছিল। তিৰোতাসকলে মেখেলা, ৰিহা আৰু চোলা পিন্ধিছিল। পুৰুষসকলে লুঙি আৰু চোলা পৰিধান কৰিছিল। এই গাঁওখনৰ আন এটা বিশেষত্ব আছে। ইয়াত ক'লা মানুহ নাই, সকলো মানুহেই বগা আৰু সতেজ। ইয়াৰ ছোৱালীবোৰ দেখিবলৈ অতি শুৱনি।

নামফাঁকে গাঁওখনত মাঘ বিহুৰ পিছত এখন মেলা উদ্‌যাপন কৰে। মেলাখনৰ নাম 'মাই-ক'-চুম-ফাই'— পৰ্যটন উৎসৱ। এই মেলাখনত চুঙা ভাত, টোপোলা ভাত

আৰু ছাই আদি বিশেষভাৱে কিনিব পোৱা যায়। এই মেলাখনত থাইলেণ্ডৰ পৰা প্ৰত্যেক বছৰে বহু মানুহ ইয়ালৈ আহে আৰু তেওঁলোকক বুঢ়ীদিহিঙ নৈৰ নাওঁত ফুৰাবলৈ লৈ যায়।

বুঢ়ীদিহিঙ নৈ, নামফাঁকে গাঁও আৰু তাত বাস কৰা লোকসকলৰ মাজৰ সম্পৰ্কই নৈ আৰু মানুহৰ মাজত অতীতৰে পৰা চলি অহা সম্পৰ্কৰ কথা মনত পেলায়। এখন নৈ আৰু এখন সমাজত সুখে দুখে থকা সম্পৰ্কৰ প্ৰতিচ্ছবিত এই গাঁওখনৰ মাজেৰে প্ৰতিফলিত হৈছে।

■■

# মঙলদৈ মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটো

সংগীতা নাথ
স্নাতক চতুৰ্থ ষান্মাসিক।

মঙলদৈ মহাবিদ্যালয়ত মোৰ প্ৰথম দিনটো। চাওঁতে চাওঁতে বহু অপেক্ষাৰ অন্তত এটা নিৰ্দিষ্ট দিনত (২০১২ বৰ্ষৰ) হায়াৰ ছেকেণ্ডাৰী ফাইনেল পৰীক্ষাৰ ৰিজাল্ট ওলায়। মোৰ ৰিজাল্ট অৱশ্যে ভবামতেই হ'ল। মেট্ৰিকত দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ যি দুখ সেই দুখ অলপ হ'লেও পাতলিল। ৰিজাল্টৰ দিনা মই ৰিজাল্ট পায়েই মোৰ মৰমৰ বুঢ়ীনগৰ মহাবিদ্যালয়খনিলৈ শতকোটি প্ৰণাম জনাইছিলো যে মই ভৱামতেই যেন উচ্চ শিক্ষা লাভ কৰিবৰ বাবে আগবাঢ়ি যাব পাৰো। তাৰ পিছত আৰম্ভ হৈছিল এক নতুন যাত্ৰাৰ মনত বহুতো আশা-আকাংশাই প্ৰাণ পাই উঠিছিল। পঢ়িম, ভাল মানুহ হম কোনখন কলেজত পঢ়িম আদি বিভিন্ন চিন্তাই জুমুৰি ধৰিছিল। কিন্তু সৰুৰে পৰাই মই এটা আশা পুহি ৰাখিছিলো যে মইও ডাঙৰ হ'লে এদিন মঙলদৈ মহাবিদ্যালয়ত পঢ়িম। মই যেতিয়া কলেজখনৰ সন্মুখেৰে গাড়ীত ক'ৰবালৈ যাওঁ তেতিয়া মই ভগৱানক প্ৰাৰ্থনা কৰি গৈছিলো মইও যেন এদিন এই কলেজত পঢ়িবলৈ সুবিধা পাওঁ। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ ঐক্য পোছাক যোৰেও মোক বৰকৈ আকৰ্ষিত কৰিছিল।

সঁচাকৈয়ে ভগৱানে মোৰ প্ৰাৰ্থনা শুনিলে। মঙ্গলদৈ মহাবিদ্যালয়ত বি.এ পঢ়িবলৈ পৰিয়ালৰ লোকে অনুমতি দিলে। মোৰ শ্ৰদ্ধাৰ মহাবিদ্যালয়খনিত পঢ়িবলৈ দিয়াৰ অনুমতি পাই মই নথৈ আনন্দিত হৈছিলো আৰু সেইদিনাৰ আনন্দৰ মজাই বেলেগ আছিল।

নামভৰ্ত্তিকৰণৰ প্ৰ-পত্ৰ দেউতাই আনি দিলে আৰু তাৰ লগত অহা Prospectus খন পঢ়ি পোনপ্ৰথমেই মই মাননীয় অধ্যক্ষ মহোদয়ৰ নামটো জানিছিলো। প্ৰ-পত্ৰখন পূৰ কৰি নিৰ্দিষ্ট সময়ত জমা দিলো আৰু ৰাজনীতি বিজ্ঞান বিষয়টোক মই গুৰু বিষয় হিচাপে বাচি ল'লো। এদিন মোক দেউতাই সুধিছিল 'তুমি কিয় ৰাজনীতি বিজ্ঞানত মেজৰ ল'বলৈ ওলাইছা'? তেতিয়া মই দেউতাক খুহুতীয়াভাৱে এই প্ৰশ্নটোৰে উত্তৰ দিছিলো এইবুলি ৰাজনীতি ক'ত নাথাকে, ৰান্ধনীঘৰৰ পৰা আৰম্ভ কৰি দেশৰ প্ৰশাসন ব্যৱস্থালৈকে গোটেই ৰাজনীতি। দেশৰটো বাদেই, ৰান্ধনীঘৰত ৰান্ধনীয়ে যিজনক বেছিকৈ ভাল পায় সেইজনৰ কাঁহীতহে ভাল খাদ্যখিনি পৰে। গতিকে এই সকলোবোৰ ৰাজনীতি। দেউতাই এই উত্তৰটো শুনি খুউব হাঁহিছিল। এইদৰে মোৰ পছন্দৰ বিষয়টোকে গুৰু বিষয় হিচাপে লৈ মই মঙলদৈ মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিলো।

স্নাতক প্ৰথম বাৰ্ষিকৰ ১ আগষ্টৰ পৰা ক্লাচ আৰম্ভ হ'ব এই কথাষাৰ শুনি মোৰ বৰ ভাল লাগিছিল।

কিয়নো মোৰ মৰমৰ বিদ্যামন্দিৰত সেইদিনা মই প্ৰথম খোজ পেলাব পাৰিম। বহু অপেক্ষাৰ অন্তত এটা সময়ত ১ তাৰিখৰ দিনটো আহিল। পুৱা সোনকালে শুই উঠিয়েই গোঁসাইঘৰত চাকি জ্বলাই ভাত-পানী খাই উঠি দেউতাৰ সৈতে লাইন গাড়ীত উঠি কলেজলৈ যাত্ৰা কৰিছিলো। গাড়ীত উঠি আহোতে মোৰ বাবে বাবে কলেজখনৰ প্ৰতিচ্ছবিটো চকুত ভাহি আহিছিল। বতাহৰ কোবত খিৰিকীৰে উৰি অহা ধূলিকণাবোৰেও মোক যেন আৰ্শীবাদ দিছিল। ৯-৩০ বজাত আমি কলেজ আহি পাইছিলো আৰু দেউতাৰ কিবা কাম থকাৰ কাৰণে মোক এৰি তেওঁ টাউনলৈ গৈছিল। মোৰ আগৰ হায়াৰ ছেকেণ্ডেৰীত একেলগে পঢ়া বান্ধবী জ্যোতি ৰূপাইও ৰাজনীতি বিজ্ঞানতে মেজৰ লৈছে, তাইকো লগ পালো। তাইক লগ পোৱাৰ পিছত মোৰ মনলৈ সাহস আছিল। তাইক লগ পোৱাৰ পিছত আহি দুয়োজনীয়ে এখন এখন ক্লাছ ৰুটিন সংগ্ৰহ কৰি লৈছিলো আৰু সেইখন পঢ়ি চাই একো বুজি পোৱা নাছিলো। তাৰ পিছত শ্ৰদ্ধাৰ চাৰে আগবাঢ়ি আহি আমাক ৰুটিনখন বৰ ধুনীয়াকৈ বুজাই দিছিল। সেইদিনা আমাৰ প্ৰথম ক্লাছটোত আমাৰ ডিপাৰ্টমেন্টৰ হেডছাৰ সোমাইছিল। হেডছাৰে প্ৰথমতে আমাৰ চা-চিনাকি লৈছিল আৰু তাৰ পিছত গুৰু বিষয় টোৰে সম্পৰ্কে বুজনি দিছিল। সেইদিনাৰ বুজনিটোৱে আমাক বৰ অনুপ্ৰেৰণা দিছিল। এইদৰে তেওঁৰ ক্লাছটো শেষ হোৱাৰ পিছত মোৰ বান্ধৱী কাকলি, স্বৰ্ণ আৰু মই নতুনকৈ প্ৰিয়ঙ্কা, মিতালী আৰু বিতুপনৰ সৈতে চিনাকি হৈছিলো। সেইদিনা বিতুপনে চিনাকি নোলোৱাকৈয়ে আমাৰ লগত কথা পাতি আছিল। তাৰ কথা শুনি আমি হাঁহিছিলো আৰু কৈছিলো যে এই ল'ৰাটোও কম নহয়। তাৰ পিছত আমি আটাইয়ে চাৰিওফালে থকা ৰুমবোৰৰফালে চকু ফুৰাইছিলো। এইদনে কলেজত কিছু সময় থাকি দুই মান বজাত আকৌ পুনৰ ঘৰলৈ গুচি আহিছিলো।

সচাঁকৈয়ে মোৰ প্ৰথম দিনা কলেজখনৰ পৰিৱেশ দেখি এনেকুৱা লাগিছিল যেন গোটেই জীৱনটো পঢ়িয়েই থাকিম। তাৰ পিছত মই আমাৰ বিভাগটোৰ প্ৰেমত পৰিছিলো। লাহে লাহে আমাৰ গুৰু বিষয়ৰ ক্লাছবিলাক নিয়মীয়াভাৱে হ'বলৈ ধৰাত কেইটামান বস্তুৱে মোক বৰকৈ আকৰ্ষিত কৰিব ধৰিলে। বৰ্ণালী ডেকা আৰু নিৰ্মালী বৰুৱা বাইদেউৰ মিঠাবৰণীয়া হাঁহি, অনুপম ঠাকুৰীয়া নাথ ছাৰৰ খুহুতীয়া আৰু প্ৰস্ফুটিত হাঁহি আৰু ইছাৰাম ছাৰৰ পিতৃসুলভ বুজনি এইকেইটাই মোৰ হৃদয়ত বৰকৈ সাঁজ বহুৱালে। তেতিয়া মই নিজকে বহুত ধন্য মানিছিলো বহুত সৌভাগ্যবান বুলি ভাবিছিলো, তেতিয়া মই সচাঁকৈয়ে উপলদ্ধি কৰিব পাৰিছিলো যে শিক্ষা জীৱনটো সচাঁকৈয়ে এপাহি ৰঙীণ গোলাপ ফুলৰ দৰে।

যিহেতু আমাৰ ঘৰৰ পৰা দৈনিক কলেজৰ পৰা অহা-যোৱা কৰাটো সহজ নহয় সেইবাবে মই কলেজ হোষ্টেলতে থাকিবলৈ ল'লো। ঘৰ এৰি হোষ্টেলত থাকিবলৈ লোৱাত প্ৰথমে মোৰ বেয়া লাগিছিল। উৰণীয়া পখী সঁজাত বান্ধ খোৱাৰ দৰে মইও একৰকম তেনেকুৱা হৈ পৰিছিলো। ঘৰলৈ খুউব মনত পৰিছিল। কিন্তু যেতিয়া মই হোষ্টেলৰ শ্ৰেষ্ঠা নৱাগত হ'লো। তেতিয়া হোষ্টেল এৰি ঘৰলৈকে যাব মন নোহোৱা হ'ল।

এইদৰে কলেজখনত ভৰি দিয়া আজি দুবছৰ হ'ল। সপোন দেখা, ৰং দি ৰঙীণ কৰা আৰু সেই সপোনক বাস্তৱত ৰূপ দিবলৈ প্ৰতি মুহূৰ্তত সচেষ্ট হোৱা এই সোণালী বাক্যশাৰীকে শিৰোগত কৰি আৰম্ভ কৰিছো। এক অন্তহীন যাত্ৰাৰ নাজানা কিমানখিনি সফল হ'ব পাৰিম আৰু কেতিয়া অন্ত পৰিব এই যাত্ৰাৰ। সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি আৰু এই মহাবিদ্যালখনৰ সৰ্বতো প্ৰকাৰ মঙ্গল কামনা কৰি মোৰ এই ক্ষুদ্ৰ লিখনি সামৰিছো।

■■

# মঙলদৈ কলেজ গাৰ্লছ হোষ্টেল ঃ এক সজীৱ স্মৃতি

নমিতা দেৱী
স্নাতক দ্বিতীয় ষান্মাসিক।

গাৰ্লছ হোষ্টেল মানেইতো এজাক তৰুণীৰ লৰা-ঢপৰাউচ্ছৃংখল-তাত বুৰ যোৱা হাঁহিৰ খলকনি আৰু মাজে মাজে সৰি পৰা কিছুমান হুমুনিয়াহৰ সমষ্টি। ইয়াক সংজ্ঞাত আৱদ্ধ কৰাটো ধৃষ্টতা মাথোন। হোষ্টেলৰ প্ৰতিটো কোঠাত ওলমি থাকে এজাক সপোনবলীয়া ষোড়শী গাভৰুৰ হৃদয়ৰ বাৰ্তাবোৰ, ওঁঠৰ হাঁহিবোৰ আৰু জীৱনৰ লক্ষ্য উদ্দেশ্যবোৰ। কলেজৰ হোষ্টেলীয়া জীৱনৰ মধুৰতম সময়ৰ কথা ইমান বিস্তৃতভাৱে কোৱাৰ প্ৰয়োজন হয়তো নাই কাৰণ প্ৰত্যেকেই জানে হোষ্টেলীয়া জীৱনৰ অভিজ্ঞতাবোৰ।

মঙ্গলদৈ কলেজ গাৰ্লছ হোষ্টেল পদূলি মুখৰ বকুলজোপা আৰু শাৰী শাৰী দেৱদাৰুবোৰেই যাৰ প্ৰথম চিনাকি এদিন সেইখন হোষ্টেলৰে আৱাসী হৈছিলো। মঙ্গলদৈ কলেজ বুলিয়েই যিদৰে নাহৰ, আমলখি আৰু কৃষ্ণচুড়া কেইজোপাৰ কথা প্ৰথমেই মনলৈ আহে, ঠিক তেনেদৰেই কলেজ বুলিলেই দচকুত ভাহি উঠে দশক দশক ধৰি সাফল্যৰ নিচান উৰুৱাই যেন থিয় হৈ থকা সন্মুখৰ দেৱদাৰুকেইজোপা তাৰ পাতে-পাতে যেন ওলমি আছে ছোৱালীবোৰৰ স্মৃতি ভৰা সোঁৱৰণীবোৰ। এজাক সপোন ভৰা যুৱতীৰ জীৱনৰ প্ৰতীক যেন লাগে এই দেৱদাৰু কেইজোপা। গৰম কালিৰ এটি উজ্জল ৰাতিপুৱাও দুৰু-দুৰুকৈ কঁপি থকা হৃদয়ৰে ভৰি থৈছিলো হোষ্টেলৰ বাৰাণ্ডাত। অকণমান সংকোচবোধ, অকণমান ভয়ভাবেৰে লাহে লাহে আগবাঢ়ি গৈছিলো আগতে নিৰ্দ্ধাৰিত কৰি থোৱা ৰুমটোলৈ। এজনী মৰম লগা বায়ে মাত লগাইছিল। ৰুমত বস্তু-বাহানিবোৰ থৈ দিনটো কলেজত কটায় আবেলি পুনৰ হোষ্টেলমুৱা হৈছিলো। গধূলি প্ৰাৰ্থনাৰ সময়ত আৰম্ভ হৈছিল চিনাকি পৰ্ব। ভয়ে ভয়ে উঠি গৈ চিনাকিতো দিছিলো। তাৰ পিছত চিনিয়ৰ বাকলৰ কেইটামান প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিলো যিখিনি ৰেগিং বুলিব নোৱাৰি। মঙ্গলদৈ কলেজ গাৰ্লছ হোষ্টেলৰ কিছুমান বিশেষত্ব আছে, যাৰ বাবে হোষ্টেলখনৰ এটা সুকীয় ঐতিহ্য আছে। আজি কালি ক্ৰমান্বয়ে বৃদ্ধি পোৱা ৰেগিং নামৰ মহাব্যাধিৰ পৰা এই হোষ্টেলৰ পৰিৱেশ সম্পূৰ্ণ মুক্ত। নতুন আবাসীৰ কোনোধৰণৰ মানসিক তথা শাৰীৰিকভাৱে অশান্তি দিয়া নহয়। চিনিয়ৰখিনিৰ যিমান স্বাধীনতা সেই একেখিনি স্বাধীনতা জুনিয়ৰখিনিতে পায়। অৱশ্যে নৱাগত আদৰণি সভা নোযোৱালৈ কিছুমান নিয়ম মানিব লগা হয়। বাকলেও যথেষ্ট মৰম কৰে সেই অনুপাতে জুনিয়ৰখিনিয়েও চিনিয়ৰখিনিক সমীহ কৰি চলে।

হোষ্টেল মানেইতো আড্ডাৰ পয়োভৰ। মঙ্গলদৈও ইয়াৰ ব্যতিক্ৰম নহয়। ৰুমে ৰুমে আড্ডা মৰা হয় যদিও পঢ়াৰ সময়ত কোনেও কাকো অসুবিধা নকৰে। ছোৱালী মানুহৰ পঢ়াৰ উতলা মনটোৱে উশাহ নোলোৱাকৈ কথা পাতিব বিচাৰে যদিও ডি.কে ছাৰৰ ভয়ত সেইখিনি হৈ নুঠেগৈ। উশাহ নোলোৱাকৈ কথা পাতি থকা ছোৱালীবোৰে ছাৰ আহিলেই যেন একো একোজনী নিমাতী কইনা হৈ পৰে। আবেলিৰ আড্ডাবোৰ জমি উঠে চলঞ্চময় আবেগসিক্ত হৃদয়ৰ টুকুৰা টুকুৰ খবৰবোৰেৰে। গছৰ গুটিৰ পৰা আৰম্ভ কৰি চিনেমাৰ আটাইতকৈ আবেদনময়ী অভিনেত্ৰী গৰাকীলৈকে নানান বিষয়বস্তু হৈ পৰে ছোৱালীবোৰৰ আবেলিৰ বিষয়বস্তু। মাকনি আইতাৰ মৰমৰ চিএওৰ অবিহনে হোষ্টেলৰ পৰিৱেশ সদায়েই উকা। ভাত খাবৰ সময়ত 'ঐ ভাত খাবা নাহা কিয়া হালেই' বুলি মৰা চিঞৰটো হোষ্টেলৰ প্ৰত্যেকজনী ছোৱালীৰে চিনাকি। সোমাই, সুমিত্ৰাবাই ৰান্ধনি যুৰাৰ অবিহনে কোনো কাম আগনাবাঢ়ে। কুঞ্জলতা মেমৰ নিৰ্দেশণাবোৰে আমাক যথেষ্ট সহায় কৰে। এনে এখন হোষ্টেলৰ আবাসী হ'বলৈ পায় নিজকেই সৌভাগ্যবান বুলি ভাবো। কেতিয়াও পাহৰিব নোৱাৰিম ইয়াৰ স্মৃতি কিন্তু কলেজৰ অন্তৰ্গত হোষ্টেল হোৱা স্বত্বেও গাৰ্লছ হোষ্টেলখনে এতিয়াও বহুখিনি সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। আশাকৰো অনাগত দিনবোৰত হোষ্টেলখনে পৰ্যাপ্ত সা-সুবিধাবোৰ পাব। শেষত মঙ্গলদৈ গাৰ্লছ সদায়েই এনেকৈই থাকক সেইটোৱে কামনা কৰিলো। ■

জীৱন পঞ্জী—

# মামণি ৰয়ছম গোস্বামীৰ জীৱন পৰিক্ৰমা

ডেইজী বনিয়া
স্নাতক দ্বিতীয় ষান্মাসিক

বিস্ময়কৰ ব্যক্তিত্বৰ অধিকাৰিণী, অসমীয়া ভাষা সাহিত্যৰ বোধিদ্ৰুম, জ্ঞানপীঠ বঁটা বিজয়ী, মানৱতাবাদী সাহিত্যিক ড° মামণি ৰয়ছম গোস্বামীৰ জীৱনপঞ্জী

১৯৪২ ঃ নৱেম্বৰ মাহৰ ১৪ তাৰিখে গুৱাহাটীত জন্ম। তেওঁৰ পিতৃৰ নাম উমাকান্ত গোস্বামী আৰু মাতৃৰ নাম অম্বিকা দেৱী।

১৯৫৪ ঃ গুৱাহাটীৰ লতাশিল প্ৰাইমেৰী বিদ্যালয় আৰু শ্বিলঙৰ পাইন মাউন্ট স্কুলত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা লাভ কৰাৰ পিছত গুৱাহাটীৰ তাৰিণীচৰণ বালিকা বিদ্যালয়ত নামভৰ্ত্তি কৰে।

১৯৫৭ ঃ তাৰিণীচৰণ বালিকা বিদ্যালয়ৰ পৰা প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

১৯৬০ ঃ কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে।

১৯৬২ ঃ প্ৰথম গল্প সংকলন 'চিনাকি মৰম' প্ৰকাশ।

১৯৬৩ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

১৯৬৫ ঃ মাধৱেন ৰয়ছম গোস্বামীৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়।

১৯৬৭ ঃ মটৰ দুৰ্ঘটনাত মাধবেন ৰয়ছমৰ মৃত্যু হয়।

১৯৬৯ ঃ বৃন্দাবনৰ ইনষ্টিটিউট অৱ অৰিয়েন্টেল ফিলছ'ফীত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ অধীনত গৱেষণা আৰম্ভ কৰে।

১৯৭১ ঃ দিল্লী বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষা সাহিত্য অধ্যয়ন বিভাগত অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাপে যোগদান কৰে।

১৯৭২ ঃ প্ৰথম উপন্যাস 'চেনাবৰ স্ৰোত' প্ৰকাশ।

১৯৭৩ ঃ মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ অৰু তুলসী দাসৰ ৰামচৰিত মানসৰ তুলনামূলক অধ্যয়ন শীৰ্ষক বিষয়ত পি, এইচ, ডি ডিগ্ৰী লাভ কৰে।

১৯৭৪ ঃ দিল্লীৰ মানস চতুৰ্পদী সমিতিৰ দ্বাৰা মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণ আৰু তুলসী দাসৰ ৰামচৰিত মানসৰ তুলনামূলক অধ্যয়নৰ বাবে সন্মান।

১৯৭৬ ঃ জাপান আৰু দক্ষিণ পূব এচিয়া ভ্ৰমণ।

১৯৮২ ঃ 'মামৰে ধৰা তৰোৱাল' আৰু 'দুখন উপন্যাস' নামৰ তিনিখন উপন্যাসৰ সংকলনখনৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে।

১৯৮৬ ঃ 'নীলকণ্ঠ ব্ৰজ'ৰ ইংৰাজী অনুবাদ The shadow of the Dark god and the sin' প্ৰকাশ।

১৯৮৮ ঃ নতুনকৈ প্ৰকাশ পোৱা 'দতাঁল হাতীৰ উয়ে খোৱা হাওদা' উপন্যাসৰ বাবে অসম সাহিত্য বঁটা লাভ কৰে। তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'আধালেখা' দস্তাবেজ' প্ৰকাশ।

১৯৮৯ ঃ সংস্কাৰ উদয়ভানুৰ চৰিত্ৰ ইত্যাদি নামৰ তিনিখন উপন্যাস সংকলনৰ বাবে ভাৰত নিৰ্মাণ বঁটা লাভ কৰে।

১৯৯০ ঃ 'আধালেখা দস্তাবেজ' ৰ অনুবাদ 'An unfinished autobiography' প্ৰকাশ।

১৯৯২ ঃ ইণ্ডোনেছিয়াত অনুষ্ঠিত নৱম আন্তৰ্জাতিক ৰামায়ণ সন্মিলনত যোগদান। লক্ষ্ণৌৰ উত্তৰ প্ৰদেশ হিন্দী সংস্থাৰ পৰা সৌহাৰ্দ বঁটা লাভ।

১৯৯৩ ঃ 'দতাঁল হাতীৰ উয়ে খোৱা হাওদা'ৰ ইংৰাজী অনুবাদ 'Song of south kamrup' প্ৰকাশ।

১৯৯৬ ঃ সাহিত্যক্ষেত্ৰৰ জীৱনজোৰা কীৰ্তিৰ বাবে কমল কুমাৰী ফাইণ্ডেশ্যনে

আগবঢ়োৱা কমল কুমাৰী বঁটা লাভ।

১৯৯৭ ঃ 'দতাঁল হাতীৰ উয়ে খোৱা হাওদা' ৰ হিন্দী সংস্কৰণ 'দক্ষিণ কামৰূপ কি কথা' প্ৰকাশ।

১৯৯৮ ঃ ৰামায়ণী সাহিত্য সম্পৰ্কীয় আলোচনা চক্ৰত সঞ্চালক হিচাপে ভাগ ল'বলৈ স্পেইন যাত্ৰা।

১৯৯৯ ঃ আমেৰিকা ফ্লৰিডা বিশ্ববিদ্যালয়ে আয়োজন কৰা তুলসী দাস আৰু তেওঁৰ সাহিত্য কৰ্ম শীৰ্ষক সন্মিলনত আন্তৰ্জাতিক 'তুলসী' বঁটা লাভ। বাৰখন উপন্যাস সংকলনৰ 'মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ' প্ৰকাশ।

২০০১ ঃ ভাৰতৰ সৰ্বোচ্চ সাহিত্য বঁটা জ্ঞানপীঠ লাভ।

২০০২ ঃ ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান প্ৰত্যাখ্যান পশ্চিমবংগৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ 'ডি লিট' উপাধি লাভ। অসমৰ আহোম সভাৰ মহীয়সী জয়মতী বঁটা লাভ।

২০০৬ ঃ কোৰিয়াৰ 'ইন্টাৰনেচনেল ফেডাৰেচন ফৰ ৱৰ্ল্ড পীচ' ৰ দ্বাৰা 'এম্বাছাদৰ অৱ পীচ' অৰ্থাৎ শান্তিৰ ৰাষ্ট্ৰদূত বঁটা ঘোষণা।

২০০৮ ঃ কলকাতাৰ 'ইছিয়াটিক ছ'চাইটী'ৰ দ্বাৰা ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ স্বৰ্ণপদক' সন্মান।

২০০৯ ঃ দিল্লী বিশ্ববিদ্যালয়ৰ দ্বাৰা 'প্ৰফেছাৰ অৱ এমেৰিটাছ' সন্মান প্ৰদান।

২০১১ ঃ অসম চৰকাৰৰ সৰ্বোচ্চ অসামৰিক সন্মান 'অসম ৰত্ন বঁটা প্ৰদান'। কলকাতাৰ পৰা 'বট বৃক্ষ' সন্মান প্ৰদান ইত্যাদি।

**প্ৰকাশিত সাহিত্য গ্ৰন্থসমূহ ঃ**

গল্প ঃ চিনাকী ১৯৬২, কইনা ১৯৬৬, হৃদয় এক নদীৰ নাম ১৯৬০, মামণি ৰয়ছমৰ স্ব-নিৰ্বাচিত গল্প ১৯৯৮, মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প ১৯৯৮।

উপন্যাস ঃ চেনাবৰ সোঁত ১৯৭২, নীলকণ্ঠী ব্ৰজ ১৯৭৬, অহিৰণ ১৯৮০, মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস ১৯৮০, দঁতাল হাতীৰ উয়ে খোৱা হাওদা ১৯৮৮, সংস্কাৰ উদয়ভানুৰ চৰিত্ৰ ইত্যাদি ১৯৮৯, ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি ১৯৯১, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা ১৯৯৮,মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ ১৯৯৮, দাশৰথীৰ খোজ ১৯৯৯, ছিন্নমস্তাৰ মানুহটো ২০০১।

আত্মজীৱনীমূলক ঃ আধালেখা দস্তাবেজ ১৯৮৮।

জীৱনী ঃ মহীয়সী কমলা ১৯৯৫।

অনুবাদ ঃ প্ৰেমচন্দ্ৰৰ দুটি গল্প ১৯৭৫, আধা ঘন্টা সময় ১৯৭৮, জাতক কথা ১৯৯৬, কলম ১৯৯৬ আহ্নিক ২০০০।

ইংৰাজী ঃ Ramayana from ganga to Brahmaputra 1996

সম্পাদনা ঃ এৰি অহা দিনবোৰ মলয়া খাউণ্ডৰ সৈতে ১৯৯৩৬ আৰু'Indian Folklore'

■■

# কবিতা-



## লিমাৰিক

জয় চন্দ্ৰ শৰ্মা
প্ৰাক্তন শিক্ষক।

(১)

ছাৰৰ ওৱাল ঘড়ীটো দুমাহমান থাকিল মৰি
বাইদেৱে সকীয়াই দিছিল আনিবলৈ বেটাৰী
বজাৰৰ ইটো-সিটো, পটল, জিকা, ভোল
বস্তুবোৰ কিনোতেই সদায় হয় গণ্ডগোল
সৌ সিদিনাহে আনিলে এটা, ভাগ্যে নগ'ল পাহৰি।

(২)

বাৰ বজাত সংযোজন হ'ল নতুন বেটাৰী
টিক্ টিক্ শব্দ কৰি চলিল যেন নতুন ঘড়ী
ঘড়ীৰ কাঁটা কেইডালে চোন নামানে নিয়ম
উভতি ঘূৰিছে কাঁটা, বেটাৰীটোও নহয় নৰম!
আৱিষ্কাৰ হ'ল নেকি ষ্টিফেন হকিঙৰ কিবা নতুন থিয়ৰী?

(৩)

অৰণ্য এৰি গুচি আহিছিল মানুহ এদিনাখন
সেইটো আছিল ইতিহাসৰ সোণালী সন্ধিক্ষণ
মৰামৰি, কটাকটি লাগে জানো ভাল
মিলিজুলি থাকিলে নালাগে জঞ্জাল
নানা জাতি, উপ-জাতি সমাজ পাতি থকাটো সভ্যতাৰ দান।

(৪)

অৰণ্যৰ ঠাইত য'তে ত'তে গাঁও, চহৰ, মহানগৰ
ৰেডিঅ', আহিল, টি. ভি. আহিল, আহিল ম'বাইল, পেজাৰ
ইন্টাৰনেটৰ নাথাকিলে অদৃশ্যজাল
বেঙ্ক, এ.টি.এম.ত হয় মহা পয়মাল
মেনেজাৰে সদাশয় গ্ৰাহকবোৰক উপদেশ দিয়ে কৰিবলৈ ইন্তেজাৰ।

(৫)

কচু-ঢেঁকীয়া, ভিটামিন, এনজাইম্
যিমানে খাইছে, সিমানে বাঢ়িছে ক্ৰাইম্
চন্দ্ৰলৈ মানুহ, মঙললৈ গাড়ী
টকা আৰু বিজ্ঞান- প্ৰযুক্তিৰ বাহাদুৰি
বিশ্বৰ বুভুক্ষু জনতাৰ কথা ভাবিবলৈ নেতা সকলৰ নাই টাইম্।

(৬)

এটম্ ব'ম্ব হাইড্ৰোজেন ব'ম্ব আৰু কতকি মিছাইল।
মানৱ জাতিৰ বিৰুদ্ধে মানুহৰ বোমাৰ ষ্টক্ পাইল
চেকেণ্ডৰ ভিতৰতে হ'ব পাৰে কত নাগাছাকি, হিৰোশ্বিমা
পাৰ হৈ যাব পাৰে মানুহৰ দুখ-দুৰ্দশাৰ সীমা
মহা প্ৰলয়ৰ কাৰণ যেন নহয় কাশ্মীৰ, ইজৰাইল।

(৭)

যদি এনেকৈয়ে থাকে ঘটনাবোৰ ঘটি
সমগ্ৰ মানৱ জাতিয়ে খাব থৰকাছুটি
পথাৰবোৰ সাগৰ হ'ব, সাগৰবোৰ হ'ব বালিময়
কোনোৱে কাৰো পৰা নাপাব এষাৰি মাত, নাপাব সহায়
পৃথিৱী হ'ব ধূলি-ধোঁৱাৰে আবৃত সেই আদিম পিণ্ডটি।

(৮)

হিংসা-খিয়ালে কৰিব পৰিৱেশ অতি জঘন্য
মানুহে আকৌ বিচাৰিব লাগিব তাহানিৰ অৰণ্য
বাসস্থান হ'বগৈ শিলেৰে আবৃত গুহা
মোৰ অমুক-তমুক আছিল বুলি মাৰিব ফাতিহা
কিনো কম, কোনে পতিয়াব, কথাটো নহয় তেনেই নগণ্য!

(৯)

অসমৰ পৰিস্থিতি এতিয়া নহয় শান্ত
বিভিন্ন শত্ৰুৱে মানুহবোৰক উচটাইছে কৰিবলৈ অশান্ত
খেতি-পথাৰ, কল-কাৰখানা এৰি পৰস্পৰ যুঁজত লিপ্ত
তাকে দেখি শত্ৰুবোৰ হৈছে আনন্দত অতি তৃপ্ত
নেতাবোৰে দূৰৰ পৰা চাই আছে যেন সৈনিক অতিক্ৰান্ত।

(১০)

সাৱধান! উত্তৰে আছে বিজ্ঞান-প্ৰযুক্তিৰে অতি শক্তিশালী এখন দেশ
যাৰ প্ৰজাক দেশ বুলিলে নালাগে আদেশ
চাই আছে সাধুকথাৰ পিঠা ভগোৱা মেকুৰীৰ যুঁজ
অলপ সুবিধা পালেই দিব দীঘল খোজ
ইতিহাসে তাকেই কয়, নাই কোনো সন্দেহৰ আবেশ।

■■

# মূৰ্ত্ত প্ৰহৰ

**ভাৰ্গৱ কুমাৰ বৰুৱা**
**প্ৰাক্তন ছাত্ৰ, অধিবক্তা।**

মূৰ্ত্ত প্ৰহৰ!
নষ্টালজিয়াৰ ৰাগীতকৈও
আৰু বহুত এই বৰ্তমানত
সৰাফুলৰ সুবাসত
সুবাসিত পদূলি।
প্ৰতীক্ষা মাথোঁ
অনাগত আগমণৰ,
স্তব্ধতাইও জানে
গতিময়তাৰ কলা
অনুভূত হয়
অনুপম জীৱন
খিৰিকীৰ সিপাৰে
পৰিক্ৰমা পোহৰৰ
উদ্‌যাপিত হওঁক
পৰৱৰ্তী প্ৰহৰ।

■■

# মহাৰথী কৰ্ণ

সুৰজিৎ কুমাৰ নাথ
বিজ্ঞানাগাৰ সহায়ক।

চিনি পায় নে আপুনি
সেই যে
'মহাভাৰত'ৰ অবৈধ সন্তানটো
মাতৃ কুন্তীয়ে নিজৰ সন্মান ৰক্ষা কৰিবলৈ
অবৈধ মাতৃত্বৰ কলংক মচিবলৈ
নদীৰ বোৱতী পানীত উটি যাবলৈ দিছিল
হয়, সেইজনেই
আধুনিক ভাষাত যাৰ চিনাকি
'মহাভাৰত'ৰ এজন ট্ৰেজিক হিৰ'
ঠিক আজিৰ বহুতো মাতৃয়ে যিদৰে
ৰাস্তাৰ কাষত থকা ডাষ্টবিনত পেলাই যায়
কিমান হৃদয় বিদাৰক কথা
এগৰাকী মাতৃৰ বাবে!
কিমান যন্ত্ৰণাৰ কথা
সেই সন্তানটোৰ বাবে!
ৰাইজ,
ভাববকচোন সেই আমেৰিকান কেইজনৰ কথা
যি কেইজনে পৃথিৱী এৰি 'মঙল'লৈ যাত্ৰা কৰিলে
আমি আছো ক'ত
বুজিব নোৱাৰো সেই নিয়ম-নীতিৰ মাজত
নহয় জানো?
ত্যাগ কৰিবৰ সময় হ'ল
নহ'লে বিশ্বই আমাকেই হাঁহিব
কুন্তীৰ কৰ্মই কৰ্ণৰ জীৱন ধ্বংস কৰাৰ দৰে
আমাৰ নিয়ম-নীতিয়ে আমাক পিছ পৰি যাবলৈ দিয়াৰ দৰে
আন এজন ট্ৰেজিক হিৰ' সৃষ্টি হ'বলৈ নিদিব
আপোনাসবৰ উত্তৰাধিকাৰীসকলক
আত্মহত্যাৰ পথ বাচি ল'বলৈ নিদিব
এখন অক্সিজেন বিহীন পৃথিৱীত আপুনি কিদৰে বাস কৰিব
আৰু আমাৰ যুৱ প্ৰজন্মই?

আহক
আমি সকলোৱে নতুনক আদৰি লওঁ
যি নতুনত্বৰ জৰিয়তে
আমি এখন নতুন পৃথিৱী পাওঁ
মনৰ কুঁৱলীবোৰ আঁতৰাও
মনৰ মাজত থকা ডাৱৰবোৰ অতিক্ৰমি
এটা নতুন গ্ৰহত বাস কৰিব পাৰো
য'ত হয়তো
দ্বিতীয়বাৰ কোৱাৰ প্ৰয়োজন নহ'ব
"হিন্দু কি মুছলমান
একেই আল্লাৰ ফৰমান"
"কুকুৰ, শৃগাল, গৰ্দ্দভৰো আত্মা ৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।"

## শৰতৰ সন্ধিয়া

তৃষ্ণা ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

শৰতৰ সন্ধিয়াৰ মৃদু বতাহ জাকে
কিয় বাৰু কৰে বলিয়া?
যাৰ পৰশত মানসপটত জাগিছিল
বহুতো কথা।
যিবোৰ এতিয়া অতীত হৈছে।
তথাপিতো বাৰে বাৰে বৈ আহে,
সেমেকা ওঠৰ পৰশ।
চঞ্চলতাৰ ফাঁকেৰে যেন,
ঘূৰি যাব খোজে হৃদয়!
কিন্তু কিয় ইমান নিষ্ঠুৰ,
যেতিয়া তোমাক লৈ
বহুতো কল্পনা কৰিছিলো
সেইবোৰ যেন উৰুৱাই
লৈ গ'ল শৰতৰ সন্ধিয়াৰ
সেই মৃদু বতাহ জাকে!



## এজাক বৰষুণৰ অপেক্ষাত...

মনোজ কুমাৰ শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

মই বৈ আছো,
এজাক বৰষুণৰ অপেক্ষাত।
খৰাঙত ফালি চিৰা-চিৰ হোৱা
মোৰ হৃদয় জীপাল কৰিবলৈ
তুমি বৰষুণ হৈ আহা মোৰ জীৱনলৈ।
মই এজাক বৰষুণৰ অপেক্ষাত
মোৰ হৃদয়ৰ
আশাৰ বৃক্ষ
এতিয়া অনুৰ্বৰ।
তুমি জানো নাহিবা অনুৰ্বৰ ধৰা
উৰ্বৰ কৰিবলৈ?
খৰাঙত ঠৰঙা গছবোৰে
তোমালৈ চাই আছে আশাৰে
এযোৱা নতুন সাজৰ বাবে।
প্ৰকৃতিৰ সেউজীয়া তোমাৰ জানো
প্ৰিয় নহয়?
তুমি এক অক্ষয় শক্তি।
তুমি আহিলে কুঁহিপাত ওলাব
বসন্তৰ আগমন ঘটিব।
তুমি বৰষুণ হৈ আহা মোৰ জীৱনলৈ।
মই এজাক বৰষুণৰ অপেক্ষাত...।

## ধূসৰ মন

দেৱশিষ কাশ্যপ
চতুৰ্থ ষান্মাসিক।

এটি ক্ষীণ আশা ৰাখিছিলো
তোমাৰ পৰা মই
নীৰৱতাৰে পাৰ কৰি দিয়া
মই সোধা প্ৰশ্নৰ উত্তৰ বোৰত
তুমিতো নাজানা মোৰ এটি
এটি ক্ষণ কিদৰে পাৰ হয়
বকুলৰ সৰা পাপৰিৰ পৰশ
পাই জাগ্ৰত হয় মোৰ মনৰ দুৱাৰখন
কলেজৰ ক্লাছৰ মাজেৰে যেতিয়া
তোমাক চাবলৈ বুলি দৌৰ দিও
আৰু অৱশেষত তুমি যেতিয়া
চোৰা নোচোৰাৰ মাজেৰে আঁতৰি যোৱা
কেনে লাগে জানানে তেতিয়া?
কৃষ্ণচূড়াৰ গছৰ পৰা
এটি ৰঙা, আৰু তাৰ হালধীয়া পৰাগৰ
সুন্দৰ ফুল হে যেন হেৰাই গ'ল!
কিয় আঁতৰি যোৱা মোৰ পৰা
কিয় নিৰৱ হৈ পৰা তুমি
ৰূপসজ্জাৰ গোপন কোঠালিত
উপনায়িকাৰ ভাও ধৰি
মই অলপ অলপকৈ নিতৌ তোমাৰ
ওচৰলৈ গৈ থাকো
আৰু অলপ অলপকৈ নিতৌ তোমাৰ
নিৰ্জনতাত সোমাই পৰো
আৰু অৱশেষত নিমজ্জিত
হৈ পৰো তোমাৰ অন্ধকাৰত।
শেষত এবুকু বেদনা লৈ
সোমাই পৰো এটোপাল
ৰঙা তেজেৰে,
তোমাৰ উকা কাগজৰ ওপৰত।
এয়াই নেকি তোমাৰ
অব্যক্ত প্ৰেম আৰু
ভালপোৱা?

## হেঁপাহৰ মঙলদৈ মহাবিদ্যালয়

কৌস্তভ মণি ডেকা
স্নাতক চতুৰ্থ ষান্মাসিক।

জ্বলাবলৈ আহিছোঁ বন্তি গছি
পোহৰাবলৈ ঘোৰ অন্ধকাৰ নিশা;
কিজানিবা তুমি দেখুৱাই দিয়া
মোৰ জ্বলন্ত পথ।
য'ত মই পোহৰ দেখা নাই
কেৱল অন্ধকাৰ আৰু অন্ধকাৰ।
আৰু তোমাতেই জ্বলালো বন্তি গচি
য'ত দেখিছো মাত্ৰ মই পোহৰ আৰু পোহৰ।
তুমি জ্ঞানৰ সৰোবৰ
আৰু ইয়াতেই জন্ম হয়
কত আলেকজেণ্ডাৰ, আইনষ্টানৰ!
সহ্য কৰিব পৰা নাই মই
কেমিষ্ট্ৰি, ফিজিক্সৰ গধূৰ বোজা
তথাপিতো ভাগৰা নাই মই
কিয়নো তুমি মোৰ সৈতে আছা।
কিমান ৰং তামাচাৰ দিনবোৰ
আৰু কত হাঁহি কান্দোন
পাহৰিব পাৰিম নে
তোমাৰ স্মৃতিবোৰ
তুমি মহান মোৰ হেপাঁহৰ
মঙলদৈ মহাবিদ্যালয়।

# ব'হাগ

স্বৰ্ণৰেখা ডেকা
স্নাতক চতুৰ্থ যান্মাসিক।

শিতানৰ সিপাৰৰ আকাশখনিত
ব'হাগৰ ওলগ
দূৰণিৰ পেঁপাৰ-ঢোলৰ চাপৰত
মাতাল ৰাতিৰ দস্তাবেজ।
মন যায় কবিতা লিখিব,
সপোন ৰচিব
তোমাৰ ওপৰত
কমোৰা তুলাৰ দৰে
নিনাদৰ ঝংকাৰত
হেৰাই যায় মোৰ হৃদয়ৰ তান।
বতাহ কোমল,
তোমাৰ বাবে নহয়।
তুমিতো লৈ আহা
ৰু-ৰুৱাই যোৱা
বাউলী সপোন,
শুকান দশোদিশত
স্বাৰ্থপৰ শিমলুত নিদ্ৰাকাতৰ
এজাক চৰাই,
ভাগৰ জুৰুৱা সন্ধিয়াপৰত
দিগন্তত বিলীন হয়
নিৰৱতা।
হয়তো নিৰৱ বসন্তৰ
আগমন ঘটিল।

■

# শৰতৰ শেৱালি

ক্ষীৰব জ্যোতি চহৰীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক।

শৰতৰ আগমন ঘটিল
বৰ্ষাই ঢাপলি মেলিলে
পিছৰ অনুভূতি লৈ
শৰতে লৈ আহিছে
তাপ আৰু চেঁচাৰ স্বচ্ছ
নৈ, জান-জুৰি শুকাল
পথাৰৰ আলসুৱা বোকাত
ঘাঁহ-বননিৰ দোমোজা
পথাৰৰ ধানবোৰত
ফুটিছে ধানৰ শিৱলী।
নদীৰ পাৰত সেই
কহুৱাবোৰ হালিছে-নাচিছে।
নিশাৰ সেই জোনটিয়ে
পোহৰ বিলাইছে চোতালত
জোনাকে ভৰি থকা
সেই তুলসী গছ জুপি
পদূলি মুখৰ শেৱঁলী
ফুল ফুটিছে গছৰ আগত
আকাশত তৰাটিয়ে
ৰিঙিয়াই মাতিছে সেই
উজনিৰ দেশলৈ।
পুৱতি নিশাত নিয়ৰটোপি হৈ
সৰিছে তৰাৰ কলি
জিলিকি আছে মণিটি হৈ।
দূৱৰি বনৰ আগত
তলসৰা সেই শেৱালিৰ
কলটি হৈ দূৱৰিৰ মাজে
আমোল-মোল পদুলি
শৰতৰে শেৱালি
ক'তে থকাগৈ তুমি
শৰতৰে শেৱালি হৈ।

■■

# মঙলদৈ মহাবিদ্যালয়লৈ আহিলে...

তৃষ্ণা নাথ
স্নাতক চতুৰ্থ যান্মাসিক।

মঙ্গলদৈ মহাবিদ্যালয়লৈ আহিলে
মোক লগ নকৰাকৈ নাযাবা
কেতিয়াবা যদি মঙ্গলদৈলৈ আহা
তেন্তে মোৰ হৃদয়ৰ ঠিকনাতে প্ৰেৰণ কৰিবা,
তোমাৰ আগমনৰ বাৰ্তা
ছন্দোবদ্ধ গতিময় জীৱনৰ
মাদকতাৰে ভৰা
জীৱনৰ সেউজীয়াবোৰ বিচাৰি পাবা
আমলখিৰ তলত সেই
নিৰ্জন দুপৰীয়াবোৰত
নাইবা
কেন্টিনৰ আড্ডাত
মুখৰিত হৈ উঠিব
দুটি প্ৰাণোদ্বীপ্ত যৌৱন
কৃষ্ণচূড়াৰ তলৰ ধূসৰিত সন্ধিয়াত
কেৱল এটি পলকৰ বাবে হ'লেও
আহিবা
আমাৰ মঙ্গলদৈ মহাবিদ্যালয়লৈ।

■■

# এমুঠি সেউজীয়া বিচাৰি

মনিষা ৰাজবংশী
স্নাতক দ্বিতীয় যান্মাসিক।

এন্ধাৰ আঁতৰাই আনা পোহৰ
হিংসা আঁতৰাই আনা শান্তি
সন্ত্ৰাস আঁতৰোৱা, আনা মিলাপ্ৰীতি
ধ্বংসক বাধা দি কৰা সৃষ্টি
গোৱা এটি গান,
যিটো গানে দিব
তোমাক আৰু সহস্ৰজনক
অলপ আশা, এমোকোৰা হাঁহি
সুখ আনন্দৰ লহৰ।
জীয়াই থকাৰ নতুন প্ৰেৰণা
জিনিব এই পৃথিৱী
সৃষ্টি কৰা তেনে ভাষা
যি ভাষাই দেখুৱাব,
তোমাক আৰু সহস্ৰজনক
সঁচা পথ সঁচা জ্ঞান।
যি জ্ঞানে আনিব
পৃথিৱীলৈ নতুন পোহৰ
ৰঙা ৰঙেৰে ৰাঙলী
এই পৃথিৱীক,
কৰিব সেউজীয়া
সেউজীয়া বৰণেৰে আবৃত হওঁক
এই দেশ এই পৃথিৱী।
নামি আহক বৰষা
নিয়ে যেন মন প্ৰাণ ধুৱাই,
গোৱা এটি তেনে গান।

■■

# দৃষ্টি

চিন্তু কলিতা
স্নাতক দ্বিতীয় ষান্মাসিক।

মই আছো, মই কিবাকৈ
জীয়াই আছো
কামুৰি চিঙি পেলাইছে মোৰ কেঁচা মাংস
কোনোবা বিদেশী কুকুৰে,
মই আছো, মই কিবাকৈ
জীয়াই আছো।
ৰাস্তা চিনি নোপোৱা অৱস্থা মোৰ
চকু পানীৰে,
মই আছো মই মৰি মৰি
জীয়াই আছো।
চেলেকি চেলেকি খাইছে মোৰ কেঁচা তেজ
কোনোবা বিদেশী কুকুৰে,
মই আছো, মই মৰি মৰি
জীয়াই আছো।
মোৰ চকুৰ মনিৰে মাৰ্বল খেলিছে
ৰঙত সিহঁতে,
মই আছো, মই মৰি মৰি
জীয়াই আছো।

■■

# মোৰ জীৱন

ৰুমী দাস
স্নাতক প্ৰথম ষান্মাসিক।

মই কোন
কেতিয়াবা নিজক নিজে চিনি নাপাওঁ
মই এজনী বাস্তৱধৰ্মী নে,
এজনী নায়িকাৰ দৰে।
যাৰ জীৱনটো নাটকৰ দৰে,
এটি ৰহস্যময় কাহিনীৰে আবৃত্ত।
হয়তো?
কোনোবাই মোক কিবা ক'ব পাৰে।
কিন্তু?
সেইবোৰ নাটকৰ একো একোটা
ডাইল'গ।
হয়তো..
কোনোবাই মোৰ জীৱনৰ
ডাইল'গ শুনি হাঁহে
কিন্তু বুজাজনৰ
চকুলো অশ্ৰুৰে নিগৰি পৰে।
বিষাক্তকৰ, বিষাদ লৈ হ'লেও
মই জীয়াই আছো
এই মায়াবী পৃথিৱীত
এজনী বাস্তৱবাদী হৈও
নায়িকাৰ দৰে
কাৰোবাৰ জী।
কাৰোবাৰ বা, ভনী
কাৰোবাৰ শত্ৰু
আৰু আন কাৰোবাৰ মিত্ৰ।

■■

# বিতত নহওঁ
# তোমাৰ অভিনয়ত

ৰূপজ্যোতি শৰ্মা
স্নাতক দ্বিতীয় ষান্মাসিক।

মই আজি বিতত নহওঁ
তোমাৰ অভিনয়ত
নিষ্ঠুৰ ভালপোৱাৰ এনাজৰিত
মই আজি বলিয়া নহওঁ
সপোন হেৰুৱাৰ ভয়ত
বিতত হৈছিলো এদিন
চিৰ সেউজে দেখা দিছিল
মোৰ মনৰ চৌপাশ
হেজাৰ আশা ফুলি উঠিছিল
মোৰ হৃদয়ৰ ৰণাঙ্গনত
ভাবিছিলো স্বপ্নৰ দুহাত ধৰি
আগুৱাই যাব পাৰিম জীৱন লক্ষ্যত
হেঁপাহৰ খাল খান্দি গা ধুইছিলো
এন্ধাৰৰ কালিমা মছিবলৈ
কিন্তু বিষাদৰ ক'লা ডাৱৰে ভাগ ল'লে
মোৰ জীৱনৰ প্ৰতিটো লক্ষ্যত
কিমান সপোন আছিল
কিমান আশা আছিল
মোৰ চিৰ-চেনেহী মা-দেউতাৰ
আজিও বোমছিত তাৰ আলয়ত
ভাবিছিল সিহঁতে
পোনা ডাঙৰ হৈ ডাক্তৰ, ইঞ্জিনীয়েৰ, বিজ্ঞানী হ'ব
নিজৰ লগতে জননীৰ নাম ৰাখিব
দৰিদ্ৰতাৰ সেউজ এন্ধাৰ মছি
পোহৰ-আনন্দৰ ৰং সানিব
কিন্তু এন্ধাৰ মচিব গৈ
কঢ়িয়াই আনিলে বিষাদৰ অমাৱস্যাক
য'ত জোনাকী পৰুৱাইও



নিদিয়ে অকণমান পোহৰৰ অস্তিত্ব
কেনেকৈ প্ৰকাশ কৰো আজি
সপোনহীন বাস্তৱৰ গাঁথা
মোৰ চেনেহৰ আই-বোপাইক
কেনেকৈ বুজাওঁ মই
ভৱিষ্যতহীন ধ্বংসযজ্ঞৰ বেথা
প্ৰেমৰ নাৱত নিজকে উটুৱাই দিছিলো

■■

# শান্তিৰ সুগন্ধি

অক্ষৰ ডেকা
স্নাতক দ্বিতীয় ষান্মাসিক।

নিশাৰ শ্যামলী আন্ধাৰৰ মাজত
ভাবিছো তোমাৰ কথা
হিংসাৰ দাবানলৰ মাজত
বিচাৰিছো তোমাৰ সান্নিধ্য
তুমি আহিবা কেতিয়া?
আহি উদ্ধাৰ কৰিবা কেতিয়া?
আমাৰ সোণত সুৰগা ধৰা
জীৱন মৃত্যুৰ ক্ষণ গণি
আছো এতিয়া
কেতিয়াকৈনো লৈ আহিবা
চাৰিওফালে শান্তিৰ নিজৰা
সকলোৰে বাবে হৈ পৰিছা
তুমি মাথো মৰীচিকা
তুমি নাহা নেকি?
আঁতৰাবলৈ সেই বিভীষিকা
কাল আঁউসীয়ে বিৰাজ কৰিছে
আই মাতৃৰ পদূলি
নমাই আনিব পাৰিবানে তুমি
কেউদিশে পোহৰৰ ৰেঙনি
ব্যাকুল হৈ পৰিছো আমি
কেৱল তোমালৈ বুলি
সকলোৰে হৃদয়ত বিয়পাই দিয়া
শান্তিৰ সুগন্ধি।

■■

# আগেয়ে জনা নাছিলো

মনালিছা হাজৰিকা
স্নাতক চতুৰ্থ ষান্মাসিক।

আগেয়ে জনা নাছিলো
দুখে কেনেকৈ কোঙা কৰি পেলায় মানুহক
গুজৰি-গুমৰি শেষ হৈ গ'লেও
নিজকে কেনেকৈ লুকুৱাই থব পাৰি
নিজৰেই ভিতৰত।
আগেয়ে জনা নাছিলো
কিমান পানীত তিতি জুৰুলী-জুপুৰি হ'লে
বিচাৰি পোৱা হয় বৰযুণৰ ঘৰ
কিমান পোহৰ মেৰিয়াই ল'লে
জানিব পৰা হয়
ব'দৰ খবৰ।
কাহানিও বুজা নাছিলো
আৰু আজিও সঠিকৈ বুজা নাই জীৱনক
কোনো আৰম্ভণি নকৰাকৈ কেতিয়াবা
কিয় শেষ হৈ যায় গানবোৰ
শব্দৰ মায়াজালত সোমায়ো কেতিয়াবা
কিয় আঁতৰাবলে মন যায়
মৌনতাৰ গোপন স্বৰ।

■■

# ফাগুনৰ সেই বতাহজাক


জিতুমণি ডেকা
স্নাতক ষষ্ঠ ষাণ্মাসিক।


ফাগুন মাহৰ সেই বতাহজাকলৈ
তোমাৰ মনত পৰেনে?
এদিন সেই বতাহজাকৰ লগতে
তুমি-মই আৰু সেই মধুৰ ক্ষণত,
ৰচিচিলো ক'ত যে সপোন
দেখিছিলো বহুতো আশা!
হয়তো তোমাৰ মনত নপৰে
এতিয়া
ফাগুণৰ সেই বতাহ জাকলৈ,
আৰু মনত নপৰে হয়তো তোমাৰ
আমি দেখা সপোনবোৰলৈ।
মই যেন এতিয়া উপায়হীন
এজন ব্যৰ্থ প্ৰেমিক,
দেখিলো বহুতো মিছা আশা।
সঁচাকৈ তুমি মোক দি থৈ গ'লা
জীৱনত পাহৰিব নোৱাৰা ব্যৰ্থতা

■■



# শৰতৰ আগমণ


প্ৰণৱ কুমাৰ ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক।


শৰতৰ আগমনে মানুহক বাৰুকৈয়ে
আকৰ্ষিত কৰে।
শৰৎ কালত শেৱালি ফুলবোৰ
ফুলিবলৈ ধৰে
সেইফুলৰ সুবাসে মানুহৰ মন
পুলকিত কৰে।
নিশাৰ সময়ত সেউজীয়া ধানৰ
পাতত
পৰি থকা নিয়ৰৰ টোপালবোৰে
মুকুতাৰ দৰে জ্বলি থাকে
শৰতে আনিলে পূজাৰ বতৰা
উলাহে নধৰে হিয়া ধূপ-ধূনা
চাকি-বন্তিয়ে
মানুহৰ মনত আনে
পৱিত্ৰতা।

■■

# প্ৰেম যেতিয়া অপ্ৰেম হয়

বিতুপন শৰ্মা
স্নাতক চতুৰ্থ ষান্মাসিক।

প্ৰেম যেতিয়া অপ্ৰেম হয়
বুকুৰ বিশালতা নাইকিয়া হয়
লেৰেলি যায় সেউজীয়া
কণ্ঠত আছে হুমুনিয়াহ
জীৱনৰ অলিয়ে-গলিয়ে
প্ৰেমৰ নষ্টালজিয়া
প্ৰেম যেতিয়া অপ্ৰেম হয়
বাৰ্ধক্য প্ৰসৱ হয়
পুৰি পুৰি নিঃশেষ হয়
বিশ্বাস, সহানুভূতি আদিবোৰ
প্ৰেম যেতিয়া অপ্ৰেম হয়
ফাটিকাৰ ৰংমেলাত প্ৰেমৰ নামকৰণ
ঠগ, প্ৰতাৰণা আদি
অপ্ৰেমৰ স্বৰূপ বৰ্ণনা
ফাল্টু, বদমেজাজী নাইবা লোভী।

■■



# অপেক্ষা

লক্ষ্যহীৰা শৰ্মা
স্নাতক চতুৰ্থ ষান্মাসিক।

বিচিত্ৰ এই পৃথিৱী
ইয়াতে আছে এক বিচিত্ৰ প্ৰাণী
মানৱ
মানৱ কোন? এয়া হয়নে প্ৰকৃত মানৱ
নে মানৱবোৰ মৰি শেষ
আছে মাথোঁ
এক অৱশেষ।
মানৱৰ ৰূপত আছে এয়া দানৱ
এই মানৱৰ মাজতে আছে
বিভিন্ন লোভ
যি লোভে আনি দিছে দৈহিক সুখ।
লোভতেই হয় সৃষ্টি
সৃষ্টি দানৱৰ সৃষ্টি।
সমাপ্তি এক! অপেক্ষা
আহিবনে সঁচাই প্ৰকৃত মানৱতা
অপেক্ষা ! মাথোঁ অপেক্ষা।

■■

# জোনাক

অৰ্চনা শৰ্মা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

আকুল হেঁপাহেৰে
বহু দিনৰ পৰাই
ৰৈ আছো জোনাক
তোমাৰ বাবে...।
পৃথিৱীৰ সমস্ত ভালপোৱাবোৰ
সংগোপনে সাঁচি ৰাখিছিলো
হৃদয়ৰ কোমল দলিচাত।
এবুকু ৰঙীন ভালপোৱাৰে
আলফুলীয়া প্ৰেমৰ সুবাসেৰে
বুকুৰ সেউজীয়া পথাৰ
ভৰাই তুলিছিলো গোপনে।
নিৰৱতাবোৰে দি যায়
এক বিষাদ যন্ত্ৰণা,
দি যায় হেৰোৱা
অতীত স্মৃতি।
তথাপিতো বিষণ্ণতাৰে
আৱৰা হৃদয়ে
ঘনঘোৰ তমসা
গুচাই বাৰে বাৰে
বিচাৰি ফুৰে জোনাক।



# নিষিদ্ধ জোনাক

হিৰক জ্যোতি ডেকা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

আকাশৰ পৰিধি ভাঙি তই নাহিবি জোনাক
তই আহিলে নহ'ব সিহঁতৰ জোনাক শব্দ
অভিযান নচলিব হত্যা, ধনদাবী আৰু অপহৰণ
তই নাহিবি এখন শুভ্ৰ পদুমৰ বাগিছা হৈ
নহ'লে কাজিৰঙাত নচলিব গঁড় নিধন যজ্ঞ
আৰু নিমিলিব বনমন্ত্ৰীৰ লগত কৰা
কমিছন ৰাজৰ সূত্ৰ বিহীন অংক।
তই নাহিবি জোনাক
তই আহিলে সিহঁতে কৰিব নোৱাৰিব
এ,তি,এম, ৰ জালিয়াতি
সপোন হৈয়ে ৰ'ব স্বেচ্ছাচাৰিতা।
তই হয়তো নাজান, সিঁহত বৰ ক্ষমতাশালী
চুপ্ৰিম কৰ্টত কেচ কৰিলে তই
হাৰি যাবি জোনাক হাৰি যাবি
তথাপি যদি আহ
সিঁহতৰ দেহৰক্ষীক এবাৰ সুধি ল'বি
কেন আই মিট হিম?

# কাঞ্চন ফুল

মেহজেবিন চুলতানা
স্নাতক দ্বিতীয় ষান্মাসিক।

ডিঙা বন্ধা নদীৰ ঘাটত
এডৰা কাঞ্চনফুলৰ হাবি
কাঞ্চন.......
হালিছে জালিছে
নাৱৰীয়া বঠা
খপজপকৈ নদীয়ে কাঢ়ি ল'লে
জলকোঁৱৰৰ দুচকুত টোপনিৰ নিচা
পাটিদৈৰ বিচনাত
আঘোণৰ জোন।
কোনে জানো পাইছে
ৰাতিৰ গীত?
উমি উমি জ্বলিছে
কাৰ গুপুত সপোন।
ডিঙা বন্ধা নৈৰ ঘাটত বৈ বৈ
ৰাতি পুৱাবহে হ'ল
বাৰে বাৰে তেওলৈ মনত পৰিছে
আৰু
এডৰা কাঞ্চন ফুল
হালিছে জালিছে।

# স্বপ্ন ভগ্ন মানুহবোৰ

ৰাকেশ বেজবৰুৱা
স্নাতক চতুৰ্থ ষান্মাসিক।

হিম চেঁচা শীতত তেতিয়া
কুঁৱলীবোৰ দুখ আৰু
নিয়ৰৰ টোপালবোৰ
চকুৰ পানী হৈ নামি আহে
তেতিয়া বুভুক্ষু মানুহৰ
ফটা কাপোৰবোৰে মোক জোকায়
আৰু তেতিয়াই মই কাপোৰ পিন্ধিব
মগ্ন হৈ যাও।
মুক্ত আকাশৰ তলত শুই পৰা
মানৱ বৰফবোৰে মোক প্ৰশ্ন কৰে
আমিবোৰ আৰু সিহঁতৰ মাজত পাৰ্থক্য কি?
মই মাথোঁ উত্তৰত নিৰুত্তৰ হৈ ৰওঁ
মাথোঁ নিৰুত্তৰ হৈ ৰওঁ।

# হুমুনিয়াহ

হিমাংশু নাথ
স্নাতক দ্বিতীয় ষান্মাসিক।

হাঁহিবোৰ সমূলঞ্চে
বিধ্বস্ত হৈ যোৱা নাই
বাবেইটো জীয়াই ৰাখিব পাৰিছো নিজক।
নিজৰ জীৱনক...
নিজৰ আত্মাক...
হাঁহিৰ মাজতে জীপাল হৈ আছে
মুক্তিৰ অনাবিল আকাংক্ষা..
হাঁহি হাঁহি চৰাইৰ দৰে
উৰিব বিচাৰো
এখন নিৰ্ভয় নীলা আকাশত
দুখৰ উৰ্দ্ধত
যন্ত্ৰণাৰ সিপাৰত।

# উকা ৰুমাল

জুৰি কলিতা
স্নাতক চতুৰ্থ ষাম্মাসিক।

ভাৱনাবোৰ এতিয়া
বন্ধ কোঠালীত আৱদ্ধ,
দুৰ্বাৰ বেদনাত ছটফট....।
বেৰৰ জলঙাৰে নামি অহা
দুখৰ নিশ্বাসবোৰ
হৈ পৰিছে ক্ৰমাৎ বিষাক্ত।
তুমি আঁতৰি যোৱাৰ পৰা
দুখৰ তুলিকাত
কেঁচা হৃদয়ৰ
ভগ্ন টুকুৰাবোৰে
আস্ফালন কৰিছে...।
সিহঁতেও বুকুত আকিব খোজে
তেজৰ চেকুৰা
পাৰ ভাগি যোৱা চকুলোক
ভেটা দিবলৈ
সিঁহতকো লাগে একোখন
দুখেৰে লুতুৰি-পুতুৰি
উকা ৰুমাল...।

■■

# অশান্ত অসম দেশ

জোনটি কলিতা
স্নাতক দ্বিতীয় ষাম্মাসিক।

অসম দেশৰ সীমান্ত
সদায় যেন অশান্ত
এফালে নগাৰ আগ্ৰাসন
য'ত থাকে হিংসাৰ বন্যা
সীমান্ত আজিও উন্মুক্ত
বাংলাদেশীৰ অবৈধ প্ৰব্ৰজন
আনফালে অৰুণাচলীৰ বেদখল
বহু ভূমি কৰিছে দখল..
এয়াই নেকি সোণৰ অসম দেশ
বুঢ়া লুইতৰ বহল দুয়োপাৰ
আজি যেন পানীৰ কবলত
জাতিৰ মাজৰ দ্বন্দ্বই আজি
অসমক কৰিব খুজিছে খণ্ড
সন্ত্ৰাসৰ হিয়াভঙা তাণ্ডৱে পেলাইছে
অসমীয়া জাতিৰ অস্তিত্ব সংকট...
এয়াই নেকি সোণৰ অসম দেশ
নাই য'ত, জীয়াই থকাৰ
বিচাৰ...........

■■

# আৰক্ষী

দীপজ্যোতি ডেকা
স্নাতক প্ৰথম যান্মাসিক।

সৰ্বসাধাৰণ মংগলৰ হকে
জনসাধাৰণৰ নিৰাপত্তাৰক্ষী
তুমি আৰক্ষী।
দুষ্টক দমন, শান্তক পালন
তোমাৰ কৰ্ম
মানৱতা, তোমাৰ ধৰ্ম
তোমাৰ কৰ্ম..
কৰিছা জানো
সুপথে পৰিচালিত..?
চোৰ ডকাইত আৰু গুপ্তঘাতক
হত্যাকাৰীৰ পৰা বনিতালৈ
সকলো তোমাৰ দায়িত্বত
সিহতক সুপথে পৰিচালিত কৰা
তোমাৰ কৰ্ম
অপৰাধীক শাস্তি
নিৰপৰাধীক ন্যায় প্ৰদান
তোমাৰ ধৰ্ম,
তথাপি তুমি
ধৰ্ম কৰ্মৰ বাহিৰত।
লোভ সামৰিব নোৱাৰি
মাফিয়াৰ লগত
কৰা লেন-দেন
ঘোচ খোৰ খোৱা
ল'গে ল'গে মুক্তিৰ পত্ৰ দিয়া
বজাৰত মোনা লৈ লৈ
বিক্ৰেতাক দম দি
পাচলি সংগ্ৰহ কৰা
নিদিলে দিয়া হাড়ি ভাঙা কোব
নিৰাপত্তাৰ নামত কিয়
ভেঙুচালি কৰা
অপৰাধীক মুক্তি
নিৰপৰাধীক শাস্তি
এইয়াই তোমাৰ কৰ্ম
এইয়াই তোমাৰ ধৰ্ম
বা! বা! বা!
ধন্য তোমাৰ কৰ্ম
তথাপিও তুমি
জনসাধাৰণৰ নিৰাপত্তাৰক্ষী
আমাৰ আৰক্ষী।

■■

# প্ৰকৃত বন্ধুত্বৰ সংজ্ঞা

চেমিম চায়েদা
স্নাতক চতুৰ্থ ষাণ্মাসিক।

প্ৰকৃত বন্ধুত্বৰ সংজ্ঞা জানা নেকি?
মই ভালদৰে নাজানো
তথাপিও কওঁ
'প্ৰকৃত বন্ধুত্ব'
নীলিম আকাশৰ দৰে বিশাল,
সাগৰৰ দৰে গভীৰ,
সেউজীয়া পথাৰৰ দৰে সুন্দৰ
'মা'ৰ দৰে আপোন
ডায়েৰিৰ পাতৰ দৰে গোপন
আৰু...
প্ৰকৃত বন্ধুত্বৰ
অমৃতৰ সোৱাদ যিয়ে পাইছে
তেওঁহে জানে বন্ধুত্বৰ সোৱাদ
'প্ৰকৃত বন্ধুত্ব'ৰ
জোনাকৰ গভীৰ সৌন্দৰ্য যিয়ে উপভোগ কৰিছে
তেওঁহে বুজে বন্ধুত্বৰ আকৰ্ষণ।
ফৰকাল ৰাতিপুৱা দূবৰিত পৰি থকা নিয়ৰৰ দৰে
ৰাতিৰ আকাশৰ প্ৰতিটো তৰাৰ উজ্জ্বলতাৰ দৰে
'প্ৰকৃত বন্ধুত্ব'ৰ সংজ্ঞা হয়তো এনেকুৱাই
'প্ৰকৃত বন্ধুত্ব'
যাৰ নাই কোনো আদি অন্ত
যি বৈ যায় সকলোৰে হৃদয়ৰ মাজেৰে
অনন্ত কাললৈ.........
বন্ধুত্ব স্মৃতি জীয়াই ৰাখিবলৈ।

■■

# হয়তো এনেকৈয়ে

কুন্তলা কাকতি
স্নাতক দ্বিতীয় ষাণ্মাসিক।

হয়তো এনেকৈয়ে সংগোপনে
গৰাখহনীয়াৰ দৰে,
খহে সপোনৰ কাৰেং
হয়তো এনেকৈয়ে সুখ গচকি
বুকুত নিগাজী হয়।
বিচ্ছেদৰ দৰদী দুখৰ বোজা
হয়তো এনেকৈয়ে
নিশাৰ প্ৰহেলিকাত ওলমি ৰয়,
উকা সোঁৰৰণি।
হয়তো এনেকৈয়ে আঁউসী নামে
ভালপোৱাৰ জোনাকী ৰাতিলৈ।
হয়তো এনেকৈয়ে
আপোনজন গুচি যায়
দূৰলৈ, বহু দূৰলৈ......।।

■■

# কবিতাৰ শিৰোনাম 'সেউজীয়া হৃদয়'

কবিতা চমুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক।

সেউজীয়া হৃদয়, সেউজীয়া মন আৰু
সেউজীয়া ফুটুকা-ফুটুকী চোলা পিন্ধা ল'ৰাটো
বহুদিন হ'ল লগ পোৱা নাই।
কেনেবা আছে তেওঁ..........
দূৰভাষেৰেও বৈ অহা নাই তেওঁৰ কুশল বাৰ্তা
অথবা তেওঁৰ ৰহস্যবাদী কথা,
ক'ব পাৰেনে কেনেবা আছে তেওঁ।
তেওঁ এদিন কথা কওঁতে কৈছিল
যান্ত্রিকতাময় পৃথিৱীখনে তেওঁক আমুৰাইছে
কেৱল হৃদয়ৰ সেউজীয়া
তেওঁ যে সেউজীয়া হৃদয়ৰ ল'ৰা।
বহুদিন হ'ল তেওঁক লগ পোৱা নাই
কবিতাৰ বৰষুণত তেওঁ সেউজীয়া হয়
সেউজীয়া কবিতা পঢ়ে।
সকলোবোৰ হৃদয় তেওঁ সেউজীয়া কৰিব বিচাৰিছে
তেওঁ যে সেউজীয়া হৃদয়ৰ ল'ৰা।
পৃথিৱীৰ বুকুখন তেওঁৰ সেউজীয়াৰে ৰঙীন কৰিব
বিচাৰিছিল....
জীপাল কৰিব খুজিছিল পৃথিৱীৰ সেউজীয়া মাটি।
তেওঁৰ সকলোবোৰেই আছিল সেউজীয়া
কিবা ক্ষোভত তেওঁ নাইকিয়া হ'ল,
এদিন জনাৰণ্যত......
তেওঁ আঁকিব খুজিছিল প্ৰতিজন মানুহৰ।
এখন সেউজীয়া ছবি
বহুদিন হ'ল তেওঁক লগ পোৱা নাই,
তেওঁ ভাল পাইছিল সোণাৰুৰ হালধীয়া হাঁহি
তেওঁ ভাল পাইছিল সেউজীয়া পৃথিৱী।
তেওঁ শিলৰ হৃদয়বোৰক পিন্ধাই ফুৰিছিল
হৃদয়ৰ সেউজীয়া,
বহুদিন হ'ল তেওঁক লগ পোৱা নাই
কলৈ বা গলগৈ
সেই সেউজীয়া হৃদয়ৰ ল'ৰাটো।
কোনোবাই যদি গল পাই
তেওঁক ক'ব,
সেউজীয়া হৃদয়বোৰে তোমালৈ বাট চাই আছে
এখন সেউজীয়া পত্ৰৰ বাবে।.......

■■

# ব'হাগৰ ৰং

কাকলি কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক।

ব'হাগৰ ৰং মোৰ বাবে নহয়
ব'হাগৰ ফুলৰ সুগন্ধই এতিয়াৰ
পৰা শিহৰিত কৰিব নোৱাৰে মোক
মোৰ বাবে সেই ক্ষমতা ব'হাগে হেৰুৱালে।
ব'হাগ আহিব, সদায় আহিব
মোৰ কাৰণে লৈ আহিব এক,
গধুৰ ভীষণ ডাঙৰ যন্ত্ৰণাৰ বোজা
মোৰ জীৱনৰ পৰা ভাবিছো।
ব'হাগক বিদায় দিয়াৰ কথা
পলাশৰ ৰং বুকুত তেজৰ ৰং,
হৈ চোন দেখা দিয়ে মোক
চকুৰ ভুল নহয়তো এয়া
নাই নহয়, হ'ব নোৱাৰে।

■■

# সূৰ্য পাহাৰৰ শীৰ্ষত তোমাৰ নাম

মাহমুদা ৰশ্মি চিদ্দিকা
স্নাতক চতুৰ্থ ষান্মাসিক।

সূৰ্য পাহাৰৰ শীৰ্ষৰ পৰা আজি
হেঁপাহ পলুৱাই চাইছো
কোমল সেউজীয়াবোৰ
হেঁপাহ পলুৱাই গাইছো
নিসংগতাৰ গান
আঙুলিৰে উমান লৈছো
বৈ অহা চকুলোৰ
গভীৰতা কিমান
তোমাক ভাল পাই
জ্বলাই পেলোৱা বুকুখন
বিৰক্ত কৰিছো আজি
চুই চাইছো
হেঁপাহৰ কুন্দ্ৰাক্ষত ঠেকা খাই
উন্মুখ হোৱা
হৃদয়ৰ কেঁচা মৰমবোৰ
পাহাৰৰ শীৰ্ষত উন্মুক্ত ক'লা শিলত
শিলেৰে কাটিছো তোমাৰ নাম
প্ৰতিটো আখৰৰ বিন্দুৰে বিন্দুৰে
প্ৰাণ ঢালি এৰিছো
বিষাদ গধুৰ স্বপ্নবোৰ
শিলটোৱেও যেন উচুপি উঠিছে
আঙুলিবোৰত দিছে
তেজৰ এটি
মৃন্ময় প্ৰলেপ
আধাপোৱা মমবাতি যেন হৃদয়খনক
বেদনাবোৰেও নিচুকাইছে
সপোনৰ উম সনা টোপনি পৰা
সাৰ পাই আজি বুজিছো
হালধীয়াবোৰৰ প্ৰত্যুত্তৰ
ৰঙা হ'ব নোৱাৰে
সূৰ্য পাহাৰৰ শীৰ্ষত
নীড়মুখী বিহংগিনীৰ
কাতৰ বিননিত
অব্যক্ত বেদনা আৰু
হৃদয়ৰ কেঁচা মৰমবোৰ
আজুৰি আনি মেৰিয়াই লৈছো
ৰঙা ৰুমাল এখনেৰে
মন গ'লে..

■■

# কবিতাৰ শিৰোনাম

গায়ত্ৰী গন্ধৰ্ব
স্নাতক ষষ্ঠ ষান্মাসিক।

দেওঁলগা শিমলুজুপিৰ তলৰ
হিয়াভগা কান্দোন মাৰ নৌ যাওঁতেই,
ধ্বনিত হ'ল পুনৰ এক বীভৎস চিএগ্ৰৰ
কুহেলিকাৰ আচলতে কলমটিয়াই থকা।
অঘৰী প্ৰেতাত্মাৰ উচুপনি
জুপুৰিবোৰৰ ধোৱাৰ মাজত,
কি বিচাৰিছে সিহঁতে
ভাতৃত্ববোধ, মানৱতা নে বিশ্বশান্তি।
তেজৰ চেকুৰাবে ভৰি পৰিছে
সিহঁতৰ দয়া-মমতাবোৰ,
কেঁচা মাটিৰ গোন্ধে
সিহঁতক আৰু বলীয়া নকৰে।
বলীয়া নকৰে বৰহমথুৰিৰ ৰঙে
বহুকেইটা বসন্ত গৰকা
সিহঁতৰ নিটোল আশাবোৰ।
বাৰিষাৰ ঢৌ বোৰৰ দৰে উটি গ'ল
নষ্টালজিক বহু সপোনৰ আশাহুতি নে
সভ্যতাৰ নিলাজ হাতৰ চেকা।

■■

# ৰঙা গোলাপ

মঞ্জুলা ডেকা
দ্বাদশ শ্ৰেণী
কলা শাখা।

ৰঙা গোলাপবোৰ
মোৰ ভাল লাগে
দেখিলেই মনলৈ আহে
বহু প্ৰশ্ন
কিযে সৌন্দৰ্য ইয়াৰ
কিযে মধুৰ সুবাস
প্ৰকৃতিত বিলাই দিয়ে
কিছু সময়ৰ বাবে
ৰাজকুমাৰীৰ দৰে
সৈন্য-সামন্তৰ মাজত থাকিও
হালি-জালি নাচ গান কৰে।
লহপহকৈ বাঢ়িবলৈ লোৱা,
গোলাপৰ কলিটো কোনোবাই
হঠাৎ তেওঁৰ স্বাৰ্থ পূৰণৰ হেতু
সৈন্যবোৰক পৰাজিত কৰি
চিঙিলৈ যায়।
এয়া কেৱল দানৱ সদৃশ
মানৱৰে কাম নহয়নে বাৰু?
যিয়ে নিজ স্বাৰ্থতহে ব্যস্ত
কাৰোবাৰ সুখ-দুখৰ কথা
চিন্তা কৰিবলৈ আহৰিয়েই বা ক'ত?
কলি এটা চিঙিব পাৰিছা
এটা শিশুৰ জীৱন ধ্বংসও
তোমালোকেই কৰিব পাৰিবা
নহয়নে বাৰু?
এটি শিশুক এটি গোলাপৰ
কলিৰ লগত তুলনা কৰিব পাৰি,
অনুগ্ৰহ কৰি এই বাট এৰা
নৱপ্ৰজন্মক এক মুক্ত পৰিৱেশ দিয়া।
যাতে পূৰ্ণ গোলাপ এটাৰ দৰে
কলি সদৃশ শিশুহঁত ডাঙৰ হৈ
প্ৰত্যেকেই সুবাস আৰু গৌৰৱ
বিলাব পাৰে এই জগতত।
সেয়ে এটি পূৰ্ণ গোলাপৰ প্ৰয়োজন
যাক আৰ্হি হিচাপে দেখুৱাব পাৰি
আমাৰ নৱপ্ৰজন্মৰ আগত
এটি পূৰ্ণ ৰঙা গোলাপ দেখিলে
মোৰ সেয়ে বৰ ভাল লাগে।

# আশা

কৌশিল জ্যোতি নাথ
স্নাতক তৃতীয় ষান্মাসিক।

এতিয়া ক'ত আছে এমুঠি প্ৰশান্তিৰ উলাহ?
ক'ত সাৰে আছে আমাৰ সপোন
ক'ত আছে আমাৰ উচুপনি
আৰু ৰঙাকৈ ওঁঠৰ গুনগুননি।
চৌদিশে মাথোঁ
আদিন আন্ধাৰৰ
অশ্লীল কোলাহল,
বিবেক আৰু নিয়তিৰ
অঘোষিত মহাসমৰ
দিয়া আৰু লোৱাৰ
পোৱা আৰু লোৱাৰ
পোৱা আৰু নোপোৱাৰ
অব্যক্ত বেদনা
তথাপি আমাৰ বুকুত গজালি মেলেহি
হেজাৰ নতুন সপোন
সাৰ পায় নতুনৰ আশা
ফুলি উঠে সপোনৰ ফুলনি
আমি ভাগৰা নাই।

# জুই ফুলা ফাগুন

চুমি কলিতা
স্নাতক দ্বিতীয় ষান্মাসিক।

মৰাপাতৰ অলংকাৰ পিন্ধি
শিমলুৰ ডালত পৰিল উৰণীয়া ধূলিৰ কাব্য
শুকান বতাহ
উদং পথাৰ
পাতহীন বৃক্ষ
উদাস ভৰ দুপৰীয়া
ৰিণিকি-ৰিণিকি হেৰাই যোৱা
দীঘল উকি এটাৰ দৰে।
গভীৰ হৈ আহিছে আৰু উভতি নহাৰ বাসনা
ধূলিৰ চামনিৰে মলিন হোৱা হৃদয়
সুখহীন বিষাদবৰণ নহয়
বহুদিন কাণেৰে শুনা নাই প্ৰিয় সংবাদ
কেঁচা মাটিৰ সুগন্ধই স্পৰ্শ কৰা নাই
বহুদিন মন।
তৰাং নদীৰ তপত বালিচৰত
বিষন্নতাৰ ধান বজায় বৰাগী ফাগুন
দুচকুৰো আছে নিজৰ ফুল ফুলা ফাগুন
মহি ফুলা ফাগুন
হৃদয়ৰ জুই ফুলা ফাগুন
শুকান বৃক্ষ
উদং পথাৰ
পাতহীন বৃক্ষ।

■■

# বিষন্ন হিয়াৰ বিধ্বস্ত সপোন

মঞ্জুলা কলিতা
অসমীয়া বিভাগ।

বিষন্নতাৰে আৱৰি ধৰা এখন আকাশ
আজি নাই কোনো আঁতৰাই দিবলৈ
কজলা মেঘ
বিষাদৰ সুতাত গাঁথি যোৱা ফুলবোৰে
তৰালি আকাশৰ ওচৰত
নিজকে হেৰুৱাব খোজে
নিসংগতাই সোঁৱৰাই দিয়ে
তোমাৰ কথা
নষ্টালজিয়াৰ গৰ্ভত লুকাই
হিয়াৰ বিস্তৰ ৰক্ত ৰঙা
ভালপোৱাবোৰ..
নাই এতিয়া জোনাকৰ
সেই বিধৌত নিশা
আছে মাথোঁ বানত উটি যোৱা
উদাসীন সপোনবোৰ।
দুগ্ধ হোৱা সপোন অৰয়ৱৰ
ছাঁইবোৰ
মই একেথৰে চাই ৰ'লো।
সপোনৰ চিতা ভস্মবোৰলৈ।।

■■

# নোৱাৰৈ পৰীয়া এখন গাঁৱৰ এটি গধূলি

পদ্মজা চহৰীয়া
স্নাতক ষষ্ঠ ষাম্মাসিক।

নোৱাৰৈ পৰীয়া এখন গাত
এটা শিল পাৰি দিয়া আলি
দুয়োকাষে জুপুৰীৰ দীঘল শাৰী
ঘৰমুৱা গৰুজাক উভটিছে
নেজ জোকাৰি ধূলি উৰুৱাই
পিছে পিছে ল'ৰাহঁত
খোজৰ  ধূলিত নমনি একো
শুনা গৈছে মাথোঁ ল'ৰাহঁতৰ সুহুৰি
বাটে বাটে জীৱৰী-বোৱাৰীৰ
জুমাজুমি, খিলখিলনী।

ঘৰে ঘৰে জ্বলিছে সন্ধিয়াৰ চাকি,
চৌদিশে বিয়পিছে ধূপ-ধুনাৰ সুগন্ধি।
ক'ৰবাত হয়তো শুনা গৈছে
আকাশবাণীৰ সন্ধিয়াৰ অনুষ্ঠান।

গাঁৱে গাঁৱে
বাজি উঠিছে
বৰকাহ, দবা, শংখ ধ্বনি।
এটি সৰল জীৱন
এখন সৰল ছবি
নেদেখা ক'তো যান্ত্রিকতা
অসম ভূমিৰে যে
এই মাধুর্যতা।

# মোক শৈশৱলৈ উভতি যাবলৈ দিয়া

দীপশিখা শইকীয়া
স্নাতক ষষ্ঠ ষাম্মাসিক।

মোক শৈশৱলৈ উভতি যাবলৈ দিয়া
দহোকুৰি বুলিছো
মোক শৈশৱলৈ উভতি যাবলৈ দিয়া
মই আকণ্ঠ
ডুবি থাকিব খোজো
স্মৃতিৰ বিশাল সমুদ্রত,
তৰা বছা আকাশৰ তলত
শীতল পাটীত শুই
শুনিব খোজো মই
আইতাৰ সেলেঙি লগা ওঁঠৰ
তেজীমলাৰ সাধু
'হাতো নেমেলিবি, ফুলো নিচিঙিবি
ক'ৰে অ'ই নাৰবীয়া তই?
পাট কাপোৰৰ লগতে মাহী আই খুন্দিলে
তেজীমলাহে মই।
হে অগ্ৰজসকল
কংক্রিটৰ দেৱালৰ আবেষ্টনিত
মোক আবদ্ধ কৰি নথবা।
মই ফুৰিব খোজো
ৰঙা নীলা পখিলা খেদি,
মই চুই চাব খোজো
হেঁপাহৰ জোনটো, ক'ব খোজো
'জোনবাই এ এটি তৰা দিয়া
এটি তৰা নালাগে দুটি তৰা দিয়া'।
মই চাব খোজো
মলয়া সমীৰত আন্দোলিত
শইচ সোণোৱালী পথাৰ,
ককাদেউতাৰ হাতে হাত ধৰি
বুটলিব খোজো, গাখীৰতী ধানৰ লেচেৰি।
হে অগ্ৰজসকল
দহোকুৰি বুলিছো মোক শৈশৱলৈ উভতি যাবলৈ দিয়া।

# সকলোৰে মোক দেখি চকুলো টুকিলে

চুমি কলিতা
স্নাতক দ্বিতীয় ষাণ্মাসিক।

দুচকু এন্ধাৰ খুদ অকণ
এচলু লেতেৰা পানী
মিহলালো চকুৰ তেজত
বিষাদ বিবৰ্ণ অৰণ্য গালে মুখে
এপাহি দুপাহিলৈ উঠিছে কি?
দুখৰ সৰোবৰত
বালিৰ বিস্তীৰ্ণ সাগৰত
এটা পানী পিয়া চৰাই
আকুল প্ৰাৰ্থনা কৰিছে
জৰমাৰ নিয়ৰ পৃথিৱী
শুকান বিজুলীৰ সেৰা
হাতত মুঠি মাৰি
পথাৰত নামিলো
জোনাকী তেজ এবাতি
বালিচহীয়া মাতৰ মানুহটোৰে
মুখত গুজি দিলে
দুই ওঁঠৰ কোৰাৰিলে সৰিলে
জোনাকী তেজৰ ফুল
এই কাহিনীত সকলোৰে মোক দেখি
চকুলো টুকিলে
আজি শিশুৰ এধানি
কান্দোনৰ স্বৰলিপিৰে
মোৰ বুকুত এটা
নতুন বাহী সাজিলে
সকলোৰে মোক দেখি চকুলো টুকিলে।
পিছে এইবেলি
তৰাবছা ঈষৎ হাঁহিবে।

■■

# বৰষুণৰূপী হেঁপাহবোৰ

প্ৰীতিপুষ্পা দেৱী
স্নাতক ষষ্ঠ ষাণ্মাসিক।

কিয় জানো
হেঁপাহবোৰে চুব খোজে আকাশ
বিলীন হৈ যাব বিচাৰে দূৰ দিগন্তত
নাচি উঠিব খোজে পথাৰৰ সেউজীয়াত
তুমি মোৰ জীৱনত নাথাকিলেও
হেঁপাহবোৰ জীয়াই আছে এতিয়াও।
ক'ত জানো লুকাই থাকে হেঁপাহবোৰ
সুবিধা পালেই হেঁপাহৰ এজাক বৰষুণে
তিয়াই থৈ যায় মোক
তোমাৰ স'তে শাওনৰ বৰষুণত
তিতাৰ দুৰ্বাৰ হেঁপাহ।
ব'হাগৰ দুপৰীয়া আঁহতৰ তলত
অলপ নিৰিবিলি সময়
শাওনৰ পথাৰত শইচৰ সপোন
একেলগে দেখাৰ হেঁপাহ।
হেঁপাহবোৰৰ পতিশস্যত মোৰ দুচকুৰে
জিৰিজিৰি নামে বাৰিষাৰ ঢল
আশাভংগৰ বৰষুণ
বৰষুণ হৈ নামি আহে হেঁপাহবোৰ
চৌপাশে কেৱল বৰষুণ
বৰষুণ, বৰষুণ
দচকুত মোৰ এতিয়া মাত্ৰ
বৰষুণৰূপী হেঁপাহবোৰ।।

■■

# 'মা'

হীৰক জ্যোতি ডেকা
স্নাতক ষষ্ঠ ষাণ্মাসিক।

'মা'— এই বিশাল শব্দটোৱে
মোৰ মনলৈ আনে
তাৎপৰ্যপূৰ্ণ তোমাৰ
কিছু উমলগা ধাৰণা।
বিশাল পৃথিৱীৰ এচুকত
তোমাৰ কোলাতে
প্ৰথম চকু মেলি
সেউজী ধৰণীখন চিনিলোঁ
তুমি উপহাৰ হিচাপে
মোক সুন্দৰ জীৱনটো দিলা
তোমাৰ সমান হ'ব কোন?
আকাশৰ দৰে উদাৰ
তুমি বৰষাৰ
সোণোৱালী ৰূপোৱালী টোপাল
মোৰ বুকুলৈ নামি
দূৰ কৰি পেলোৱা
শংকা ভাৱনা মনৰ গোপন
জীৱনটো মোৰ উজ্বল হোৱাৰ।
তেওঁ ৰঙীন সপোন দেখে
আজিলৈকে মোৰ বাবে
বহু দুখ কষ্ট
হাত-পাতি ল'লে
এটি শিশুৰ মুখেৰে ফুটা
প্ৰথম শব্দটিয়ে হৈছে মা
সৰগ মৰত একাকাৰ কৰি
পৃথিৱীৰ সকলো মাতৃয়ে
কোলাৰ কেঁচুৱাটোলৈ
সমস্ত সৌন্দৰ্য নমাই আনিব
বিচাৰে,
হে মা তুমি সৰলপ্ৰাণা, সহনশীল
আৰু মমতাময়ী ৰূপ।
ভাতৃত্ব ভাৱেৰে এই পৃথিৱীত
জীয়াই থাকিবলৈ
তেওঁৰ পৰাই মই শিকিলো
নিঃচৰ্ত ভালপোৱা কি বস্তু
তেওঁৰ পৰাই মই বুজিলো
তেওঁৰ পৱিত্ৰ আৰু মহৎ কথাবোৰে
মোৰ মন ভৰাই তোলে
জন্মদাত্ৰী আই
তুমি সদায় পূজনীয়...
আনৰ মুখৰ বাবে তেওঁ
জীৱনত বহুটো কষ্ট আৰু ত্যাগ
স্বীকাৰ কৰিব লগীয়া হয়
চকুলোৰে ভৰি পৰে মোৰ চুকজুৰি
তেওঁৰ প্ৰতিটো ত্যাগৰ কথা ভাৱিলে
তোমাৰ মৰমৰ ভিক্ষাৰী মই
মোৰ পৰা আঁতৰি নাযাবা
মৰমৰ পৰা বঞ্চিত নকৰিবা
ভগৱানৰ ওচৰত মিনতি কৰিছোঁ
জনমে জনমে মা হিচাপে
তোমাকে পোৱাৰ ইচ্ছা।
কিদৰে পৰিশোধ কৰো
তোমাৰ অশেষ যত্নৰ ঋণ
কিহেৰে যে পৰিশোধ কৰো
তোমাৰ নিঃস্বাৰ্থ প্ৰেমৰ ঋণ
প্ৰকৃত সত্য এয়ে যে—
তোমাৰ ধৰুৱা হৈয়ে থাকিম
অকৃতজ্ঞ মই চিৰ জীৱনলৈ।।

■■

# সন্ত্ৰাসবাদ

জেৰিফা ইয়াচমিন
স্নাতক দ্বিতীয় যাণ্মাসিক।

কাৰো কোনোৰ প্ৰতি ভ্ৰুক্ষেপ নাই
কেৱল হিংসা, হত্যা, লুণ্ঠন, অপহৰণ.......
কেৱল ৰাজ্যজুৰি সন্ত্ৰাস।
সন্ত্ৰাসীৰ হাতোৱাত নিৰীহ জনতা।
সন্ত্ৰাসবাদৰ আক্ৰমণ নিষ্পাপ শিশুবোৰৰ
ওপৰত
কেৱল হিংসা, হত্যা, লুণ্ঠন, অপহৰণ ...
সময় ৰঙা, মাটি ৰঙা
নে আন......
কাৰোবাক কৰিছে পিতৃহাৰা
কাৰোবাক কৰিছে স্বামীহাৰা
আৰু কোনো পুত্ৰ হাৰা
মাথোঁ উদং বুকু, মন আৰু চকু
কত জনতাৰ চুৰমাৰ কৰিছে সপোন
চাৰিওফালে বোমা, বাৰুদ, বিস্ফোৰণৰ শব্দ
জনতাৰ কেঁচা তেজৰ গোন্ধ।
সন্ত্ৰাসবাদীবোৰ জানো মানুহ নহয়।
একে তেজ একে মঙহ
নে সিহঁতে পাহৰিলে মানৱতাবোধ।।

■■

# বুদ্ধত্বৰ পিছত

ড° আঙ্গিৰম
সহঃ অধ্যাপক ইতিহাস বিভাগ।

বুদ্ধত্ব পাই
অনুভৱ কৰিলো
সহোদৰ সহযাত্ৰী আমি দুয়ো
ভঙা পতাৰ নিৰৱ খনিকৰ নিৰন্তৰ
সৃষ্টিৰ ইতিহাস মই পঢ়িলো
পঢ়ি মই বুজিলোঁ
হৃদয়ৰ কঠিয়াতলিত
সন্তৰ্পনে সাজ
মহীৰূহ বীজ
অভীষ্ট শাশ্বত
ডালে ডালে
পাতে পাতে
শিপাই শিপাই
সংঘাত
অদৃশ্য অস্পৃশ্য শৰত
বিদ্ধ হৈ উত্তপ্ত হয় ছাঁ
বিভ্ৰান্তিত কণ্টকাকীৰ্ণ
মানুহৰ পথ
চিনাকি চিনাকি অথচ অচিনাকি
অচিনাকি অচিনাকি অথচ চিনাকি
কেনি যাওঁ, ক'লৈ যাওঁ
ক'ত লওঁ জুৰ
ক্লান্ত ৰক্তাক্ত পথিক
সুযোগৰ সন্ধানত
অপেক্ষাৰ শিখণ্ডি যাত্ৰা
ছদ্মবেশী মানুহৰ মিছিল
কোন কিমান চতুৰ
কোনে কিমান দক্ষতাৰে
হানিব পাৰে আঘাত
আহত হয় বিশ্বাস
তথাপি চলি থাকে খেল
বাৰম্বাৰ
সময় স্তব্ধ হ'ল
স্থবিৰ হ'ল ঘড়ীৰ ভিতৰৰ দোলক
আহি আহি শেষ হ'ল বাটটো
এটা প্ৰান্তত
শান্ত সমাহিত
উমলা আনন্দতে
ইয়াতে আৰম্ভণি
জ্যোতিময় দেশ
এতিয়া আৰু কিহৰ শত্ৰুতা
জয় পৰাজয়ৰ খেল
যুদ্ধৰ বিষাক্ত গোন্ধ
হেৰোৱাৰ আশংকা
নোপোৱাৰ উদ্বেগ
এতিয়া সকলো অতীত
বন্ধু তোমাক
ধন্যবাদ
তোমাৰ সহচলৰ বাবে........।

# তোমাৰ অনুসন্ধানত মই

হাচানুৰ ৰহমান
স্নাতক তৃতীয় বৰ্ষ।

মোৰ দুখৰ ৰাতি
জীৱনৰ আকাশৰ প্ৰতিটো প্ৰহৰত
তোমাক বিচাৰি ফুৰিছো
কিয় তুমি নীৰৱে গুচি গলা?
বাহিৰৰ নীলাভ আকাশ মই
চাব নোৱাৰো
আকাশে যেন মোক ঠাট্টা কৰে
শীতৰ সেমেকা প্ৰভাতত
আমাৰ বাগিচাৰ ফুলবোৰ জানা
সৰি গ'ল।
হৃদয় পজাৰ পদূলি মুখৰ
শেৱালি জোপাও মৰাই গ'ল।
তোমাৰ অনুসন্ধানত জানোচা
বিচাৰি পাওঁ গ্ৰীষ্মৰ ৰ'দত
নিশাৰ স্নিগ্ধ প্ৰকৃতিত।

# মানৱধিকাৰ উলংঘনৰ গ্ৰুপ ফটো

সুৰজিৎ কুমাৰ নাথ
বিজ্ঞানগাৰ সহায়ক।

হাঁহাকাৰ কৰি ফুৰিছো আজি মানসিক শান্তি বিচাৰি
হঠাৎ এক আক্ৰমণ
সকলোৱে আক্ৰমণ উপভোগ কৰিলে নিদিলে
কোনেও সঁহাৰি
এয়াই নেকি একবিংশ শতিকাৰ মানৱ
দূনীৰ্তি, অবিচাৰ সকলো আজি তেজত
এয়াও এক ষ্টাইল
আত্মসন্মানৰ খাতিৰত চুপ হৈ ৰৈছিলো
বহুতৰ আব্দাৰত সকলো সহ্য কৰিছিলো
দুৱাৰত পুনৰ আক্ৰমণ
আলেকজেণ্ডাৰ, নেপোলিয়ন কিম্বা জুলিয়াছ চিজাৰ
একাষাৰেই কওঁ মই গান্ধীৰ অৱতাৰ
ষ্টুপিত নে ননচেঞ্চ
হৰিণাই গালি পাৰে বাঘক
বাহ ঃ কি সংলাপ পশুত্বৰ কৱলত আজি মানৱ
কেউফালে পয়োভৰ 'একনৰমেল' ৰ
সত্য, শিক্ষা সকলো কল্পনাৰ অতল গৰ্ভত
জনাই দিলো, চিনি লোৱা ঘৰৰ পিশাচবোৰক।

■■

# জীৱনৰ অভিজ্ঞতা

প্ৰসাদ কুমাৰ ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক।

জীৱনটোনো কি?
দুদিনৰে আলহী
আছে মাথো নাই
ক'ৰবালে গুচি যায়
কোনেনো শুনিব জগতত মোৰ কথা
হৈ আছো মাথো গুৰি ভগা ব'ঠা
ক'ত দুখৰ মাজতো যে আছো জীয়াই
আহিবিনে কোনোবা মোৰ চকুলো মচিবলৈ
জীৱনৰ প্ৰতিটো মুহূৰ্ত মই জীয়াই গ'লো
কিন্তু কিয় বাৰু দুখৰ বাহিৰে যেন একোৱেই নাপালো
তথাপিও আছো মই জীয়াই
কিনো কৰো নাযানো যে মোৰ হিয়াই
কাকনো বাৰু ক'ম বুকুৰ আপোন বুলি
যায় যে সকলোবোৰ হিয়া ভাঙি-ছিঙি অজানিতে এৰি গুচি
জীৱনত কিনো হেৰুৱাম কিনো পায়
সকলোবোৰ পাহৰি যেন মই ইয়াকেই ক'ম
সেয়েহে কৈছো জীৱনটো দুদিনীয়া ক্ষন্তেকীয়া
দুখ-বেদনাক পাহৰি যেন কৰা সুখক বন্ধু-লগৰীয়া।

■■

# জ্ঞানী কোন আৰু মূৰ্খ কোন

পাপৰি ভূঞা
স্নাতক চতুৰ্থ যান্মাসিক।

সৰ্বশ্ৰেষ্ঠ জীৱ মানেই মানুহকে বুজায়
নজনা নভবাকৈয়ে দিনবোৰ পাৰ হৈ যায...
পাৰিবনে প্ৰতিপন্ন কৰিব মানুহৰ শ্ৰেষ্ঠতা।
নিজকেই মানুহ দেখাই জ্ঞানী বুলি কৰি আছো মূৰ্খতা
পৃথিৱীত হেনো তেত্ৰিছ কোটিবো অধিক জীৱ আছে....
নিজ নিজ কৰ্মত ব্ৰতী হৈ সিহঁতবোৰো জীয়াই আছে
সকলোবোৰ প্ৰাণীৰ ভিতৰত মানুহেই হেনো প্ৰধান।
কিন্তু কৰিব পাৰিছোনে কেতিয়াবা কাৰোবাক মত প্ৰদান?
জীৱ দেখিছো বহুতো কিন্তু আচল মানুহ দেখা নাই
যদি আমিয়েই মানুহ হওঁ তেন্তে কিয় আনক ভক্ষণ কৰি ভাল পাওঁ?
নাজানো কিয় আনক বধি মনত বৰ তৃপ্তি পাওঁ
মৃতজনেও যে কেতিয়াবা দুখ পাইছে এবাৰো কিয় ভাবি নাচাওঁ?
মানুহে মানুহক আইনমতে দোষত দণ্ডনীয় হয়
আন প্ৰাণীবোৰক মাৰিলেনো আকৌ শাস্তি কিয় নহয়?
আমিবোৰ জ্ঞানী হৈ সিহঁতক বধি মুক্তি হে দিছো।
কিন্তু এবাৰো নাভাবো আমি নিজকনো কোন দিশত গতি কৰিছো।
বনৰীয়া পশু-পক্ষী, কীট-পতঙ্গবোৰ হয় নেকি বাৰু মূৰ্খ?
যদি হয় সিহঁত মূৰ্খ, তেনে মানুহ দেখিলেই দিয়ে কিয় ছত্ৰভঙ্গ?
জ্ঞানী হয় পশু-পক্ষীবোৰ আহ বুলিলে আহে আৰু যা বুলিলে যায়
মূৰ্খ হয় আমি মানুহবোৰ ভাবি চালেই দেখোন বুজি পায়।
জীৱনটো আমাৰ কঁচুপাতৰ পানী এয়া হেনো মহৎলোকৰ বাণী
সৰু বৰ নাই নাই বিভাজন শ্ৰেণীৰ সময় হ'লেই যমে নিয়ে টানি।
মই মোৰেই হৈছে বুলি অহংকাৰ কৰি নাভাবি নিচিন্তি আছো ঠেলা-ঠেলি কৰি,
সময় হ'লেই সকলো যায়গৈ লোভ, মোহ, ক্ৰোধ, কাম এই সকলোবোৰ থাকে পৰি ।
দুদিন আগ পিছ মৃত্যু সকলো জীৱৰ,
তেনেহ'লে মই মোৰ বুলি দাংকোপ মাৰি ফুৰিছো কিহত?
ভাবিব নোৱাৰোনে আমি মোতকৈ সকলোবোৰ প্ৰাণীয়ে জ্ঞানী বুলি
ময়েই সবাতোকৈ মূৰ্খ ভাবি জীয়াই থকা কেইদিন যাও আহক সকলোৱে আগবাঢ়ি।

■■

গল্প—

# অস্তমিত সূৰ্য

ড° মিনতি শৰ্মা
সহযোগী অধ্যাপিকা, প্ৰাণী বিজ্ঞান বিভাগ।

একেবাৰে ন'হলেও চেগা-চোৰোকাকৈ বিভিন্ন কামৰ ফাঁকে ফাঁকে আজি সাতদিনৰ মূৰত কোনোমতে নিৰ্মালী হাজৰিকাৰ উপন্যাস উদিত সূৰ্য পঢ়ি শেষ কৰিলো।

বাৰাণ্ডাৰ চকীখনতে বহি চকু দুটা মুদি উপন্যাসখনৰ কথাকে ৰোমন্থন কৰি আছো। যেনে ধৰক উদিত সূৰ্যৰ নায়িকা ৰত্নাৰ চৰিত্ৰটো। ৰত্নাৰ ত্যাগ, প্ৰেৰণা, অহৰহ আলপৈচান, লেখক স্বামী অভিনন্দনৰ প্ৰতি।

অভিনন্দন বৰুৱাৰ ঘৰ তেজ-পুৰত। শদিয়াৰ পৰা ধুবুৰীলৈ যাৰ নামেই পৰিচয়। তেওঁৰ লিখনিয়ে সমগ্ৰ অসমতে পাঠক পাঠিকাৰ হৃদয় চুই যায়। ইখনৰ পাছত সিখন বাতৰি কাকত, পত্ৰিকা, আলোচনীৰ সম্পাদকৰ নেৰা-নেপেৰা তাগিদা তেওঁৰ লিখনি বিচাৰি।

ওচৰ-চুবুৰীয়া দুই এজনৰ ঈৰ্ষা বৰ ভাগ্যবান মানুহ সাহিত্যিক বৰুৱা। তেওঁৰ নিজা প্ৰতিভাতো আছেই তাতে আকৌ তেওঁৰ সুযোগ্যা পত্নী ৰত্না, যি গৰাকী নাৰীৰ অবিহনে হয়তো অভিনন্দন বৰুৱা ইমান যশ-কৃতিৰ গৰাকী নহ'লহেঁতেন।

বৰুৱা দম্পতীৰ সতি-সন্ততি বুলিবলৈ দুজনীকৈ ছোৱালী আৰু এটি ল'ৰা।

অভিনন্দন বৰুৱা লিখনিত এনেদৰে নিমজ্জিত যে তেওঁৰ ল'ৰা-ছোৱালী কেইটিয়ে কি কৰিছে, কি পঢ়িছে, কি খাইছে, সংসাৰ চকৰী কিদৰে ঘূৰিছে এই সকলোতে নিৰ্বিকাৰ।

অভিনন্দন বৰুৱাৰ সৃষ্টিশীল লিখনিত যাতে কোনো আউল নালাগে তাৰ বাবে ৰত্না তৎপৰ হৈ থাকে। ৰত্নাই ল'ৰা-ছোৱালীকেইটিকো সকিয়াই থৈছে দেউতাকক আমনি নকৰিবলৈ। সৰুতে সিহঁতে মাজে সময়ে দেউতাকৰ আৱদাৰ বিচাৰি আমনি নকৰাও নহয়, কিন্তু ৰত্নাই কৌশলেৰে সিহঁতক সৈমান কৰাইছিল।

লেখকৰ জীৱন কিন্তু ইমান সৰলৰেখা নহয়। বহু অভাৱ অনাটনেৰে ভৰা। সেয়েহে ৰত্নাই নিজাকৈ ঘৰতেই কেইবাখনো তাঁতশাল পাতি লৈছে। শিপিনি ৰাখি ব্যৱসায় ভিত্তিত কাপোৰ বৈ বিক্ৰি কৰি অৰ্থ উপাৰ্জন কৰিছে। সংসাৰৰ জোৰা-টাপলি মাৰিছে।

অভিনন্দন বৰুৱাই মাথো লিখি গৈছে এখনৰ পাছত সিখনকৈ উপন্যাস, গল্প আদি। তেওঁৰ লিখনি পঢ়ি পাঠক-পঠিকাই তেওঁকফোন কৰি ব্যতিব্যস্ত কৰে, প্ৰসংশা কৰে। বহুতো ৰাজ্যিক তথা ৰাষ্ট্ৰীয় বঁটাৰে পুৰস্কৃত তেওঁ। মুঠতে তেওঁ এগৰাকী সফল ব্যক্তি।

অজানিত ভাৱে ৰত্নাক এগৰাকী মহীয়সী নাৰী যেন লাগিল। মনতে ভাব হ'ল এনেকুৱা নাৰীও থাকেনে? যি নিজৰ ভাল লগা, বেয়া লগা সকলো জলাঞ্জলি দি নিঃস্বাৰ্থভাৱে স্বামীৰ উত্তৰণ আৰু সন্তানক গঢ় দিয়াতে নিজৰ জীৱন উৎসৰ্গা কৰা।

আজিৰ ভোগবাদী সমাজত এনে চৰিত্ৰ অংকণ কৰাতো কিমান দূৰ সম্ভৱ? আজি-কালি ওপজা দিনত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সাহিত্যিক, গল্পকাৰ, কবি আদিকে ধৰি প্ৰখ্যাত ব্যক্তিসকলক সভা-সমিতি পাতি বা বাসভৱনলৈ গৈ ফুলৰ থোপাৰে ওলগ জনায়। এয়া নিশ্চয়কৈ প্ৰশংসনীয় কিন্তু এইসকল ব্যক্তিৰ আঁৰত ৰত্নাৰূপী নাৰীসকলতো সদায়ে সমাজৰ দ্বাৰা অৱহেলিত।

অৱহেলিত! এই শব্দটোৱে মোক আজিৰ পৰা প্ৰায় ১৫ বছৰ আগৰ এটি গুৰু-পূজন নামৰ অনুষ্ঠানলৈ লৈ গ'ল। 'গুৰু-পূজন' হৈছে ভাৰত নাট্যমৰ এটি দীক্ষান্ত অনুষ্ঠান। বেছ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত প্ৰখ্যাত নৃত্য শিল্পী শ্ৰীযুত যতীন্দ্ৰ নাথ গোস্বামীদেৱক আমন্ত্ৰণ

কৰা হৈছে। দীক্ষান্তসকলৰ গুৰু হৈছে মল্লিকা দেৱী। নিমন্ত্রিত অথিতিসকলেৰে যথা সময়ত সভাগৃহ ভৰি পৰিল। বন্তি প্রজ্বলনেৰে অনুষ্ঠান মুকলি কৰিলে। গোস্বামী দেৱ সমন্বিতে কেই বাগৰাকী ব্যক্তিয়ে সম্বৰ্দ্ধনা অনুষ্ঠানটি আৰম্ভ হ'ল। গোস্বামীদেৱ, মল্লিকাদেৱীৰ লগতে তেওঁৰ স্বামীকো সন্মান জনোৱা হ'ল। এয়া নিতান্তই ভালকথা। সদ্য বিবাহিত মল্লিকা দেৱীৰ স্বামীৰ কেনেধৰণৰ অৱদান বুজি নাপালো। অথচ ৰত্নাক তেওঁৰ স্বামীৰ সম্বৰ্দ্ধনা অনুষ্ঠানত তেনেদৰে সন্মান জনোৱা উল্লেখ নাই। পুৰুষ প্রধান সমাজত এনেদৰে ৰত্না উপেক্ষিত। নাৰী বাবেই নেকি? এইয়া মোৰ ব্যক্তিগত অনুভৱ।

পুনৰ ঘূৰি গৈছো উপন্যাসৰ পটভূমিলৈ। ৰত্নাৰ একমাত্র ল'ৰাটিয়ে বি.এ পাছ কৰি ৰাষ্ট্ৰীয় বেংক এটাত পি.অ' চাকৰি পাইছে। চাকৰি সূত্রে সি এলাহাবাদতে থাকে। ছোৱালী দুজনীৰো বিয়া হৈ গ'ল। ডাঙৰজনী ৰীমা ডিব্রুগড়ত। এখন সম্ভ্রান্ত ঘৰৰ বোৱাৰী, গিৰীয়েক অধিবক্তা। দুটি ল'ৰা সন্তানেৰে এখন সুখৰ সংসাৰ। সৰু ছোৱালী আশা তেজপুৰতে এখন ছোৱালী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা। বিয়াও হৈছে এগৰাকী অধ্যাপকৰ লগতে সেইফালৰ পৰা ক'বলৈ গ'লে দুয়ো বৰুৱা দম্পতী সুখী, সাংসাৰিক জীৱনৰ পূৰ্ণতা আছে।

অভিনন্দন বৰুৱা লিখনিত নিমগ্ন। কিন্তু ৰত্নাৰহে দিন নাযায় ৰাতি নুপুৱাই অৱস্থা। আগৰ দৰে ৰত্নাৰ ঘৰুৱা ব্যস্ততা বহু কমি গৈছে। তাঁতশাল খনেই তেওঁৰ নিৰ্জন হৃদয়ৰ লগৰী। সন্ধিয়া শিপিনীসকল ঘৰমুৱা হ'লেই ৰত্নাই বুকুত কিবা বিষ অনুভৱ কৰে। কাৰণ কেওফালে নিমাও মাও। ছোৱালী দুজনী আৰু ল'ৰাটিলৈ বৰকৈ মনত পৰে আৰু চকুহাল সেমেকি উঠে। সিহঁতে ফোনযোগে নিয়মিতভাৱে মাক- দেউতাকৰ খবৰ লয়।

এনেদৰে কিমান সময় গ'ল মই ক'ব নোৱাৰো কেতিয়া জানো সন্ধিয়া লাগিল।

মই বাৰাণ্ডাৰ পৰা উঠি গৈ লাইট জ্বলাই দিলো। লগতে বাৰাণ্ডাৰ দুৱাৰখন বন্ধ কৰি দিলো। বেৰৰ ঘড়ীটোলৈ চালো, পাঁচবাজি, চল্লিছ মিনিট। এনেতে মোৰ মোবাইল ফোনটো বাজি উঠিল। মোৰ স্বামীয়ে ফোন কৰিছে অফিছত এখন মিটিং আছে আহোতে পলম হ'ব গতিকে চিন্তা কৰিব নালাগে।

ছেঃ অকলে থাকিব লাগিব। আগতে জনাহেতেঁন দিদিজনীকে ৰাখি থ'ব পাৰিলোহেতেঁন। মনটো সতেজ কৰিবলৈ একাপ বেছ কাঢ়া চাহ কৰি আনি শোৱনি কোঠাৰ চকীখনতে বহি ললো। টিভিৰ অনুষ্ঠান এটাকে চাওঁ বুলি ৫৫৭ চেনেলটো দিলো, ডিচকভাৰী চেনেলত তেতিয়া এডভাৰটাইজমেন্ট চলি আছে। নিউজ লাইফটোকে চাওঁ বুলি ল'লো। নিশাৰ মহানগৰী বুলি কিবা এটা অনুষ্ঠান দি আছে। চাই ভাল ল'গা নাই। টি.ভিটো বন্ধ কৰিদিলো।

কিবা উৰুঙা উৰুঙা লাগিছে আকাশলৈ মনত পৰিছে। আকাশ মোৰ একমাত্র ল'ৰা হায়দৰাবাদত থাকে তাতেই এটা চফ্‌টৱেৰ কোম্পানীত কাম কৰে। বৰ ব্যস্ত সি দীঘলীয়াকৈ ফোনত কথা পাতিবলৈ সময়কণো নাপায়। মনতে ভাব হ'ল ল'ৰাটোৰ বিয়াখন পাতিব পৰা হেঁতেন। পিছ মুহূৰ্ততে মনলৈ আহিল ক'তা বোৱাৰীজনীকটো মই লগৰী কৰি ৰাখিব নোৱাৰিম। মই বাৰু কেনেকৈ ইমান স্বাৰ্থপৰ হ'ম। আকাশলৈ মোৰ বেয়া লাগিল, বেচেৰা সিওঁতো অকলশৰীয়া। মুঠতে এইবাৰ সি ঘৰত আহিলে কথাটো উলিয়াই বিয়াখন পতাৰ চেষ্টা কৰিব লাগিব।

কিয় জানো মোৰ নিজকে উপন্যাসৰ ৰত্নাজনী যেন লাগিল। নিয়ন লাইটটো জ্বলাই মই বিচনাতে বাগৰি পৰিলো। নাই কোনোমতে টোপনি নাহে। পুনৰ ৰত্নাৰ চৰিত্ৰটো ভাহি আহিলে। ৰত্নাৰ সেই বুকুৰ বিষটো যে আৰম্ভ হৈছিল। বিষটোৱে ৰত্নাজনীক ভিতৰি ভিতৰি দুৰ্বল কৰি তুলিছিল। তথাপি এই বিষয়ে কাকোকে কোৱা নাছিল কিজানিবা অভিনন্দন বৰুৱাৰ লিখনিত আউল লাগে। অভিনন্দন বৰুৱাৰ প্ৰতিটো লিখনিয়ে ৰত্নাক পুলকিত কৰি আহিছে।। পঢ়িলে পঢ়ি থাকিবৰ মন যায়।

ৰত্নাৰ বুকুৰ বিষটো আজি কিছুদিনৰ পৰা বেছি হ'বলৈ লৈছে। অভিনন্দন বৰুৱাইও কথাটো মন কৰিছে। ডাক্তৰৰ তালৈকে লৈ যাবলৈ বুলি থিক কৰিছিল, পিছে ৰত্না সৈমান নহ'ল। ৰত্নাৰ মতে তাইৰ বুকুৰ বিষটো দুৰ্বলতাৰ বাবেই হৈছে হেনো। অভিনন্দন বৰুৱাইও কথাটো দ'কৈ

নলৈ ৰত্নাই ভাল ভিটামিন জাতীয় ঔষধকে আনি দিলে।

ৰত্নাই বৰুৱাক নতুনকৈ লিখি থকা উপন্যাসখনৰ কথা সোঁৱৰাই দিলে আৰু সোনকালে লিখি উলিয়াবলৈ তাগিদা দিলে। এইবেলি অভিনন্দন বৰুৱাই লিখা উপন্যাসখন ৰত্নাক লৈয়েই। য'ত তেওঁ ৰত্নাক তেওঁৰ জীৱনৰ অবিচ্ছেদ্য অভিন্ন অংগৰ ৰূপত অংকন কৰিছে। সাধাৰণতে ৰত্নাই স্বামী অভিনন্দন বৰুৱাই লিখি থকা অৱস্থাত উপন্যাস নপঢ়ে। যদিহে বৰুৱাই নিজে তেওঁক পঢ়িবলৈ নকয়। এইবাৰ কিন্তু ৰত্নাৰ মনটো উগুল-থুগুল হৈ আছে উপন্যাসখনৰ বিষয়ে জানিবলৈ।

ৰত্নাৰ ধৈৰ্য্যৰ বান্ধ ছিঙিল। এদিন দুপৰীয়া বৰুৱা শুই থাকোতে চেগ বুজি ৰত্নাই উপন্যাসৰ পাত লুটিয়াব ধৰিলে। ৰত্না বিস্ময়ত হতবাক হৈ পৰিল। অভিনন্দন বৰুৱাৰ প্ৰতি শ্ৰদ্ধাত শিৰনত হৈ পৰিল। আনন্দতে তেওঁৰ চকুলো নিগৰিবলৈ ধৰিলে। সন্তৰ্পণে ৰত্না কোঠাটোৰ পৰা ওলাই আহিল। শুই থকা অভিনন্দনৰ ভৰি দুখন সাৱটি ধৰি হাউলি দিলে। এইদৰে কিমান পৰ পৰি থাকিল। অভিনন্দন; বৰুৱাই গমকে নাপালে। সাৰ পাই অভিনন্দন বৰুৱাই উছপ খাই উঠিল। ৰত্নাক দুহাতেৰে তুলি ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু এয়া...। এইয়া কি? কি হ'ল ৰত্নাৰ? ৰত্না, ৰত্না বুলি তেওঁ আৰ্তনাদ কৰি উঠিল। নাই, ৰত্নাৰ কোৰো সাৰসুৰ নাই। অভিনন্দন বৰুৱা উচপ খাই উঠিল। ৰত্নাক দুহাতেৰে তুলি ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু ই কি। ৰত্না অলৰ-অচৰ অভিনন্দন বৰুৱা থৰ পৰা কপৌটো যেন হ'ল। তেওঁ কিদৰে দিন কটাব? ৰত্নাৰ অনুপস্থিতিত তেওঁক কোনে লিখিবলৈ তাগিদা দিব। তেওঁৰ জীৱনটো যেন এখন বঠা বিহীন নাও। বৰুৱাই থিৰ কৰি পেলালে, তেওঁ আৰু কেতিয়াও নিলিখে লিখিব নোৱাৰে।

অভিনন্দন বৰুৱাৰ শেষ উপন্যাস 'তোমাৰ বাবেই মই' এইদৰেই অসম্পূৰ্ণ হৈ ৰ'ল। মই মনতে ভাবিলো হাজৰিকাৰ উপন্যাসখনিৰ নাম 'উদিত সূৰ্য' ন'হৈ 'অস্তমিত সূৰ্য হে হ'ব লাগিছিল।

■■

গল্প—

# ধন্যবাদ লোড্ শ্বেডিং

অবিনাশ বৰুৱা
স্নাতক, প্ৰথম ষাণ্মাসিক (বিজ্ঞান)।

বহুদিনৰ মূৰত হোৱা বৰষুণ জাকে পুৱাৰ সময়খিনি সেমেকা কৰি পেলাইছে। একবিংশ শতিকাৰ বৰষুণো দূৰ্নীতিগ্ৰস্ত যেন লাগিছে! যেতিয়া প্ৰয়োজন তেতিয়া নাই আৰু অনাৱশ্যকীয় সময়ত ধাৰাসাৰ বৰষুণ। তথাপিও এইখিনি সময়ত এই কিনকিনিয়া বৰষুণ জাকে মোৰ মন পাতল কৰি পেলাইছে। ব'হাগ পাৰ হ'ল যদিও কুলিৰ সুৰীয়া মাতটো শুনিয়েই আছো। তাকে দেখি আন চৰাইবোৰে কাউৰীৰ নেতৃত্বত 'অসম আন্দোলন' কৰিব লাগিছে। কিবাকে বিদেশী কুলিক খেদিব পাৰিলে কাউৰীয়ে ৰজা।

ৰাতিটো গৰমত ছট্‌ফটাই থকাৰ পিছত এইখিনি সময়ত বিছনাখন এৰি আহিবৰ মন যোৱা নাই। শুবৰ সময়ত ফেন্‌খনৰ চুইচটো 'অন' কৰি থৈছিলো যদিও ৰাতি ফেনখন ঘূৰা যেন অনুভৱ নহ'ল। লোড্ শ্বেডিঙৰ উৎপাতত ফেন্‌খনেও চাগে ঘূৰাৰ দিশটো পাহৰিছে! কিমান 'হৰি, যদু, মধু'ৰ যে গালি খাইছে এই বিদ্যুৎ পৰিষদখনে। শুনিছো আমেৰিকাত তিনি মিনিট লোড চেডিংৰ বাবেও আগতীয়াকৈ জাননী দিয়া হয়।

ঃ হেৰি, নুঠে নেকি? দেৰি হ'ব, মই উঠো দেই- শ্ৰীমতীয়ে মাত লগালে। তেওঁৰ চাগে শুই শুই আমনি লাগিছে। ঘৰখনত পৰিয়াল বুলিবলৈ আমি দুজনেই। বৃত্তিত মই এই গাঁৱৰে কলেজখনৰ প্ৰৱক্তা। ভাড়া ঘৰ এটা লৈ আমি পৰিয়াল দুটি আছো। গাঁৱৰ মানুহখিনিৰ মৰম যোৱা দুটা বছৰৰ পৰা মই পাই আছো। শ্ৰীমতীকো যোৱা দুমাহতে গাঁৱৰ বোৱাৰীসকলে আদৰি লৈছে।

— 'হেৰি, কওঁক আকৌ কিবা এটা।'

এইবাৰ শ্ৰীমতীয়ে মোৰ দেহটো জোকাৰি দিলে। মোৰ মৌনতাই তেওঁক অধৈৰ্য কৰি পেলোৱা যেন লাগিল। মোৰ এতিয়াই উঠিব মন নাই আৰু এওঁকো উঠি যাব দিব ইচ্ছা নাই। এওঁৰ সংগই মোৰ মনটো পৰিপূৰ্ণ কৰি ৰাখে, যেনেকৈ কলেজীয়া জীৱনত শিখাই মোৰ মনটো পৰিপূৰ্ণ কৰি ৰাখিছিল। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত লগ পাইছিলো সেই চঞ্চল ছোৱালীজনীক পূজাৰ বতৰত বজাৰলৈ নতুনকৈ অহা পুতলা গাড়ী দেখি এটি শিশুৱে যেনেকৈ গাড়ীখন নিজৰ কৰি ল'বলৈ চেষ্টা চলায়, ঠিক একেদৰে শিখাক নিজৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলো। আৰু সঁচাকৈয়ে এদিন মোৰ প্ৰস্তাৱ মানি লৈ মোৰ কাষ চাপিছিল তাই। নতুনকৈ পাখি গজা চৰাইৰ দৰে উৰিছিলো মই। কলাক্ষেত্ৰ, দীঘলী পুখুৰী, নেহেৰু পাৰ্কৰ ফুলবোৰে চিনি পোৱা হৈছিল আমাক। দিল্লী বিশ্ববিদ্যালয়ত স্নাতক শিক্ষা ল'বলৈ যোৱা শিখাৰ লগত পিছলৈ সংযোগ কমি আহিছিল। সঁচাকৈ 'সময় সোঁৱৰণীৰ এখিলা পাত।'

এই বোৰ কথা এও গম নাপায়, কোনোদিনে কোৱাৰ প্ৰয়োজনীয়তাও অনুভৱ কৰা নাই। — আহ! ক'ব নোৱাৰাকৈয়ে মোৰ মুখৰ পৰা চিঞৰটি ওলাই আহিল। মোৰ পৰা একো উত্তৰ নোপোৱাৰ বাবেই মোৰ বুকুত এও চিকুটি দিলে। চকুত দুষ্টালিৰ হাঁহি। এওঁৰ এই ছোৱালী সুলভ মনটিয়ে মোৰ মুখত হাঁহি বিৰিঙাই। একো নোকোৱাকৈ মই এওঁক বুকুৰ মাজলৈ টানি আনিলো। সেমেকা বতৰত মোৰ মনটো ৰোমান্টিক হৈ উঠে বুলি এওঁ বুজি পোৱা হৈছে। তথাপিতো নুবুজাৰ ভাও জুৰি এবাৰ মাত লগালে

এতিয়া আকৌ আপোনাৰ কি হ'ল?

এতিয়া মানে? তোমাক মৰম কৰিব কিবা সময়ৰ কথা আছে নেকি?

এইবাৰ এওঁৰ মুখত মিচিকিয়া হাঁহি এটি বিৰিঙি উঠিল। শ্ৰীমতীয়ে আকৌ মোক দিনত অলপ লাজ কৰে। হাজাৰ হওঁক বিয়া হ'বৰ তিনিমাহ হে হ'ল! অৱশ্যে এই লাজটো মোৰ বৰ প্ৰিয়।

চাও এৰি দিয়ক। আপোনাৰ কলেজলৈ দেৰি হ'ব।

অলপ সময় থাকাচোন। ইমান দেৰি হোৱা নাই দিয়া।

ঘড়ীটো চাওঁকচোন, চাৰে সাত বাজিল।

এইবুলি এওঁ নিজৰ ওঁঠ দুটি মোৰ গালখনত লগাই দিলে। মহিলা সকলৰ এইটো তৃতীয়টো পাশুপাত অস্ত্ৰ। প্ৰথম দুটা হ'ল- এটা মিচিকিয়া হাঁহি আৰু চকুপানী। শ্ৰীমতীয়ে উঠি পিন্ধি থকা কাপোৰ-কানিখিনি ঠিক কৰি কামত লাগি গ'ল। ময়ো উঠাটোৰেই সিদ্ধান্ত ল'লো।

কাকতখন এতিয়াও আহি পোৱা নাই। ইয়াত আকৌ বাৰ বজাৰ আগত কাকতখন আহি নাপায়। গাঁৱৰ কথা যে! প্ৰথম ক্লাছটো চাৰে দহ বজাত আছে। এতিয়া আঠহে বাজিছে। গতিকে বেছি খৰ-ধৰ কৰাৰ প্ৰয়োজন নাই। ইতিমধ্যে বৰষুণ জাকো অদৃশ্য হৈছিল। গতিকে ব্ৰাছডাল লৈ অলপ ৰাস্তাৰ ফালে ওলাই আহিলো। কেই চপৰামান ক'লা মেঘে সূৰ্য দেৱতাৰ ৰ'দৰ পথত ছায়া হৈ থিয় দিছে। সিহঁতে যেন আজি তেওঁক নজৰ বন্দী কৰিছে! ছাগলীবোৰে পথাৰলৈ বুলি দৌৰিছে। কিৰিলি পাৰি এজাক শিশু হাতে হাতে বাতি-চামুচ লৈ অংগনাবাদী বিদ্যালয়লৈ গৈ আছে। লগত সিহঁতৰ একো-একোজন অভিভাৱক। ৰাস্তাটো পিছল হৈ আছে বাবে আজি সিহঁতে দৌৰিব ভয় কৰিছে। ভেকুলিৰ টোৰ-টোৰণি এতিয়াও কমা নাই। বোপা ককাৰ প্ৰবৃত্তিটো সিহঁতে এতিয়াও এৰা নাই।

ৰাস্তাৰ কাষৰ গছ এডাল বগৰাবলৈ কেইজনমান মানুহে যুঁজি আছে। ওখ কদম গছডালত এজন পাকৈত গাছুৱৈ মাজলৈ উঠি গৈছে। অভিজ্ঞতাৰে পৰিপক্ক গাছুৱৈজনে ভৰি দুখনেৰে গছ ডালত পাক খুৱাই লৈছে, বাওঁ হাতখনেৰে গছডাল সাৱটি ধৰি, সোঁ-হাতেৰে সজোৰে গছডালত ঘপিয়াইছে। প্ৰতিটো ঘাপতে তাৰ কপালৰ পৰা টোপ টোপকৈ ঘামৰ বৰষুণ হৈছে। গছডালৰ একেবাৰে শীৰ্ষত লগাই থোৱা শকত ৰচীডাল কেইজনমানে পূৱৰ ফালে টানিব লাগিছে। পূৱা-পশ্চিমা ৰাস্তাটোৰ সমান্তৰালকৈ থকা বিজুলী তাৰ কেইডালত যাতে গছডাল নপৰে তাৰ বাবেই এই ব্যৱস্থা।

ককাই, ধৰি দিব লাগিব নেকি?

সৌজন্যতাৰ খাতিৰতেই হাতত বেছি সময় নাথাকিলেও সুধিলো।

প্ৰফেছাৰ বাবু, নালাগে দিয়ক। আমি আছোৰেই নহয়।

'প্ৰফেছৰ' শব্দটি বেছিখিনি গাঁৱৰ মানুহেই 'প্ৰফেছাৰ' বুলি কয়। নালাগে বুলি কোৱাত ওচৰতে থকা সৰু ল'ৰা কেইটাৰ লগ হৈ ময়ো গছডাল বগৰোৱাৰ কায়দাটো চাব ধৰিলো। গাছুৱৈজনে গছডাল কাটি কাটি গৈ আছে। মাজে মাজে অলপ ৰখি সি নিজৰ স্থিতি সবল কৰি লয়। তাৰ কামটো বিপদজনক। কথাটো সি জানিও, মৰসাহ কৰি গছত উঠি যায়। বৃত্তিৰ নামত কিছুমান মানুহে নিজৰ জীৱনৰ জুৱা খেলিবলৈ বাধ্য হয়।

বতাহ দিলে তামোল গছ লৰাৰ দৰে গছ ডালৰ উপৰ অংশটি লৰিবলৈ ধৰিলে। গাছুৱৈজনে সুৰক্ষিতভাৱে গছডালত বহি ললে। আমাকো অলপ আঁতৰত থিয় হ'বলৈ কৈ ককাইহঁতে ৰচিডাল টানিবলৈ ধৰিলে।

জোৰ লগাকে হয়চ্চা।

হয়চ্চা, হয়চ্চা।

যেন দেৱতা আৰু দৈত্যসকলে সাগৰহে মন্থন কৰি আছে! এবাৰ যদি আগুৱাই গৈছে আন এবাৰ পিছুৱাই গৈছে। গাছুৱৈজনে মাজে মাজে সুবিধা বুজি দুই এটা ঘাপ মাৰিছে। ক্ৰমান্বয়ে গছডাল জোৰকৈ লৰিব ধৰিছে। মানুহ কেইজনেও বেছি জোৰ দি টানিব ধৰিছে। সৰু ল'ৰা-ছোৱালী কেইজনীৰ মাজত অপাৰ উৎসাহ।

পৰিল, পৰিল, পৰিল, পৰিল এই ... পৰিল। আটাইবোৰে একেলগে চিঞৰি উঠিল আৰু গছডালো ধুপুচকৈ শব্দ এটি কৰি বাগৰি পৰিল। কামটো সুকলমে হোৱা যেন লাগিল যদিও অথন্তৰ নঘটাকৈ নাথাকিল। গছডাল ঠানি এটা বিজুলী তাৰত লাগি তাৰডাল ছিঙি পেলালে কথাটো সাধাৰণ কথা। পিছে সেই তাৰ ডাল চিটিকি গৈ ওচৰতে থিয় হৈ চাই থকা ল'ৰা এটাৰ মূৰত পৰিল। ল'ৰাটো অচেতন হৈ বাগৰি পৰিল। চকুৰ পচাৰতে হৈ যোৱা অঘটনটো তলকিবই পৰা নাছিল। লগে লগে হৈ চৈ এখন লাগি পৰিল। নিমিষতে কথাটো ৰাষ্ট্ৰ হৈ পৰিল। ঠাইখিনি জন সমুদ্ৰত পৰিণত হ'ল। কিন্তু কোনেও ল'ৰা জনক চুব সাহস নকৰিলে। দুই এজনে চুব খুজিছিল যদিও বয়সীয়াল সকলে মানা কৰিলে। বিজুলীৰ শ্বক্ খোৱা মানুহক চুব নালাগে বুলি তেওঁলোকে জানে। ঘটনাটোৱে মোকে শংকিত কৰি পেলালে। ২২০ ভল্ট প্ৰবাহ কাৰোবাৰ মাজেৰে পাৰ হৈ যোৱাৰ পিছত

ল'ৰাটো জীয়াই থকাৰ আশা অতি ক্ষীণ। কোনেও ভাবিব নোৱাৰা অঘটন এটি ঘটি যোৱাত মানুহবোৰ অধৈৰ্য হৈ পৰিল।

১০৮ ত ফোন কৰ, ১০৮ত।

অই মৃত্যুঞ্জয় মাত সোনকালে।

পানী ঢালি দিও নেকি?

মৰিব মন নাই যদি নুচুবি তাক।

কোনোবাই ১০৮ত ফোন কৰিলিনে?

ইত্যাদি ইত্যাদি বহুতে বহুত মত দিব ধৰিলে। পুৱাৰ চিলমিল টোপনিত লালকাল হৈ শুই থকাৰ দৰে ল'ৰাটি তেতিয়া মাটিতে বাগৰি আছে। পালচ্ চাবলৈও তাক চুব পৰা নাযায়। অন্যথা নিজৰেই বিপদ। ল'ৰাটিৰ ঘৰৰ পৰিয়ালৰ মাজত হাঁহাঁকাৰ লাগিল। মাকজনীক কোনোমতে শান্ত কৰিব পৰা নাই। বাৰে বাৰে ল'ৰাটিক চুব খোজা বাবে মাকক চাৰিজনীমান তিৰোতাই ধৰি ৰাখিছে। ল'ৰাৰ বাপেকে বাৰে বাৰে পুলিচত গোচৰ দিয়াৰ ভাবুকি দি আছে। ইয়াকে শুনি গছ কটা ককাইহঁত ভয়ত পেপুৱা লাগিছে। সকলোৰে মুখত মাত্ৰ শংকাৰ চিন।

দূৰত কু কু কৰি মৃত্যুঞ্জয়খন অহাৰ শব্দ শুনা গৈছে। দুই এজনৰ দৃষ্টি সেইফালে গুছি গৈছে।

— অই চকু মেলিছে। চকু মেলিছে।

— হাত লৰাইছে।

ল'ৰাজনৰ ওচৰতে বহি থকা কেইজনে চিঞৰি উঠিল। লগে লগে আটাইৰে দৃষ্টি ল'ৰাজনৰ ওপৰত পৰিল। তাক চাবলৈ মানুহৰ হেতা উপৰা লাগিল। সেই সুযোগতে মাকে দৌৰি গৈ ল'ৰাজনক সাবটি ধৰিলে। আনন্দত মাকৰ চকুৰেদি আকৌ এধাৰি অশ্রু বৈ আহিল। বহুতে ভগৱানক ধন্যবাদ যাচিলে। ২২০ ভল্ট দেহৰ মাজেৰে পাৰ হৈ যোৱাৰ পিছতো ল'ৰাজন সুকলমে থকা দেখি আটায়ে তবধ মানিলে। তেনেতে মোৰ মনলৈ আহিল। লোড্ শ্বেডিঙৰ বাবে যোৱা ৰাতিৰ পৰাই দেখোন গাঁওখনত বিজুলী নাছিল। তাৰ মানে ল'ৰাজনৰ দেহেৰে বিজুলী সৰবৰাহ হোৱা নাছিল। তাৰ ডালৰ কোবত ভয় খাই হে ল'ৰাজন অচেতন হৈছিল। চেঃ ইমান বোৰ হৈ চৈ মিছাতে লাগিল। লোড্ শ্বেডিঙৰ বাবেহে ল'ৰাটিৰ জীৱটো আজি ৰক্ষা পৰিল। "ধন্যবাদ লোড্ শ্বেডিঙ, ধন্যবাদ বিদ্যুৎ পৰিষদ।"

■■

গল্প—

# চন্দ্ৰকলা

ময়ূৰাক্ষি শৰ্মা
স্নাতক তৃতীয় ষাণ্মাসিক

"ৰে'লৰ শেষ উকিটোৰ লগে লগে শূণ্যতা বিৰাজ কৰা ষ্টেচনটো আৰু হতাশাৰ কুঁৱলীৰে আবৰা এযোৰ সজল চকু।"

আজিৰে পৰা চাৰিদিন আগৰ কথা। জ্বৰত কেঁকাই থকা ঘৈণীয়েকৰ মুখখন চাই হাতত কুঠাৰখন লৈ বাহিৰলৈ যাবলৈ ওলোৱা মানুহজনে হঠাতে কিবা এটা মনত পৰাৰ দৰে ক্ষন্তেক ৰৈ কোঠাটোৰ আনটো মূৰলৈ ঘূৰি চালে আৰু লালকাল হৈ শুই থকা ল'ৰা-ছোৱালী হালৰলৈ চাই পুনৰ ওলাই গ'ল। তেতিয়া ৰাতিটোৰ অন্ধকাৰক ঠেলি দি পোহৰে ৰেঙিয়াইছিল হে মাত্ৰ।

ৰতন এজন পঁইত্ৰিশ বছৰীয়া ব্যক্তি আৰু সেউতী ৰতনৰ ঘৈণীয়েক; ত্ৰিশ বছৰীয়া এগৰাকী মহিলা। দুয়োজনে ইটা ভাটা এটাত কাম কৰিছিল আৰু তাতেই সিহঁতৰ সংসাৰ আৰম্ভ হৈছিল। পোনাকণ আৰু জোনটি সিহঁত হালৰে সন্তান। পোনাকণৰ বয়স চাৰি বছৰ সম্পূৰ্ণ হোৱাই নাই আৰু জোনটিৰ বয়স সাত বছৰ হৈছে। সিহঁত হালৰে মাক তথা ৰতনৰে ঘৈণী সেউতীৰ আজি কেইবাদিনো ধৰি জ্বৰ। প্ৰথমে সাধাৰণ জ্বৰ বুলি ভাবিছিল যদিও পিছত সেই জ্বৰে পথ্যৰ অভাৱত কলা জ্বৰৰ ৰূপ ল'লে। হাতত থকা আটাই কেইটা সাঁচতীয়া ধনেই চিকিৎসাৰ নামতে উধাও হ'ল। হাতত সাঁচতীয়া বুলিবলৈ ঘৰৰ ভেঁটিটোৰ বাহিৰে আৰু একো নাই, ইফালে জ্বৰো ভালৰ সলনি বেয়াৰ দিশেহে গতি কৰিছে। ৰাতিটো গাৰ বিষত সেউতীয়ে কেঁকাই-গেঁথাই থকা দেখি শেষত উপায়হীন হৈ ৰতনে হাতত কুঠাৰখন লৈ ওলাই গৈছে, ঠাণ্ডাৰ দিন ক'ৰবাত কিজানি খৰি কাটি দি দুই এক পইচা ঘটিবই পাৰে! যোৱাৰ আগতে পোনাকণহঁতক চাই গ'ল, সিহঁত টোপনি গৈ থকা দেখি সি সিহঁতক আৰু নজগালে, কিয়নো সিহঁতহালেও যোৱা ৰাতি মাকৰ অৱস্থা দেখি শুৱাই নাছিল। পূৱ আকাশত বেলিয়ে ভুমুকিয়াইছে। পোনাকণ সাৰ পাই উঠি মাকৰ ওচৰলৈ আহিল। মাকে কেঁকাই কেঁকাই কিবা কৈ আছে। সি একো বুজি নাপাই বায়েকৰ ওচৰলৈ গ'ল আৰু তাৰ কোমল সৰু সৰু হাত দুখনেৰে বায়েকক জোকাৰি জোকাৰি জগাবলৈ ধৰিলে। বায়েক সাৰ পোৱাত সি বায়েকক মাকৰ ওচৰলৈ টানি আনিলে। জোনটিয়ে গম পালে যে মাকে পানী খাবলৈ বিচাৰিছে। তাই লৰালৰিকৈ চৌকাৰ ওচৰলৈ চৌকাটোত জুই দিবলৈ যত্ন কৰিলে। কোনো দিনে চৌকা জ্বলাই নোপোৱা জোনটিয়ে অশেষ চেষ্টা কৰি যেনিবা চৌকাটো জ্বলালে। বিগত ৪-৫ দিন আধাপেটীয়াকৈ শুব লগা হোৱাত তাইৰো গাত শক্তি বুলিবলৈ নিজৰ গাটোৰে সৈতে দুৱাৰ দলিলৈ যাব পৰাকৈ হে আছেগৈ। পানী গৰম কৰা সৰু পাত্ৰটো তাই ভায়েকৰ লগত কোনোমতে দাঙি নি জুইত দিলেগৈ। চামুচ এখনেৰে বাতি এটাৰ পৰা গৰম পানী অলপ অলপ লৈ মাকৰ মুখত ঢালি দি আশা পালি ৰ'ল কিজানি মাকে আনদিনাৰ দৰে কয়, "পোনাকণহঁত উঠিলি, যা পানী গৰম হ'বলৈ দিছো, মুখ হাতখন ধুই ল।" কিন্তু নাই মাক সম্পূৰ্ণভাৱে মৌন আৰু সিহঁত হালো.....। ৰতনেও অ'ত ত'ত দুই এঘৰত খৰি কাটি দি যি এক দুই টকা পালে তাৰে কবিৰাজৰ ওচৰলৈ গৈ দুটামান ঔষধ আনি ঘৰ পালেহি আৰু অলপ গৰম পানীৰে সৈতে ঘৈণীয়েকৰ মুখত দিলে। কিছুসময় কেঁকাই থাকি ঘৈণীয়েক সেউতী পুনৰ শুই পৰিল।

সিহঁতে কাম কৰা ইটা ভাটাটোত ১৫ দিন মান আগতে চহৰলৈ উঠাই নিছে। তাৰ লগৰ শ্ৰমিকবোৰ ইতিমধ্যে চহৰলৈ গৈছেই। তাত হেনো সিহঁতৰ বেতনো ২০০ টকাকৈ বঢ়াই দিব লগতে ৰেচনৰ সুবিধাকণটো আছেই। পিছে ৰতনেহে ঘৈণীয়েকৰ বেমাৰৰ বাবে যাব পৰা নাই। ইফালে ঘৰত থকা ৰেচনৰ পৰা দিয়া চাউল, নিমখ আদিও শেষ হৈ আহিছে। সি ভাবিছিল চহৰলৈ যাবই যেতিয়া তাতে সিহঁতৰ ৰেচন পাবই পিছে সেউতীৰ যে জ্বৰেই নেৰা হ'ল। সি এইবোৰ ভাবি চাউলৰ টিংটোৰ ওচৰলৈ গ'ল আৰু সিহঁতৰ বাবে দুটামান চাউল সিজাবৰ বাবে টিংটো খুলিলে। পিছে কি হ'ব? টিংটোত এমুঠি মানহে চাউল আছেগৈ। তাৰে সিহঁত তিনিটাই খোৱাটো অসম্ভৱ। যি কেইটা আছে তাৰেই ল'ৰা-ছোৱালী হালক চাউল

এমুঠি সিজাই দি নিজে পানী এগিলা-চকে খাই থাকিল।

দিনটো লাহে লাহে সমাপ্তিৰ দিশে। আবেলিলৈ তাইৰ অৱস্থা ভালক চাই বেয়াহে হ'বলৈ ধৰিলে। পুনৰ মূৰত জ্বৰ উঠি আহিল আৰু ৰতনে ঔষধ যোগাৰ কৰে মানে তাই এই সংসাৰৰ, তাৰ জীৱনৰ পৰা চিৰবিদায় মাগিলে। ৰতনে যেন সকলো অন্ধকাৰ দেখিলে। তাই যে এনেকৈ তাৰ জীৱনৰ পৰা আঁতৰি যাব সি ভবাই নাছিলে এই দুয়োটা কুমলীয়া ল'ৰা-ছোৱালী হালক লৈ সি কি কৰিব, কেনেকৈ ডাঙৰ কৰিব সিহঁতক? জোনটিয়ে কেৱল 'মা মা' কৈ কান্দিবলৈ ধৰিলে। তাইৰ মনত পৰিল ঘৰতে এবাৰ তাইৰ জ্বৰ হওতে ৰাতিটো মাকে তাইক কোলাত লৈ নিচুকনি গীত গাই শুৱাবলৈ চেষ্টা কৰিছিল। মাকে ভাত বনালে তাই ওচৰতে বহি মাকৰ পৰা বিভিন্ন সাধু শুনিছিল, গান শিকিছিল কিন্তু আজি সেই মাক এক নীৰৱ নিস্তব্ধ যমৰ দেহ।

পোনাকণে একো বুজি পোৱা নাছিল। বায়েক আৰু দেউতাকে কন্দা দেখি সিও কান্দিছিল; সি ভাৱিছিল সি কন্দা দেখি মাকে দৌৰি আহি তাক সাবটি ধৰিব আৰু গালত চুমা এটা খাই ক'ব— 'সোনটো নাকান্দিবা, মই আজি দেউতাৰাক কৈ তোক বাপুৰ দোকানৰ পৰা ৰঙা চকলেট্‌টো আনি দিম'। কিন্তু সি যে হৃদয় বিদাৰি কন্দাৰ পিছতো মাকৰ কোনো কেট্ কুটেই নাই।

এনেকৈয়ে দুদিন পাৰ হ'ল সেউতীৰ নিথৰ দেহটোকো সিহঁতৰ মাজৰ পৰা বিদায় দিলে। এতিয়া ৰতনৰ এটাই আশা। সি চহৰত যাব। তাত সি অতিৰিক্ত বেতন পাব; সেইখিনি সিহঁতহালৰ নামত জমা থব। তাতে কোনোবা স্কুলত সিহঁতক নাম লগাই দিব। সিহঁতক সি তাৰ দৰে অৱস্থা হ'বগৈ নিদিয়ে। কিন্তু সি চহৰলৈ যাব কেনেকৈ? তাৰ যে হাতত সমল বুলিবলৈ খাবলৈও এমুঠি নাই; তেনে পৰ্যায়ত সি চহৰলৈ যাব কেনেকৈ? অৱশেষত সি কিবা এটি ভাবি ঘৰৰ পৰা ওলাই গ'ল। সি সিহঁতৰ একমাত্ৰ সম্পত্তি, তাৰ ভেঁটিটো বেচিবলৈ সিদ্ধান্ত ল'লে। কিয়নো চহৰত যাব যেতিয়া তাতে সি লাহে লাহে নিজৰ এটা ঘৰ বনাব। এই পুৰণা ঘৰটোৰ প্ৰয়োজন তেতিয়া আৰু নাই।

ঘৰটো বেচি সি যিকেইটা টকা পাব তাৰেই সি চহৰলৈ যাব আৰু তাতে সি বৰ্তমান থাকিব পৰাকৈ এটা ঘৰৰো যোগাৰ কৰি ল'ব। প্ৰায় আন্ধাৰ হও হও পৰত সি হাঁহি মুখে ঘৰলৈ উভতিল আৰু পোনাকণহঁতক ক'লে, "অই তহঁতে আৰু চিন্তা নকৰিবি। আমাৰ দুখৰ দিন আৰু নাথাকে। ৰাতিপুৱাৰ লগে লগে আমাৰ দুখৰ দিনো নোহোৱা হ'ব। আমি চহৰলৈ যাম। তাতে থাকিম তহঁতক পঢ়াম। আজি ব'ল, আজি ৰাতিটো ক'ৰবাত কটাব পাৰিলে পুৱাৰ প্ৰথম ৰে'লখনতে আমি চহৰলৈ যাত্ৰা কৰিম— এই বুলি তিনিওটা সেই ঘৰটো, সেউতীৰ স্মৃতিৰে পৰিপূৰ্ণ ভেঁটিটো ত্যাগ কৰিলে। ৰে'ল ষ্টেচনৰ ওচৰৰে এখন দোকানৰ বাৰান্দাত তিনিও ৰাতিটো কঁটোৱাৰ সিদ্ধান্ত ল'লে। বহুত দিনৰ মূৰত ৰতনৰ ভালকৈ টোপনি আহিল। সি তাৰ পকেটত থোৱা সিহঁতৰ ভৱিষ্যত স্বৰূপ টকাকেইটা ভালকৈ গণি শুই পৰিছিল। পুৱা হোৱাৰ লগে লগে তিনিওটা উঠি ষ্টেচনলৈ গ'ল। তিনওটাৰে মনটো আজি ফৰকাল। পোনাকণে একো বুজি পোৱা নাছিল যদিও সি কিবা এটা যে ভাল হ'ব গৈছে তাক বুজি পাইছিল। টিকট কাউন্টাৰত টিকট লোৱা মানুহৰ দীঘলীয়া শাৰী। সিও শাৰীটোত থিয় হ'ল। ৰে'লখনে লাহে লাহে যাত্ৰা কৰিবলৈ সাজু হৈছিল। এনেতে সি টিকট ল'বলৈ হাতখন পকেটত ভৰাই দি চমকি উঠিল। তাৰ মূৰটো আচন্দ্ৰাই ধৰা যেন হ'ল। তাৰ যেন চাৰিওফালে ধোঁৱা ধোঁৱা হৈ গৈছে। তাৰ পকেটত টকা কেইটা নাই। হয়তো ৰাতি সি নিশ্চিন্ত মনে শুওতেই কোনোবাই..। ইতিমধ্যে ৰে'লখনে গতি ল'লে। ৰতনে ভাবি নাপালে কি হ'ল! জোনটি আৰু পোনাকণে দুয়ো ইটোৱে সিটোৰ মুখলৈ চাবলৈ ধৰিলে। সিহঁতে হয়তো এই অপ্ৰত্যাশিত ঘটনাৰ উমান পোৱা নাছিল। সিহঁতে গমকেই পোৱা নাছিল যে সেই টকাকেইটাতে আছিল সিহঁতৰ ভৱিষ্যত। নতুন দিনৰ সুৰুয, সিহঁতৰ মাকৰ লগত কটোৱা ঘৰটোৰ মধুৰ স্মৃতি। এই সকলোবোৰ কথা ৰতনৰ চকুৰ আগত ভাহি আহিল। ৰে'লৰ প্ৰতিটো ডবাই যেন তাৰ প্ৰতিটো আশা লৈ আগবাঢ়িছে। কেৱল নিনিলে তাৰ অস্তিত্বক। লাহে লাহে ৰে'লৰ ষ্টেচনটো শূণ্য হৈ পৰিল। ৰে'লৰ শেষৰ উকিটোও ক্ৰমাৎ শূণ্যত বিলীন হৈছিল। কিন্তু ৰতন একে ঠাইতে স্থিৰ হৈ ৰে'লখন যোৱাৰ দিশে চাই ৰৈছিল আৰু পোনাকণ, জোনটিয়ে দেউতাকৰ মুখলৈ..।

■■

# গল্প— নিয়তিৰ কুটিল আহ্বান

তুলুমণি বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক।

**বা**ছখনত মানুহ প্ৰায় নাই বুলিবই পাৰি, মাত্ৰ দুই এজন মানুহ বহি আছে। গন্তব্য স্থান পাবলৈ বাছখনক বহুত সময়ৰ প্ৰয়োজন; সেয়ে চিটবোৰ খালী থাকিলেও এতিয়া সিহঁত যাবই। গতিকে পলম নকৰি অজয় গৈ বাছখনৰ চিট এটিত বহিল একমাত্ৰ বাছত উঠিলেহে সি গৈ সিহঁতৰ গাঁওখন পাব পাৰিব।

অজয় বৰুৱা ঘৰলৈ যাবলৈ আহিছে, তাৰ ঘৰ মধুপুৰ নামৰ গাঁওখনত। চাকৰি সংক্ৰান্তত বৰ্তমান তেওঁ চহৰত থাকিব লগা হৈছে। অজয়ৰ দেউতাকে তাক মাতি পঠাইছে এমাহ মানৰ ছুটী লৈ কিবা হেনো জৰুৰী কাম আছে। অজয়ে জানে দেউতাকে কি জৰুৰী কামৰ কথা কৈছে; কিন্তু সি যে এই কামটো কোনোপধ্যেই কৰিব নোৱাৰে। তাৰ বিবেকে তাক সেই কামটো কৰিবলৈ বাধা দিছে। কিন্তু সি দেউতাকক হে ক'ব পৰা নাই। আগতে সি কেতিয়াও দেউতাকৰ কথা অমান্য কৰি পোৱা নাই; দেউতাকে যি কয় তাক সি আখৰে আখৰে পালন কৰি আহিছে। কিন্তু আজি তাক দেউতাকৰ অবাধ্য হ'বলৈ বাধ্য কৰালে নিষ্ঠুৰ নিয়তিয়ে। সি হাৰ মানি গ'ল নিয়তিৰ ওচৰত।

অজয় অবিহনে যে দেউতাক সঁচাকৈয়ে বৰ অকলশৰীয়া হৈ পৰিব। তাৰ বাহিৰে এই পৃথিৱীত আপোন বুলিবলৈ যে দেউতাকৰ কোনোৱেই নাই। অজয় এবছৰীয়া হৈ থাকোতেই মাকে তাক দেউতাকৰ হাতত তুলি এই পৃথিৱীৰ পৰা বিদায় ল'লে। তেতিয়াৰ পৰাই দেউতাকে তাৰ মুখলৈ চায়েই জীয়াই আছে। গাঁৱৰ মানুহে বহুত বুজাইও দেউতাকক দ্বিতীয় বিবাহৰ কাৰণে সন্মত কৰাব নোৱাৰিলে। যদি মাহীমাকে অজয়ক মৰম নকৰি *অত্যাচাৰ কৰে!* এই কথা ভাবিয়ে তেওঁ আৰু বিয়া নকৰালে। বহুত কষ্টৰ মাজেৰে অজয়ক ডাঙৰ কৰিলে। দেউতাকৰ মৰমৰ মাজত সি এনেকৈ ডুব গৈ আছিল যে সি কেতিয়াও মাকৰ অভাৱ অনুভৱ কৰিবও পোৱা নাছিল। সি বুজি নাপাইছিল দুখ মানে কি? কিন্তু আজি সি বাৰুকৈয়ে উপলব্ধি কৰিছে দুখৰ বোজা কিমান গধুৰ!

অজয়ৰ দেউতাকে সিহঁতৰ গাঁৱৰে স্কুল এখনত শিক্ষকতা কৰিছিল। সেয়ে তাৰ মাকৰো হেনো ইচ্ছা আছিল পুতেককো দেউতাকৰ দৰেই এজন আদৰ্শবান শিক্ষক ৰূপে গঢ় দিয়াৰ। মাকৰ অনুপস্থিতিত দেউতাকে মাকৰ আশা পূৰণ কৰাত অকণো কৃপণালি কৰা নাছিল আৰু অজয়েও মাক-দেউতাকৰ আশা পূৰণ কৰি এতিয়া নিজকে এজন শিক্ষক ৰূপে চিনাকি দিব পৰা হৈছে। তাৰ এই চাকৰি পাবৰ দিনাখন তাতকৈও বেছি আনন্দিত হৈছিল তাৰ দেউতাক। সেইদিনা কিন্তু তাৰ মাকলৈ বৰ মনত পৰিছিল ;

কিন্তু দেউতাকৰ হাঁহিৰে ভৰা মুখখনে তাক সেইবোৰ পাহৰাই ৰাখিছিল। অজয়ৰ সুখ-দুখৰ সমভাগী দেউতাকে সেইদিনাখন যেনেকৈ আনন্দিত হৈছিল ঠিক তেনেদৰে আৰু এজনী ছোৱালীও আনন্দিত হৈছিল, সেইজনী হ'ল সিহঁতৰ গাঁৱৰে ছোৱালী মণি। সিও জানে মণিয়ে তাক হিয়া উজাৰি ভাল পায়; সিও অৱশ্যে তাইক বহুত ভাল পায়। মণি আৰু সি আগতে একে ক্লাছতে পঢ়িছিল। প্ৰথমে সিহঁত বন্ধু আছিল আৰু পিছলৈ এই বন্ধুত্বই ভালপোৱালৈ ৰূপান্তৰ হ'ল। এই কথা অজয়ৰ দেউতাকৰো জ্ঞাত আৰু মণিক বোৱাৰী কৰি অনাত তেওঁৰ কোনো আপত্তি নাই বুলি ইতিমধ্যে কৈয়ে দিছে। অজয় চহৰলৈ অহাৰ সময়ত দেউতাকক মণিৰ হাতত গতাই দি থৈ আহিছিল। সি জানে মণিয়ে দেউতাকৰ তাতকৈও বেছি ভালকৈহে যতন লয়। ইফালে আকৌ এতিয়া দেউতাকৰো বয়স হৈ আহিছে সকলো কাম কৰিব নোৱাৰে। সেইকাৰণে ঘৰখনত আন মানুহৰ উপস্থিতি অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে। গতিকে দেউতাকৰ ইচ্ছা এই মাহতেই সামাজিক স্বীকৃতিৰে মণিক

সিহঁতৰ ঘৰৰ লখিমী বোৱাৰী কৰি আদৰি আনিব। এই কথাটো দেউতাকে তাক কিছুদিন আগৰ পৰাই কৈ আছিল। কিন্তু সি একো নোকোৱাত দেউতাকে হেনো এইবাৰ একেবাৰে বিয়াৰ দিন বাৰ ঠিক কৰি পেলাইছে। সেয়ে এতিয়া তাক ঘৰলৈ মাতিছে। তাৰো বৰ ইচ্ছা আছিল মণিক বিয়া কৰোৱাৰ, কিমান যে সপোন ৰচিছিল সি মণিক লৈ কিন্তু সেই সপোনৰ বালিঘৰ যে সঁচাকৈয়ে ধুমুহা আহি ভাঙি দিলে। মানুহে যেতিয়া বহুদিনৰ পৰা বিচাৰি থকা বস্তু এটা কাষত পাই তেতিয়া বাৰু কিমান সুখ পায়? অজয়েও এই সুখ ভোগ কৰাৰ পিনে অগ্ৰসৰ হৈছিলহে মাথোঁন কিন্তু ভগৱানে তাৰ এইকণ সুখো সহ্য নকৰিলে। ভগৱান বাৰু ইমান নিষ্ঠুৰ হ'ব লাগেনে? পৃথিৱীৰ ইমানবোৰ মানুহৰ ভিতৰত এইড্‌চ নামৰ কাল ৰোগবিধে তাৰ দেহতহে থিতাপি ল'ব লাগেনে। এই কথাটো গম পোৱাত তাৰ বহুত পলম হৈ গ'ল সেয়ে চিকিৎসাৰ একো ব্যৱস্থা কৰিব পৰা নগ'ল। আজিৰ পৰা ছমাহ আগতেই সি অনুভৱ কৰিলে যে তাৰ স্বাস্থ্যৰ বহুত অৱনতি ঘটিছে। জ্বৰ, চৰ্দি, কাহ, এইবোৰ যেন তাৰ দৈনন্দিন জীৱনৰ লগৰী হৈ পৰিছে। প্ৰথমে ভাবিছিল গাঁৱলীয়া পৰিবেশৰ পৰা আহি চহৰত নতুন পৰিবেশত তাৰ থকা খোৱাৰ পৰিবৰ্তন ঘটিছে কাৰণে অলপ বেমাৰ হৈছে। কিন্তু কিছুদিন পিছত সি লক্ষ্য কৰিলে যে তাৰ শৰীৰটো ক্ৰমান্বয়ে দুৰ্বল হৈ গৈ আছে, বেমাৰো দিনে দিনে বাঢ়িবহে ধৰিছে। তেতিয়া সি ডাক্তৰৰ ওচৰ চাপিল। বহুতো পৰীক্ষা নিৰীক্ষাৰ অন্তত ডাক্তৰে তাক ৰিপৰ্ট দিলে যে সি এজন এইচ. আই. ভি. পজিটিভ ব্যক্তি। তাৰ মূৰত যেন আকাশী সৰগহে ভাগি পৰিল। কিন্তু এতিয়া তাৰ চিকিৎসাৰ উপায় নাই, বহুত পলম হৈ গ'ল। তাৰ দেহত এইচ,আই,ভি ভাইৰাছে আক্ৰমণ কৰি এইড্‌চ ৰোগত আক্ৰান্ত ৰোগীৰ নামবোৰৰ ভিতৰত তাৰ নামটোও ভৰাই দিলে। এই কথাটো গম পোৱাৰ পিছৰ পৰাই সি আৰু ঘৰলৈ যোৱা নাই, কেনেকৈ সি দেউতাকক তাৰ এই চেহেৰা দেখুৱাব! কিন্তু আজি সি ঘৰলৈ আহিবলৈ বাধ্য হ'ল; কাৰণ এদিন নহয় এদিন এইবোৰ কথা দেউতাকক জনাবই লাগিব। সি জানে দেউতাকক তাৰ বেমাৰৰ কথা ক'লে নিজৰ জীৱন দি হ'লেও পুতেকক জীয়াই ৰাখিবলৈ চেষ্টা কৰিব। কিন্তু সেয়া যে অনৰ্থক। লাহে লাহে সি বুজিব পাৰিছে যে তাৰ স্বাস্থ্য আগতকৈও বেছিকৈ বেয়া হ'ব ধৰিছে। সি হয়তো আৰু বেছিদিন জীয়াই নাথাকে! অতি কম দিনৰ ভিতৰতেই এই পৃথিৱীৰ পৰা বিদায় ল'ব লাগিব। এই কথা জানিও বাৰু সি কেনেকৈ মণিৰ শিৰত সেন্দুৰ পিন্ধাব? সি মণিক বিয়া কৰাই তাইৰ জীৱনটো কেতিয়াও ধ্বংস কৰিব নোৱাৰে। অজয় অবিহনে যে মণিৰ জীৱনটো আধৰুৱা হৈ ৰ'ব! সেই কথা বুজিলেও সি তাইক অকালতে বৈধব্যৰ পোছাক পিন্ধাব নিবিচাৰে।

এইবোৰ কথা ভাবি ভাবি কেতিয়া যে সি আহি তাৰ গাঁৱৰ চাৰিআলিত উপস্থিত হ'লহি গমেই পোৱা নাছিল। কণ্ডাক্টৰৰ মাততহে সি সম্বিত ঘূৰাই পালে। গাড়ীৰ পৰা নামি সি সিহঁতৰ ঘৰ অভিমুখে এখোজ দুখোজকৈ যাবলৈ ধৰিলে। দেউতাকে চাগে এতিয়াও পদুলিমূৰত ৰৈ তাৰ কাৰণে অপেক্ষা কৰি আছে। তাক দেখাৰ লগে লগে দেউতাকে আচৰিত হৈ সুধিব—"বাপা, তোৰ কিবা হৈছে নেকি। দেহৰ অৱস্থা নোহোৱা হৈছে! ঠিকমতে খোৱা-লোৱা কৰা নাই নেকি?" কিন্তু সি দেউতাকক কেনেকৈ বুজাব যে তাৰ দেহটো এইচ.আই.ভি. নামৰ ভাইৰাছে খাই গৈছে।

বহুত চেষ্টা কৰিও সি নিজকে দেউতাকৰ আগত থিয় হ'বৰ কাৰণে প্ৰস্তুত কৰিব নোৱাৰিলে। অৱশেষত বহুতো ভাবি চিন্তি সি এটা সিদ্ধান্ত লৈ পেলালে আৰু কাগজ কলম উলিয়াই লৈ সকলোবোৰ কথা লিখিব ধৰিলে। সি তাত অকলশৰীয়া দেউতাকক মণিৰ হাতত গতাই দিয়াৰ কথা লিখিলে। শেষত সি লিখিলে— 'দেউতা, সদায় মই তোমাৰ বাধ্য পুত্ৰ হৈ তুমি ভালপোৱা কামবোৰকে কৰি গৈছিলো। কিন্তু আজি মই উপায়বিহীন হৈ তুমি বেয়াপোৱা, ঘৃণা কৰা আত্মহত্যাৰ দৰে কাম কৰিব ওলাইছো। তুমি এইবোৰ কথা জনালৈকে মই এই পৃথিৱীৰ পৰা গুচি যাম কোনো অজান দেশলৈ। দেউতা, মই নিয়তিৰ ওচৰত হাৰ মানি গ'লো। পাৰিলে মোক ক্ষমা কৰি দিবা...।"

চিঠিখন লিখা শেষ কৰি সিহঁতৰ ঘৰৰ দিশে যাবলৈ ধৰিলে কাৰণ সেইখিনিতেই আছে সিহঁতৰ গাৱঁৰ মাজেৰে বৈ যোৱা নৈখন। চিঠিখন সি সিহঁতৰ পদূলি মূৰত থৈ নৈখনৰ দিশে বেগাই যাব ধৰিলে... ■ ■

গল্প—

# জীৱনৰ বাটত তেজৰ ডোঙা

কল্পনা কলিতা
স্নাতক ষষ্ঠ যাণ্মাসিক।

"পাঁচ মহলীয়া বিল্ডিংৰ পৰা জঁপিয়াই আত্মহত্যা কৰিলে বিষ্ণুজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰীয়ে" — প্ৰত্যেকখন কাকত তথা প্ৰতিটো নিউজ চেনেলৰ বাবে এইটো আজি গৰম খবৰ।

কৃষ্ণাঙ্গী হোষ্টেলৰ পাঁচ মহলাৰ ৮নং ৰূমৰ খিৰীকীৰ মুখত থিয় হৈ আছে অৰুন্ধতী। বাহিৰত শুক্লা চতুৰ্দ্দশীৰ জোনটো জলমলাই আছে। কুঁৱলী পৰি থকা বাবে পোহৰখিনি কিছু ধূসৰিত হোৱা দেখা গৈছে। আজি তাইৰ T.D.C. Final Exam শেষ হৈছে। সকলো এতিয়া নিজৰ কেৰিয়াৰ গঢ়াক লৈ ব্যস্ত। নিজ নিজ কৰ্ম সংস্থানত সকলো গুচি যাব। কোনেও কাৰো খবৰ নাৰাখে।

নিশা ১-৩০ বাজি গৈছে। হোষ্টেলৰ সকলো ছোৱালী শুই পৰিছে। কালিলৈ হয়তো সকলোৱে তালি টোপোলা বান্ধি ঘৰলৈ যাব। আৰু অৰুন্ধতী যাবনে? কালি পুৱা কি হ'ব কৃষ্ণাঙ্গী হোষ্টেলৰ পৰিবেশ। সকলো শোৱাৰ উমান লৈ খালী ভৰিৰে চিৰি বগাই চাদলৈ উঠি গ'ল অৰুন্ধতী। ওপৰৰ পৰা চাৰিওফালে ঘূৰি চালে তাই। এক মায়া লগা পৰিবেশ। কেউফালে ট্ ট্ কৈ জ্বলি আছে লাইটবোৰ। চাদৰ দক্ষিণ-পূৱ কোণটোলৈ গৈ তললৈ চাই পঠিয়ালে। পানীৰ টেঙ্কি...।

কৃষ্ণাঙ্গী হোষ্টেলৰ চোতাল লোকে লোকাৰণ্য। ৰাতিপুৱাতে ক্ষত-বিক্ষত দেহেৰে পানীৰ টেঙ্কিৰ ওপৰত পৰি থকা অৰুন্ধতীৰ মৃতদেহ সুস্মিতাই দেখা পালে, লগে লগে হুৱা দুৱা লাগে। হোষ্টেলৰ মালিকনী দেৱযানী বাইদেউৱে সকলোকে খবৰ দিয়ে। স্থানীয় লোকে ভৰি পৰিছে কৃষ্ণাঙ্গী হোষ্টেলৰ চৌপাশ। আৰক্ষী বাহিনীয়ে চোকা তদন্ত চলাইছে যদিও প্ৰকৃত সত্য উদ্‌ঘাটন কৰিব পৰা নাই। অৱশেষত ৫নং মহলাৰে ৮ নং কোঠাৰ টেবুলৰ ওপৰত পোৱা গ'ল এখন চিঠি।

শ্ৰদ্ধাৰ নয়ন দা,

কলম তুলি লৈ ভাবিছো ক'ৰ পৰা আৰম্ভ কৰোঁ! কি লিখো? মোৰ অন্তৰৰ অনুভূতিবোৰ নে, ক্ষোভিত অন্তৰৰ পঞ্জীভূত বেদনাবোৰ। মনটো নানা কথাই আৱৰি ধৰিছে। বন্ধু বান্ধৱ, ঘৰ তথা সমাজৰ নানা কথাই মোক আমনি কৰিছে। মানুহবোৰৰ কথা শুনি মই বৰ নিৰুপায়ত পৰিছো। ক'ত যাম, কি কৰিম মই একো ভাবি পোৱা নাই। জীৱনটো বৰ জটিল অ' নয়ন দা। আমি ভবাৰ দৰে যদি সকলোবোৰ কথা হ'লহেঁতেন! এবাৰ ভাবিলো ক'ৰবাত পলাই যাওঁ। কংক্ৰিটৰ এই বহল পৃথিৱীখনত কোনোবা এটা চুকত নিশ্চয় মোৰ দৰে অভাগিনীৰ কাৰণে অকণমান ঠাই ওলাব। কিন্তু তেনেকুৱা কৰিলে ৰুগ্না মা হয়তো মানুহে ভবাৰ দৰে পাগলী নহয়। কেৱল নিয়তিৰ বিচাৰ দেখি পাৰ্থিৱ জীৱনৰ প্ৰতি আস্থা হেৰুৱাব। নাৰীসকলৰ স্থায়িত্ব পুৰুষ অবিহনে শূন্য। হয়তো কোনোবা কুখ্যাত গলীত দেহৰ ব্যৱসায় কৰি খাব লাগিব। যিটো মোৰ পক্ষে অসম্ভৱ। নয়ন দা,

ধুমুহা আহিলে অকলে নাহে। ধুমুহা আহিলে লগত লৈ আহে বৰষুণ। বজ্ৰপাত। শিলাবৃষ্টি। মোৰ জীৱনলৈও ধুমুহা আহিছে। কালধুমুহা। মই আটোম টোকাৰিকৈ বন্ধা এই নল খাগৰিৰ জুপুৰিতো ধুমুহাই চুৰমাৰ কৰি ভাঙি পেলাইছে। ঘৰত মোক চাবলৈ ল'ৰা আহিছে আৰু বিয়াৰ দিন ঠিক কৰিছে। চলিত মাহৰ ২৯ তাৰিখে মোৰ বিয়া। ল'ৰাজন অভিযন্তা। ঘৰত কৈছিলো তোমাৰ কথা। কিন্তু মায়ে মোক বুজাইছিল— 'তুমি হেনো নিম্ন বংশৰ ল'ৰা। তোমাৰ লগত বিয়া হ'লে সমাজে হেনো মা-দেউতাক হাঁহিব'। তুমি হ'লা দুখীয়াৰ ল'ৰা। মানুহ টকা-পইচা, গাড়ী-ঘোঁৰা থাকিলেই ধনী হয় নেকি নয়নদা। হয়তো মাহঁতে তাকেই ধনী বুলি ভাবে। মই তোমাৰ বাহিৰে আনক আপোন বুলি ল'ব নোৱাৰিম।

বিয়লো— "এবাৰ উৎসৰ্গা কৰা ফুল আনো পুনৰ আন এজন দেৱতাৰ পূজাৰ নিৰ্মালী হ'ব পাৰে নৰনদা?" মই কাহানিবাই মোৰ হিয়া তোমাক অৰ্পণ কৰিলো। এতিয়া আন এজনক স্বামী হিচাপে লোৱাতো মোৰ পক্ষে অসম্ভৱ। হিয়াৰ মিলনেই যেনো প্ৰকৃত বিয়া। মই কাৰো জীৱন ধ্বংস কৰিব নোৱাৰো নৰনদা। যাক আমি সৃষ্টি কৰিব নোৱাৰো তাক ধ্বংস কৰাৰ অধিকাৰো আমাৰ নাই।

হোষ্টেলৰ ছোৱালীবোৰে তোমাৰ লগত মনে মনে গুচি যাব দিছে। কিন্তু মা-দেউতাই বহুত আঘাত পাব নৰনদা। আজিলৈকে কোনো এটা কামেই মা-দেউতাক নোসোধাকৈ কৰা নাই। কি কৰোঁ? এই সৰু প্ৰশ্নটো মই মোৰ বিবেকক কিমান বাৰ সুধিছিলো। কিন্তু তাৰ উত্তৰ বিবেকৰ হাতত নাছিল নৰনদা। হ'ব পাৰে ভাৰত এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। কিন্তু সদায় ধৰ্মক লৈয়ে মানুহৰ মাজত কটা মৰা। সাম্প্ৰদায়িক সংঘৰ্ষ। চাৰিওফালে মাৰণাস্ত্ৰৰ ঝনঝনি। নৰনদা মই একো উপায় উলিয়াব পৰা নাই। তোমাক সুধিলে যোৱা ঘৰৰ কথা মতে বিয়া হৈ যোৱা। কি যুক্তিত তুমি মোৰ ওপৰত ইমান খং কৰিছা। মা-দেউতাই কৰা কামবোৰৰ বাবে তুমি মোক ঘৃণা দিছা। কিন্তু মইতো কোনো দিন তোমাক দুখীয়া বা নিম্নজাতিৰ বুলি অবহেলা কৰা নাই। মা-দেউতাৰ কথা মতে বিয়া হ'লে তুমি আঘাত পোৱা। তোমাৰ লগত গুচি গ'লে মা-দেউতাই আঘাত পায়। কি কৰোঁ মই?

সেয়ে মই মোৰ শেষ সিদ্ধান্ত বাচি ল'লো। মৃত্যুটোকে মোৰ কাৰণে আৰু অন্য একো ডাঙৰ হ'ব নোৱাৰে। মৃত্যু...... আৰু মৃত্যু মানে মোৰ কাৰণে মুক্তি।

নৰনদা, শেষত মোৰ অকৃত্ৰিম সেৱা জনালোঁ। তুমি মোক দিয়া আঙঠিটো এতিয়াও মোৰ অনামিকা আঙুলিত জিলিকি আছে। মই এই কাম কৰিম বুলি কেতিয়াও কল্পনা কৰা নাছিলো নৰনদা। কিন্তু নিষ্ঠুৰ সময়ে মোক বাধ্য কৰালে। মোৰ ওপৰত ঘৃণা ওপজাটো স্বাভাৱিক। আত্মহত্যা মহাপাপ। কিন্তু এই মৃত্যুৰ জৰিয়তে যদি স্বৰ্গশান্তি লাভ কৰিব পাৰি তেন্তে সেই মৃত্যুত ক্ষতি কি? মোৰ মৃত্যুৰ পাছত অন্ততঃ মৃতদেহটোক এবাৰ পত্নীৰ মৰ্যদা দি শিৰত অকণমান সেন্দুৰ দিবা। মই সুখী হ'ম। তুমি এজনী ধুনীয়া ছোৱালী বিয়া কৰাবা। নহ'লে মোৰ আত্মাই মুক্তি নাপাব। মোৰ মৃত্যুৰ বাবে কোনো দায়ী নহয়। এই নৰনদা, শুনা..... ভালপাওঁ তোমাক মই.....বহুত...ভাল পাওঁ।

ইতি
মৰণ পথৰ পথিক
তোমাৰ
'অৰুন্ধতী'

কি আচৰিত! অৰুন্ধতীৰ দৰে এজনী নিৰ্জু লাজকুৰীয়া ছোৱালীয়ে সকলোকে সুখী কৰিবলৈ গৈ বাচি ল'লে আত্মহত্যাৰ দৰে এটা ভয়ংকৰ পথ। পকা এটা দেখিলেও ভয়খোৱা ছোৱালীজনীয়ে কেনেকৈ ৫ মহলাৰ পৰা জাপ দিলে বাৰু? ইমান সাহস তাই ক'ৰ পৰা পালে? কি লোমহৰ্ষক এই দৃশ্য। কি মৰ্মান্তিক। হোষ্টেলৰ চোতালত বগা ৰং ভালপোৱা অৰুন্ধতীয়ে বগা কাপোৰ উৰি চিৰদিনৰ বাবে শুই আছে। পৰীক্ষাৰ পিছত ঘৰৰ ছোৱালী ঘৰলৈ যাব বুলি মাক চাগে আনন্দত আছে। তাৰ পিছত বিয়া। আৰু.... বিয়াৰ প্ৰায়বোৰ যোগাৰ ইতিমধ্যে হৈ গৈছে। কিন্তু অৰুন্ধতী ঘৰলৈ নাযায়। লৈ যোৱা হ'ব মাত্ৰ তাইৰ স্পন্দনহীন দেহটো। কি হ'ব তেতিয়া তাইৰ ঘৰৰ অৱস্থা? আৰু পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ দিনা? ৰিজাল্ট ল'বলৈ তাইতো নাথাকিব আৰু ২৯ তাৰিখে? যিদিনা তাইৰ বিয়া.....?

এখন নাটৰ যৱনিকা পৰিল। অৰুন্ধতীৰ মৃত্যুৰ বাবে দায়ী কোন? মাক-দেউতাক নে নৰন? সমাজখন নে পৰম্পৰাগতভাৱে চলি অহা সমাজৰ নীতি-নিয়মবোৰ? অৰুন্ধতী নিজেই নে নৱপ্ৰজন্মৰ অত্যাধুনিক চিন্তা-ধাৰাবোৰ? এই প্ৰশ্নৰ উত্তৰ ক'ত।

গল্প—

# অভিশপ্ত জীৱনৰ সমাধি ঘটিল

মমি কলিতা
স্নাতক ষষ্ঠ ষাণ্মাসিক ।

আজি চ'ত মাহৰ ১৫ তাৰিখ। ৰাতিপুৱাৰে পৰা এজাক পছোৱা বতাহ বলি আছে। দিনটো বহুত গৰম নাই যদিও চৌপাশে এটা শুকান শুকান ভাব; ধূলিময় পৰিৱেশ। ৰাতিপুৱাৰে পৰা আজি প্ৰণৱৰ মনতো ভাল লগা নাই। মনটো যেন বাৰে বাৰে ক'ৰবালৈ গুচি যায়। সি থিৰেৰে থাকিব পৰা নাই। কিয়নো আজি এনে লাগিছে ধৰিব পৰা নাই। সেই ভাবি সি ওলাই গ'ল ঘৰৰ ওচৰৰে বৈ যোৱা কাজলী নৈখনৰ পাৰলৈ। কাজলী নৈ পাৰৰ তাৰ সেই চিনাকি ঠাইখিনিত বহি এক উদাস দৃষ্টিৰে চাই পঠিয়ালে নৈখনৰ বুকুলৈ যেন বৈ থাকিব অবিৰাম অবিৰতভাৱে সোণোৱালী ৰহণ চতিয়াই। নেদেখা এক অচিন সিমনালৈ। প্ৰণৱৰ মনটো এক নুবুজা আৱেগে ভাৰাক্ৰান্ত কৰিছে। কিছুমান অযথাভাৱে মনৰ ভিতৰখন উগুল থুগুল লগাইছে। ওচৰতে থকা আঁহতজোপালৈ তাৰ চকু পৰিল। ন-যৌৱনা ঋতুমতী গাভৰুৱে বুটা বছা ৰঙা ৰিহাখন পাই পুৰণিখন যেনেকৈ খুলি পেলাই কাজলী নদীৰ ফল্গুধাৰাৰ যৌৱনত গঁজি উঠা আঁহত জোপাইয়ো তাৰ নতুন পৰশ পাই খুলি পেলাইছে পুৰণি পাতবোৰ। কুঁহি কোমল পাতবোৰ পানীৰে সৈতে ধেমালি কৰিছে। এই প্ৰাণচঞ্চলা দৃশ্যটোৱে প্ৰণৱৰ মনটো অধিক সজীৱ কৰি তুলিলে। তথাপি কিয় জানো নভৱাকৈয়ে তাৰ মনটো বাৰে বাৰে উৰা মাৰে দূৰ দিগন্তলৈ। হঠাৎ তাৰ চকু গ'ল নৈখনৰ সিটো পাৰলৈ। নদীখনৰ পাৰত সেইখন মিচিং গাঁও। আৰু তাৰ কাষতেই এখন সমাধিক্ষেত্ৰ। অলপ আগতে সেই গাঁওখনৰ পৰা কিছুমান মিশ্ৰিত চিঞৰৰ বাখৰ, কাৰোবাৰ কান্দোনৰ শব্দ শুনিব পাইছিল। নদীখনৰ পৰা ভাহি যোৱা বতাহ এজাক লাগি সমাধিস্থ ঠাইখিনিত একুৱা জুই জ্বলি উঠা প্ৰণৱে দেখা পালে। তাৰ বুজিবলৈ বাকী নাথাকিল মিচিং গাঁওখনৰ কাৰোবাৰ হয়তো আত্মীয়জনৰ মৃত্যু ঘটিছে। অজান আশংকাত তাৰ বুকুখন ঢপ্‌কৈ উঠিল। কিহবাই যেন জোৰেৰে আঘাত কৰিছে এনে লাগিল। মৃত্যুৰ ক্ষণ গণি গণি শেতেলীত পৰি থকা মাকৰ ছবিখনে মনৰ দাপোণত লুকা-ভাকু খেলিলে। মাকৰ কাৰণে প্ৰণৱে বহুত কষ্ট কৰিছে। সি ভাবিছিল হয়তো মাক এদিন সুস্থ হৈ উঠিব। তথাপিও বাট চাই আছে সেই ক্ষণটিলৈ। কিজানিবা ভাল হয়। বাৰুকৈয়ে মনত পৰিছে তাৰ সেই সৰুদিনৰ স্মৃতিবোৰলৈ। বাৰে বাৰে মনত পৰিছে আজি। মাকৰ বগা চাদৰৰ আঁচলত ধৰিয়ে সি লুকা-ভাকু খেলিছিল। সি কাম কৰিবৰ সময়ত মাকৰ যে খং উঠিছিল। দেউতাকৰ স্মৃতি অনুভৱ কৰিবলৈ নিদিয়াকে মাকে যে প্ৰণৱ আৰু দুটাকৈ ভাই-ভনীক ডাঙৰ দীঘল কৰিছিল। দেউতাকৰ ধূসৰিত ছবিখনে প্ৰণৱক আজিও আমনি কৰে। নাই নোৱাৰে। কেতিয়াও নোৱাৰে....। দুজনকৈ ভাই-ভনীৰ মুখলৈ সি চাই থাকিব নোৱাৰে। মাক অবিহনে ঘৰখনৰ অস্তিত্বই বা ক'ত। সি নাজানে মানুহৰ জীৱনৰ যাত্ৰাৰ শেষ কেতিয়া। সি জানে মাথোঁ বসন্তৰ সুবাসত বনজুই জ্বলিব পৰাকৈ মনৰ বননি ফাগুনে চন্‌চনীয়া কৰি যোৱাৰ পিছত ৰাই-জাই কৰা উৰুঙা পছোৱাৰ বতৰা। এয়া চ'ত মাহ, চ'তৰ লুংলুঙীয়া বাটত ফুটুকাৰ বনৰীয়া ফুলেৰে উপচি পৰা এয়া মাত্ৰ যাত্ৰাৰ নিমন্ত্ৰণী। নৈ চাপৰিৰ পানী জুৰলিত নামি প্ৰণৱে আৰু বহুত কথাই ভাবিলে। পানী জুৰলিত প্ৰস্ফুটিত হোৱা ৰঙা পলাশ জোপালৈ চালে। সি ভাবিলে এই পলাশ জুপিয়েও মোক কিবা ক'ব খুজিছে নেকি? হয়, এয়া কি। পলাশ জুপিয়ে মোক ইতিকিং কৰিছে। আৰু কৈছে— 'মই জানো তোৰ দুৰ্বাৰ হেঁপাহ। তোৰ মাতৃক মৃত্যুৰ সেউজীয়া বিছনাখনত শুৱাই দিবলৈ তোৰ অকণো ইচ্ছা নাই। কোনোবা অশ্বিনী যাত্ৰাৰ সৈতে খোজ ল'বলৈ দিব অকণো হেঁপাহ নাই। কিন্তু এয়াতো সম্ভৱ হৈ পৰিছে। হয়তো তোৰো এদিন এনে সময় আহিব তই নভবাকৈয়ে। তেতিয়া

হয়তো তোলৈও কোনোবাই অধিৰ আগ্ৰহেৰে পদূলিৰ জপনা মুখলৈ বাট চাব। তেতিয়া কি কৰিবা। তেতিয়া কি কৰিবা। প্ৰকৃতিৰ এই নিৰ্মম সত্যবোৰ মানি ল'বলৈ সাজু হোৱা। এই কণ্টকময় পথত কোন, কাৰ, কেইদিনৰ। হয়তো আজি দুখ লাগিব। কাইলৈ হয়তো পাহৰাবলৈ বাধ্য কৰাব এই দৈনন্দিন জীৱনৰ কৰ্মব্যস্ততাৰ অত্যাধুনিক ধুমুহাই।

পলাশ জুপিৰ ডালৰ পৰা এটা অচিন চৰাই চি্‌ চি্‌ কৈ মাতি উৰি গুচি গ'ল অচিনা ঠাইলৈ। প্ৰণৱৰ এনে লাগিল এই অচিন চৰাইজনীয়ে যেন তাৰ প্ৰিয়তমাক বিচাৰি ফুৰিছে। অজানিতে তাৰ হুমুনিয়াহ ওলাই আহিল। ক'ব নোৱাৰাকৈয়ে প্ৰণৱে আজি বহুত কথাই ভাবি পেলালে। মনৰ মাজত গুজৰি গুমৰি থকা কথাবোৰ ধুমুহাৰ গতিত ওলাই আহিছে। বতাহৰ গতিত কথাবোৰ অচিন ঠাইত লাগি প্ৰতিধ্বনিত হৈছে আৰু শূন্যৰ বুকুত বিলীন হৈ গৈছে। কথাবোৰ ভাবি থাকোতে সি গমেই নাপালে যে কিমান সময় সেই একেখিনি ঠাইতে বহি আছে। কাজলী নৈখনৰ পানীবোৰ মন্থৰ গতিত বব ধৰিছে। পশ্চিমাধিস্থ হোৱা সূৰ্যৰ হেঙুলীয়া কিৰণে পানীত পৰি তিৰবিৰাই উঠিছে। অলপ পিছতে হয়তো পৃথিৱীখনেও এক মধুময় আবেষ্টনীৰ মাজত শুই পৰিব।

এনেতে পিছফালৰ পৰা কোনোবাই জোৰেৰে মতা যেন পালে। প্ৰণৱ চক্‌ খাই উঠিল। ঘূৰি চায় দেখে হিমু। 'কি হ'ল?— প্ৰণৱে সুধিলে।

■■

হিমুৱে ক'ব নোৱাৰিলে- জে-ঠা-ই, জেঠাইৰ কিবা এটা হৈছে। তুমি সোণ.... পিছৰ কথাখিনি ক'ব নাপাওতেই প্ৰণৱ উধাতু খাই দৌৰ দিলে ঘৰলৈ। গৈ দেখে যে মাক ইতিমধ্যে শান্তিৰ শীতলী কোলাত চিৰদিনৰ কাৰণে শুই পৰিছে। প্ৰণৱে থোকাথুকি মাতেৰে ক'লে— মা, মোক ক্ষমা কৰিবা। মোক ক্ষ....মা ক....ৰি.....বা। তোমাক মই ৰাখিব নোৱাৰিলো?

এটা জীৱনৰ মৃত্যু হ'ল। এটা অধ্যায়ৰ পৰিসমাপ্তি ঘটিল। ব্যৰ্থতাৰ চকুলো দুধাৰি বৈ আহিল প্ৰণৱৰ দুগালেৰে.....।

গল্প—

# নুফুলা ফুলৰ সুবাস

চন্দন শেখৰ বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাসিক।

শৰতৰ নিৰ্মল আকাশ, নিৰ্মল আকাশৰ তলত শৰতৰ জোনে চৌপাশে পোহৰ বিলাইছে। তথাপি যেন আকাশখনত এটা গোমা পৰিৱেশ বিৰাজ কৰিছে। নয়নৰ মন আজি শৰতৰ নিৰ্মল আকাশখন ঢাকি ধৰাৰ দৰেই কলীয়া ডাৱৰে ঢাকি ধৰিছে। তাৰ কাৰণেই আজি গোটেই পৃথিৱীখনেই মৰীচিকাময় হৈ পৰিছে। জীৱনৰ পঁচিশটা বসন্ত জীৱন ধুমুহাৰ তালে তালে সুৰ আৰু লয় মিলাই নাচি নাচি ভাগৰি পৰিছে। কিন্তু জিৰণিৰ কথা সমূলি চিন্তা কৰিব পৰা নাই। সি মনতে স্থিৰ কৰি লৈছিল, জীৱন সংগ্ৰামত এদিন জয়ী হ'বই। নিজৰ বাটৰ এন্ধাৰ নিজৰ মানসিক জ্যোতিৰে পোহৰাই তোলাৰ প্ৰতিশ্ৰুতিৰে সি আগবাঢ়ি গৈছিল সাফল্যৰ শিখৰলৈ।

এখন শিক্ষিত, সকলো ক্ষেত্ৰতে আগবঢ়া, গাঁৱৰ এটা সাধাৰণ পৰিয়ালত নয়নৰ জন্ম হৈছিল। পৰিয়াল বুলিবলৈ নিচেই কম; মাক-দেউতাক, এজন দাদাক আৰু সি। একেবাৰে এখন সাধাৰণ, দুখীয়া যি দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। তেনে এটা পৰিয়ালত নয়নৰ জন্ম হৈছিল। যিয়ে পৃথিৱীত ভৰি দি কান্দিবলৈ শিকিছিল, জীৱনৰ ভৰ যৌৱনতো হাঁহিবলৈ চেষ্টা কৰা নাই। নয়নৰ জন্ম ঠিক পহিলা বছৰতেই সি মাক-দেউতাকক চিৰবিদায় দি দাদাকৰ লগত একেলগে কটাইছিল। তাৰ দাদাকে নয়নক কেতিয়াও অকলশৰীয়া অনুভৱ কৰিব দিয়া নাছিল। এনেকৈয়ে বহুবছৰ পাৰ কৰিলে পঢ়া-শুনাৰ মাজেৰে। মেট্ৰিকত সি প্ৰথম বিভাগসহ চাৰিটা বিষয়ত লেটাৰ লৈ স্কুলৰ ভিতৰতে প্ৰথম হৈছিল। সি যিমান আনন্দ পাইছিল যেন মাক-দেউতাক জীয়াই থকা হ'লে আৰু আনন্দ লাভ কৰিলে হয়। তাৰ ৰিজাল্ট পাই গাঁৱৰ মানুহ নথৈ আনন্দিত হৈছিল, লগতে তাৰ উচ্চ শিক্ষাৰ দুই-এপইচা দি সহায় কৰিছিল। তাৰ দদায়েকে পুৱা গধূলি টিউচন কৰাৰ লগতে প্ৰাইভেট স্কুল দুখনত শিক্ষকতা কৰে আৰু আইডলত মাষ্টাৰ ডিগ্ৰী কৰি আছে (অসমীয়া বিষয়ত)। এনেকৈয়ে দদায়েকে টিউচন আৰু শিক্ষকতা কৰি যিখিনি পইচা পাই সি নিজে পঢ়াৰ লগতে তাৰ ভায়েক নয়নকো সহায় কৰিছিল আৰু সি নয়নক অলপো কষ্ট দিয়া নাছিল।

নয়নে উচ্চতৰ মাধ্যমিক শিক্ষাৰ বাবে গাঁৱৰে স্কুল এখনত নাম লগালে। তাৰ পৰাও সি প্ৰথম বিভাগসহ পাঁচটা বিষয়ত লেটাৰ লৈ এইবাৰো স্কুলৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হ'ল। ইতিমধ্যে দদায়েকে হাইস্কুল টেট পৰীক্ষাত উত্তীৰ্ণ হৈ চহৰৰ এখন হাইস্কুলত শিক্ষকতা কৰিবলৈ ল'লে। আৰু নয়নকো গাঁৱৰ ঘৰ এৰি আহিবলৈ ক'লে। কাৰণ দদায়েকে নয়নক চহৰৰ কলেজ এখনত নাম লগাই দিলে। প্ৰথম অৱস্থাত নয়নে নিজৰ ঘৰখন এৰি যাবলৈ টান পাইছিল। যিমান দুখীয়া, ভগা-ছিঙা ঘৰ হ'লেও নিজৰ মাতৃভূমি বা নিজৰ ঘৰখন সবাতোকৈ আপোন। সেইবাবে সি চহৰলৈ যাব খোজা নাছিল। কিন্তু দদায়েকে চহৰৰ চহকী ছোৱালীৰ লগত বিয়াপাতি চহৰতে থাকিবলৈ লোৱাত নয়নো তেওঁলোকৰ লগত চহৰতে থাকিবলৈ ল'লে।

প্ৰথম অৱস্থাত নয়নৰ বহুত ভাল লাগিছিল ন-বৌৱেকক লগ পাই। নয়নে ডিগ্ৰী শেষ কৰি ৰাতিপুৱাই ওলাই যায় ক'ৰবাত চাকৰিৰ সুবিধা পায় বুলি। সন্ধিয়া ঘৰত সোমাইহি। দদায়েকেও স্কুলত ক্লাছ কৰি, বজাৰ কৰি ঘৰ আহি পাওঁতে বেছিভাগ গধূলিয়ে হয়। হ'লেও সি নয়নক বজাৰ কৰিব যাব নিদিয়ে। নয়নে চাকৰি বিচাৰি গৈ কেতিয়াবা দুপৰীয়া ভাত-সাজ খাবলৈ আহিছিল, কেতিয়াবা সি খাবলৈ পায় আৰু কেতিয়াবা নাপায়। খাবলৈ নাপালেও সি কেতিয়াও খং কৰা নাছিল।

কিছুদিন যোৱাৰ পিছত নয়নে বৌৱেকৰ মনোভাৱ বুজিবলৈ ধৰিলে। মুখ খুলি বৌয়েকে একো নক'লেও ব্যৱহাৰত নয়নে সকলো বুজি পায়। দিনৰ দিনটো ঘূৰি ফুৰি গধূলি হওতে ঘৰ সোমাওতে দদায়েকে নয়নক কোনো দিনে একো গালি দি পোৱা নাছিল। বৰ্ষাৰ মেঘাচ্ছন্ন গোমা আকাশৰ দৰে ন-বৌয়েকৰ মুখখন কিন্তু গোমা হৈ থাকে।

বৌৱেকে বহু দিনৰ পৰাই নয়নক সঁকিয়াই দিয়াৰ সুযোগ বিচাৰি আছিল। সিদিনা দদায়েক নোহোৱা অৱস্থাত কথাৰ প্ৰসংগত ক'লে— "চোৱা নয়ন, আজিৰ দিনত চহৰত এজন মানুহ খুৱাই-বুৱাই ৰখাতো সহজ নহয়। গতিকে তইতো এতিয়া সৰু হৈ থকা নাই, অন্য হ'লেও নিজৰ ভাত মুঠিকে যোগাৰ কৰিব পৰা হৈছা। গতিকে যি ভাল দেখা তাকে কৰা।" সিদিনা ৰাতি নয়নৰ অলপো টোপনি অহা নাছিল। বিচনাত শুবলৈ গৈয়ো যন্ত্ৰণাত ধৰ্ফৰাই আছিল। কিন্তু এই সকলোবোৰ কথা দদায়েকে গম পোৱা নাছিল আৰু নয়নেও দদায়েকক কথাটো কোৱা নাছিল। ৰাতিপুৱা খুউব সোনকালে নয়ন বিচনাৰ পৰা উঠিল। সি যিমান পাৰে সিমান সোনকালে প্ৰাতঃকৰ্ম সমাপন কৰি বৌয়েকৰ ওচৰৰ পৰা বিদায় লোৱাৰ চেষ্টা কৰিলে। আহিবৰ সময়ত বৌয়েকৰ ভৰি চুই সেৱা কৰিলে। বৌৱেকে লাহেকৈ ক'লে, তাৰমানে তুমি যোৱাই নেকি? বেয়া নাপাবা। নয়নৰ বৌৱেকলৈ বহুত খং উঠিছিল আৰু সি দুখ অনুভৱ কৰিছিল। ঠিকনাহীন বাটৰুৱাৰ নিচিনাকৈ ধীৰ পদক্ষেপৰ নবৌয়েকৰ ঘৰৰ পৰা বিদায় ল'লে।

নয়নৰ দদায়েক সদায় দেৰিকৈ শুই উঠে, সেইবাবে সি সিদিনা পুৱা হৈ যোৱা ঘটনাটোৰ কথা গম পোৱা নাছিল। দদায়েক শুই উঠাৰ এঘন্টামানৰ পিছত চিন্তা কৰিলে যে নয়নৰ কি হ'ল! তাৰ পিছত দদায়েকে নয়নৰ ৰুমটো চাই দেখে যে কাপোৰ-কাণি, বেগ, কিতাপ-পত্ৰ একো নাই। তেতিয়া দদায়েকে ঘৈণীয়েকক সোধাত তাইয়ো একো নাজানো বুলি ক'লে। সি নয়নৰ লগত সংযোগ কৰিবলৈও নয়নৰ ম'বাইল নাছিল। নয়নৰ জীৱনলৈ অন্ধকাৰ নামি অহাৰ দৰে দদায়েকৰ জীৱনলৈও অন্ধকাৰ নামি আহিল ভায়েকক হেৰুৱাই। দদায়েকৰ ভায়েকক হেৰুৱা বেদনা সীমাহীন হৈ পৰিছিল।

সময় পাখি লগা কাড়ৰ দৰে। নয়নে দদায়েকৰ ঘৰৰ পৰা গুচি অহাত চহৰৰে এজন শিক্ষকৰ ঘৰত থকাৰ সুবিধা পালে আৰু তাতেই নয়নে জীৱনৰ কিছু বছৰ পাৰ কৰিলে। নয়ন যিজন মানুহৰ ঘৰত আছিল সেইজন মানুহে নয়নৰ সকলো কথা বুজিলৈ শিক্ষকজনে নয়নৰ নিজৰ ল'ৰাৰ দৰে ধৰি ল'লে। তাতে থাকি নয়নে ইংৰাজী বিষয়ত এম,এ. কৰাৰ সুবিধা পালে। এম,এ কমপ্লিট কৰি নয়নে ওচৰৰে এখন মহাবিদ্যালয়ত যোগদান কৰাৰ সুবিধা পালে। এতিয়া নয়ন এজন ইংৰাজী বিষয়ৰ অধ্যাপক।

এদিনাখন নয়ন কলেজৰ পৰা বজাৰ কৰিবলৈ গাড়ীৰ পৰা নামোতে দদায়েকে তাক দেখা পালে। তাক দেখি দদায়েক স্তম্ভিত হৈছিল আৰু তাক ভালদৰে ধৰিব পৰা নাছিল। হ'লেও দদায়েকে সাহসেৰে নয়নক সম্বোধি ক'লে—

দদায়েকঃ Excuse me!

নয়নঃ Yes.

দদায়েক ঃ Are you Nayan?

নয়ন ঃ Yes.

তাৰ পিছত দদায়েক নয়নক আঁকোৱালি ল'লে আৰু ভায়েকক লগ পায় আনন্দতে দুয়োয়ে চকুলো টুকিলে। নয়নে দদায়েকক সি থকা ঠাইলৈ লৈ গ'ল আৰু দদায়েকে মালিকৰ লগত কথা-বতৰা পাতিলে। কথা-বতৰা পাতি দদায়েকে নয়নক নিজৰ ঘৰলৈ লৈ গ'ল। নয়নক দেখা পায় নবৌয়েকৰো আনন্দতে চকুৰে দুধাৰি বৈ আহিল। দদায়েক নয়নক ঘৰ এৰি গুচি যোৱাৰ কাৰণ সুধি থাকোতে বৌয়েকে নিজে কৰা ভুল স্বীকাৰ কৰিলে আৰু নয়নক ক্ষমা খুজিলে।

বহু ৰাতি হোৱাত দুয়ো ভাই ককাই টোপনি গ'ল আৰু পিছদিনা দুয়ো পৰিয়ালৰ সৈতে, সৰুতে মাক-দেউতাকে সাজি থৈ যোৱা জুপুৰী ঘৰটোলৈ আহিল। ভায়েক-ককায়েকৰ মিল দেখা পাই গাঁৱৰ মানুহৰ বহুত আনন্দ লাগিল। সেই জুপুৰী ঘৰটোতে দুয়ো পৰিয়ালৰ সৈতে আগৰ দৰে থাকিবলৈ ল'লে। নয়ন আৰু দদায়েক দুয়ো নিজৰ নিজৰ কামলৈ ঘৰৰ পৰা অহা-যোৱা কৰে। চাকৰি জীৱনৰ আধা বছৰ পাৰ হোৱাৰ পিছত নয়নে সাংসাৰিক জীৱন যাত্ৰাৰ পাতনি মেলিলে। ■ ■

গল্প—

# এমুঠি আশা লৈ...

অপৰূপা বৰুৱা
স্নাতক দ্বিতীয় ষাণ্মাষিক।

কেতিয়া যে ৮.৩০ বাজিল তাই গমেই নাপালে। লৰালৰিকৈ ইউনিফ্ৰমযোৰ পিন্ধি চুলিখিনি ঠিক কৰি তলাটো মাৰি তাই ওলাই গ'ল। পুৱা ৭ মান বজাতেই তাই একাপ চাহ খাইছিল। ৰাতিপুৱা ৯ বজাত ক্লাছ থকা দিনকেইটাত তাই মাকৰ অভাৱ বৰকৈ অনুভৱ কৰে। ঘৰৰ এজনীয়েই ছোৱালী হোৱা হেতুকে বৰ আদৰ সাদৰত ডাঙৰ হৈছে নয়না। ৰাতিপুৱা মাকে ৰন্ধা গৰম ভাতগাল নোখোৱাকৈ তাই কোনোদিনে স্কুলৰ দুৱাৰমুখ গছকি পোৱা নাই। এতিয়া নয়না মঙলদৈ মহাবিদ্যালয়ৰ ২য় ষাণ্মাসিকৰ ছাত্ৰী। ওদালগুৰি জিলাৰ খৈৰাবাৰী অঞ্চলৰ পৰা অহা নয়না বৰ্তমান কলেজৰে ওচৰৰ উপহুপাৰা অঞ্চলত ৰুম ভাৰা কৰি আছে। ঘৰৰ পৰা আঁতৰত থাকি প্ৰতিদিনে ভিন ভিন সমস্যাৰ সন্মুখীন হোৱা নয়নাৰ কল্পনাৰ কলেজীয়া জীৱনটো যে বাস্তৱত কিমান কঠিন তাক তাই মৰ্মে মৰ্মে উপলব্ধি কৰিছে। দিনে নিশাই ব্যস্ত ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষেৰে ক্লাছলৈ বুলি খোজকাঢ়ি কিছু দূৰ যোৱাৰ পিছতেই তাইৰ চকুত পৰিল ছিপাঝাৰ অভিমুখী মেজিক এখন। যাৰ নাম আছিল 'চাকিল।'

তাই তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰী। যৌৱনমুখী জীৱনটোৰ আৰম্ভণিতেই তাই সপোন ৰচিব শিকিছিল, কল্পনা কৰিব খুজিছিল এখন ৰঙীন পৃথিৱীৰ। নয়নাৰ খেলাৰ লগৰী, প্ৰিয় বন্ধু আছিল মৰমৰ চাকিল। সৰুৰে পৰা একেলগে ওমলি ডাঙৰ হোৱা দুয়োৰে বন্ধুত্বই চমক খুৱাইছিল তেতিয়া, যেতিয়া এজনে দুখ পালে আনজনে কান্দিছিল। নিঃস্বাৰ্থ আৰু নিৰ্ভেজাল মৰমেৰে বান্ধ খাই থকা বন্ধুত্বৰ এনাজৰীডাল চিঙাৰ অপচেষ্টা কৰাৰ পিছতো বিফল হৈছিল বহুজন। সেইদিনা আছিল দুৰ্গা পূজাৰ বেলবৰণ। অইনবাৰৰ দৰে সেইবাৰো মহা উলহ মালহেৰে দেৱী দুৰ্গতিনাশিনীৰ পূজাৰ প্ৰস্তুতি চলোৱা হৈছিল। আবেলি পৰত নয়নায়ো মাকৰ সৈতে বেলপূজা উপলক্ষে সিহঁতৰ ঘৰৰ সন্মুখৰ বেলজোপাত ৰঙা কাপোৰ বান্ধিব গৈছিল। পুখুৰীটোৰ পাৰতে থকা বেলজোপাৰ ঠাইকণ মচি সাৰি ৰঙাকাপোৰ বান্ধে মানে গোটেই আকাশ ধোঁৱাই চানি ধৰিছিল। হঠাতে ইমান ধোৱা দেখি কোনেও একো বুজিব নোৱাৰি গাঁৱৰ সকলো ৰাইজ ওলাই আহিছিল। মুহূৰ্তৰ ভিতৰতে গম পোৱা গ'ল যে গোষ্ঠীগত সংঘৰ্ষৰ কবলত পৰা নিৰ্দোষী নিৰীহ কিছুমানৰ ঘৰ ইতিমধ্যে জ্বলাই দিয়া হৈছে। ইমানতো ক্ষান্ত নাথাকি কোনো মানৱতাহীন নিৰ্দয়ে পশুসুলভ প্ৰবৃত্তিৰে আব্দুল বৰদেউতাকৰ ডিঙি দুচেও কৰি মানৱ শ্ৰেষ্ঠৰ পৰিচয় দিছে। বেচেৰী এঘাৰ বছৰীয়া নয়নাৰ চকুৰ আগত ঘটা সমস্ত ঘটনাই তাইক বাকৰুদ্ধ কৰি পেলালে। সেইদিনা আৰু সিহঁতৰ ঘৰত বেলপূজা কৰা নহ'ল। সন্ধিয়ালৈ তাইৰ মৰমৰ বন্ধু চাকিলৰ ঘৰতো অগ্নিসংযোগ কৰাৰ কথা গম পোৱা গ'ল। গম পাই নয়নাৰ অকমানি কলিজাটো ফাটি তেজ ওলাই গ'ল। সেই কালৰাতিয়ে তাইৰ মৰমৰ বন্ধু সপৰিয়ালে ক'ৰবাৰ দূৰ দেশলৈ গুচি গ'ল। আজি পাঁচ বছৰ হ'ল নয়নাই চাকিলক লগ পোৱা নাই, দেখা নাই। তথাপিও চাকিলৰ প্ৰতি থকা মৰম ভালপোৱা আৰু বিশ্বাসৰ শলিতাডালে তাইৰ মনত আশাৰ বন্তি জ্বলাই ৰাখিছিল, এদিন চাকিল আহিব, লগ পাব তাইৰ মৰমৰ বন্ধুক।

হঠাতে বৰ্ণালী বাইদেউক দেখি তাই থতমত খাই ৰ'ল। চকুপানীৰে মৰ্মাহত হৈ থকা অৱস্থাটোত নিজকে সংযত কৰি তাই নিৰ্দিষ্ট আসনত বহিল। ইতিমধ্যে অসমীয়া মেজৰৰ ক্লাছ আৰম্ভ হৈছিল।

■■

গল্প—

# মাই ফাৰ্ষ্ট লভ এট ফেচবুক

শিল্পীকা দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক।

প্ৰেম দুটি শব্দৰ যুটীয়া বন্ধনৰ মাজত থকা এক আত্মীয়তাৰ ভাৱ যাক ভাষা বা শব্দৰে বুজাব নোৱাৰি। এই প্ৰেম মানুহৰ জীৱনলৈ নামি আহে হঠাৎ কেতিয়া কাক ক'ত ভাল লাগি আপোনজনলৈ ৰূপান্তৰিত হয় সেয়া কোনেও আগতীয়াকৈ ক'ব নোৱাৰে। ঠিক তেনেকৈ 'প্ৰেম' নামৰ বৰষুণজাকত তিতি বুৰি জুৰুলা জুপুৰি হৈছিল অনন্যা আৰু অনুৰাগ।

শাওনৰ কিনকিনীয়া বৰষুণৰ সন্ধিয়া যেতিয়া জোনৰ পোহৰত এন্ধাৰেও হাঁহিব বিচাৰে তেতিয়া সন্ধিয়াবোৰো হৈ পৰে ধুনীয়া। জোনাক সকলোৰে প্ৰিয়। অনন্যাৰো প্ৰিয়। খিৰিকীৰে বাহিৰৰ বৰষুণজাকক নিবিড়ভাৱে চাই আছে অনন্যাই। *অনন্যা* ওঠৰ বছৰীয়া যুৱতী দৰঙৰ ভিতৰৰ গাঁও এখনৰ পৰা হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা পাছ কৰাৰ পিছত আহি মঙলদৈ মহাবিদ্যালয়ত স্নাতক শাখাত নামভৰ্তি কৰিছিল। পঢ়া-শুনা আৰু দেখাই শুনাই অনন্যা আছিল সুগঢ়ী আৰু চোকা ছোৱালী। সকৰে পৰাই অতি আদৰৰ মাজত ডাঙৰ হোৱা অনন্যাক মাক-দেউতাকে মঙলদৈত হোষ্টেলত থৈ পঢ়া-শুনাত সুবিধা কৰি দিছিল। সন্ধিয়া সময় হাতত ম'বাইলটো আৰু কিতাপ লৈ অনন্যা বহিল চকীত অকণমান ফেচবুক, তাৰ পিছত পঢ়া-শুনা। কাষত লেপটপত মৃদু মৃদু শব্দত আশ্বিকী-২ৰ গান। ফেচবুকত লগ ইন কৰাৰ পিছত অনন্যাৰ স্ক্ৰিনত দেখা দিলে কেইবাটাও মেচেজ আৰু নোটিফিকেচন। মেচেজবোৰ খুলি চাবলৈ ধৰিলে বেছি ভাগেই তাইৰ কলেজৰ ফ্ৰেইণ্ডবোৰৰ মেচেজ। এটা এটাকৈ মেচেজৰ ৰিপ্লাই অনন্যাই দি যাবলৈ ল'লে। তাৰ মাজত এটা মেচেজ অনুৰাগ কাশ্যপৰ। অনুৰাগ তাইৰ ফেচ্‌বুক ফ্ৰেণ্ড। যাৰ লগত তাই দুদিন আগতে ফ্ৰেণ্ড্‌শ্বিপ কৰিছিল। অনুৰাগ গুৱাহাটীত থাকে আৰু তাতে এটা কোম্পানীৰ একাউন্টেট। অনুৰাগ অনন্যাতকৈ চাৰি বছৰ মানৰ ডাঙৰ। ফেচ্‌বুকৰ জৰিয়তে দুয়োৰে মাজত গঢ়ি উঠিছিল এটি ভাল সম্পৰ্ক। অনুৰাগ তেতিয়া ফেচবুকত একটিভ হৈ আছিল গতিকে অনন্যাইও মেচেজৰ ৰিপ্লাই দিবলৈ ধৰিলে। আৰম্ভ হ'ল তাহাঁতৰ মাজত চাট। সাধাৰণ কথাৰ পৰা আৰম্ভ কৰি আজি কালি অনন্যা আৰু অনুৰাগৰ মাজত জীৱন, ভৱিষ্যত, প্ৰেম আদি সম্পৰ্কীয় বিষয়ে মেচেজত স্থান লৈছে। অনুৰাগৰ মেচেজএ অনন্যাৰ মুখত এটি অন্য হাঁহি বিৰিঙাই তোলে। দুয়োৰে আৱেগ অনুভূতি জড়িত মেচেজবোৰে ইজনৰ সিজনৰ প্ৰতি এক আকৰ্ষণৰ সৃষ্টি কৰিছে। আকৰ্ষণ প্ৰেমৰ পূৰ্বে হোৱা আকৰ্ষণ যাক দেখিলে, যাৰ কথা শুনিলে ভাল লাগি যায়, অবুজন এক ভাল লগাত অনন্যাও অনুৰাগৰ প্ৰতি অনুভৱ কৰিবলৈ ধৰিছিল। বুজিবলৈ ধৰিছিল প্ৰেমৰ সমীকৰণবোৰ, কিহৰ বাবে প্ৰেম নাম দুটি শব্দ ইমান আপোন সকলোৰে জীৱনত। অনুভৱবোৰ ভাষাৰ ৰূপ লৈ মেচেজেৰে পায়গৈ অনুৰাগৰ ওচৰলৈ, অনুৰাগেও তাৰ অনুভূতিবোৰ ৰিপ্লাই দি দিয়ে অনন্যালৈ। আজিকালি অনন্যাৰ প্ৰিয় ডান্টে বিয়েট্ৰীচৰ কাহিনী, হীৰ ৰাঞ্জা, লেইলা-মজনুৰ কাহিনী। হয়, অনন্যা প্ৰেমত পৰিছিল অনুৰাগৰ। আৰু অনুৰাগ? কি আহিল অনুৰাগৰ মনত জানিবলৈ মন গৈছিল অনন্যাৰ আৰু তেনেতে এদিন অনুৰাগৰ তাইলৈ প্ৰেৰণ কৰা মেচেজ এটি সুন্দৰ প্ৰেমৰ প্ৰস্তাৱ, অনন্যাই ইমানদিনে অপেক্ষা কৰি থকা সেই সুন্দৰ প্ৰস্তাৱটো আজি তাইৰ সন্মুখত। তাইয়ো সন্মতি জনাই অনুৰাগৰ প্ৰেমৰ প্ৰস্তাৱটো গ্ৰহণ কৰিলে। আৰম্ভ হ'ল দুয়োৰে মাজত এক অন্য সম্পৰ্ক যাৰ নাম আছিল প্ৰেম-ভালপোৱাৰ সম্পৰ্ক। দুয়ো কথা পাতিবলৈ লৈছিল গভীৰ নিশালৈ, ৰচিবলৈ ধৰিছিল সপোন, পৰিকল্পনা কৰিছিল ভৱিষ্যতৰ, কিমান যে মধুৰ সিহঁতৰ সপোনবোৰ। সময়বোৰ পাৰ হৈ গৈছিল আৰু সিহঁতৰ সম্পৰ্কটো আগবাঢ়ি গৈছিল। গভীৰ হৈ গৈছিল সময়ৰ লগতে সম্পৰ্কটোত মনবোৰ, আৱেগবোৰ আগতকৈ বেছি গভীৰ হৈ

পৰিছিল। তাৰ মাজতে অভিমানেও স্থান লৈছিল।

প্ৰিয়জনৰ প্ৰতি এক অভিমান আৰু সেই অভিমান প্ৰিয়জনে ভগাত এক অন্য সুখ লাভ কৰা যায়। অনন্যাইও কৰিছিল অভিমান অনুৰাগৰ প্ৰতি আৰু অনুৰাগে সেই অভিমানবোৰ ভাগিছিল। সুখ আৰু অপ্ৰাপ্তিৰ ঠিকনা বিচাৰি পাইছিল দুয়ো। সময়ৰ লগত সিহঁতৰ মাজত অভিমানৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰিলে। আৰু তাইৰ মাজতে কেৰোণ লাগিল সিহঁতৰ সুখ, মৰম ভালপোৱাৰ মাজত। অনন্যাৰ অনুৰাগৰ প্ৰতি কঠোৰ অভিমান, কিন্তু অনুৰাগৰ তাৰ প্ৰতি গুৰুত্বহীনভাৱে কিছু সাধাৰণ মন্তব্য। দুয়োৰে মাজত মাতবোল নোহোৱা হ'ল। আৰু হঠাৎ অনুৰাগৰ বহুদিনলৈ অন্তৰ্ধান হ'ল। কোনো খবৰ বাতৰি নোহোৱা হ'ল অনুৰাগৰ। প্ৰথমে অনন্যাৰ তাৰ প্ৰতি খং ভাৱৰহে সৃষ্টি হৈছিল মনত কিন্তু কিছুদিনৰ পিছত সেই খং চিন্তাৰ ৰূপ ল'বলৈ ধৰিলে। অশান্তি, দুখ আৰু যন্ত্ৰণাময় হ'বলৈ ধৰিলে অনন্যাৰ জীৱন। চিন্তাবোৰ বাঢ়ি আহিছিল সময়ৰ লগতে। আৰু তেনেতে এদিন অনুৰাগৰ বন্ধু এজনে ফেচবুকত অনুৰাগৰ বিয়াৰ ফটো আপলোড কৰিলে। ফটোবোৰ দেখি অনন্যা এক যন্ত্ৰণাত ভুগিবলৈ ধৰিলে। এক অবুজন দুখে আহি অনন্যাৰ মনত প্ৰৱেশ কৰিলে। বিশ্বাঘাতকতাৰ বলি হোৱা যেন লাগিল অনন্যাৰ। দুখ আৰু যন্ত্ৰণাত চটফটাবলৈ ধৰিলে অনন্যা। অনুৰাগৰ প্ৰতি সৃষ্টি হ'ল বহু খং অভিমান আৰু প্ৰশ্ন। তাইৰ মনত উদয় হ'ল অনুৰাগে তাইৰ লগত কৰা বিশ্বাসঘাতকতাৰ প্ৰশ্ন। তাই উত্তৰ বিচাৰি অনুৰাগলৈ মেচেজ কৰিলে; কিন্তু অনুৰাগ সেই সময়ত অফ্‌লাইন। অনন্যা মানসিকভাৱে ভাগি পৰিবলৈ ধৰিলে। এনেতে অনুৰাগে তাইলৈ মেচেজ পঠিয়াই ক্ষমা বিচাৰিছে সি তাৰ কাৰ্যৰ বাবে। কিন্তু যি হ'ল সেয়া সি পৰিস্থিতিৰ দাস হৈ কৰিবলগীয়া হৈছিল। অনন্যাই তাইৰ স'তে বিশ্বাসঘাতকতা কৰাৰ কাৰণ সুধিলে অনুৰাগক। অনুৰাগে তাইক ক'লে। তাইৰ প্ৰশ্নৰ উত্তৰ সি দিবলৈ ধৰিলে। ক'লে সেই ভয়াৱহ দুৰ্ঘটনাটোৰ কথা যিয়ে তাৰ জীৱন মুহূৰ্তত সলনি কৰি দিলে। সিদিনা অফিচৰ পৰা যোৱাৰ পিছত তাৰ দেউতাকৰ হাৰ্টৰ ষ্ট্ৰ'ক হ'ল। হাস্পতাললৈ নিয়াত ডক্টৰে ইমাৰজেঞ্চী অপাৰেচনৰ কথা ক'লে। অপাৰেচনত কমেও ১৫ লাখ মান খৰছ হ'ব বুলি কোৱাত তাৰ মূৰত সৰগ ভাগি পৰা যেন হ'ল। ক'ত পাব ইমান টকা সি সোনকালে? কি কৰিব কি নকৰিব ভাবি থাকোতে তাৰ অফিচৰ বচে দেউতাকৰ চিকিৎসাৰ পইচা দিব বুলি ক'লে; কিন্তু তাৰ বিনিময়ত তাৰ পৰা এটা প্ৰতিশ্ৰুতি ল'লে। দেউতাকৰ অপাৰেচন আৰু চিকিৎসাৰ বাবে সকলো প্ৰতিশ্ৰুতি মানি ল'বলৈ সি সাজু হৈ বচক কথা দিলে। দেউতাকৰ চিকিৎসা সুকলমে হৈ যোৱাৰ পিছত এদিন বচ সিহঁতৰ আহিল আৰু তাৰ প্ৰতিশ্ৰুতিটোৰ কথা মনত পেলাই দিলে। বছে তাৰ প্ৰতিশ্ৰুতিতোৰ কথা মনত পেলাই দিলে। তেওঁ তাৰ পৰা প্ৰতিশ্ৰুতি অনুসৰি নিজৰ জীয়েক মালিনীৰ স'তে বিয়াৰ প্ৰস্তাৱ দিলে। অনুৰাগৰ মাক-দেউতাকো মান্তি হ'ল আৰু অনুৰাগো প্ৰতিশ্ৰুতিবদ্ধ হ'ল। বছে কম সময়তে বিয়াৰ সকলো জা-যোগাৰ কৰি বিয়া পাতিলে। বিয়াৰ পিছত জীয়েক মালিনীয়ে অনুৰাগক এটি ঘোষণা শুনালে যে মালিনীয়ে সেইখন বিয়া গ্ৰহণ নকৰে। তাই কেৱল দেউতাকৰ বাবে বিয়া হৈছিল। তাই আমেৰিকালৈ গৈ তাত পঢ়ি চাকৰি কৰাৰ মন আৰু সেই মতে তাই তাৰ লগত বিয়া হৈ দেউতাকক দিয়া কথা ৰাখি নিজৰ ভৱিষ্যতৰ বাবে আমেৰিকালৈ গুচি যাব। অনুৰাগে যেন তাইৰ কথা শুনি নিজৰ জীৱন পুনৰ ওভতাই পালে আৰু অনন্যাক সেইকথা ক'বলৈ সি তাইক আজি মেচেজ দিছে। অনুৰাগৰ জীৱনত ঘটি যোৱা ঘটনাবোৰে অনন্যাক দুখ দিলে। তাই কিমান ভুল বুজি আছিল তাক। তাই ক্ষমা খুজিলে তাক, তাৰ দুখৰ সময়ত তাই তাৰ কাষত নথকাৰ বাবে। দুয়োৰে মাজত সকলো পুনৰ আগৰ দৰে হৈ উঠিল। অনুৰাগে তিনিমাহ পিছত মালিনীক ডিভ'ৰ্চ দিলে আৰু তাই আমেৰিকালৈ গুচি গ'ল। অনুৰাগৰ জীৱনত অনন্যাৰ প্ৰেম আছিল এক প্ৰেৰণা, সঁচা অনুভূতি যাক সি কেতিয়াও হেৰুৱাব নোখোজে। দুয়ো আগৰ দৰে নিজৰ জীৱন অতিবাহিত কৰিবলৈ ধৰিলে। প্ৰেম য'তেই নহওক কিয়! ফেচ্‌বুক অথবা বা অন্য কিবা! সঁচা প্ৰেম কিন্তু মিলন হ'বই।

■■

# এলাৰ্জি

চিৰঞ্জীৱ ডেকা
স্নাতক দ্বিতীয় ষাণ্মাসিক।

(১)

ডাঃ গোস্বামী চিন্তিত হ'ল। ইমানবোৰ পৰীক্ষা নিৰীক্ষা কৰাৰ পিছতো তেওঁ ৰোগৰ কাৰণ আৱিষ্কাৰ কৰিব পৰা নাই। ৰোগীৰ বেমাৰো বিশেষ টান নহয়। এটা সাধাৰণ মূৰৰ বিষ। ডাঃ গোস্বামীয়ে প্ৰথমে তেনেদৰেই ভাবিছিল। ৰোগীজনৰ বিশেষ একো টান বেমাৰ হোৱা নাই। কেইটামান টেবলেট খালেই বেমাৰ ভাল হৈ যাব।

ঃ একো হোৱা নাই ডেকা ল'ৰা। খোৱা-বোৱাত নজৰ ৰাখিবা। টোপনি ভালদৰে মাৰিবা। চব ঠিক হৈ যাব।

ডাক্তৰৰ এনে অভয় বচন শুনি যুৱক পিংকু কলিতা সাধাৰণ ভাৱেই বহাৰ পৰা উঠি নিজৰ ফিজটো পে'কৰি গুচি গৈছিল। যাওঁতে ফাৰ্মাচীৰ পৰা দুটা টেবলেট কিনি লৈ গৈছিল। এটা টেবলেটৰ দাম পাঁচ টকাকৈ মুঠ দহ টকাৰ ঔষধ তেওঁ বেমাৰৰ লগত খৰছ কৰিছিল। ডাক্তৰৰ নিৰ্দেশ অনুসৰি এটা টেবলেট সেইদিনা ৰাতি ভাত খোৱাৰ পাছত খাই শুই আছিল। দ্বিতীয়টো পিছদিনাখন ৰাতিপুৱা অফিচ অহাৰ আগতে খাই আহিছিল।

ডাক্তৰে দিয়া ঔষধ খাই পিংকুএ ভাবিছিল তেওঁৰ বেমাৰ ভাল হ'ল। কিন্তু তেওঁৰ পিছদিনা ৰাতি আকৌ ভীষণ মূৰৰ কামোৰণি আৰম্ভ হৈছিল। তেওঁ ডাক্তৰক ফোন নকৰি থাকিব নোৱাৰিলে। বেচেৰা পিংকু কলিতাই আকৌ ৰাতি ডাক্তৰক ফোন কৰিলে।

ঃ ছাৰ, মোৰ বেমাৰ ভাল হোৱা নাই। আপুনি লিখি দিয়া ঔষধ কেইটা খাইছো কিন্তু তথাপিও ভাল পোৱা নাই। ছাৰ, মোৰ মূৰৰ বিষটো অসহ্য হৈছে।

ঃ তুমি কিন্তু আচৰিত ডেকা ল'ৰা দেই। এটা সাধাৰণ মূৰৰ বিষ সহ্য কৰিব নোৱাৰা। ভাল হ'ব, ভাল হ'ব। অলপ ধৈৰ্য ধৰা।

ডাঃ গোস্বামীৰ অভয় বাক্যত পিংকু কলিতাই লাজ পাইছিল। হয়তো ডাক্তৰে সঁচা কথাকে কৈছে। এটা সাধাৰণ মূৰৰ বিষ যদি পঁচিশ বছৰীয়া যুৱক এজনে সহ্য কৰিব নোৱাৰে তেনেহ'লে কিনো তেওঁ যুৱক। কিনো তেওঁ ডেকা ল'ৰা। ডেকা ল'ৰাৰ স্বীকৃতিত নিজৰ মনতে কিছু সন্দেহৰ ভাৱ সৃষ্টি হ'ল। মনৰ এই সন্দেহ আঁতৰোৱাৰ চেষ্টাত সম্পূৰ্ণ দুদিন তেওঁ মনে মনে থাকিল। পিছে বেমাৰৰ সন্মুখত তেওঁৰ পুৰুষত্বই হাৰ মানিলে। পিংকু কলিতা আকৌ ডাঃ গোস্বামীৰ সন্মুখত হাজিৰ হ'ল।

ঃ ডাঃ... মোৰ মূৰৰ বিষটো ভালেই হোৱা নাই নহয়।

ঃ হয় নেকি! এটা গহীন মাতেৰে ডাক্তৰে ৰোগীৰ কথাত সঁহাৰি জনালে।

ঃ পিছে কোৱাচোন মূৰৰ বিষটো নো কেনেকুৱা?

ঃ ছাৰ, মূৰৰ বিষটো এটা *সময়তহে হয়* /ৰাতি ন বজাৰ পৰা চাৰে-ন বজাৰ ভিতৰত। অন্য সময়ত কোনো ধৰণৰ অসুবিধা নাই।

ঃ ও! ডাক্তৰে এইবাৰ কিবা এটা চিন্তা কৰি ঔষধ নিলিখিলে। কেইটামান পৰীক্ষাৰ উপদেশ মাথোঁ দিলে। ডাক্তৰ গোস্বামীয়ে নিজৰ অভিজ্ঞতাৰ ফালৰ পৰা এটা কথা সম্পূৰ্ণৰূপে জানে যে কেতিয়াবা কেতিয়াবা হোৱা মূৰৰ বিষ, জ্বৰ আদি ডাঙৰ বেমাৰৰ Syndrom হিচাপে ৰোগীৰ দেহত দেখা দিয়ে। এনে Syndrom আনকি AIDS, কৰ্কট আদি মাৰাত্মক ইংগিত দিব পাৰে। এনেবোৰ দ কথা ভাবিয়েই ডাক্তৰে ৰোগীক কেইটামান পৰীক্ষা কৰাৰ উপদেশ দিছে। ৰিপৰ্ট কেইটা লৈ ৰোগী ডাক্তৰৰ ওচৰত হাজিৰ হ'ল।

ঃ ছাৰ, এইয়া ৰিপৰ্ট।

ঃ ও...! ভালদৰে পৰীক্ষাৰ ৰিপৰ্টবোৰ চাই ডাক্তৰে গহীনাই ক'লে, "সকলোবোৰ ঠিকেই আছে।"

ঃ নাই ছাৰ একো ঠিকে থকা

নাই। চব, খেলি-মেলি হৈ গৈছে।

মিঃ কলিতাই আবেগেৰে অন্যমনস্ক হৈ কৈ উঠিল। ৰোগীৰ এনে ব্যৱহাৰত তেওঁ আচৰিত হ'ল।

ঃ ও, চব খেলি হৈছে। পিছে তুমি চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব। আমি ডাক্তৰবোৰ এনেয়ে আছো নে? Problem Solve হ'বই। তুমি চিন্তাই নকৰিবা।

ঃ নোৱাৰে। আপুনি মোৰ কোনো Problem Solve কৰিব নোৱাৰে। সাধাৰণ এটা মূৰৰ বিষ আপুনি ভাল কৰিব নোৱাৰে আৰু আপুনি মোৰ Problem Solve কৰিব।

ঃ ডেকা ল'ৰা কথাটো কি? Problem গুৰুতৰ যেনেই পাওঁ।

এইবাৰ ডাক্তৰে শব্দ কৰি হাঁহিলে। ডাক্তৰৰ এনে আচহুৱা আচৰণত মিঃ কলিতা সচকিত হ'ল। ডাঃ গোস্বামীয়ে লক্ষ্য কৰিলে মানুহজনৰ মনটো Chamber ত নাই। আছে কোনোবা তৰাৰ ৰাজ্যত। নহ'লে বনৰ মাজত। য'ত জোনে জোনাক দিয়া নাই। বনত ফুলো ফুলা নাই। ডাক্তৰে বুজিলে ক'ৰবাত নহয় ক'ৰবাত এটা ডাঙৰ কেজেং আছে। আৰু তেওঁ এটা কথা ভালদৰে কৰিলে যে ৰোগী পিংকু কলিতাৰ ৰোগৰ কাৰণ Dil কা মামলাও হ'ব পাৰে। আজিৰ তেওঁৰ ব্যৱহাৰটো চাইটো তেনে যেনেই লাগিছে।

ডাক্তৰে ৰোগীজনলৈ ভালদৰে লক্ষ্য কৰিছে। ধুনীয়া চেহেৰাৰ ল'ৰাজন অলপ ক্ষীণাইছে।

ঃ মিঃ কলিতা তুমি আজি নাৰ্চিং হোমত থাকিব লাগিব। কিবা অসুবিধা হ'ব নেকি?

ঃ অসুবিধা মানে ছাৰ.... কাপোৰ কানি আনিব লাগিব। ঘৰৰ মানুহকো খবৰ দিব লাগিব। আজি নাথাকিলে অসুবিধা হ'ব নেকি ছাৰ?

ঃ অসুবিধা মোৰ নাই। কিবা হ'লে তোমাৰহে হ'ব। বাৰু আজি থাকিব নালাগে। কালি ভৰ্তি হোৱা।

ডাক্তৰ চিন্তিত হ'ল। তেওঁৰ অকণো ভালো লগা নাই। সাধাৰণ বেমাৰটোত নাৰ্চিং হোমত ভৰ্ত্তি হ'ব দিয়াৰ অনুৰোধটো তেওঁৰ নিজৰে ভাল নালাগিল। বাৰু দেখা যাওঁক।

(২)

ঃ তোমাৰ লগত আৰু কোন আহিছে?

ঃ ডাক্তৰ গোস্বামীয়ে সুধিলে।

ঃ মা, আহিছে।

ঃ ক'ত তেওঁ? মই লগ কৰিব পাৰিম নিশ্চয়।

এজনী ভদ্ৰ মহিলাৰ নমস্কাৰ গ্ৰহণ কৰাৰ পিছত ডাক্তৰে তেওঁক নানান ধৰণৰ প্ৰশ্ন কৰিলে। যেন তেওঁ ডাক্তৰ নহয় CID হে। কিন্তু কোনো উত্তৰত ডাক্তৰে ৰোগৰ কাৰণ বিচাৰি নাপালে। তেওঁৰ চিন্তা আৰু বাঢ়িল। এজন সাধাৰণ মূৰৰ বিষৰ বেমাৰীক তেওঁ নাৰ্চিং হোমত ৰাখি থৈছে। এই কথাটোৱে তেওঁক বাৰে বাৰে বিবেকত আঘাত কৰিলে। তথাপি উপায় নাই। সময়ে সময়ে তেওঁ আহি ৰোগীৰ খবৰ ৰাখিছে। ডাক্তৰ হিচাপে যি পাৰে তেওঁ চেষ্টা কৰিছে। কিন্তু নাৰ্চিং হোমত ভৰ্তি হোৱাৰে পৰা আজিলৈকে বেমাৰৰ কোনো ধৰণৰ লক্ষণ ডাক্তৰে ৰোগৰী গাত দেখা নাপালে। কেইটামান ভিটামিনৰ বটল ঔষধ হিচাপে দি তেওঁ দুদিন ধৰি নাৰ্চিং হোমত এজন সাধাৰণ বেমাৰীক ভৰ্তি কৰাই থৈছে।

ৰাতি ৭ মান বজাত ডাক্তৰক ৰোগীৰ কাষলৈ মতাই অনা হ'ল। ডাক্তৰক জনোৱা হ'ল যে ৰোগী পিংকু কলিতাৰ আকৌ ভীক্ষণ মূৰৰ বিষ। তেওঁৰ অসহ্য বিষ হৈছে। তেওঁ আৰ্তনাদ কৰিছে। মাত্ৰ কেই মুহূৰ্তমানৰ পিছতে ডাক্তৰ ৰোগীৰ ওচৰত হাজিৰ হ'ল। তেওঁ ভালদৰে নিৰীক্ষণ কৰিলে আৰু এটা তেজৰ নমুনা পৰীক্ষাৰ বাবে পঠিওৱা হৈছে। ৰোগীৰ দেহত এটা ঔষধ সুমুৱাই ডাক্তৰে মূৰৰ বিষটো নিয়ন্ত্ৰিণ কৰিলে।

যিজন মানুহৰ সম্পূৰ্ণ চাৰিদিন ধৰি কোনো ধৰণৰ ৰোগৰ Syndrom নাই। তেওঁৰ হঠাৎ ইমান ভীষণ মূৰৰ বিষ কেনেকৈ সম্ভৱ। ডাক্তৰে তেওঁৰ সমস্ত চিকিৎসকৰ জ্ঞান ব্যৱহাৰ কৰিব বিচাৰিছে। কিন্তু ৰোগৰ লক্ষণ যে চিকিৎসা শাস্ত্ৰৰ লক্ষ্যৰ বাহিৰৰ। ডাক্তৰে জানে যেতিয়া নিয়মবোৰে নিয়ম নমনা হয় তেওঁৰ চিন্তাৰো পৰিসৰ বাহিৰত হয়। ডাক্তৰৰ চিন্তাৰো পৰিসৰ বাঢ়ি বাঢ়ি এটা বিন্দুত স্থিৰ হ'ল। আৰু তেওঁ সম্পূৰ্ণ স্থিৰ আৰু শুদ্ধ সিদ্ধান্ত লৈ আহোতে সম্পূৰ্ণ এদিনৰ সময় লাগিল। শুদ্ধ সিদ্ধান্তৰ বাবে তেওঁ তেজৰ নমুনাৰ ৰিপৰ্ট এটা

ভালদৰে নিৰীক্ষণ কৰিলে।

(৩)

ঃ আহক, আহক মিঃ পিংকু কলিতা আহক।

ডাক্তৰে ৰোগীক নাৰ্চিং হোমৰ ব্যক্তিগত কোঠাটোলৈ উষ্ম আদৰণি জনালে।

পিংকু কলিতাই নিজৰ স্বাভাৱিক হাঁহিটোৰে ডাক্তৰক সঁহাৰি জনালে।

ঃ পিছে কোৱাচোন ডেকা ল'ৰা.... দেহ মন কেনে?

ঃ ভালেই ছাৰ। ৰাতিৰ পৰা মূৰৰ বিষ হোৱা নাই।

ঃ পিছে এটা কথা নহয় মিঃ কলিতা। তোমাৰ এটা বেয়া অভ্যাস আছে। তুমি অভ্যাসটো এৰিব লাগিব।

ঃ কি ছাৰ?

ঃ তুমি ধুনীয়া ছোৱালীবোৰক লগ কৰা অভ্যাসটো এৰিব লাগিব। কাৰণ তোমাৰ বেমাৰৰ কাৰণ এই ধুনীয়া ধুনীয়া ছোৱালীবোৰ। ৰ'বা আচৰিত নহ'বা। পানী গিলাছ খাই লোৱা। আচৰিত হ'ব লগা বা ভয় খাবলগীয়া কাৰণ একো নাই। তুমি ধুনীয়া ছোৱালী লগ কৰিব গ'লে বা তোমাক ধুনীয়া ছোৱালীবোৰে বেমাৰৰ খবৰ ল'বলৈ নাৰ্চিং হোমলৈ আহিলে তোমাৰ বেমাৰ হয়। গতিকে তুমি ধুনীয়া ছোৱালী লগ কৰিব নাযাবা বা তোমাক লগ কৰিব আহিব মানা কৰিবা। *কথা সিমানেই। বাচ.....!!*

কথাখিনি কৈ ডাক্তৰে স্বভাৱৰ উচ্চ শব্দৰ হাঁহিটোৰে পৰিবেশ উত্তাল কৰিলে। পিংকু কলিতা বজ্ৰ পৰা মানুহৰ দৰে ডাক্তৰৰ মুখলৈ চাই থাকিলে। তেওঁ একো ক'ব নোৱাৰা হ'ল। নহ'বই বা কিয়?? ডাক্তৰে সৰবজানৰ দৰে কোৱা কথাবোৰ জানো মিছা। তেওঁ যিদিনাখনেই তেওঁৰ গাৰ্লফ্ৰেণ্ডক লগ কৰিবলৈ যায় সেইদিনা ৰাতিয়েই তেওঁৰ ভীষণ মূৰৰ বিষ হয়। আনকি নাৰ্চিং হোমলৈ যিদিনা তেওঁৰ প্ৰেয়সীয়ে তেওঁক লগ কৰিব আহিছিল তেওঁৰ অসহ্য মূৰৰ বিষ! বা! কি আচৰিত...।

ঃ কথাবোৰ ভাবি তুমি আচৰিত নহ'বা। কাৰণ মই জানো তুমি ইয়াৰ উত্তৰ বিচাৰি নোপোৱা। বাৰু আচল কথালৈ আহো। তুমি তোমাৰ প্ৰেয়সীক আজি কেইদিনমানৰ আগতে এটা নতুন Fair Cream উপহাৰ দিছিলা, যিটো বজাৰত অতিকৈ নতুন। সকলো নতুন বস্তুৰে আদৰ থাকে। তুমিও বৰ আগ্ৰহ কৰি এই নতুন Product টো তুমি তোমাৰ প্ৰেয়সীক আনি দিলা। পিছে যিদিনাই তেওঁ মানে তোমাৰ প্ৰেয়সীয়ে তোমাক তুমি দিয়া নতুন Fair Cream টো মুখত লগাই তোমাক লগ কৰিব আহে সেইদিনাই ৰাতি তোমাৰ ভীষণ, অসহ্য মূৰৰ বিষ হয়। গতিকে চিকিৎসা শাস্ত্ৰৰ নিয়ম অনুসৰি তোমাৰ এই ৰোগটো এলাৰ্জি। ইয়াৰ নিৰ্দিষ্ট ঔষধ নাই। কাৰণ প্ৰত্যেকজন ব্যক্তিৰে এলাৰ্জিৰ কাৰণো বেলেগ বেলেগ আৰু তোমাৰ এলাৰ্জিৰ কাৰণ হ'ল তোমাৰ প্ৰেয়সীয়ে ব্যৱহাৰ কৰা নতুন প্ৰসাধন সামগ্ৰীবিধ। এই প্ৰসাধন সামগ্ৰীবিধ এক ধৰণৰ মৃত শেলাইৰ পৰা বনোৱা হৈছে আৰু এই শেলাইবিধ তোমাৰ দেহলৈ আহে তোমাৰ প্ৰেয়সীৰ পৰা। বেছি চিন্তা নকৰিবা। তুমি তোমাৰ প্ৰেয়সীৰ সৈতে প্ৰেম-প্ৰণয় কৰিব নোৱাৰিবা এনে নহয়। মাথোঁ তুমি এটা কাম কৰিব লাগিব। তুমি তোমাৰ প্ৰেয়সীক এটা নতুন বেলেগ Fair Cream উপহাৰ দিব লাগিব।

■■

গল্প—

# প্ৰেমৰ অৰ্ধসমাপ্ত এটি অধ্যায়

মুকুট বৰ্মন
স্নাতক দ্বিতীয় ষাণ্মাসিক।

(১)

কলেজত থকা এই সময়খিনি খুবেই প্ৰিয় অনুৰাগৰ। ৰাতিপুৱাৰ নিস্তব্ধতা, লাহে লাহে বাঢ়ি অহা কোলাহলে জাক জাক ইউনিফৰ্ম পিন্ধা ল'ৰা-ছোৱালী, কেন্টিনৰ আড্ডা আৰু মাজতে চাবি চকুৰ মিলন। ন বজাৰ পৰাই ব্যস্ততাৰ আৰম্ভণি ঘটে কলেজখনত কলেজখনৰ প্ৰতিটো কোণত। স্মৃতিয়ে সযতনে ধৰি ৰখাৰ প্ৰচেষ্টা চলায় সময়বোৰক, চিনাকি-অচিনাকি মুখবোৰক। প্ৰতিটো বছৰতেই আগমন ঘটে এজাক চঞ্চলতাৰ আৰু সেইদৰে বেদনাসিক্ত বুকুৰে বিদায় মাগে এজাকে, কি কি জীৱনত কিজানিবা এয়েই শেষ দেখা, আৰু লগ পালে কেতিয়াবা নষ্টালজিয়া সোঁৱৰাৰ প্ৰতিশ্ৰুতিৰে। আমলখি, কৃষ্ণচূড়া, বকুল গছ কেইজোপাৰ তলত বহি কিমান যে সপোনৰ ভগা গঢ়াৰ হিচাপ কৰা হয় ইয়াত। সগৌৰৱে থিয় দি থকা কলেজখনলৈ চকু দিলে জাগি উঠে কিবা এটা কৰা, কিবা এটা হোৱাৰ সপোন। এয়েই মঙলদৈ কলেজ, অনুৰাগৰ হেঁপাহৰ মঙলদৈ কলেজ, য'ত হেজাৰটা সপোনে টগ বগাই ফুৰে তেজাল ঘোঁৰা হৈ।

—"হেল্প' এক্সকিউজ মি!"

— পিছফালৰ পৰা অহা ছোৱালীৰ কণ্ঠস্বৰত উচপ্ খাই উঠিল অনুৰাগ। ঘূৰি চাই দেখিলে কলেজৰ ইউনিফৰ্ম পিন্ধা, একদম ঝাক্কাছ টাইপৰ ছোৱালী এজনী। নতুন মুখ, ফ্ৰেচাৰেই হ'ব চাগে।

— "য়েছ?" প্ৰশ্নবোধক দৃষ্টিৰে চাই ৰ'ল অনুৰাগ তাইৰ ফালে।

— "ফাৰ্ষ্ট ছেমিষ্টাৰৰ Chemistry major ৰ class কোনফালে?"

— "এই ... এইফালে, ৬নং ৰুমত" হাতেৰে ইচাৰা কৰি অনুৰাগে কৈ উঠিল।

—"থেংক ইউ...."

— অত্যন্ত উৎসুকতাৰে ধুমুহাৰ গতিত উৰি অহা ছোৱালীজনী পলকতে অদৃশ্য হৈ পৰিল। কেমিষ্ট্ৰী আৰু জিঅ'গ্ৰাফি ডিপাৰ্টমেন্ট্‌ৰ কৰিডৰৰ মাজত। কিছুসময় অক মাৰি চাই ৰ'ল সি তাই লোৱাৰ ফালে। ক্ষন্তেকতে হৃদয়ত সিঁচি দি থৈ গ'ল যে ফাগুণৰ উতলোৱা ৰং। আহ্, ধুনীয়া আৰু স্মাৰ্টনেছৰ কি অপূৰ্ব সংমিশ্ৰণ। ক'বলৈ গ'লে Beauty with Brain.

চেঙেলীয়া ডেকাবোৰৰ হৃদয়ত প্ৰেমৰ ছুনামী তুলিবলৈ ৰূপহী গাভৰুৰ এটা মাত্ৰ চকুৰ চাৱনীয়ে যথেষ্ট, নিজকে শ্বাহৰুখ, ৰণবীৰ বুলি ভাবিবলৈ বেছি সময় নালাগে। তাতে চাই উঠি মিচিকিয়া হাঁহি মাৰি দিলে বুকুৰ পৰা হৃদপিণ্ডটো বিস্ফোৰণ হৈ ওলাই আহিব খোজা যেন লাগে। গৰাখহনীয়াৰ দৰে ভাঙি পৰে হৃদয়ৰ পাৰ আৰু বাৰিষাৰ বানপানী হৈ নামি আহে তেতিয়া প্ৰেম। আৰম্ভ হৈ যায় কবিতা কবিতা লগা দিন। ফেচবুক, হোৱাট্‌ছএপপ্, টুইটাৰত আৰম্ভ হৈ যায় কবিতা, শ্বায়েৰী, ষ্টেটাছৰ ইমোচনেল অত্যাচাৰ। ম'বাইলত ৰকিং হিপহপ্ মিউজিকৰ ঠাইত কেইদিনমানৰ বাবে হ'লেও বাজি উঠে ৰোমাণ্টিক সংগীত। কবিতা ভাল নোপোৱাবোৰেও আওৰাব আৰম্ভ কৰি দিয়ে প্ৰণৱ কুমাৰ বৰ্মন, হীৰুদা, নীলিম কুমাৰ অথবা হিমাংশু প্ৰসাদ দাসৰ কবিতা—

"ঐ ছোৱালী এবাৰ ভাল পাই চাবা নেকি?

আচ্ছা, হিন্দী চিনেমাৰ দৰে কিয় নহয় কথাবোৰ,
কলেজৰ বাটত আমি দুয়ো খুন্দা খাম
হাতৰ পৰা সৰি পৰিব কিতাপ
এখন এখন কৈ মই তুলি দিম
তাৰ পিছত গান,
তাৰ পিছত প্ৰেম
মাজে মাজে ফাইট
ৱাহ কি মস্তি...!
হিন্দী চিনেমাৰ দৰে কিয় নহয় কথাবোৰ
......
আমিবোৰৰ কাষত এদিন প্ৰেয়সী

থাকিব
হৈবে কি, পঞ্চতন্ত্ৰৰ সাধু...

হাতত থকা ডিজিটেল ঘড়ীটোৱে দুপৰীয়া বাৰ-ত্ৰিশ হোৱাৰ সংকেত দিছে। অনুৰাগে হাতত থকা কলেজ ৰুটিনখনলৈ চকু ফুৰালে, পিছৰ পিৰিয়ডটো ছবিশ নং ৰুমত ইংৰাজীৰ ক্লাছ। মেথ্‌ছ ডিপাৰ্টমেন্টৰ মাজেৰে লাইব্ৰেৰী, Science Gallery ৰ সন্মুখেৰে কিমান যে দীঘল বাটটো। প্ৰথম কেইমাহমান ৰকেট যোৱা দিছিল। ল'ৰা-ছোৱালীবোৰে যেতিয়াই লাহে লাহে সময়বোৰ পাৰ হ'ল, সকলো গৰু গাড়ীৰ নিচিনা লেহেমীয়া হ'ল। ২৪ আৰু ২৮ নং ৰুম নাপায়হে নাপায়গৈ। প্ৰফেছৰবোৰেও গম পোৱা হৈ গৈছে দহ-পোন্ধৰ মিনিট মানলৈ কোনো আহি নাপায় বুলি। আজি আৰু অনুৰাগৰ ক্লাছ কৰাৰ মুড নাই। লগৰে মৃণালক বাকী কেইটা ক্লাছত Proxy মাৰিব দি ঘৰ পালেহি। ইমান ধুনীয়া আৰু স্মাৰ্ট ছোৱালী এজনীয়ে মাত দিয়াৰ পিছত কোনসতে আৰু ক্লাছ কৰিব পাৰি?

অনুৰাগে নিজৰ ৰুমটোত সোমাই বেগটো বিছনাত দলিয়াই দি ওচৰতে থকা খিৰিকিখন খুলি দিলে। সিৰ সিৰাই যোৱা খিৰিকীখন ঠাণ্ডা বতাহজাকে ধুনীয়া আমেজ দি গ'ল। আনদিনা হোৱাহেঁতেন ধপ্‌কৈ বন্ধ কৰা খিৰিকীখনৰ শব্দত ভাত বুটলি ফুৰা শালিকা, কপৌ চৰাই কেইটাই উৰা মাৰি পলালহেঁতেন। দূৰৈৰ আকাশৰ নীলিমত ভাহি ফুৰা মেঘ টুকুৰালৈ চাই কিবা ভাবত বিভোৰ হৈ ৰ'ল অনুৰাগ। প্ৰথমবাৰৰ বাবে অনুভৱৰ দোমোজাত পৰি অন্যমনস্ক হৈ আছে সি। পঢ়াৰ কনফিউজন গুলী মাৰা, সেই বিলাকৰ বাবে তাৰে আহৰি নাই। ৰাতিপুৱা মাকৰ গালি খাই খাই দেৰিকৈ শুই উঠি কলেজ পাই মানে এঘাৰ বাজে। তাৰ পিছত দুটা বা তিনিটা ক্লাছ। আবেলি ক্ৰিকেট, টেবুল টেনিছ, কেৰম লৈ ব্যস্ত। সন্ধিয়া ভেবাৰঘাট, লাৱনী অথবা কলেজৰ সন্মুখৰ পেটলাদাৰ দোকানৰ পকৰী খাই কাৰ জুলিয়েট বেছি ধুনীয়া তাৰ হিচাপ লোৱাৰ সময়। ৰাতি দেউতাকক দেখুৱাই পঢ়াৰ অভিনয়, তাৰ পিছত ৰাতিৰ ডিনাৰ, ভাৰাতীয়া হিচাপে থকা শ্যামন্ত কৌস্তুভহঁতৰ ৰুমত আড্ডা আৰু গভীৰ ৰাতি মুকলি চাদৰ তলত বহি ফেচবুকত বাৰেভচহু কথা। বেছিভাগ সময়েই বাহিৰা কথাত মূৰ ঘমাই ফুৰা অনুৰাগৰ ঠিকনা সদায় বেলেগৰ ৰুম, পঢ়িবৰ বাবে আৰু আহৰি ক'ত?

আচলতে সদায়েই কনফিউজ অনুৰাগ। সকলো ক্ষেত্ৰতে, আনকি সি কিয় ইমান কনফিউজন ছিনড্ৰমত ভূগি থাকে, তাক লৈও হেনো তাৰ কনফিউজন। প্ৰেমৰ ক্ষেত্ৰতটো ক'বই নালাগে! বহুতেই কয় প্ৰেম হৈ যায়, পিছে অনুৰাগৰ মতে প্ৰেম কৰাৰ পিছতহে হেনো হৈ যায়।

আজি অনুৰাগৰ মনটো একদম ৰোমান্টিক ৰোমান্টিক হৈ আছে। জন কীটছ, ওৱৰ্দছওৱৰ্থ, নৱকান্ত বৰুৱা, হীৰুদা আদিৰ দৰে কবি হোৱাহেঁতেন ডায়েৰীৰ পৃষ্ঠা ভৰি গ'লহেঁতেন কবিতাৰে। তথাপি চেষ্টা এটা চলাব লাগিব আজি ৰাতি অনুৰাগে মনতে ভাবিলে।

(২)

মাজৰাতি এক বাজি গৈছে। কাঠৰ চকীখনত দেহাটো এৰি দি চিন্তাত বুৰ গৈ আছে অনুৰাগ। চিন্তা মানেই অদ্ভুত চিন্তা। সৰুতে খেলা লুকা চুৰিৰ পৰা আৰম্ভ কৰি এই চেঙেলীয়া বয়সত প্ৰথম প্ৰেমত পৰালৈকে। মাজে মাজে ৰিফ্ৰেছমেন্টৰ কাৰণে দেহাটো ল'ৰাই দিয়ে, চকীখনৰ পৰা যন্ত্ৰণাতে কেৰোক-কোৰোক-কেৰেক শব্দ কিছুমান ওলায়। চাৰিওফালে মৰিশালীৰ নিচিনা নিস্তব্ধতা। ভতুৱা কুকুৰটো বাৰান্দাতে শুই আছে বোধকৰোঁ, মাজে মাজে গেঙনিৰ শব্দ কিছুমান ভাহি আহি কাণত পৰিছেহি।

আচলতে অনুৰাগে দুঘন্টা ধৰি কবিতা এটা লিখিবৰ বাবে চেষ্টা কৰি আছে। মাজত দুই শাৰী লিখি আকৌ কাটি পেলায়। মূৰটোত বিপ্লৱ, সমাজ, স্বাধীনতা আদি প্ৰেমৰ ব্যাকৰণ নমনা শব্দৰহে পয়োভৰ বেছি। কেতিয়াবা কেতিয়াবা মাজতে খুটি লৰা চকীখন আৰু ভতুৱাটোৰ গেঙনিও কবিতাত সোমায়হি। পিছত পঢ়ি এনেকুৱা লাগে যেন কবিতাটোত ভতুৱাটো বা চকীখনকহে প্ৰেম নিবেদন কৰি থকা হৈছে। লগে লগে কাগজখন খণ্ড বিখণ্ড টোপোলা হৈ টেবুলৰ তলত সোমায়হি।

আগতে অনুৰাগে ছন্দ থকা কবিতা লিখি লগৰবোৰক পঢ়িব দিছিল। ভাল বুলি শলাগিলে বুকু ফিন্দাই থকা আৰু বেয়া বুলিলে তাকে নতুন কবিতা এটা লিখিব দিছিল। কেতিয়াবা সমনীয়া

কিছুমানে তাৰ পৰা কবিতা নি সিহঁতৰ প্ৰেয়সীবোৰক দিছিলগৈ। বিনিময়ত সিহঁতে স্কুলৰ জিৰণিৰ সময়ত তাক দিছিল একোটা ৰঙা বৰফ অথবা ডালমুগৰ পেকেট।

আধুনিক কবিতা লিখিবলৈ বহি আজি সি নাৰাজ। কোনোবাই তাক কৈছিল কবিতা লিখিবৰ বাবে সূক্ষ্ম অধ্যয়নৰ গুৰুত্ব অসীম। প্ৰতিটো বস্তুকে বেলেগ দৃষ্টিকোণৰ পৰা চাব জানিব লাগিব। ফেচবুকত কবিতা পঢ়ি তাৰ এই দৃষ্টিভংগী কেতিয়াবাই ভাপ হৈ উৰি গৈছিল। ভাব হৈছিল কবিতা লিখিবলৈ টেলেন্টৰ একো প্ৰয়োজন নাই, মনত অহা যিকোনো কথা লিখি দিলেই কবিতা হৈ যায়, আধুনিক যুগৰ কবিতা। পিছে দুলাইনমানৰ পিছত কবিতা দেখোন নাহেহে নাহে। এটা শাৰীত যদি প্ৰেমৰ কথা লিখে, দ্বিতীয় শাৰীত প্ৰেম পায়গৈ হিমালয়।

ঘড়ীত নিশা দুই বজাৰ সংকেত। নাই এতিয়া আৰু সি ভাবিব নোৱাৰে। সি এনেই এলেহুৱা, তাতে আকৌ দুইমান বজাৰ বেছি দেৰি কৰিলে কাইলৈ বাৰটা মানলৈকে যে সাৰ নাপাব সেয়া ধ্ৰুৱ সত্য। তাতে আকৌ ফেচবুকত কবিতাটো আপডেটো দিব লাগিব, তাইৰ লগৰ কেইজনমানক টেগাই দিলেই হ'ল, কবিতাটো চকুত পৰিবই পৰিব তাইৰ।

তাৰ পিছত প্ৰেম
মাজে মাজে ফাইট
ৱাহ্ কি মস্তি!

হাতত সৰগ ঢুকি পোৱা যেন পালে সি। লাহেকৈ চকীখনৰ পৰা উঠি গৈ দেউতাকৰ ছেলফ্‌ৰ পৰা কেইখনমান আলোচনী দাঙি লৈ আহিল। বাছি বাছি কেইটামান প্ৰেমৰ কবিতা লৈ ইয়াৰ পৰা একশাৰী, তাৰ পৰা একশাৰী কৰি প্ৰায় বিশ শাৰী মানৰ কবিতা এটা সাজি উলিয়ালে। স্বস্তিৰ নিশ্বাস পেলাই বিছনাত দেহাটো এৰি দিয়াৰ লগে লগে টোপনি আহিল।

ৰাতিপুৱা কোনোবাই হেঁচুকি দিয়াত সাৰ পালে অনুৰাগে। দেখিলে, কালি নিশা সি কষ্ট কৰি সাজি উলিওৱা কবিতাটো হাতত লৈ ভন্টি জপিয়াই আছে।

"হে ভগৱান, কালি মানে কবিতাটো মই লুকাই থব পাহৰিলো।"— স্বগতোক্তি কৰি উঠিল সি। অনুৰাগ গৈ কবিতাটো হস্তগত কৰাৰ আগতেই চোতালত বহি চাহ খাই থকা মাক-দেউতাকহঁতৰ আগত কবিতাটো আবৃত্তি কৰিবলৈ আৰম্ভ কৰিলে ভন্টিয়ে। ইফালে অনুৰাগৰ অৱস্থা ফাট দিয়া বসুমতী পাতালে লুকাও যেন হ'ল।

(৩)

পাঁচ মাহ কেনেদৰে পাৰ হ'ল গমেই নাপালে সি। সেই ছোৱালীজনীৰ লগত চিনাকি হোৱাৰ বাহানা এটাও উলিয়াব নোৱাৰিলে অতদিনে। ফেচবুকত ফ্ৰেইণ্ড ৰিকুৱেষ্ট গ্ৰহণ কৰিছে যদিও ইমান গাল টকা নেট পেকৰ নামত ভৰায়ো মেছেজৰ ৰিপ্লাই এটা আনিব পৰা নাই সি। হাই হেল্ল' দি দি ভাগৰি পৰিছে, ৰিপ্লাইতো দূৰৰ কথা, মেছেজ চোৱাই নাই তাৰ। ছেমিষ্টাৰৰ ফাইনেল পৰীক্ষাও পালেহিয়েই। প্ৰেমত পৰাৰ পিছৰ পৰাই অনুৰাগৰ ফেচবুক আসক্তি বাঢ়িবলৈ ধৰিছে। অনুৰাগৰ কেতিয়াবা বাৰান্দাত জপ কৰি থকা মুনিৰ দৰে ঘন্টাৰ পিছত ঘন্টা বহাৰ কাৰবাৰ। মাজে মাজে চকু দুটা ৰিফ্ৰেছমেন্ট কৰিবলৈ বাটলৈ চায় সি, নাই কোনো নাই। উদং বাট, হালোৱা গৰু (বলধ) কেইটামানেহে শিং জোকাৰি জোকাৰি ঘাঁহ খোৱা দৃষ্টিগোচৰ হয়। ওচৰতে থকা আম গছজোপাত চকু পেলায় তেতিয়া। আমবোৰ পকি মোক খা, মোক খা কৰি আছে। ওঁহো নহ'ব, অনুৰাগৰ সময় নাই। সি আচলতে আজিকালি বৰ ব্যস্ত।

ম'বাইল নোহোৱা যুগত আমে এই অৱস্থা পোৱা কেতিয়াও মনত নপৰে অনুৰাগৰ। অকা টেঙা টেঙা হোৱাৰ সময়ত বেচেৰা আমৰ ভঁৰাল উদং হৈ যায়। আম টেঙা চকলা চকলে কাটি খাৰৰ লগত সানি অলপ মিঠাতেল আৰু ওঘোণী (ভোট) জলকীয়া লৈ সমনীয়াৰ লগত খোৱাৰ মজাই বেলেগ। কেতিয়াবা খাৰ টেঙা খাই উঠি জলকীয়াৰ তাপত ঘটিয়ে ঘটিয়ে পানী খাই সৰু পানী চুবলৈ যোৱাৰ দৌৰা-দৌৰি আৰু ওঘোণী জলকীয়া হাতেৰে চুই, সেইখন হাতেৰে খজুৰতিৰ জেগাত খজুৱাবলৈ ব্যৱহাৰ কৰিলে কথাই নাই অনুৰাগহঁতে জাপ মাৰোতে ঠাইখন ৰঙ্গমঞ্চৰ ৰঙীন নাটকৰ লেখীয়াই হয়গৈ।

কিবা নটিফিকেচন আহিল নেকি বাৰু.....!

ফ্ৰেইণ্ড ৰিকুৱেষ্ট, তাইৰ.....!

নাই এতিয়াই নোখোলো, পঢ়া নহ'ব— অনুৰাগে ভাবিলে। দুদিনমানৰ পিছতে যোৱা ৫ মাহে কামোৰ দি থকা ছেমিষ্টাৰৰ ফাইনেল পৰীক্ষা। কেমিষ্ট্ৰীৰ অৰ্গেনিক, ফিজিক্সৰ কাইনেটিক্‌ছ আৰু কিমান যে পঢ়ি বলগীয়া আছে। (আধাঘন্টা বিৰতি)

"আৰে খোল না প্ৰফাইলটো, নটিফিকেচন, মেচেজ, অতদিনে অনলাইনৰ অপেক্ষাত থকা কোনোবা আহি যাব পাৰে"— এই অলপ আগতে আইনষ্টাইন, নিউটনৰ সূত্ৰৰ সাগৰত এটুকুৰা কাঠত উঠি ককবকাই ফুৰা অনুৰাগৰ ব্ৰেইনটোত কেইটামান অযথা কীট আহি কামোৰ দিয়েহি।

"দুদিন পিছতে দেখোন পৰীক্ষা, নাই নহ'ব।"— মাজ সাগৰত কম্পাছ হেৰুওৱা নাৱিকৰ দৰে তাৰ বিবেকটোৱে চিঞৰি উঠে। কিন্তু জয় সদায় ব্ৰেইনটোৰেই। স্বতস্ফুৰ্তভাৱে আঙুলি কেইটা গৈ অপেৰা মিনিৰ সেই নিৰ্দিষ্ট শব্দটোত ক্লিক কৰেগৈ 'ফেচবুক।'

নাই একো নাই সকলো খালি, নটিফিকেচন, মেচেজ, ফ্ৰেইণ্ড ৰিকুৱেষ্ট... 'এনেই মিছা মিছি টাইম বৰবাদ...' অনুৰাগে ভাবিলে পেজটো কাট কৰিব খুজিও থমকি ৰ'ল সি। খুলিছে যেতিয়া অলপ ৰিফ্ৰেছমেণ্টেই হোৱা যাওক। আধাঘন্টা যে পঢ়িলে, সেয়েই যথেষ্ট তাৰ বাবে। আকৌ পঢ়া টেবুলত জপ। দুঘন্টা সময় কেতিয়া পাৰ হ'ল গমেই নাপালে সি। যোৱা ৫ মাহে এটাও কবিতা, ষ্টেটাছ অথবা শ্বায়েৰী লাইক নকৰিলে তাই। দুটিমান কবিতাতটো তাইক টেগাই দিছিল সি। অনলাইন থাকিলেও লাইক নকৰে। দেউতাকেও তাৰ এই ফেচবুক মেনিয়া লক্ষ্য নকৰা নহয়। অনবৰতে ম'বাইলটো আগত লৈ বহি থাকে। কেতিয়াবা হাঁহি থাকে, কেতিয়াবা থাকে চকুৰ ভ্ৰূ কেইডাল কোঁচাই।

তৃতীয় ঘন্টাৰ আৰম্ভণি। লগৰ এটাৰ ষ্টেটাছ আৰু কমেন্টবোৰ চাই চাই পাগলৰ দৰে হাঁহি আছে সি মুখ টিপি টিপি। মাজে মাজে ফিল'চফাৰ টাইপৰ কমেন্ট একোটা টাইপ কৰে, আকৌ মচি পেলায় জানোছা ভালক শাৰীত নপৰেই। খেলতো চলি থকাৰ সময়তে দেউতাকৰ প্ৰৱেশ...।

"পৰীক্ষা কেতিয়া?"— দেউতাকৰ পোনপটীয়া প্ৰশ্ন

" পাঁচ তাৰিখে" — দেউতাকৰ মেজাজ দেখি অনুৰাগৰ মুখৰ প্ৰতিটো শব্দই একোটা ফুলষ্টপ দিব খোজা যেন লাগিল। অনুৰাগৰ দেউতাকে বাৰান্দাত বহি বিছনীৰ কাটি তুলি আছিল। মাকে সি পঢ়িছেনে নাই চাব আহি ম'বাইল চাই চাই তেনেদৰে হাঁহি থকা দেখি হয়তো দেউতাকক ক'লেগৈ।

"চাও ম'বাইলটো দেচোন।"

অগত্যা উপায় নাপাই দেউতাকৰ হাতত ম'বাইলটো তুলি দিলে সি। ফেচবুকৰ পেজখন তেনেদৰেই থাকিল।

"অ' টেক্সবুকৰ সলনি ফেচবুক, ৰ আজি"—

ম'বাইলটো পকাৰ মজিয়াত থৈ ওচৰতে থকা পীৰা এখনেৰে দেউতাকে দাবাং ষ্টাইলত গুৰি হৈ যোৱাকে কোব দিয়াত যি শব্দ হ'ল, সেই শব্দ অনুৰাগৰ কাণত অসমৰ কোনো এখন জকাইচুকীয়া গাঁৱত ফেচ্‌বুক নামৰ এটম বোমা এটা বিস্ফোৰণ হোৱা যেনেই লাগিল।

বেচেৰা ফেচ্‌বুক, অনুৰাগৰ জীৱনৰ পৰা কিমানদিন আঁতৰি থাকিব লাগিব হয়তো তাৰ ঠিকনা নাই।

নিয়ৰসিক্ত সেমেকা আবেলি। শীতে মেৰিয়াই ধৰিছে ক্ৰমশ। মাফলাৰ, ছুৱেটাৰ জেকেট, জিনছ পেন্টৰ দুৰ্ভেদ্য প্ৰাচীৰ ভাঙি সিৰা-উপসিৰা কঁপাই তুলিছে শীতে। মঙলদৈ চহৰৰ মঙলদৈ ভূটিয়াচাং পথটোৰ নিশাৰ প্ৰহৰী ষ্ট্ৰীটলাইটবোৰো জ্বলি উঠিছে যদিও নিষ্প্ৰভ কুঁৱলীৰ আবেষ্টনীৰ বাবে। শীতৰ প্ৰকোপ বঢ়া বাবেই হয়তো সেৰেঙা মানুহৰ উপস্থিতি। কাকলি হোষ্টেলৰ সন্মুখত এজন ল'ৰাক দেখা গৈছে হাতত এথোপা গোলাপ ফুল লৈ কাৰোবালৈ অপেক্ষা কৰি থকা। সেইজন অনুৰাগেই নহয়তো....!

■■

গল্প—

# সমন্বয়ৰ সাঁকো

মনোজ কুমাৰ শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক।

চাৰিআলিৰ পৰা সিহঁতৰ গাঁৱৰফালে যোৱা পথটোত বহু পৰিবৰ্তন হৈছে, ৰাস্তাৰ কাষতে থকা ৰামমোহনৰ চাইকেলৰ দোকানখন, তামোল-পাণৰ দোকান, চাহ-মিঠাইৰ এচলীয়া টিনৰ দোকানখন নাই। তাৰ পৰিৱৰ্তে পকী দোকানবোৰ গঢ়ি উঠিছে। বেগটো পিঠিত ভালদৰে পেলাই লৈ জীৱনে তাৰ আপোন গাঁওখনলৈ বুলি খৰধৰকৈ খোজ পেলাইছে। জীৱন! তুমি কেতিয়া আহিলা? তোমাৰ বেগখন মোৰ চাইকেলতে তুলি দিয়া।

এইবুলি ভাদৰি ককাইদেউৱে পাছফালৰ পৰা মাত লগালে। জীৱন আৰু ভদৰি ককাইদেউ একেলগে গাঁওখনৰ বা-বাতৰি লৈ আহি থাকিল। জীৱনৰ মাকে যি আহিব বুলি খবৰ পাই ভদৰিক বাছ আস্থানলৈ পঠিয়াইছিল।

সিহঁতৰ গাঁওখন ৰহদৈ গাঁও। তাত নানান সম্প্ৰদায়ৰ মানুহ আছে লগতে আছে বড়ো, মিচিং আদি জনজাতিৰ লোক। জীৱনে ভদৰি কাইৰ মুখৰ পৰা গম পালে যে যোৱা কিছুদিন ধৰি সাম্প্ৰদায়িক সংঘৰ্ষত গাঁওখন অশান্ত হৈ আছে।

বহু মানুহৰ সংঘৰ্ষত বহুলোক আহত হৈছে। কথাবোৰ শুনি-শুনি কেতিয়া ঘৰ পালেহি সি গমকেই নাপালে। জীৱন দুবছৰৰ মূৰত ঘৰলৈ আহিছে PHD ৰ কামত সি কলকাতা বিশ্ববিদ্যালয়ত আছিল।

যি অনুভৱ কৰিলে যি গাঁৱৰ অশান্ত সমস্যাৰ সমাধান কৰিব লাগিব। ৰাতিটো তাৰ টোপনি নাহিল।

তই কালিয়েই আহিলি আৰু মোক এবাৰো লগ কৰা নাই।

শেৱালিয়ে প্ৰায় চিঞৰিয়েই ক'লে — শেৱালি তাৰ প্ৰেম, তাৰ সাহস তাৰ উৎসাহ। দুবছৰৰ পাছতো তাইৰ একো পৰিৱৰ্তন হোৱা নাই একেই হাঁহি, একেই চাৱনি, একেই অভিমান।

শেৱালি তই জানই আমাৰ গাঁৱৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ অশান্ত পৰিৱেশৰ উপশম ঘটাবলৈ প্ৰচেষ্টা চলাব লাগিব। জীৱনে তাইক ক'লে —

শেৱালিয়ে উত্তৰত ক'লে— আমি তুমি মই অকলে কি কৰিম?

জীৱনে তাইক আশ্বাস দি ক'লে আমি কেইজনমান যুৱক-যুৱতী লগ হৈ স্বেচ্ছাসেৱী সংস্থা গঠন কৰিম আৰু মানুহক বুজাম যে আমি একেখন ৰামধেনুৰ তলতে আছো একেখন আকাশৰ তলতে আছো, একে বতাহ খাইছো তথাপিও আমি কিয় এজনে আনজনক ঘৃণাৰ চকুৰে চাম। আমি সকলো সমান।

শেৱালিয়েও তাৰ কথাবোৰ শুনি অনুভৱ কৰে সমাজখনৰ বাবে কিবা এটা কৰাৰ কথা। অইন নহ'লেও সিহঁতৰ ঘৰখন মৰমৰ জীৱনদাৰ বাবে। শেৱালিৰ ঘৰখনেও নানান সমস্যাৰ মুখামুখি হৈছে এই সাম্প্ৰদায়িক বৈষ্যম্যৰ বাবে।

অভিযানৰ সকলো প্ৰস্তুতি জীৱন আৰু তাৰ বন্ধুবৰ্গৰ সহায়ত হৈ উঠিল। সিহঁতে সজাগতা সভা পাতি ৰাইজক বুজাব যে মানুহ সকলো সমান। গাৰ ৰং ক'লা বা বগা হ'ব পাৰে কিন্তু তেজ সকলোৰে ৰঙা। সিহঁত সকলো একেখন ৰামধেনুৰ তলত একে আকাশৰ তলত আছে গতিকে সকলো সমান। সমাজৰ সকলোকে সমান গাৰ ৰং ক'লা বা বগা হ'ব পাৰে কিন্তু তেজ সকলোৰে ৰঙা। সকলো একেখন ৰামধেনুৰ তলত, একে আকাশৰ তলত আছে গতিকে একেখন নাৱৰে যাত্ৰী হ'বলৈ সিহঁতে আহ্বান জনাব।

আজি জীৱন শেৱালিৰ অভিযানৰ প্ৰথম খোজ সিহঁত নিশ্চয় সফল হ'বই কাৰণ সিহঁত আত্মবিশ্বাসী।

■■

গল্প—

# পৰিশোধ

মছউদ আলী
স্নাতক প্ৰথম ষাণ্মাসিক

ওচৰতে থকা ফুটছাইৰ টেকেলীটো উমাকান্তই দলিয়াই দিলে। কেঁচা কলপাতৰ বেৰ ভেদ কৰি সিপাৰৰ গড়খাৰৈত টেকেলীটো থুপুচকৈ পৰি ভাঙি থাকিল। গিৰিয়েকৰ কাণ্ড দেখি বাসন্তী ভয়তে কম্পমান হ'ল। কিহে পাইছিল তাইক এই আপদীয়া কথাবোৰ উলিয়াবলৈ। অৱশ্যে উমাকান্তৰ এনে আচৰণত তাই অভ্যস্ত হৈ পৰিছে। তাই নীৰৱে থাকিল।

উমাকান্তই ভোৰভোৰাই চাইকেলখন মচাত লাগিল। তাৰ দেহাটোৰে বাসন্তী চকু টানিছে। তাই আচৰিত হৈ উঠিল গোনা মহৰ দৰে শৰীৰ আৰু পকা থেকেৰাৰ দৰে মুখখন সলনি হৈ অন্য ৰূপ লৈছে। অ'তদিনে তাই গিৰিয়েকৰ শাৰীৰিক পৰিবৰ্তন ধৰিবই পৰা নাছিল। মানুহজনলৈ তাইৰ পুতৌ জন্মিল। আগতে খং উঠিলে উমাকান্তৰ গাল-মুখ ৰঙা পৰি গৈছিল। কপালত ঘাম বিৰিঙি উঠিছিল এতিয়া পিছে সেই তেজো নোহোৱা হ'ল।

উমাকান্ত ৰমনী ডাক্তৰৰ মাজু পুতেক। ডাক্তৰ মানে আনুষ্ঠানিক ডিগ্ৰীধাৰী ডাক্তৰ নহয়। গুৱাহাটীত কোনোবা কলিকতীয়া ডাক্তৰৰ লাচনি-পাচনি ধৰোতা হিচাপে থাকি নামৰ পিছত ডাক্তৰ উপাধিটো লগাই আহিছিল। সেই সময়ত ডাক্তৰৰ সংখ্যাও বৰ তাকৰ আছিল বাবে গাঁৱলীয়া সমাজত ৰমনী বৰা ডাক্তৰ হিচাপে অতি সহজে প্ৰতিষ্ঠিত হ'ব পাৰিছিল। অৱশ্যে বেজি দিয়া জ্বৰ-কাঁহৰ বড়ি আদি প্ৰাথমিক চিকিৎসাৰ ভিতৰতে তেওঁৰ সেৱা সীমাবদ্ধ আছিল।

উমাকান্তক ঘৰৰখীয়া কৰি ডাঙৰ ককায়েক দুজনে চহৰ নগৰ ঘূৰি কিছু জ্ঞান অৰ্জন কৰিছিল। সিহঁতৰ বুদ্ধিও চোকা আছিল। কিন্তু উমাকান্তই ঘৰৰ তপত ভাতৰ সোৱাদ এৰিব নোৱাৰি ঘৰতেই পণ্ডিত হ'ল। চেভেন নে এইট মানলৈকে পঢ়ি উমাকান্তই কিতাপ কাগজ সামৰিলে। ইফালে ককায়েকহঁতেও বিয়া বাৰু কৰাই ঘৰ ফালিলে।

ধৰণী ডাক্তৰ মাটি বাৰী বুলিবলৈ সিমান নাছিল। ঘৰৰ ভেটিটোক বাদে এবিঘা নে দুবিঘা খেতি কৰা মাটি আছিল। পিছে চাৰিটা পুতেকক ভেটি দিব ক'ৰ পৰা। ৰুৱনীতলীয়া মাটিতেই ঘৰ-বাৰী সাজিবলৈ দিলে। উমাকান্তৰ ভাগত পৰিল পথাৰৰ মূৰত থকা মাটি দুকঠা। পথাৰৰ মাজত হ'লে তেতিয়া তাত নতুনকৈ ইটাভাটা এটা আৰম্ভ কৰিছিল। দিন-ৰাতিৰ সংগী বুলিবলৈ আন কোনো নহ'লেও ভাটাৰ শ্ৰমিক কেইজন পাইছিল।

বিয়া বাৰু কৰাই উমাকান্তই পথাৰৰ মাজ পালেগৈ। তাৰ মূৰত সংসাৰ নামৰ নতুন বোজা এটা আহি পৰিল। আগতে ঘূৰা ফুৰাক বাদে জীৱনত যে আন বস্তুতো কাম-কাজ আছে তাৰ কথা ভাবিবই পৰা নাছিল। বিয়াৰ পিছৰ পৰাই মানুহজনৰ অবিৰাম সংগ্ৰাম আৰম্ভ হ'ল। আজিকোপতি যেন তাৰ অন্তপৰা নাই।

'অ'ই কি চাই আছ' মোনাখন আন। চিন্তা সাগৰত ডুব গৈ থকা ঘৈনীয়েকক উদ্দেশ্যি উমাকান্তই এষাৰি এৰিলে।

বাসন্তীয়ে মোনাখন আগবঢ়াই এহাতে বজাৰৰ লিষ্টখন দিলে। তাইৰ ভয় লাগিছে। বজাৰৰ লিষ্টখন চাই জানোছা আকৌ কিবা জাই উঠে। পিছে উমাকান্তই মাতবোল নকৰাকৈ ওলাই গ'ল।

বাসন্তীৰ কাম- বনত মন বহা নাই, মাঘৰ দোমাহীলৈ দুদিন বাকী। পিছে ঘৰতনো কিহৰ বিহু হ'ব। পাঁচটাকৈ ল'ৰা ছোৱালীক কাপোৰ-কানি দিব লাগে। ডাঙৰ দুটাক বুজালে বুজে। পিছে সৰু তিনিটা নাছোৰবান্দা ওচৰৰে ভাটাৰ মহৰী অতুলৰ ল'ৰা-ছোৱালী দুটাক বিধে-বিধে সাজ-পোছাক আনি দিয়ে। তাকে দেখি উমাকান্তৰ ল'ৰা-ছোৱালীকেইটাই পেনপেনাই থাকে।

ভোগৰ বিহু বুলি মাছে -মঙহে এসাঁজ পেটপূৰাই খাবলৈ কাৰনো মন নাযায়। পিছে নিজৰ বুলিবলৈ জহা-বৰা নায়েই পুখুৰীও নাই গড়াঁলৰ হাঁহ-কুকুৰা কেইটাকটো ধৰিব নোৱাৰি। সিহঁতৰ কণীকেইটা বেছি অন্তত চাহপাত,

চেনিখিনি যোগাৰ কৰিব পৰা গৈছে৷ তাৰ আধ্যা পেলাই ভোগ কৰিলে কি ফল ধৰিব। বাসন্তীয়ে পিছে ককায়েকক দিব ল'গা টকাখিনিৰ কথাহে দ'কৈ ভাবিছে৷

দুবছৰ আগত বাসন্তী বৰ টান গৈছিল। এনেয়েই লেৰেলা-চেপেৰা মানুহ। তাতে জ্বৰ গ্ৰহণীয়ে হেঁচা মাৰি ধৰিছিলহি। উমাকান্তৰ হাতত তেতিয়া ফুটা কড়ি এটাও নাই। কোনোবাই ধাৰ দিবলৈও মন নকৰে। ভাটাৰ দালাল অতুলে দুহেজাৰ টকা দিম বুলি ক'লে। পিছে উমাকান্তৰ নামত বুলিবলৈ থকা মাটি তিনি কঠা লিজত দিব লাগে। সিহঁতে পাৰে মানে খান্দিব। উমাকান্তই সেইটো কৰিব দিব নোৱাৰে কাৰণ মাটি তিনি কঠাই তাক যথেষ্ঠ সকাহ প্ৰদান কৰিছে। অৱশেষত ভগৱান তাৰ ওপৰত সদয় হ'ল। বাসন্তীৰ ডাঙৰ ককায়েকে বোলো ঘৰত বহি থাকিলে নহ'ব টকা দুহেজাৰ ল' আৰু গুৱাহাটীলৈ লৈ ব'ল বুলি কোৱাতহে উমাকান্তৰ মুখত পানী আহিল।

এতিয়া বাসন্তীৰ ককায়েকক টকাৰ প্ৰয়োজন হৈছে। সেয়ে ডাক পঠিয়াইছে যে যিকোনো উপায়ে দুই এদিনতে টকাখিনি উভতাব লাগে তাকে লৈ আজি দুদিন ধৰি উমাকান্ত আৰু বাসন্তীৰ চিন্তাৰ শেষ নোহোৱা হৈছে। ককায়েক জোৰ থকা মানুহ হ'লেও বেলেগ কথা আছিল। পিছে বেচেৰাই লোকৰ ঘৰত হালোৱা খাটি জমা কৰা টকাখিনিহে ধাৰলৈ দিছিল। সি বা আকৌ কি বিপদত পৰিছে। উমাকান্তক টকাৰ যোগাৰ হ'ল নেকি বুলিও সুধিব নোৱোৰে গৰাগৰাই উঠে ৰাতিপুৱা বাসন্তীয়ে কথাষাৰ উলিয়াবলৈ নৌপাওতেই ফুটছাই টেকেলিটো দলিয়াই খং উজাৰিলে। কেতিয়াবা মুখৰ ভিতৰতে ভোৰোভাৰাই নিজৰ ভনীয়েকক দিয়া বাসন্তীয়ে তৰ্ক নকৰে তাই জানে যে উমাকান্তই নিজৰ অক্ষমতাৰ বাবেই এনে আচৰণ ।

মেঘৰ আচছাদান আঁতৰাই পাতল ৰ'দ এজাক বাসন্তীৰ গাত পৰিল। তাই ততাতৈয়াকৈ কেঠা দুখন ৰ'দত উলিয়াই দিলে। পুৰণি কেঠা তাতে সৰু ল'ৰা-ছোৱালীকেইটাই ভৰি মাৰি চিলা চিলাই সোলোকাইছে। বাসন্তীয়ে বেজিৰ ফুটা-ফুটাবোৰ মাৰিবলৈ যত্ন কৰিলে।

সিহঁতৰ বাৰিষা আঁঠুৱা আৰু খৰালি কেঠা মেৰামতি কৰাটো দৈনিক কামত ভিতৰকে পৰে। ঘৰটোৰ অৱস্থাও ভাল নহয়। বতাহ সোমাই তাতে আটাইকেইটাক লেপ-কেঠা ঠিকমতে যোগান ধৰিবলৈ সামৰ্থ নাই। চৰকাৰৰ ফালৰ পৰা আঁঠুৱা কম্বল, ঘৰ আদি যোগান ধৰা কথা সিহঁতে মাথোঁ শুনেহে। বহুবাৰ দৰ্খাস্ত মাৰি মাৰি বিফল হৈছে। পঞ্চায়তৰ দালাল মখাকো দিন হাজিৰা কৰা টকা কেইটা খুৱাব নোৱাৰিলে চৰকাৰী বস্তু আশা কৰা মিছা। বহুতে কয় হেনো একেবাৰে গুৰিত ধৰিব লাগে তেতিয়াহে কাম সিদ্ধি হয়। উমাকান্তৰ মতে যদি সবে ওপৰতে যোগাযোগ কৰিব লাগে, তেতিয়াহ'লে পঞ্চায়ত-চঞ্চায়তবোৰ আছে কিহৰ বাবে।

মা মা তই দেখোন পিঠাগুড়ি, তিলগুড়ি নাই কেতিয়া পিঠা সাজিবি লাডু বনাবি পুতুলীহঁতৰ কেতিয়া পিঠা সাজিবি লাডু বনাবি পুতুলীহঁতৰ লাডু পিঠা হৈ গ'ল। সাজু ছোৱালীজনীয়ে মাকৰ কাযত পেনপেনাব ধৰিলে। বাসন্তীৰ উঠি গ'ল যা মোৰ কাষৰ পৰা আঁতৰ হ, এই মখাৰ খালি খাওঁ খাওঁ জিভা লপলপাই থাকে মাকৰ ধমকি পায় ছোৱালীজনী সেমেনা-সেমেনিকৈ গুচি গ'ল।

বাসন্তীয়ে মুখৰ ভিতৰতে ভোৰভোৰাব ধৰিলে বাপেকটোই চাহাব হৈ জন্মিছিল এতিয়া ল'ৰা-ছোৱালী কেইটাক দলনিত পোনা মেলাৰ দাৰ মেলি দিছে।

অ' হয়তো উমাকান্তই কিনো কাম ভালকৈ কৰিব পাৰে। ট্ৰেক্টৰত মাটি কাটিবও নোৱাৰে ভাটাৰ শ্ৰমিক হ'ব পাৰে পিছে অস্বাস্থ্যকৰ পৰিৱেশত তিষ্ঠিব কেনেকৈ। দিন হাজিৰা কৰি কোনোমতে চলি আছে। কিন্তু একেলগে এহেজাৰ দুহেজাৰ টকা যোগাৰ কৰাটো সম্ভৱ নহয়।

কোনোবাই চাইকেলৰ বেল দিয়া শুনি বাসন্তীয়ে মূৰ তুলি চালে। উমাকান্তই প্ৰশান্তিৰে ঘৰলৈ উভতিছে। সি চাগে বজাৰলৈ নগ'ল আধাবাটৰ পৰাই উভতিল। কিবা ভাল খবৰ আছে বুলি বাসন্তীয়ে আগবাঢ়ি গ'ল। উমাকান্তক সুধিবলৈ নাপাওঁতেই পিছফালৰ পৰা অতুল মহৰী সোমাই আহিল। বাসন্তীয়ে বুজিবলৈ বাকী নাথাকিল। একমাত্ৰ সম্পত্তিখিনি হেৰুৱাৰ দুখ তাইৰ অন্তৰৰ কোনোবা এটি কোণত বাজি উঠিল।

■■

গল্প—

# ভুল

বেনজিৰ জেবিন চুলতানা
স্নাতক চতুৰ্থ ষাণ্মাসিক

জীৱন মানেইতো হাঁহি-কান্দোন, আশা-নিৰাশা, পোৱা-নোপোৱাৰ হিচাপ-নিকাচ। কাৰোবাৰ বাবে জীৱন ছন্দময়, মোহময় কাৰোবাৰ বাবে আকৌ বিষাদবিধুৰ।

তাইৰ বাবেও জীৱন আছিল ছন্দময়, মোহময় কিন্তু আজি....? শাৰদীয় স্নিগ্ধ আকাশখনলৈ অলসভাৱে চাই চাই ভাবত বিভোৰ হৈ পৰিছে উপাসনাই। মনত থুপখাই থকা এজাক স্মৃতিয়ে হেনো মানুহৰ সম্পদ।

কিন্তু তাইৰ আজি স্মৃতিলৈ ভয় লাগিছে। স্মৃতিবোৰে যেন তাইৰ সমগ্ৰ সত্তাকে গিলি পেলাবলৈ উদ্যত হৈছে। কিয় বাৰু এনে হৈ গ'ল। উপাসনা কাশ্যপ..। মই নাই উপাসনা কাশ্যপ বুলি ক'লে ভুল কোৱা হ'ব। তাই এতিয়া উপাসনা চলিহা। উপাসনা চলিহা আছিল এগৰাকী শান্ত চোকা আৰু সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী। তাইৰ প্ৰায় সকলো গুনেই আছিল। মাত্ৰ নথকাৰ ভিতৰত আছিল ৰূপ। হ'লেও তাই ইমান অশুৱনিও নাছিল। মাক-দেউতাকৰ অতি বাধ্য ছোৱালী আছিল তাই। সকলো ঠিকে ঠাকে চলি আছিল। কিন্তু তাই মাধ্যমিক শিক্ষাৰ পিছত যেতিয়া শিৱসাগৰ কলেজত পঢ়িবলৈ গ'ল তেতিয়াৰ পৰাই যেন তাইৰ জীৱনৰ দ্বিতীয় অধ্যায় আৰম্ভ হ'ল। কি কৰা নাছিল মাক-দেউতাকে তাইৰ বাবে। সকলো প্ৰকাৰে উপযুক্ত কৰি তুলিবলৈ। যত্নৰ ক্ৰটি কৰা নাছিল। কিন্তু তাই দিব পাৰিলে জানো তাৰ ফল? তাইৰ সচাঁকৈ মাক-দেউতাকলৈ মনত পৰিছে। তাই আজি বাৰুকৈয়ে উপলব্ধি কৰিছে মাক-দেউতাকৰ অনুপস্থিতিত।

তাইৰ মনত পৰিলে শিৱসাগৰ কলেজত প্ৰথমটো সপ্তাহৰ কথা যিদিনাখন তাই সমীৰণ কাশ্যপক লগ পাইছিল। সমীৰণ কাশ্যপ আছিল গোলাঘাটৰ এটা সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা। সি কলেজত তৃতীয় বৰ্ষৰ ছাত্ৰ আছিল। উপাসনাৰ সাংস্কৃতিক জগতখনৰ প্ৰতি সৰুৰে পৰাই এটা আকৰ্ষণ আছিল। অভিনয় আছিল তাইৰ সকলোতকৈ প্ৰিয় মহাবিদ্যালয় সপ্তাহত নাটক প্ৰতিযোগিতাত অভিনয় কৰি তাই দৰ্শকৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল আৰু সেইদিনা কাৰ্যসূচী অন্ত হোৱাৰ পিছত এজন যুৱকে তাইক লগ কৰিবলৈ বৈ আছিল। যুৱকজনে তাইৰ অভিনয় প্ৰশংসা কৰিছিল। সিহঁতৰ পৰস্পৰৰ মাজত কথা-বতৰা চলিছিল। সি সদায় আহিছিল, তাইৰ লগত কথা পাতিছিল। তাৰ প্ৰতি তাই যেন আকৰ্ষিত হৈছিল। তাৰ প্ৰত্যয়দীপ্ত দুচকুত তাই যেন বিচাৰি পাইছিল বহুত কিবাকিবি সময় আগবাঢ়ি গৈছিল সময় ছন্দে ছন্দে সিহঁতৰ সম্পৰ্ক গাঢ় হৈছিল। দুৰ্নিবাৰ আছিল এই আকৰ্ষণ যেন মহাসিন্ধুক উদ্দেশ্য কৰি বৈ যোৱা খৰস্ৰোতা নদী। কিন্তু তাই জানিছিল যে তাইৰ ভালপোৱাৰ কোনো অস্তিত্ব নাই। তাইক কোনো ল'ৰাই ভাল পাব নোৱাৰে। যিহেতু দেখাত ধুনীয়া নহয়। তাইৰ বান্ধৱীবিলাকে যেতিয়া প্ৰেমৰ কথা পাতে তাইৰো মন যায় প্ৰেমত পৰিবলৈ, প্ৰেমৰ কথা পাতিবলৈ। কিন্তু তাই জানে যে তাইৰ এই আশা কোনোদিনেই পূৰণ নহয়।

কিন্তু তাইক আচৰিত কৰি সমীৰণে এদিনাখন তাইলৈ প্ৰেমৰ প্ৰস্তাৱ আগবঢ়ালে। তাই আনন্দত জপিয়াই দিলে। তাই সপোনতো ভবা নাছিল সমীৰণে তাইক ভাল পাব বুলি। ঘৰ আহি পোৱাৰ পাছত কোনো কামতেই মন নবহা হ'ল তাইৰ। পূজাৰ বন্ধ খুলিবলৈ তেতিয়াও কেইবাদিনো বাকী আছিল। প্ৰতিক্ষণ, প্ৰতিপল তাইৰ মন উৰা মাৰে সমীৰণৰ কাষলৈ যেন কোনো নাই আছে মাথোঁ সিহঁত দুটা উপাসনা আৰু সমীৰণ।

কলেজ খোলাৰ পিছত তাই হোষ্টেললৈ গুচি আহিছিল লগৰ বান্ধৱী দুজনীক মনৰ কথা কৈছিল।

সমীৰণলৈ লিখিছিল প্ৰাণৰ ভাষা। সমীৰণে লিখিছিল তাইলৈ। এদিনাখন সিহঁত দুটা ক্লাচ নকৰাকৈ ফুৰিবলৈ গৈছিল ৰংঘৰ, তলাতলঘৰ, শিৱসাগৰ পুখুৰী আৰু শিৱদ'ল সকলো। শিৱদ'লত এগছি চাকি দি দুয়োৱে যুগ্মজীৱনৰ প্ৰতিশ্ৰুতি দিছিল।

দিনবোৰ পাৰ হৈ গৈছিল। এদিন তাই আৰু সমীৰণে সিদ্ধান্ত ল'লে যে সিহঁত দুটা বিয়া হ'ব। সমীৰণৰ লগত তাইৰ মিলা-মিচা মাক-দেউতাকে ভাল পোৱা নাছিল। মাক-দেউতাকে তাইক উপযুক্ত পাত্ৰত অন্ততঃ নিজৰ এক জাতি-কুলৰ বিয়া দিয়াৰ পক্ষপাতি আছিল। তাই কিন্তু মাক-দেউতাকক স্পষ্টভাৱে জনাই দিছিল যে সমীৰণৰ বাহিৰে তাই অন্য কাৰো লগত বিয়াত নবহে। এদিনাখন সিহঁত দুটা উপায়ন্তৰ হৈ পলাই গৈছিল আৰু সমীৰণৰ পৰিয়ালৰ সন্মতিত সিহঁত দুটা বিয়া হৈছিল। এইখিনিতে তাই এটা সাংঘাতিক ভুল কৰি পেলাইছিল।

সিহঁতৰ যুগ্ম জীৱনক লৈ তাই অলেখ সপোন দেখিছিল। কিন্তু সমীৰণৰ প্ৰকৃত স্বৰূপটো লাহে লাহে তাই উদ্‌ঘাটন কৰিবল সক্ষম হ'ল। সমীৰণে আচলতে তাইক প্ৰকৃত ভালপোৱা নাছিল সি আচলতে তাইৰ সম্পত্তিৰ কাৰণেহে তাইৰ লগত ভালপোৱাৰ নাটক কৰিছিল। সমীৰণৰ লগত তাৰ মাক আৰু ভনীয়েকও জড়িত আছিল। তেওঁলোকে তাক বিভিন্ন বুদ্ধি শিকাই দিছিল। সমীৰণ আৰু তাৰ শাহুয়েকে তাইৰ ওপৰত শাৰীৰিক তথা মানসিক অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিছিল আৰু উপাসনাক তাইৰ ঘৰৰ পৰা টকা-পইচা আনিবলৈ কৈছিল। কিন্তু তাই মান্তি নোহোৱাত তাইৰ ওপৰত বিভিন্ন ধৰণৰ নিৰ্যাতন কৰিছিল। তথাপি তাই ধৈৰ্য ধৰি সংসাৰখন চলাই নিব বিচাৰিছিল।

কিন্তু যিদিনাখন ৰাতি উপাসনাই সমীৰণক অন্য এগৰাকী ছোৱালীৰ লগত বেলেগ কোঠাত দেখা পালে তেতিয়া তাইৰ ধৈৰ্যৰ বান্দোন ছিঙি গ'ল আৰু তাই সেইখন ঘৰৰ পৰা চিৰদিনৰ বাবে ওলাই আহিল আৰু তাইৰ বান্ধৱী শ্ৰুতিৰ ঘৰত আশ্ৰয় ল'লে আৰু কেতিয়াও সেইখন ঘৰলৈ ওভতি নাযাওঁ আৰু সমীৰণৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাৰাখে কিন্তু তাই যাব ক'ত? শ্ৰুতিৰ ঘৰতনো আৰু কিমানদিন থাকিব? তাই ভাবিলে এতিয়া তাইৰ শেষ আশা মাক-দেউতাক। কিন্তু তাইক জানো তেওঁলোকে ক্ষমা কৰিব নাই নাই কৰিব নিশ্চয় কৰিব ক্ষমা। তাইৰ পিতৃ-মাতৃ তাইক বহুত মৰম। তাইক নিশ্চয় আকোঁ আঁকোৱালি ল'ব।

মাজে মাজে তাই ধৈৰ্যচ্যুত হয়। মন যায় জীৱনৰ পৰা যেন পলায়ন কৰিব। মোহহীন তাইৰ এই জীৱন। জীৱনৰ পৰা তাই পালে কি?

কথাবোৰ ভাবি থাকোতে কিমান সময় হৈছিল তাই গম পোৱা নাছিল। শ্ৰুতিৰ মাতত তাই বাস্তৱ জগতলৈ উভতি আহিছিল। শ্ৰুতিয়ে তাইলৈ চাহকাপ আগুৱাই দি তাইক শুধিলে, 'তই এতিয়া কি কৰিম বুলি ভাবিছ'?

তাই এটা দীঘল হুমুনিয়াহ কাঢ়ি ক'লে, 'ভাবিছো মা-দেউতাৰ ওচৰলৈ গুচি যাওঁ। জীৱনৰ বাকীছোৱা কাল তেওঁলোককে শুশ্ৰূষা কৰিম। শ্ৰুতিয়ে হাঁহি এটা মাৰি ক'লে আৰু সমীৰণ? তেতিয়া উপাসনাই এটা বিদ্ৰুপৰ হাঁহি মাৰিলে। এনেতে কাষৰ কোনাবা প্ৰতিবেশীৰ পৰা ভাহি আহিল ৰবীন্দ্ৰ সংগীতৰ এটা কলি—

'প্ৰেমের আনন্দ থাকে শুধু একটি ক্ষণ'

'প্ৰেমের বেদনা থাকে সমস্ত জীৱন'

■■

গল্প—

# উপঢৌকন

চুমি ডেকা
স্নাতক চতুৰ্থ ষান্মাসিক।

ঘৰটোৰ ভিতৰত জ্বলি থকা লেম্পটো জ্বলো নজ্বলোকৈ জ্বলি আছে। নামতহে ঘৰ হৈ আছে, মাটিৰে লেপন দিয়া চাৰিবেৰৰ মাজত যেনে তেনে চাৰিটা প্ৰাণী থাকিব পৰাকৈ এটা সৰু কোঠা। সাঁজ শেষ হওঁ হওঁ। আনদিনাৰ দৰে আজিও ল'ৰা-ছোৱালীকেইটাই চোতালত বহি মাক অহালৈ বাট চাই আছে।

বিয়াঘৰৰ পৰা অনা টোপোলাটো লৈ শেৱালীয়ে খৰখেদাকৈ কোঠাৰ ভিতৰত সোমালহি। টোপোলাটো ডাঙৰ ছোৱালীজনীক দি তাই লেম্পটোত কেৰাচিন অকণমান ভৰাই দিলে। কোঠাটোৰ লগতে তাইৰ ক্লান্ত মুখখনো লেম্পৰ পোহৰত উদ্ভাসিত হৈ উঠিল। তাইৰ ২৭/২৮ বছৰীয়া ভৰপুৰ দেহাটো চাই ক'ব নোৱাৰি যে তাই তিনিটা ল'ৰা-ছোৱালীৰ মাক। লেম্পটো জ্বলাই তাই ঘূৰি চাই দেখে যে তাইৰ ১০ বছৰীয়া ডাঙৰ জী কবিতাই তাইলৈ অপলক নেত্ৰেৰে চাই আছে। মাকৰ চকুৰে চকুৰে পৰাত তাই লাজ পায় গ'ল। মাকে ছাগে কি ভাবিছে? মাকলৈ তাইৰ বেয়া লাগে। ইমান কষ্ট কৰি গোটেই দিনটো লোকৰ ঘৰত কাম কৰি আহি আকৌ ঘৰত ল'ৰা-ছোৱালীৰ আউল। যদিও তাইৰ বয়স কম তথাপিও তাই মাকৰ দুখবোৰ বুজে। সেয়েহে তাই মাকক যিমান পাৰে সিমান সহায় কৰে। ৰাতিপুৱা মাক ওলাই যোৱাৰ পিছত তাইয়ে গোটেই ঘৰৰ কামবোৰ কৰে। ভায়েক ভনীয়েহঁতক পঢ়োৱাৰ পৰা আদি কৰি গোটেই ঘৰখন তাই চম্ভালি থাকে। বিয়াৰ পৰা অনা লুচি-ভাজিৰ টোপোলাটো খুলি তাই ভায়েক-ভনীয়েকক খাবলৈ দিলে। সন্তান কেইটাই হামোৰ কামোৰকৈ খোৱা দৃশ্যটো দেখি শেৱালীৰ মাতৃ হৃদয় বিগলিত হৈ গ'ল।

দিনটোৰ দুবেলা শেৱালীয়ে দুঘৰত কাম কৰে। পিছবেলা কৰে মাষ্টৰণীৰ ঘৰত, যাৰ পুতেকৰ কালি বিয়া গ'ল। তাই মাষ্টৰণীহঁতৰ ঘৰত প্ৰায় তিনিবছৰ ধৰি কাম কৰি আহিছে। মাষ্টৰণীয়ে তাসক আপোন মানুহ বুলি ভাবে। মানুহজনী ভাল। কিন্তু পুতেকটো তাইৰ ভাল নালাগে। তাৰ কেটেৰা জেঙেৰা কথাবোৰ তাইৰ হজম নহয়। একমাত্ৰ মাষ্টৰণীৰ কাৰণে তাই সেই ঘৰখনত কাম কৰিবলৈ যায়। অৱশ্যে তাই সেই ঘৰখনত কাম কৰিবলৈ এৰি দিলে তাইৰ নিজৰে বিপদ। কাৰণ এই ঘৰখনত আৰু শৰৎ মণ্ডলৰ ঘৰত কৰা কামৰ পইচাৰে তাই চাৰিটাকে প্ৰাণী পুহিব পাৰে। শৰৎ মণ্ডল গোটেই গাঁওখনৰ ভিতৰতে চহকী মানুহ। তাই তাত কাম কৰি ভাল নাপায়। মানুহজনৰ চাৱনিবোৰ বৰ ভাল নহয়। কেতিয়াবা কথা নাই বতৰা নাই আহি তাইৰ পিঠিত হাত দিয়ে। সুযোগ বুজি কেতিয়াবা তাইক বেয়া কথা নক'ব তাৰ কোনো নিশ্চয়তা নাই। চকু-কাণ মুদি তাই কেৱলনিজৰ কাম কৰি যায়। একমাত্ৰ ল'ৰা-ছোৱালী কেইটাৰ মুখলৈ চাই। গিৰিয়েকে শেষ নিশ্বাস ত্যাগ কৰাৰ পিছৰে পৰা এই চাৰিজনীয়া পৰিয়ালটো তাই অকলেই চম্ভালিব লগা হৈছে। এফালে আছে আনৰ ককৰ্থনা, ভৎৰ্সনা, লোভনীয় চকু, অসুৰক্ষিত নাৰীত্ব আৰু আনফালে আছে ল'ৰা-ছোৱালীকেইটাক মানুহ কৰাৰ এক অদম্য হেপাঁহ। জীৱনৰ বহু অভিজ্ঞতা অৰ্জন কৰি তাই পাৰ কৰি নিজে দৰিদ্ৰ জীৱনৰ প্ৰতিটো পল। দৰিদ্ৰতাই কোঙা কৰি নিয়া তাইৰ জীৱনটোক তাই কঢ়িয়াই লৈ ফুৰিছে এক অনিৰ্দিষ্ট বাটেৰে। অচিনাকী এই বাটেৰে আগুৱাই যোৱাত তাইৰ একমাত্ৰ সাহস তাইৰ সন্তানকেইটা। ভাগৰে জুগৰে আহি ঘৰ সোমাই ল'ৰা-ছোৱালীকেইটাৰ মুখলৈ চাই তাই কিমান শান্তি সেয়া তাইৰ বাদে আৰু কোনে বুজিব। তাই চাই ৰয় সিহঁতৰ আশভৰা মুখবোৰ সুখ-দুখ মিশ্ৰিত মুখবোৰ................।

সিদিনা তাই মণ্ডলৰ ঘৰত কাম কৰিবলৈ গৈছিল। তাৰ ঘৰত সি অকলে থাকে। ঘৈনীয়েক ঢুকুওা বহু বছৰ হ'ল। তাৰ লম্পট চৰিত্ৰটোৰ বাবেই

ঘৈনীয়েকে দূৰৈত কাম কৰি থকা অৱস্থাতে তাইৰ গাৰ পৰা চাদৰখন সৰি পৰিছিল। তাই লগে লগে চাদৰখন তুলি ল'লে। তাইৰ অসহায় অৱস্থাটো দেখি সি এটা ঈষৎ হাঁহি মাৰিছিল। ইমান দিনে সি তাইক বাহিৰৰ পৰাহে নিৰীক্ষণ কৰিছিল, আজি তাইৰ সুশ্ৰী দেহাটো তাইৰ দেহৰ ভাজে ভাজে প্ৰতিটো অংগতে সি চকু ফুৰাই ল'লে। তাই অসহায়বোধ কৰিছিল যদিও সহজ ঘটনা যেন দেখুৱালে। ভিতৰি তীব্ৰ খঙত তাই জ্বলি পকি উঠিছিল। ইমান দিনে তাৰ কথাবোৰৰ পৰা তাই গম পাই আহিছে যে সি তাইক পাব বিচাৰে আৰু অলপো পলম নকৰি তাই যাবলৈ ওলাল। সি সুযোগ বুজি তাইক ক'লে, 'মাত্ৰ এৰাতিৰ কাৰণে যদি তাই.......। তোৰ ল'ৰা-ছোৱালীকেইটাৰ পঢ়া-শুনাৰ খৰচ দিম মই। বহুত টকা দিম। তই সুখেৰে চলিব পাৰিবি। তাই খঙতে বিবেচনাধীন হ'ল আৰু লগে লগে এটা চৰ শোধালে আৰু ক'লে তোৰ দৰে এটা লম্পটৰ ঘৰত আৰু কোনো দিনেই মই কাম কৰিব নাহো। সি এটা তীক্ষ্ণ হাঁহি মাৰি তাইক বুজাই দিছিল যে তাই এদিন নিশ্চয় উভতি আহিব। কাৰণ একমাত্ৰ মণ্ডলেহে তাইৰ দৰিদ্ৰতা কিছু পৰিমানে হ'লেও লাঘৱ কৰাব পাৰিব। তাই ঘৰলৈ গুচি আহিছিল। যাত্ৰা কৰিছিল শেষ সম্বল মাষ্টৰণীৰ ঘৰলৈ বুলি।

বিয়াৰ ৰভাতলিত আৰু এতিয়া আগৰ দৰে উদুলি-মুদুলি নাই। ন-কইনা ঘৰ সোমালহি। শেৱালীৰো স্থান ঘৰখনত আগতকৈ তললৈ নামিল। তাই ন-বোৱাৰীক মাষ্টৰণীৰ দৰে নম্ৰ যেন নেদেখিলে। অৱশ্যে মাষ্টৰণীয়েও আজি কালি শেৱালিক নিজৰ দৰে জ্ঞান নকৰে। ন-বোৱাৰীয়ে শেৱালিৰ প্ৰতিটো কামতে খুট বিচাৰি ফুৰে। এনে হোৱাৰ বাবে তাই নিজৰ দ্ৰৰিতাৰটোক ধিক্কাৰ কৰিছিল। বহুত অপমান পোৱাৰ পিছতো তাই ধৈৰ্য্য ধৰিছিল। কিন্তু এদিন ন-বোৱাৰীৰ সোণৰ কাণফুলি এপাত হেৰুৱাৰ নামত তাইক চোৰ ধৰিলে। সকলোৱে তাইৰ ওপৰতে দোষাৰোপ কৰিলে। তাই বহুত কাকূতি মিনতি কৰি কৈছিল যে তাই চোৰ কৰা নাই। মাষ্টৰণীৰ পুতেকে তাইক গটিয়াই খেদি পঠিয়ালে। তাই তাৰ ভৰিত কান্দি কান্দি কৈছিল তাইক কামৰ পৰা আঁতৰাই নিদিবলৈ মোক কামৰ পৰা খেদি নিদিবি। মই চোৰ কৰা নাই। ইয়াৰ পৰা খেদি দিলে মোৰ ল'ৰা-ছোৱালীকেইটাৰ কি হ'ব? সিহঁতে খাবলৈ নাপাই মৰি থাকিব। কিন্তু দুখীয়াৰ বিননি শুনে কোনে? আনকি মাষ্টৰণীয়েও তাইক বিশ্বাস নকৰিলে। তাইক খেদি দিয়া হৈছিল কাম কৰা কেইটামান টকা হাতত দি।

দুখে-ভাগৰে আহি তাই ঘৰ সোমাই ছিলহি। তেনেতে সৰু ল'ৰাটোৱে তাইৰ আগত ঠেনঠেনাব ধৰিলে অমুক লাগে তমুক লাগে। তাই খঙতে একো নাই কৈ তাক খুউব পিটিলে আৰু নিজে হুকহুকাই কান্দি পেলালে। সিহঁতে হয়তো অলপ বুজি উঠিছিল যে আজি মা'ৰ কিবা এটা হৈছে। নহ'লেতো এনেকুৱা আচৰণ নকৰে কেতিয়াও। সিহঁতে গোটেইকেইটা আহি মাকক সাৱটি ধৰিলে। শেৱালিয়েও সিহঁতকেইটাক পাই বহুখিনি সকাহ পালে।

পিছদিনা তাই কাম বিচাৰি ওলাই গ'ল কিন্তু কাতো কাম নাপালে। এনেদৰে কেইবাদিনো ঘূৰিলে। পইচা শেষ হৈ আহিছে। তাইৰ দৰিদ্ৰতাক লঘু কৰাৰ পথটোও যে তাইৰ বাবে বন্ধ হৈ গ'ল। তাই কি কৰিব এতিয়া ল'ৰা-ছোৱালীকেইটাও লঘোণে ভোকে থাকিব ল'গা হৈছে। সিহঁত দুৰ্বল হৈ পৰিছে। এদিন ৰাতি সৰু ল'ৰাটোৰ খুব জ্বৰ উঠিল। তাই ঔষধ আনি খুৱাইছে যদিও তাৰ জ্বৰ ভাল হোৱা নাই। মৰো মৰো অৱস্থাত আছে। তাই উপায়বিহীন হৈ পৰিল, অসহায় এজন অন্ধৰ দৰে তায়ো যে এইখন পৃথিৱীৰে মানুহ আৰু তাইৰ বুজিবলৈ বাকী নাথাকিলে যে তাইৰ দৰে দৰিদ্ৰলোকসকলৰ এই সমাজত স্থান কেনেকুৱা। সভ্যতাৰ কেনে উদ্ধাৰ কৰিব তাইৰ দৰে দুখীয়াবোৰ স্থান শূন্য কোনে উদ্ধাৰ কৰিব তাইক এই পৰিস্থিতিৰ পৰা? কোনোতো নাই। ভাবি ভাবি তাই পাগল হৈ গৈছে। তাই যেন গৈ আছে.....এখন আন্ধাৰ ঘন হাবিয়েদি। ক'লৈ গৈছে তাই নাজানে। মাথো তাই গৈ আছে। এচমকা পোহৰৰ আশাত। নাজানে এই যাত্ৰাৰ অন্ত ক'ত। লাহে লাহে দূৰৈত এটা পোহৰৰ ৰেঙনি জিলিকি উঠিছে। হয়, হয় পোহৰ। ওচৰ চাপি গৈ আছে তাই আৰু ওচৰ ..... আৰু অলপ ওচৰ। আঃ পাই গ'ল তাই পোহৰ হাতেৰে ঢুকি পোৱা অৱস্থাত .......। কিন্তু সেয়া যে....সেয়া যে মাধৱ মণ্ডল। চাকি গছি সি আগুৱি ধৰিছে তাইৰ ভাবত শতি পৰিল। ঘূৰি আহিল তাই বাস্তৱলৈ। তাইৰ মূৰটো

■■

# উত্তৰৰ সন্ধানত

জিজ্ঞাসা শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক।

চাৰিওফালে ৰূপালী জোনক। নিশা বহু হ'ল। নিশা যিমানেই গভীৰ হৈ আহিছে মনীষাৰ মনটোও সিমানে গধূৰ হৈ আহিছে। বহাৰ পৰা উঠি আহি খিৰিকীখন বন্ধ কৰি বিছনাখনত বাগৰ দিলে। চকুদুটা মুদি টোপনি যোৱাৰ চেষ্টা কৰিলে। নাই টোপনি নাহিল। আজি মুখামুখি হোৱা অপ্রত্যাশিত হৃদয় বিদাৰক দৃশ্যই তাইক লৈ গ'ল দহ বছৰৰ আগলৈ ব্যৰ্থ প্ৰেমৰ আঘাতত বিদীৰ্ণ হৃদয়ৰ এবোজা বেদনাৰ মাজলৈ। দূৰত কৰবাত বাজি আছে সেই গভীৰ নিশা গানৰ কলি। সুৰৰ বাগীত মগ্ন কোনোবা হতভগীয়াই আকাশৰ নীলাবোৰৰ সন্ধান কৰিছে। সেই বিষাদ গীতৰ সুৰ টুকুৰা টুকুৰ হৈ বতাহত ওপঙি আহি মনীষাক সেই পুৰণি ঘটনাৰ পুনৰ সোঁৱৰণৰ বেদনা জগাই তুলিছে। যোৱা দহ বছৰে তাই সন্ধান কৰি আহিছিল এটা প্ৰশ্নৰ উত্তৰ। আজি তাই সেই প্ৰশ্নৰ সমিধান পালে। কিন্তু এনে এটা উত্তৰ কেতিয়াও আশা কৰা নাছিল। তাই সপোনতো ভবা নাছিল এনে এটা দিনৰ মুখা-মুখি হ'ব বুলি। কিয় বাৰু তাই বাৰে বাৰে একেবোৰ পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে? মনীষাৰ জীৱনটো অসহ্যকৰ হৈ পৰিছে। তাইৰ জীৱনৰ ৰংবোৰ হেৰাই গৈছে। এটা যন্ত্ৰলৈ পৰিবৰ্তন হৈ পৰিছে তাই। এনে যন্ত্ৰনাকাতৰ জীৱন অতিবাহিত কৰিছে। য'ত নাই কোনো জীৱনৰ ৰং কোনো উৎসাহ উদ্দীপনাৰ ছবি আছে মাথো অন্ধকাৰছন্ন এক ভৱিষ্যৎ। কথাবোৰ ভাবিলে তাইৰ বুকুখন মোচৰ খাই যায়। তাইৰ সকলো অব্যক্ত প্ৰাৰ্থনা এনেদৰে ক'লা মেঘে ঢাকি পেলালে আৰু কিমান লব যন্ত্ৰনাৰ বোজা। তাই ইতিমধ্যে জীৱনৰ আন্ধাৰ আৰু পোহৰ দুয়োটা দিশৰ লগতে চিনাকি হৈছে। পোহৰে তাইৰ জীৱনটোক যে আলোকিত কৰিব কেতিয়াবা সেই আশা বাদ দিলে। তাই পুনৰ চকু মুদি চালে। গভীৰ নিশ্বাস এটা বুকুভেদি ওলাই আহিল। সুৰুযক লগ পোৱাৰ পৰা মনটো গধুৰ হৈ পৰিল। সম্পূৰ্ণ দহবছৰৰ পিছত সুৰুযক তাই লগ পাইছে। আজি মনীষাই তাক ওচৰৰ পৰা লগ পালে। কিন্তু সুৰুযক তাই যিটো ৰূপত পালে, সেই দৃশ্য তাই বিশ্বাস কৰিবলৈ টান পালে। কি ভয়ানক অৱস্থা, কি ভয়ানক দৃশ্য। এক হৃদয় বিদাৰক দৃশ্য। দহ বছৰ ৰ আগৰ সুন্দৰ সুঠাম, চফল ডেকা। তাই সপোনৰ ৰাজকুমাৰ আজি ৰুগ্ন। শীৰ্ণকায় জকাসদৃশ শৰীৰ। চকু দুটা কোটৰত সোমোৱা মূৰৰ চুলিবোৰ সাৰি গৈছে। গাত তেজৰ লেশ নাই। যেন কোনোবাই চেপি খুন্দি সুৰুযৰ গাৰ পৰা সকলো তেজ উলিয়াই লৈ গ'ল। অস্বাভাৱিকভাৱে গোটেই মানুহটো শুকাই গৈছে। প্ৰথমে সুৰুযক দেখি তাই চিনিবই পৰা নাছিল। মৃত্যুৰ সৈতে সংগ্ৰাম কৰি থকা সুৰুযে মনীষাক দেখি কঁপা কঁপা স্বৰেৰে ক'লে- 'মনীষা' তাই ৰৈ থাকিব পৰা নাছিল, মাথোঁ কান্দিছিল আৰু কান্দিছিল।

সুৰুয তাইৰ জীৱনৰ উজ্জ্বল দিনৰ শুভ লগনৰ এটা নক্ষত্ৰ আছিল। যি আলোকিত কৰিছিল তাইৰ জীৱনক। কিন্তু সেই নক্ষত্ৰ হেৰাই গৈছিল বিশাল মহাকাশৰ বুকুত। তাইক অন্ধকাৰত পেলাইছিলে। সুৰুযক তাই লগ পাইছিল ইউনিভাৰছিটীত। সিহঁত একেটা ডিপাৰ্টমেন্টৰে আছিল। সিহঁত প্ৰথম চিনাকিতে প্ৰেমত পৰিছিল। সিহঁতৰ প্ৰেমৰ সম্পৰ্ক সহপাঠীৰ চৰ্চাৰ বিষয় হৈ পৰিছিল। আনৰ বাবে ঈৰ্ষনীয় আছিল সিহঁতৰ প্ৰেম। মনীষা সৰুৰে পৰা বৰ নিঃসংগতাত ভুগিছিল। ঘৰখনত মাক-দেউতাক আৰু তাই। দেউতাক চাকৰিসূত্ৰে সৰহভাগ সময় দূৰে দূৰে থাকিছিল। শূণ্যতাই গিলি পেলোৱা সময়বোৰত তাই হাহাকাৰ কৰিছিল এধানি মৰম আৰু কাৰোবাৰ সংগৰ বাবে। সুৰুযৰ সংগই তাৰ মৰমে তাইক অপাৰ সুখ দিছিল। তাইৰ জীৱনটো সুৰীয়া কৰি তুলিলে সুৰুযে। জীৱনটো নকৈ চাবলৈ শিকালে। ইতিমধ্যে ইউনিভাৰছিটীত সিহঁতৰ সময় শেষ হবৰ হ'ল। ফাইনেল পৰীক্ষা শেষ। মনীষাই এদিন সুৰুযক নিজেই ক'লে- 'আমি এতিয়া এৰা এৰি হম। আমাৰ পৰৱৰ্তী পৰিকল্পনা তথা বিয়াৰ বিষয়ে

তুমি কি ভাবিছা। তাইক আচৰিত কৰি সূৰুযে উত্তৰ দিলে সেই উত্তৰ শুনি তাই এক কথাত বাকৰুদ্ধ হৈ পৰিছিল। মনীষা তুমি এইবোৰ কি কৈছা বিয়া..। তোমাৰ মোৰ বিয়া অসম্ভৱ মনীষা ভাল পালেই যে বিয়া হ'ব লাগে কি কথা আছে। তুমি বাৰু কেনেকৈ ভাবিলা এইবোৰ কথা...। সি সহজভাবে কথাবোৰ কৈ মনীষাক কোনো কথা কোৱাৰ সুযোগ নিদি আঁতৰি গ'ল। মনীষাই নীৰবে শুনি থাকিল সূৰুযৰ কথা। তাই বিশ্বাস কৰিবলৈ টান পালে সেয়া তাইৰ সূৰযৰে কথা বুলি। মনীষাই সূৰযৰ তেনে আচৰণৰ কোনো তৎ ধৰিব নোৱাৰিলে হঠাৎ তাৰ কি হ'ল? কিয় বা তেনে আচৰণ কৰিলে সি কি সি মোৰ লগত ইমান দিনে ভালপোৱাৰ অভিনয় কৰিলে নেকি? তাই সঠিক উত্তৰ নাপালে। এদিন তাই হোষ্টেলৰ পৰা ঘৰমুখী হ'ল। তাইক আকৌ নিঃসংগতাই আৱৰি ধৰিলে। সূৰুযৰ এই বিশ্বাসঘাতকতাই তাইক যেন শিল কৰি তুলিছিল। তাৰ মাজতে তাই দুই এবাৰ সূৰুযৰ খবৰ জানিবৰ বাবে চেষ্টা নকৰাকৈ থকা নাছিল। শেষ আশা এটাই মনত দোলা দি আছিল। কিজানি সূৰুযৰ ভুল ভাগেই। সি অনুতাপত দগ্ধ হৈ তাইৰ সন্ধান কৰে। নাই তেনে একো নহ'ল তাই ভবাৰ দৰে। তেনেকৈ এদিন দুদিনকৈ সম্পূৰ্ণ দুটা বছৰ পাৰ হ'ল। তেনেতে তাইৰ বিয়াৰ প্ৰস্তাৱ আহিল। তাই বিয়া নহয়, বিয়াত নবহে। এয়া তাইৰ সিদ্ধান্ত। কিন্তু তাইৰ বাধা নৰজিল। ঘৰখনে তাইৰ কোনো কথা শুনাৰ প্ৰয়োজনবোধ নকৰিলে। ল'ৰা দেউতাকৰ পছন্দ। আৰু মনীষাই এটা অশান্ত মন এখন ভগ্ন হৃদয় লৈ এখন নতুন ঘৰত ভৰি দিলে। তাইৰ মনটোৱে হাহাকাৰ কৰি উঠিল। তাইৰ মনৰ কথা বুজাৰ কোনেও চেষ্টা নকৰিলে। তথাপি তাই নতুন মানুহজন, নতুন ঘৰখনৰ লগত একাত্ম হ'বলৈ চেষ্টা কৰিলে। কিন্তু তাই হয়তো ভবা নাছিল তাইৰ এই প্ৰচেষ্টাৰ সিপাৰে ৰৈ আছে আন এক দুখৰ পাহাৰ। মনীষাই অনুভৱ কৰিলে তাই আকৌ এবাৰ প্ৰতাৰিত হ'ল। অজস্ৰ ধন-দৌলতৰ গৰাকী হ'লেও তাইৰ স্বামীৰ নাছিল পিতৃ হোৱাৰ যোগ্যতা। কিন্তু সকলো জানি বুজিও মানুহজনে তাইক বাৰু কিয় বিয়া কৰাইছিল! ভাগ্যই আকৌ এবাৰ তাইক উপহাস কৰিলে। জীৱনক সুন্দৰ কৰাৰ অধিকাৰ যেন তাইৰ নাই। বাৰে বাৰে তাইৰ আশাবোৰ সপোনবোৰ থেকেচা খাই সৰি পৰে কিয়? তাই নিজেই প্ৰশ্ন কৰিলে। তাই আঁতৰি আহিছিল সেই ঘৰখনৰ পৰা একেবাৰে চিৰদিনৰ বাবে।

এইবাৰ তাইক মোমায়েকে লৈ গ'ল অসমৰ পৰা মুম্বাইলৈ। মোমায়েক মুম্বাইৰ এখন নামী-দামী নাৰ্ছিং হোমৰ ডাক্তৰ। মোমায়েকে তাইক নাৰ্ছিং হোমতে একাউন্টচ ব্ৰাঞ্চত চাকৰি ঠিক কৰি দিলে। তাই ইয়াত চাকৰি কৰা পাঁচ বছৰ হ'ল। বৃহৎ হাস্পতালখনলৈ নিতৌ অসংখ্য দেশী-বিদেশৰ ৰোগী আহে। অসমৰ পৰাও নিতৌ বহু ৰোগী আহে। বিশেষকৈ অসমৰ পৰা অহা ৰোগীসকলৰ কিছুমানৰ লগত বা আত্মীয়ৰ লগত তাই চা-চিনাকি হয়। কথা-বাৰ্তা পাতে পৰাপক্ষত সহায়ৰ হাতো আগবঢ়ায়। তাৰ মাজতো অৱশ্যে বহু ৰোগীৰ লগত চা-চিনাকি নোহোৱাকৈ থাকি যায়। সম্ভৱো নহয় দৈনিক শ শ ৰোগীৰ মাজৰ পৰা বাচি বাচি চিনাকি হোৱা খবৰ লোৱা। সিদিনা তাই কেবাটাও ফাইল লৈ বিল আপটুডেট কৰি আছিল। কেইটামান ফাইলৰ কাম কৰি হোৱাৰ পিছত আনটো ফাইলৰ কাম আৰম্ভ কৰি কম্পিউটাৰ স্ক্ৰীনত নামটো দেখি ৰৈ যায়। লৰালৰিকৈ ঠিকনা, বয়স ইত্যাদি চায়। তাই চিন্তাত পৰিল। সূৰুয, অসম। ঠিকনাটো আকৌ চালে। তাই মনে মনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে তাইৰ সন্দেহ যেন সঁচা নহয়। তাইৰ মনত ওপজা সন্দেহ দূৰ কৰিবৰ বাবে পেচেন্টৰ কেবিন নাম্বাৰটো চাই নিৰ্দিষ্ট কেবিনটোলৈ আগবাঢ়িল আৰু তাই সন্দেহ কৰাৰ দৰেই লগ পাইছিল সূৰুযক। তাই আচৰিত হৈছিল এই কথা ভাবি যে যোৱা এমাহ ধৰি হাস্পতালখন সূৰুযে মৃত্যুৰ সৈতে যুঁজি থকাৰ পিছতো তাই ঘূণাক্ষৰেও গম নাপায়। এয়া তাইৰ ভাগ্যই তাইক কৰা আন এক বিশ্বাসঘাতকতা। মনীষাই সূৰুযৰ মাকৰ পৰা জানিব পাৰিলে যে ইউনিভাৰ্ছিটীত থাকোঁতেই সূৰুযৰ ব্লাডত কেন্সাৰৰ বীজানু ধৰা পৰিছিল। মাজে মাজে তেজ সলনি কৰি থকা হৈছিল। কিন্তু সৰ্বশেষত তাৰ সৰ্বশৰীৰ আক্ৰান্ত হৈছিল। আজি আহি সি জীৱনৰ শেষ সীমনাত থিয় দি আছে। তাই বহু সময় ধৰি তাৰ কাষত বহি আছিল। তাই লক্ষ্য কৰিছিল সূৰুযৰ সৰ্বশৰীৰ কপিছিল। মাতটো দুৰ্বল হৈ

পৰিছিল। সি তাইৰ হাতখন জোৰেৰে সাৱটি ধৰি কপা কপা মাতেৰে ক'লে- মনীষা মোক ক্ষমা কৰি দিবা। মই এই নিষ্ঠুৰ সত্যৰ কথা তোমাৰ আগত প্ৰকাশ কৰিবলৈ সাহস কৰা নাছিলো। মোৰ অনিশ্চিত জীৱনৰ সংগী কৰিব বিচৰা নাছিলো তোমাক। তুমি মোক ক্ষমা কৰিবা। সেই মুহূৰ্ত্তত তাইৰ মুখৰ পৰা কোনো কথা ওলোৱা নাছিল। তাই পুনৰ উচুপি উঠিল। জৰ্ জৰ্কৈ চকুৰ পৰা পানী বাগৰি আহিল। সি আকৌ কিবা ক'ব বিচাৰিলে। তাৰ মাতটো এক কৰুণ গভীৰ অৰ্ন্তস্বৰলৈ পৰিৱৰ্তন হ'ল— 'মোক ক্ষমা কৰি দিবানে তুমি, তাই অ. অ বুলি সূৰুযৰ সোঁহাতখন সাৱটি ধৰি কান্দি কান্দি ক'লে কিয় নকৰিম, মই তোমাক ক্ষমা কৰি দিলো।তোমাৰ প্ৰতি মোৰ অকনো আক্ষেপ নাই। মোৰ প্ৰেম, মোৰ ভালপোৱা, মোৰ আত্মা সকলো তোমাৰ বাবে। তোমাৰ নামত উৎসৰ্গা কৰি থৈছো। সেই ধাৰা সদায় অব্যাহত থাকিব...।' সূৰুযৰ চকুহাল পানীৰে ভৰি পৰিল। তাৰ কাষত তাই বহু সময় কটালে। সন্ধিয়া আকৌ গ'ল সূৰুযৰ কাষলৈ। নিশা এঘাৰ বজাত তাই নিজৰ ৰুমলৈ আহিল। সূৰুযক ইতিমধ্যে হাস্পাতালৰ পৰা ৰিলিজ দিয়া হৈছে। তাক কালিলৈ মাক-দেউতাকে ঘৰলৈ লৈ যাব। শেষ অৱস্থা। কোন সময়ত কি হয় থিক নাই। মাক-দেউতাকৰ পুত্ৰক বচোৱাৰ চেষ্টা ব্যৰ্থ হ'ল। ডাক্তৰও আপ্ৰাণ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। মাক-দেউতাকৰ মুখলৈ চাব নোৱাৰা অৱস্থা। তাই অহাৰ সময়ত ডিউটীত থকা নাৰ্ছক সূৰুযৰ কিবা জৰুৰী খবৰ থাকিলে তাইক জনাবলৈ কৈ আহিল।

মনীষাৰ মুখত বিষন্নতাৰ ভাব ফুটি উঠিছে। কথাবোৰ মনতে পাগুলি থাকি শেষত তাইৰ চিলমিলকৈ টোপনি ধৰিছিল। ম'বাইলটোত ৰিং কৰিলে তাই খপ-জপ কৰি উঠি বিছনাতে বহি চকু মোহাৰি মোহাৰি ম'বাইলটো কাণলৈ তুলি ললে- 'বাইদেউ আপুনি কোৱা পেচেন্টজন ছিৰিয়াছ।' সিফালৰ পৰা এগৰাকী কৰ্তব্যৰত নাৰ্ছে উদ্বিগ্নতাৰে ক'লে। মনীষাও অধিক উদ্বিগ্ন হৈ পৰিল অজান আশংকাত তাইৰ বুকুখনে ধান বনাদি বানিলে। তৎমুহূৰ্ততে তাই অকনো বিলম্ব নকৰি সময় চালে। চাৰি বাজিল ৰাতি পুৱালে। বাহিৰত পোহৰ। তাই পোনে পোনে হস্পাতাললৈ গ'ল। হস্পাতালৰ মূল বিল্ডিঙৰ পিছৰ গেটেৰে তাই নিৰ্দিষ্ট ৰুমলৈ আগ বাঢ়িল। এক প্ৰকাৰে তাই দৌৰি গৈ ৰুমত সোমাল। সূৰুযৰ বেডৰ কাষত এজন ডাক্তৰ আৰু দুগৰাকী নাৰ্ছ থিয় দি আছে। কাষত মাকে কান্দি আছে। 'কি হ'ল কি হ'ল সূৰুযৰ। তাই অধৈৰ্য হৈ সুধিলে।' ডাক্তৰ নাৰ্ছ কাৰো মুখত মাত নাই। সকলোৱে নিৰুদ্বিগ্নভাৱে মনীষালৈ চাই থাকিল। তাই ভয়ে ভয়ে সূৰুযলৈ চালে। সূৰুযে ইতিমধ্যে পৃথিৱীৰ মায়া-মোহ এৰি অজান দেশলৈ গতি কৰিছিল। মাত্ৰ তাইৰ সন্মুখত পৰি ৰৈছিল সূৰুযৰ নিঠৰ দেহটো।

■■

বিচিত্ৰ কথা

# মনালিছা

হীৰক জ্যোতি চহৰীয়া
দ্বিতীয় ষাণ্মাসিক।

মনালিছা হ'ল চিত্ৰশিল্পী 'লিঅ'নাৰ্ডো-দা-ভিঞ্চি'ৰ দ্বাৰা অংকিত পৃথিৱী বিখ্যাত চিত্ৰ। এই চিত্ৰখন বৰ্তমান পেৰিচ দেশৰ 'লু'ভাৰ মিউজিয়াম'ত সংৰক্ষিত কৰি থোৱা হৈছে।

এই ছবিখন অংকিত কৰা হৈছিল ১৫০৬ চনত। এই ছবিখনৰ জোখ হ'ল ৭৭×৫৩ ছেঃমিঃ। এই ছবিখন বন্দুকৰ গুলী সোমাব নোৱাৰাকৈ তিনিতৰপীয়া কাঁচেৰে তৈয়াৰী এটা বাকচৰ ভিতৰত সংৰক্ষিত কৰি থোৱা হৈছে। এই বাকচটো ৬৮ ডিগ্ৰী ফাৰেণহাইট উষ্ণতাৰ এটা এয়াৰ কণ্ডিচনাৰ কোঠাত তৈয়াৰ কৰা হৈছে। যাৰ ৫৫ শতাংশ জেকা ঠাইত থোৱা হৈছে। এই চিত্ৰত ৰঙৰ প্ৰয়োগ ইমান সুন্দৰভাৱে কৰা হৈছে যে 'লিঅ'নাৰ্ডো-দা-ভিঞ্চি'ৰ প্ৰথম বিখ্যাত চিত্ৰ 'ভাৰজিন অৱ দি ৰক্স্'তকৈ ইয়াৰ উজ্জ্বলতা অতি বাস্তৱ ৰূপত প্ৰকাশ পাইছে। ছবিখনত নৈসৰ্গিক দৃশ্যৰ বিভিন্ন অৱয়ববোৰ ডাঠ প্ৰলেপৰ দ্বাৰা ধীৰ শান্ত আৰু পোহৰৰ আভাৰে মধ্যাংশৰ ফালে জিলিকাই তোলা হৈছিল। মনালিছাৰ যশস্যা ইয়াত অকল আভ্যন্তৰীণ চিন্তা চৰ্চাতেই সীমাবদ্ধ থকা নাই। মনালিছাৰ মুখত থকা ৰহস্যপূৰ্ণ হাঁহিটোৰ গুৰুত্ব চিত্ৰসমালোচকে সদায় সমালোচনা কৰি আহিছে। ইয়াৰ দুটা অৰ্থ আছে। এটা হ'ল ক্ষন্তেকীয়া ভাব আৰু আনটো হ'ল ইয়াৰ বিপৰীতে থকা দীৰ্ঘকালীন অৰ্থৰ প্ৰতীক। ছবিখনত থকা নৈসৰ্গিক দৃশ্যৰাজিত নদী-পাহাৰ, গছ-লতা ইত্যাদিয়ে মনালিছাৰ ভৰ যৌৱনৰ এক সৃষ্টিৰ প্ৰজন্মৰ ভাব প্ৰকাশ কৰিছে।

■■

# বিচিত্ৰ কথা

শ্ৰীৰঞ্জন ডেকা
স্নাতক তৃতীয় ষাণ্মাসিক (বিজ্ঞান)।

১। শ্বেইক্সপীয়েৰ তেওঁ চহীটো কেবাটাও প্ৰকাৰে লিখিছিল। যেনে Willm Shaksp, William Shakespe,William Shakspeare, Willm Shakspere, William Shakespere আৰু Wm Shakspl কিন্তু কেতিয়াও William Shakespeare বুলি কৰা নাছিল।

২। চীনত ৯২% লোকে চীনা ভাষা কয়। চীনা ভাষাৰ অতি কমেও সাতটা ঠাল ঠেঙুলি আছে। যিবোৰ ভিতৰত Mandarian, Cantonese, Wu, Hakka, Gan, Xiang আৰু Min আদিয়েই প্ৰধান।

৩। Oxford Dictionary of Quotations ৰ মতে ইংৰাজী ভাষাত এতিয়ালৈকে ব্যৱহৃত উদ্ধৃতি বিলাকৰ দহ ভাগৰ এভাগ উদ্ধৃতিয়েই উইলিয়াম শ্বেইক্সপীয়েৰে লিখিছিল।

৪। সমপৰ্যায়ৰ তিনিটা হাৰিকেন যদি দহ মিনিট ধৰি বলে, তেন্তে সমগ্ৰ বিশ্ব নিউক্লিয়েৰ বোমাতকৈ অধিক শক্তি উৎপন্ন কৰিব পাৰে।

৫। "Underground" শব্দটোৱেই হৈছে ইংৰাজী ভাষাৰ একমাত্ৰ শব্দ, যাৰ আৰম্ভণি আৰু শেষ 'Und'ৰে হৈছে।

৬। পাঁচটা অংকৰে গঠিত এটা সংখ্যা যাক ৪ৰে পূৰণ কৰিলে সংখ্যাটো বিপৰীত ফালৰ পৰা পঢ়িলে পোৱা সংখ্যাটোৰ সমান। ২১৯৭৮×৪= ৮৭৯১২।

৭। মানুহে মৰা এটা হাঁচি ঘন্টাত ১০০ মিটাৰ পৰ্যন্ত বেগত ওলাই আহিব পাৰে। পৃথিৱীৰ প্ৰায় ৭৫% লোকে আন্ধাৰত হাঁচি নামাৰে।

৮। ১৬ টা কাৰিকৰী প্ৰক্ৰিয়াৰে তৈয়াৰ কৰা হয় ফাউন্টেন্ পেনৰ অৱয়ব। আনহাতে ৪০ বিধ শিল্প প্ৰক্ৰিয়াৰে তৈয়াৰ কৰা হয় নিবটো।

■■

ব্যঙ্গ ৰচনা

# অনিচ্ছাকৃত দান বৰঙণি

পাৰ্থপ্ৰতিম চহৰীয়া
স্নাতক দ্বিতীয় ষাণ্মাসিক (বিজ্ঞান)।

১। সেই Turning টো। য'ত বৰ বৰ Accident হয়। মনত পৰিছে নহয়! কি ভাৱ হয় কিবা ভূত আছে, নহয়জানো? সেই Mobile Phone টো, যিটো কাণত লৈ গল বেঁকা কৰি আপুনি আপোনাৰ Motorcycle খন চলাইছিল। সন্মুখৰ গাড়ীখনে upper/deeper signal দিয়া সত্বেও যে হাতখন switch লৈ নগ'ল। কি ভাৱ হয়? এটা Mobile Call ৰ বাবে এখন ভৰি। ৰ'ব ৰ'ব বাকী আছে। Car খনৰ Driver জন ভাল অৱস্থাতে আছে। মাত্র সোঁফালটো Paralysed হোৱাই নহয়, সি কাণেৰেও নুশুনা হ'ল। আপোনাৰ কৃপাতে।

২। মগনীয়াজন, হাতপাতি আপোনাক যে পইচা খুজিছিল। বেচেৰাজন লেঙেৰা আৰু Weak Heart ৰ আছিল। ওচৰেৰে যাওঁতে আপোনাৰ চকুত নপৰিল, খুচুৰা নাছিল যে আপোনাৰ।

কিন্তু, মই জনাত আপুনিও বৰ দয়ালু। সেয়েটো আপুনি দোকানৰ পৰা চিগাৰেট কিনি হ'লেও খুচুৰাকেইটা দিলেষ বাৰু দিলে ঠিকে আছে। কিন্তু, বাকী ৰোৱা ধোৱাখিনি তাক Free তে খুওৱাৰ কষ্ট কিয় কৰিব লাগে কওঁকচোন? এতিয়া, সি পিছে বেমাৰ ভাল পাইছে বুজিছে। Main কথাটো হ'ল সি এই সংসাৰতো নাই। আপোনাৰ কৃপাতে।

৩। অ', কালি Town ত হৈ যোৱা Meeting খনৰ কথাটো শুনিছেনে? ভাল কৰিছে দেই। বিশ্ব পৰিৱেশ দিৱস পালন কৰি গছ পুলি ৰুইছে। ভালেই। Meeting খনে কিন্তু Field ৰ পৰিৱেশেই সলনি কৰিলে। হয়তো, প্লাষ্টিক ব'টল, প্লাষ্টিক গ্লাছ, চকলেটৰ বাকলি। অ' বেৰত কৰা পেইন্টিংবোৰ। কিয় পাহৰিলে? আপোনাৰ পানখনৰ। এটা কথা ভাল হ'ল যে পিছত সোলোকা হাফপেন্ট পিন্ধা ল'ৰাকেইজনে সিহঁতৰ ঠেলা ভৰ্তি কৰিলে খালী বটলেৰে। অ' আজি আকৌ মৰহিব ধৰা পুলিকেইটাত আপুনি পানী দিয়া দেখি ভাল লাগিল, পিছে দুৰ্গন্ধটোহে ঠিক ধৰিব নোৱাৰিলো। অভিনন্দন, পুলিটোৱে পোখা মেলিছে। আপোনাৰ কৃপাতে।

৪। যোৱাটো সোমবাৰে হেনো বৰ ডাঙৰ ধৰ্ণা দিয়া হ'ল যাৰ ফলত আমি জাতীয় উৎসৱ 'অসম বন্ধ' পালিবলৈ আকৌ এটা সুযোগ পালো। মোৰ পৰীক্ষা আছিলহে সেইদিনা, সেয়ে সবিশেষ নাজানিলো। কিন্তু, সেইদিনাটো আপুনিও ধৰ্ণাৰ অংশীদাৰ হোৱা বুলি শুনিলো, কাৰণটো কি? কিহৰ কাৰণে এই সব? নাজানে! কি কয়হে। বাৰু ধৰ্ণাৰ অংশীদাৰ হোৱাৰ ফলস্বৰূপে কিবা শকত ধনৰ টোপোলা পালে চাগে? নাই পোৱা। তেন্তে, আমাৰ ওপৰত ইমান দয়া কৰিছে কিয়। আৰে, কমছে কমটো মেজিক গাড়ী, কেইখন চলিবলৈ দিলেহেঁতেন। ইমান কৃপা আৰু নকৰিব। মোৰ এটা Semester বৰ্বাদ কৰাৰ বাবে ধন্যবাদ।

বেয়া নাপাব, কিন্তু সমাজৰ এনে ধৰণৰ উন্নতিত আপোনাৰ মোৰ বহুত ভুলবশতঃ বৈ যোৱা তথা অনিচ্ছাকৃত দান-বৰঙণি আছে। অলপ কৃপণ হব'লৈ শিকক। বৰ্তমানৰ জনপ্ৰিয় আলু-পিঁয়াজৰ দাম বৃদ্ধি বা ডাইনী হত্যা আদি সমস্যাৰ গুৰি ইয়াতে লুকাই আছে। দুপৰীয়া নহওতেই উভালি দিয়ক— গাজৰত সাৰ মিহলোৱা আছে।

# নীলা খামৰ চিঠি

হীৰকজ্যোতি চহৰীয়া
স্নাতক তৃতীয় ষান্মাসিক।

**মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত কৰা নীলা খামৰ চিঠি লেখা প্রতিযোগিতাৰ পৰা অনা হৈছে।**

মৰমৰ

সোণ,

হিয়াৰ বাৰীত ৰুই থোৱা লেটেকুৱা মৰমবোৰ হেঁপাহৰ ফৰ্মুটি মাৰি পাৰি তোলৈ পঠাইছো। থোপা-থোপে বুটলি লবিদেই। তই হয়তো ভাবিবি কাকনো সোণ বুলি মাতিলো, তোকেই অ'। ধুনু বুলি মাতিবলে দেখোন ভাল নলগা হ'ল। বাৰু থ'। তোৰ খবৰ ভাল ছাগে ন'। সোণ স্মৃতিৰ পকাবন্ধা বহীটোৰ এটি দুটি পাত লুটিয়াই বহুত নষ্টালজিক হৈ পৰিছো। সেয়ে উত্তৰ নাপাম বুলি জানিও তোলৈ লিখিছো।

নিজান নিশাৰ নিস্তব্ধতা ফালি জিলিৰ সুহুৰিৰ দৰে মাতটোত মই মূৰ তুলি চাইছিলো। স্বপ্নৰ ৰাজকাৰেঙৰ অন্তেষপুৰত থকা ৰাজকুমাৰীৰ দৰে তাইক মাথো চাই ৰৈছিলো। তাইৰ দুচকুৰ গভীৰ নিলিমাতত বুৰ গৈ আছিলো। সময়বোৰ যেন থমকি ৰৈছিল। টিক্ টক.. হঠাৎ লগৰীজনীৰ মাতত দুলি থকা পেণ্ডুলামৰ দৰে স্বপ্নৰ পৰা সাৰ পাই উঠিছিলো। আঁউসী ক'লা চুলিটাৰীত পকাব ধৰা ৰঘুমলা সপোনে জখলা ভাঙি সৰি পৰিছিল। ২৫ নং ৰুমত 'শিক্ষা'ৰ চাদৰৰ মোখনি মাৰিব লওঁতেই তই আহি মোৰ জীৱনৰ উকা চাদৰখন মৰমৰ ভমকাফুলীয়া বুটা বাচিলিহি। সময়বোৰ এপল দুপলকৈ আগবাঢ়িছিল। মৰম নদীত পাল-তৰি দিয়া দুখন নাও এদিন এটা ঘাটত লগ লাগিছিল ভাগৰুৱা নাৱৰীয়াই প্ৰেমৰ বোকোছাত জিৰণি লৈছিল আৰু তাতেই কলি মেলিছিল প্রেমৰ শতদলে।

সোণ, তোলৈ বৰকৈ মনত পৰিছে। তোৰ স'তে কটোৱা প্ৰতিটো পল-অনুপলে স্মৃতিৰ সফুঁৰাৰ পৰা ভুমুকীয়াই আছে আৰু লাহে লাহে স্মৃতিবোৰ টোকোৰা চৰাইৰ বাহৰ পৰা মূৰ উলিয়াই ছাত কৰে উৰি যাব ধৰিছে বিস্মৃতিৰ অৰণ্যলৈ। সোণ তোৰ মনত আছেনে স্মৃতিৰঙা সেই আবেলিৰ কথা, যিদিনাখন প্ৰথমবাৰৰ বাবে তোৰ ওচৰত বহিছিলো। তোৰ স্পৰ্শ পাই মই যে শিহৰিত হৈছিলো কি কি পাতিছিলো বাৰু। সোণ তোৰ ক'ত মনত থাকিব তাচ পাতৰ দৰে ক্ৰমাৎ মনত পৰিছে। সুপ্ত হৈ থকা মৰমৰ আগ্নেয়গিৰিৰ পৰা তপত তপত বিষাদবোৰ দুচকুৰে আৰু উমাল উমাল মৰমবোৰ মোৰ শেতাপৰা ওঁঠেৰে বাগৰি আহিছে। জানানে সোণ আকাশত উৰি যোৱা চৰাইজাক দেখিলে ৰাতিপুৱা শালিকাযোৰ দেখিলে মাকৰ বুকুত মৰমেৰে শুই থকা পাৰ পোৱালিটোকেইটা তোলৈ বৰকৈ মনত পৰে।

সোণ,জোন এটা প্রশ্ন কৰো? মই বাৰু কোন? তোৰ ব্যস্ত তৰামণ্ডলত মাজে মাজে ভুমুকি মৰা এটা পপীয়া তৰা নহয় জানো? যাৰ কোনো অস্তিত্বই নাই। সোণ, বিবসনা নাৰীৰ বস্ত্র আজুৰি জিৰোৱাৰ মানসিকতা নাই, নাই মানসিকতা মৰুভূমিৰ কেফেত বহি আইচক্ৰীম খোৱাৰ আৰু মানসিকতা কেনেকৈ থাকিব পাৰে তোক পত্নী হিচাপে গ্ৰহণ কৰাৰ। বহুত সৰু মানুহ সোণ মই। কিন্তু হিয়াৰ গোপন কুঠৰীত অনবৰতে কঢ়িয়াই লৈ ফুৰো তোক ভাল পাই থকাৰ মানসিকতা। আজিকালি কল্পনাৰ আজলি ওৰণি খহাই সপোনবোৰ নহাই হ'ল। কিয়নো তুমিহীনতাত কাৰ স'তে আহিব সপোনৰ সোণোৱালী ৰথ। স্মৃতিৰ আচলত বান্ধি ৰখা সপোনবোৰ এতিয়া হাহাকাৰ কৰিছে। সপোনবোৰ বিষাদৰ মৃদংগ বজাইছে, যাৰ শব্দত মই উন্মাদ হৈ উঠো। বাৰে বাৰে দলিয়াই দিও তুমি তুমি গোন্ধ পোৱা মৰম আৰু যন্ত্ৰণাৰ উপহাৰবোৰ। আকৌ সযতনে বুটলি লওঁ মৰমেৰে নিচুকাও মোৰ বিষাদৰ জুয়ে পোৱা বুকুত।

সোণ, কওঁ কওঁ বুলিও বহুদিনে তোক এটা কথা ক'বলৈয়ে থাকিল অ'। অলপতে মোৰ শৰীৰৰ অসুস্থতাৰ বাবে মোক হস্পিটাললৈ লৈ গৈছিল অ'। ডাক্তৰে পৰীক্ষা কৰি ক'লে মোৰ বোলে কেঞ্চাৰ হৈছে। মোক কোৱা নাই সোণ, মাক কৈছে। বয়সৰ ছোৱৰে কোবোৱা মাৰ শেতাপৰা মুখখনিত দেখিছিলো হেৰুৱাৰ আতংক আৰু বেদনাৰ ডোকোল টকা বান। যেন উপচি আহিব দুচকুৰ মথাউৰি ভাঙি। মাক মই সুধিছিলো, মোৰ কি কি হৈছে মা। মাই কেৱল মোৰ ফালে নিথৰ হৈ চাই আছিল, যেন মই এটা সূৰ্যগ্ৰহণহে। যি সূৰ্যই কলীয়া ডাৱৰৰ মাজত সোমাই গৈ আছে আৰু যেন কেতিয়াও ওলাই নাহিব।

সোণ, সেইদিনা মাই মই ভাল পোৱা আলুৰ তৰকাৰীৰে মোক ভাত খুৱাই দিছিল অ'। কিন্তু কি হ'ব খাদ্যনলীত কেঞ্চাৰ হোৱা বাবে গোটেই খিনি ওলাই আহিছিল। তেজেৰে বমি হৈছিল। মাই কৈছিল বাবা তোৰ একো হোৱা নাই, ৰজনীগন্ধা সোপা খাবলৈ মানা কৰিলে নুশুন নহয়। এই চা তই দুদিনতে ভাল পাবি সোণ, থোকাথুকি মাতেৰে হিয়াভঙা উচুপনি হাতেৰে কামুৰি লুকুৱাব খুজিলেও মই জানো অ' সোণ, মাৰ দুখৰ খৰস্তোতা নদীৰ ধাৰ কিমান বেগত গতি কৰিছে। মই জানো সোণ,মোৰ যে কেঞ্চাৰ হৈছে। অভিজ্ঞতাৰে বুজো অ'। মোৰ H.S ৰিজাল্টৰ দিনাৰ চকুপানী আৰু এতিয়াৰ চকুপানীৰ মাজৰ ব্যৱধান মই অনুমান কৰিব পাৰো অ' সোণ।

সোণ, মোৰ জয়াল নিৰব কোঠাটোই এতিয়া উচুপি উঠিছে। মোক হেৰুৱাৰ বেদনাত আধাপোৰা চিগাৰেটৰ টুকুৰাকেইটাও নিৰবে চকুলো টুকিছে। কিয়নো মই গুচি গ'লে কাৰ লগত ভগাই ল'ব সিহঁতৰ ইমানবোৰ হুমুনিয়াহ। কাৰ সতে পাৰ কৰিব উজাগৰী নিশা। বেছেৰা বাঁহীটোৱেও গোমোঠা মাৰি চুকতে বহি থাকে। মই গুচি গ'লে কোনে তাক আকোৱালি ল'ব। কোনে তাক ওঁঠৰ পৰশেৰে পৰাণ জুৰাব।

সোণ, অ' এতিয়া মোৰ জীৱনত অস্তমিত সূৰুযে ভুমুকি মাৰিছে। কানিমুনি পোহৰ চৌপাশ আৱৰিছে। টিমিক-ঢামাককৈ জ্বলি থকা চাকি গছিত শলিতা দিবলৈও তই বহুত দূৰত। সোণ, তোক লৈ বহুত সপোন দেখিছিলো, তোৰ হাতেৰে ভাত খাম তোৰ কোলাত শুম, তই মৰমেৰে শুৱাই দিবা,ঠাণ্ডা নোপোৱাকৈ কাপোৰ ঢাকি দিবা........

সোণ এয়া বতাহ বলিছে টিমিক ঢামাক চাকি গছি নুমাব খুজিছে। জীৱনৰ অমানিশালৈ ক্ষণ গনি তোলৈ বাট চাই আছো। তই আহিবিদেই তোৰ কোলাতু মূৰ থম তই নিচুকনি অকণমান পানী খুৱাই দিবি, মোৰ মূৰত তই বুলনিদিবি, মই টোপনি যাম চিৰদিনৰ বাবে। অ' কথা এটা পাহৰিছিলোৱেই আহোতে এখন বগা চাদৰ লৈ আহিব নাপাহৰিবিদেই সোণ কাৰণ তোৰ বগা চাদৰৰ তলতেই মই আৰম্ভ কৰিম মোৰ জীৱনৰ শ্মশান যাত্ৰা।

সোণ এয়া হাতখন মৰমকৈ কপিছে অ' আৰু হয়তো লিখিব নোৱাৰিম । অ' আৰু হয়তো লিখিব নোৱাৰিম। আজিলৈ নহয় চিৰদিনলৈ চাগে।

তোৰ হৃদয়ৰ ৰক্তজবা ছিঙা
মৰম (হীমতুষাৰ)

## নীলা খামৰ চিঠি

মুকুট বৰ্মণ
স্নাতক তৃতীয় ষান্মাসিক।

মৰমৰ,

জোনাক ভালপোৱাৰ সেউজীয়া ৰং বোলাই তোমালৈ লিখিব বহিছো। তুমি চাগে ভাবিছা আধুনিক প্ৰযুক্তিৰ যুগত চিনি লিখাৰ প্ৰয়োজনেই বা কিমান হাতৰ আঙুলিৰ পৰশতে যেতিয়া পাব পাৰি মনৰ ঠিকনা। কিন্তু মই জানো সেই ঠিকনাবোৰ যে নহয় প্ৰেমৰ ঠিকনা। ভালপোৱা কিমান গভীৰ হ'লে কাবোবাক প্ৰেমত পৰিব পাৰি বাৰু বাৰে বাৰে। তোমাৰ প্ৰেমত পৰিছো বাবেই হৃদয়ৰ সমস্ত আবেগ ঢালি লিখিব ওলাইছো। তোমাক ভাল পাবলৈ ধৰাৰ আগত উকা হৈ আছিল মোৰ মনৰ পৃথিৱীখন কিছু মৰহিব ধৰা সপোন আৰু গৰাকীৰে অভাৱত লেৰেলি শুকাই যোৱা মৰমৰ খৰিকাজাঁই। অ' তোমাক ভাল খবৰ

এটি দিও ৰ'বা খৰিকাজাঁই জোপাত নতুনকৈ পোখা মেলিছে এটি আশাই। কবি হোৱাহেঁতেন লিখি পেলালোহেতেন কবিতা তোমাৰ নামত কিন্তু ন'হলো কি হ'ল ভগৱানে তো এখন সেউজীয়া হৃদয় দিছে কাৰোবাক ভাল পাবলৈ।

জোনাক কোনে জানো তোমাকে কৈছিল 'দুখৰ অৰণ্য নাথাকিলে ক'ত আহি জিৰাবহি সুখৰ চৰাই। তুমি মই এখন দুখৰ অৰণ্য আৰু তুমি মোৰ বাবে জীৱনক জীয়াই তোলাৰ সঞ্জীৱনী মন্ত্ৰ। এতিয়া দিনবোৰ এনেকুৱা হৈছে যেন তুমি আছা বাবেই মই জীয়াই আছো। আবেগত সঁচাকৈয়ে উপযুক্ত শব্দ বিচৰাই বহুত কঠিন কাম। শেষত তুমি মোৰ জীৱনটোৰ এটি ছন্দময় কবিতা। তোমালৈ অযুত মৰমেৰে—
ইতি তোমাৰ মৰমৰ অনুভৱ

## নীলা খামৰ চিঠি

নিলাক্ষী শৰ্মা
স্নাতক দ্বিতীয় ষাণ্মাসিক।

মৰমৰ

স্বপ্নবিভোৰ এই হৃদয় আকলুৱা। চিৰদিন স্নেহৰ বান্ধোনত বন্দী হ'ব খোজে। এই যোৰটো বহুদিনেই হ'ল। এতিয়াও মোৰ চকুলোত ভাহে তোৰ মৰম। তই কি ভাব পাৰিম জানো মই এই বগা সাজযোৰত সপোনৰ ৰঙবোৰ ঘহিবলৈ কষ্ট হয়, বহুত কষ্ট হয়। তই জাননে এই হৃদয় ইতিকিঙৰ আঘাতেৰে ৰাঙলী হয়। তোৰ অস্তিত্ব এতিয়াও অনুভৱ কৰো হয়তো চিৰদিন কৰিম। মই জানো তই কেতিয়াও ঘূৰি নাই তথাপি হৃদয়ক সৈমান কৰিব পৰা নাই। দুপৰ নিশাও তোৰ স্মৃতিত হৃদয় কাতৰ হয় চকুলো হৈ বৈ যায় হৃদয়ৰ যন্ত্ৰণা। তই যাবৰ দিনা বতৰটো গোমা হৈ আছিল, তোৰ মনত আছেনে? সেইদিন ধৰি মই মোৰ মৰমৰ আকাশখনক আজিও পৰ পৰা নাই। এই বাৰু তাত আছ' নেকি। নাই নাই তইতো মোৰ হৃদয়ত বাস ক'ব নহয়নে তোক আৰু এটা কথা সুধিবলৈ আছে আজি তৌলৈ লিখিম বুলিয়েই বহিছো। বগা সাজযোৰৰ মাহাত্ম্য তই জান নেকি? সপোন দেখাৰ অধিকাৰ মোৰ এতিয়া নাই নেকি? তই যদি জান মোকো কবিচোন। অকলশৰীয়া হৃদয়ক চলাহী কথাৰে কিমান সৈমান কৰিব আৰু কৃষ্ণচূড়াৰ ৰাঙা এতিয়া ধূসৰিত মোৰ কাৰণে সোণৰ হালধীয়াক তোৰ চিতাৰ জুইকুৰা যেন লাগে। মই বাৰু এতিয়া কেনেকৈ থাকো তাকে সুধিবলৈ আজি তৌলৈ লিখিছো। মানুহৰ ঘৃণাভৰা মুখবোৰক মই কেনেকৈ সহ্য কৰিম ? তই উত্তৰবোৰ জানিলে মোকো কবি হৃদয়ৰ সঁজাত বন্দী তোৰ স্মৃতি। তোৰ অস্তিত্ব মোৰ চিৰসংগী। নাহৰ ফুলাৰ দিনবোৰত পাৰিলে এবাৰ আহি যাবি।

ইতি —
মৰমৰ

## নীলা খামৰ চিঠি

মৰমৰ

নীলাভ

মোৰ হৃদয়ত সযতনে সাঁচি ৰখা মৰমৰ পাপৰিবোৰ তোমাক বিলাই দিয়াৰ মানসেৰে হাতত কলম তুলি ল'লো। আশা কৰো তোমাৰ খবৰ ভাল। জবাৰ ৰক্তিম পাহিত ভোল গৈ তুমি মোক পাহৰি গলা নহয়। বহাগৰ ঢোল-পেঁপাৰ মাতে তোমালৈ বৰকৈ মনত পেলাইছে অ' কোনো এটা মুহূৰ্তই মোৰ তোমাৰ কথা নভবাকৈ পাৰ হৈ যোৱা নাই। হৰিণী নয়না তোমাৰ চকুজুৰিয়ে মোক বিয়াকুল হৈ মাতি থকা যেন লাগিছে। তুমি যে এদিন কৈছিলো জ্বলি থকা মমবাতিক তুমি ঘিণ কৰা

বুলি। মমবাতিয়ে নিজে জ্বলি জ্বলি শেষ হৈ যায় আনক পোহৰ দিয়ে। তুমি মোৰ নিভাজ মৰমক ভৰিৰে গছকি মোহাৰি দি বেলেগৰ ওচৰলৈ গুচি গ'লা অ'সোণ মোক কিয় এনেকৈ অকলে এৰি থৈ গুচি গ'লা। অকণো তোমাৰ বেয়া নালাগিল, দুখ নালাগিল। দুখৰ ধুমুহাবোৰৰ লগত মই অকলে কিমান সংগ্রাম কৰিম। তোমাৰ ওঁঠৰ উষ্ণ স্পৰ্শ পাবলৈ মই যে আতুৰ হৈ আছো। তুমি অবিহনে মই জীয়াই থাকিব নোৱাৰো। তুমি অবিহনে মোৰ জীৱনত কোনো মূল্যই নাই। মোক কিয় দিশহাৰা কৰি গুচি গ'লা। সৌ সিদিনাৰ কথাবোৰে মোক কন্দুৱাই থৈ যায়। মোৰ হৃদয়ত সযতনে সাঁচি ৰখা মৰমবোৰ এই সকলোবোৰ তোমাৰ কাৰণে সোণ মই তোমাৰ ভৰিত ধৰি কাকুতি কৰিছো মোৰ ওচৰলৈ ঘূৰি আহা। বহাগৰ কপৌফুল জোপাইও তোমালৈ বৰকৈ মনত পেলাইছে কুলি কেতেকীৰ মাত শুনি মই থাকিব নোৱাৰা হৈছো। চকুৰ পানীয়ে মোক বাট নেদেখা কৰিছে। মোৰ প্ৰেম, মৰম, তোমাৰ কাৰণে সদায় স্থিতপ্ৰজ্ঞ হৈ ৰ'ব। —

ইতি

তোমাৰ

নীলা

# ব'হাগী নাহৰ আৰু শাৰদী গোলাপ

কৌশিক জ্যোতি নাথ
স্নাতক ষষ্ঠ যাণ্মাসিক।

**না**হৰফুলীয়া সপোন এজাকে আদৰি আনে বহাগী মলয়াজাকক, যিদৰে প্ৰথমটো ৰঙা গোলাপৰ পাহিয়ে স্বাগতম জনায় মোহময়ী শৰতক। ঋতু আহে, ঋতু যায়। ই যে নিয়ম সময়ৰ। সময় গতিশীল, অৱৰুদ্ধ পথিক। ঋতু চিৰতৰুণ, সীমাহীন সত্বা, যাৰ নাই নিৰ্দিষ্ট সীমাৰেখা। সকলো ঋতু একেই, একেই তাৰ ৰহন, একেই উলাহ, একেই তাৰ সমন্বয়। প্ৰতিটো ঋতুৰ বুকুতেই অংকুৰিত হয় একেই আশাৰ বীজ, যিয়ে জন্ম দিয়ে এটি নতুন সপোন, ঋতুৰ সপোন।

কোনে কয় ঋতু ভিন্ন। সকলো ঋতু একেডাল সুঁতাৰে গঁঠা চিৰপ্ৰৱাহমান অস্তিত্বৰে আবদ্ধ। মাথোঁ আমি অনুভৱ কৰিব নোৱাৰো সেই বান্ধোন। চুই চাব নাজানো ঋতুৰ কোমল বুকুখন, য'ত বৈ আছে সপ্তসুৰৰ চিৰতৰুণ নিভাজ ৰাগিনী। আমি মাথোঁ বগাব জানো উচ্চতা। উচ্চতাৰ পৰা উচ্চতা বগাই এদিন নেদেখা হও ঋতুময়ী পৃথিৱীৰ কোমল আকুলতা। আমি মাথোঁ দেখা পাওঁ ঋতুৰ ভিন্নতা, দেখা পাওঁ ভিন্নমুখী ঋতুৰ ছন্দ। সেয়ে গাঁঠিবলৈ যাওঁ দেৱাল, প্ৰতিটো ঋতুৰ মাজত। সুকঠিন পিঞ্জৰাৰে পৃথক কৰিব বিচাৰো বহাগী নাহৰকলিটিক সহোদৰ সেই গোলাপ পাহিৰ পৰা যি শৰতৰ বুকুতো ছটিয়াই দিব পাৰে ব'হাগৰ বৰষুণৰ নৃত্যময়ী চঞ্চলতা।

আমি নুবুজো সমন্বয় কি। যান্ত্ৰিকতাৰ কোলাহলত যিদৰে বিছিন্ন কৰিছোঁ পৰস্পৰে পৰস্পৰক, সেইদৰেই আমিও কামনা কৰোঁ ঋতুৰ বিছিন্নতা। অথচ কোনেও নুবুজো, ঋতুৱে কেৱল সলাই সপোনৰ ৰং, সলনি নকৰে নিজস্ব সত্বা, কব নিদিয়ে হৃদয়ৰ কোমল বতৰা।

আমি যিদিনাই স্পৰ্শ কৰিব শিকিম ঋতুৰ বুকুখনি, শিকিম আঙুলি বুলাই দিবলৈ ঋতুৰ সপোনৰ মাজত, সিদিনাই বুজিম কি নিদাৰুণ বেদনাৰে উচুপি উঠে ঋতুৰ চকুযুৰি। হয়তো সিদিনা বুজিম কিদৰে বিছিন্নতাৰ সোঁতে কুৰুকি কুৰুকি নিঃশেষ কৰে ঋতুৰ সপোনৰ আকাশখন।

আমি এতিয়াও অপেক্ষাত আছো মাথোঁ সেই সুদিনলৈ যিদিনা পৃথিৱীৰ বুকুত সিঁচৰতি হ'ব সমন্বয়ৰ সোঁত ঋতুময়ী এজাক বতাহৰ পৰশেৰে।

■■

# ENGLISH SECTION



# RABHA TRIBALS OF ASSAM

**Dr. Hirendra Kr. Goswami**
**Retd. Principal,**
**Mangaldai College**

Assam, the premier State of North-East India, is the abode of several tribal communities that belong to the Tibeto-Burman race; Rabha is one of them.

The Word 'Rabha' is a generic name. It includes several homogenous subgroups. These are : Rangdani, Maitori, Pati, Dahuni, Baitlia and Pati. The word `Rabha' seems to have been derived from `Raba' which means `to bring'. Since Dadan, their mythical hero brought these people apart from others, they identified themselves as 'Raba' or 'Rabha'.

The general physical appearance of a Rabha tribal shows all the characteristics of the Mongolian stock : a round face, flat nose, prominent cheek bones, obliquely set eyes, sallow complexion, coarse hair, scanty beard and well developed lower extremities.

Rabha tribals are generally humble and accommodating. Violent acts like murder are quite revolting to their thinking. They would rather yield than resort to a show of force. They are honest in their behavior.

Rabhas are not an offshoot of the Kachari tribe as some English writers think. They have a distinct ethnic entity. The appellation 'Rabha-Kachari' used often by other people was never used either by the Rabhas or the Kacharis themselves. Since the local Hindus were new comers, the commoners amongst them failed to distinguish between a Rabha and a Kachari. The Kachari being dominant factor in the State's population, the local Hindus used the appellation `Kachari' to almost all the tribals of Assam.

Rabha tribals are scattered throughout Assam. However, their main concentration is found in the south bank of the Brahmaputra, particularly in the district of Goalpara and Kamrup.

The Rabha family is based on patriarchal pattern, but it is matrilineal. Father, or in his absence the next male member is generally considered as an authoritative head of the family, but descent is reckoned through female line. A higher number of elementary families are found amongst them.

The popularity of the Niagara Falls increased by leaps and bounds after the release of the Marilyn Monroe and Joseph Cotton Starrer, 'Niagara' in 1953.

Niagara contains an extensive system of rivers and lakes for great sport fishing for rainbow trout, brown trout, Salmon Lake trovt, and musky and small mouth bass.

# AN INTERVIEW WITH PADMASHREE DR. SARBESWAR SAHARIA

Dr. Sarbeswar Saharia at present is working as vice-chairman and chief transplant surgeon in Krishana Institute of Medical science, Secendrabad. He pays a bimonthly visit to sun valley hospital in Guwahati. He is also a member of "North- East Care Foundation" (trust) which provides free medical treatment to financially backward patients. Dr. Saharia was awarded Padmashree in the year 2014.

Interviewer
Secy. Magazine.

1. Sir, you were born in Mangaldai, and now you are a nationally renowned Physician. How did you preapare yourself to reach this stage?

* My birth place is Mangaldai. Due to our poor financial background it was not possible to dream for big achievements in life. I used to assist my father financially by selling vegetables in the market during the weekly market at Mangaldai on Wednesdays and Sundays. There was nothing much in our farm to sell except coconut, bananas, bettlenuts and tejpat. Took active part in organizing dramas during the Laxmi Puja festival at Tengabari and also acted in most of them along with HemantaDatta (my class mate during school days) who is a leading mobile theatre personality in the state now. The first break in my life came when I was selected for the undergraduate medical course at Guwahati Medical College in 1962 though I secured Second division in the higher secondary final examination. First time in my life I realized that if I put in more hard work, success is bound to come. Since the time I left Mangaldai in 1962 join my medical school I rarely visit my home town and spend most of the time in the hospital and medical library. I did not visit my home for seven years during my postgraduate training days at PGI Chandigarh when I was receiving training in organ transplantation. I realized in life that nothing can be achieved without hard work. Even a person with excellent brain cannot be successful in life without putting in extra effort.

2. Have you noticed any differences in educational and socio-cultural conditions of Assam and the rest of India ? If yes, what are the differences?

*Since last four decades I am working outside Assam, mostly in South India but interacted very frequently with the people of the state. The life style, culture, food, language etc. are different in four major areas of the country. Medical science has advanced very rapidly across the globe during the last two decades and India is no exception.

Unfortunately in India higher

end medical facility is localized to most of the metro cities where most of the metro cities where most of the private sector hospitals of international standard are located. Cities like Mumbai, Hydarabad, Delhi, Mangalore and Chennai are having hospitals with facilities which can be compared with any such hospitals around the world including USA and UK. Many of the Indian doctors trained abroad are coming back to join these hospitals to offer higher end medical facilities to our people. Unfortunate due to variety of reasons the Northeast part of the country including Assam does not have any higher end tertiary care medical facilities till now. Law and order situation in the area and non-availability of trained medical and paramedical personnel are the main reasons for this situation. Though interested many of the corporate hospital groups in the country are reluctant to invest in the state due mainly to the above mentioned reasons. This has created a serious problem for the patients from the region as they have to travel long distances to other centers and cities for medical assistance appending a huge amount of money and facing tremendous inconvenience both to the patients and their families.

3. At present it is noticed that thePhysicists give more importance to Diagnosis by mechanical means. What is your opinion in this regard?

*As I have mentioned earlier the way the doctors practice medicine now has changed as compared to the system about 25 years back. The doctors are now accountable for any decision they make in connection with the diagnosis and treatment of a patient. Though a clinical judgment of a doctor may be correct but this cannot be proved by any doctor as there is no documentary evidence. Besides, a clinical judgment of a doctor may not be correct but various investigations would give a correct diagnosis at a shortest possible time. As time factor is very important in dealing with patients (particularly serious patients) various diagnostic tools helps the doctor in reaching a diagnosis at a shortest possible time so that treatment can be started at the earliest. This system of medical practice is called as 'Evidence based Medicine' which is good both for patients and doctors. As the cases of law suit for medical malpractices are increasing and more and more patients are going to the court with complaints of wrong or inadequate medical treatment and diagnosis the documented proof of various investigations can be used by the doctors for their defense in such cases.

4. It is a well known fact that the food we consume contain pesticides and herbicides, which cause dieases. What is your opinion in this regard?

* This is well known that the chemicals like insecticide, pesticide and manures etc. used now a days in agriculture sector are very harmful to the consumer and many of them are carcinogenic (causes cancer). That is where the concept of Organic food has come and slowly becoming very popular. The government is in a dilemma now as without these chemicals the food production would come down making our country food deficient which would be a very serious problem. That is why it has become very important now for small families to have a kitchen garden in their house so that routinely used vegetables can be grown without using any chemicals in their own backyard. Our newly elected Prime Minister Mr. NarendraModi in his address in the parliament recently has made a proposal of soil Culture where all the farmers would test their soil first to find out the suitability of the soil for a particular crop so that

the use of manuresand other chemicals can be minimized thereby making it more safe for consumption as well as less costly.

5. From being a small town boy to be a Padmashree, how do you feel about it?

* I have put in lot of hard work during my medical career starting from 1962 till now to come to this level. Once such hard work is recognized particularly by the highest authority in the country it gives a feeling of satisfaction and that is my feeling "SATISFIED". This also gives encouragement to do more in the future if possible.

6. Tell us about a memorable incident of your life?

* We were the first batch in Higher Secondary education at Mangaldai HS School in 1958. We had no books, no proper teachers and other facilities particularly in science. But due to my agricultural background I was very fond of Botany and Zoology and tried to study the subject from various sources available. I was very disappointed when in the final HS examination result I could get only second division (Nobody secured first division from our school). But I was very keen to know who secured highest mark in Biology in the whole state and wrote a letter to that effect to Board of Secondary Education in Assam. To my surprise I received a letter from them about a month later. They wrote: "SarbeswarSahariah, Roll Z No: 17 from Mangaldai Government Higher Secondary School, Mangaldai secured highest marks in Biology in the state of Assam". I would like to remember this as my most memorable moment of my life and cherish it forever.

7. What is your advice for the students of Mangaldai college?

* My Best Wishes to all the students of Mangaldai College for their bright future. But unfortunately Bright future does not come without hard work. Make it a habit to give your best in whatever you are doing and do not except miracles. Hard work and perseverance would help you in achieving greater heights in life. God bless all of you.

■■

# MY AIM

Banalata Saikia
T.D.C. 2dn semester.

Lord, I am proud of
Being a girl,
My birth on this earth
Is like a pearl.
I want not to live
In the sea of ignorance,
But live in the pursuit of
Truth and providence
Not to get lost within
The walls of domesticity
But find some meaning,
In the house of creativity.
Bless me with high virtues
Of goodness, holiness, selflessness
And a mind that always feels
Thy divine power and presence.
Lord, I am proud of
Being a girl,
My birth on this earth
Is like a pearl.

# THE SOLITARY LIFE

Daimalu Muchahary
T.D.C. 6th Semester.

It was a rainy day
Sitting on the balcony
I fell solitary
I am an orphan in this world.
No one comes to bless me,
Why is everything looking different?
Is this the way of life?
I even faced worst day.
The days made solitude.
Sometimes colleagues left me.
Why it owners frequently?
I cannot realize it
Has the universe created it?
Has everyone discarded me?
Oh' this solitary life.

# LAWS OF LIFE

| | | |
|---|---|---|
| The great Sin | ............. | Gossip. |
| The great crippler | ............. | fears. |
| The most satisfying experience | ............. | Doing your duty first |
| The best action | ............. | keep the mind clear & the judgment good. |
| The greatest blessing | ............. | Good health. |
| The biggest fool | ............. | The man who lies to himself. |
| The most certain thing in life | ............. | Change. |
| The greatest joy | ............. | Being needed. |
| The cleverest man | ............. | The one who has done what he thinks is right. |
| The most potent force | ............. | Positive thinking. |
| The greatest thought | ............. | 'God' |
| The greatest opportunity | ............ | The next one. |
| The greatest victory | ............. | Victory over self. |
| The best play | ............. | Successful Work. |
| The greatest handicap | ............. | Egoism. |
| The most expensive indulgence | ............. | Hate |
| The most dangerous man | ............. | The lier. |
| The most ridiculous trait | ............. | False pride. |
| The greatest loss | ............. | Loss of self confidence. |
| The greatest need | ............. | Common Sense. |

"The first and foremost duty of soldier is to live and die for his country. It is his dharma."

–SardarVallabhbhai Patel.

"Take up one idea; make that one idea your life..... Think of it, dream of it, and live on that idea. This is the way to success."

– Swami Vivekananda

# মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা ২০১৩-১৪ বৰ্ষৰ উপ-সভাপতিৰ প্ৰতিবেদন



দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ পৰা সম্পূৰ্ণ বিকাশৰ ক্ষেত্ৰত নিজৰ প্ৰাণকো তুচ্ছ কৰি আমাৰ মাজত অমৰ হৈ ৰোৱা প্ৰত্যেকগৰাকী মহান ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

১৯৫১ চনতে উপহুপাৰাত কেইগৰাকীমান উচ্চকাংশী মনৰ শিক্ষানুৰাগী ব্যক্তিৰ একান্ত প্ৰচেষ্টাৰ ফলতে গঢ় লৈ উঠিছিল মঙলদৈ মহাবিদ্যালয়। বিগত তিনি কুৰি তিনি বছৰে এই মহাবিদ্যালয়ে সহস্ৰাধিক শিক্ষাৰ্থীক উপযুক্ত শিক্ষাৰে পৰিপুষ্ট কৰি তুলিলে। এই ক্ষেত্ৰত শ্ৰদ্ধাৰে সোঁৱৰিব লাগিব প্ৰথমৰ পৰা বৰ্তমান পৰ্যন্ত যিমান শিক্ষাগুৰুৱে পাঠদান কৰিলে, তেওঁলোকৰ একান্ত কৰ্মনিষ্ঠাৰ বাবেই আজি শত-সহস্ৰজনে এই ধৰাৰ বিভিন্ন ঠাইত উজ্জ্বল তৰা হৈ জিলিকি থাকিব পাৰিছে। এই ছেগতে সদৌটিৰে হৈ তেওঁলোকৰ ওচৰত মোৰ সহস্ৰ প্ৰণাম যাঁচিলো।

মঙলদৈ মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচন ০১-১০-২০১৩ তাৰিখে অনুষ্ঠিত হয়। এই নিৰ্বাচনত মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ১০-১০-২০১৩ তাৰিখে শপত গ্ৰহণ কৰাৰ পিছত মোৰ কাৰ্যকাল আৰম্ভ হয়। ইয়াৰ পিছতে ০৪-০২-২০১৩ তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী স্বৰস্বতী পূজা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীৰ সহযোগত উলহ-মালহৰে সুন্দৰভাৱে উদ্‌যাপন কৰা হয়। ইয়াৰ পিছদিনাখনৰ পৰা অৰ্থাৎ ০৫-০২-২০১৪ তাৰিখৰ পৰা ১০-০২-২০১৪ তাৰিখলৈ মহাবিদ্যালয়ৰ আন এক আনন্দময়ী অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। ইয়াৰ লগত সংগতি ৰাখি বিভিন্ন বিভাগৰ প্ৰতিযোগিতা দৰা-কইনা প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, আন্তঃক্ষৰী প্ৰতিযোগিতা ইত্যাদি শিতান সমহূ চলাবলৈ সুবিধা পাওঁ। ছাত্ৰ-একতা সভাৰ সদস্যসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতাত অতিকৈ সূচাৰুৰূপত সমাপন হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত থাকোতেই 'ৰাষ্ট্ৰীয় সেৱা বাহিনী' (NSS) ৰ মহাবিদ্যালয়ৰ গোটৰ সহযোগত দুটাকৈ কেম্প কৰি বিদ্যালয়ৰ চৌহদ চাফাই অভিযান কাৰ্য কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যালয়টো যদিও সৰু ইয়াক ছাত্ৰ-ছাত্ৰীৰ অনুচিত ব্যৱহাৰৰ ফলত যথেষ্ট বেয়ালগা হৈ পৰিছে। গতিকে মই নতুন ছাত্ৰ একতা সভাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকো অনুৰোধ জনাওঁ যাতে কাৰ্যালয়টোক সন্মান জনাই ভালকৈ ৰাখে। অধ্যক্ষ মহোদয়কো সেইটোৰ প্ৰতি অলপ দৃষ্টি দি আৰু অলপ ধুনীয়াকৈ সজাবলৈ মোৰ ফালৰ পৰা বিনম্ৰ অনুৰোধ জনালোঁ। সকলো ফালৰ দিহা-পৰামৰ্শৰে সহায় কৰা অতিকৈ মৰমৰ ছাৰ-বাইদেউ সকললৈ মোৰ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভূল-ত্ৰুতিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো। মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন বিকাশ আৰু উত্তৰোত্তৰ কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিছো।

শ্ৰদ্ধাৰে-

শ্ৰীৰূপম কলিতা, উপ-সভাপতি

মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১৩-১৪ বৰ্ষ।

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
# (২০১২-১৩ বৰ্ষ)



পাতনিতে ঃ প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো, যাৰ ত্যাগ আৰু বিদ্যানুৰাগী প্ৰচেষ্টাৰ ফলশ্ৰুতিতেই গঢ় লৈ উঠিছিল সমগ্ৰ দৰং জিলাৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ এই 'মঙলদৈ মহাবিদ্যালয়'। ৬২ বছৰীয়া ইতিহাস বুকুত বান্ধি ই আজি যাত্ৰা কৰিছে পোহৰ অভিমুখে আৰু চামে চামে বাট দেখুৱাই আহিছে সমগ্ৰ দৰঙৰ নতুন প্ৰজন্মক।

শ্ৰদ্ধাৰে সোঁৱৰিছো মহাবিদ্যালয়ৰ সেইসকল শ্বহীদ ছাত্ৰক, যাৰ কেঁচা তেজেৰে আৰম্ভ হৈছিল ঐতিহাসিক অসম আন্দোলনৰ।

নতুনৰ হকে কিছু সমসাময়িক বিশ্লেষণ ঃ

সময়ৰ প্ৰৱাহত জীৱনে গতি সলাই। পৰিৱৰ্তনৰ ঢৌৱে চুই যাই সকলোৰে মন। সলনি হয় সমাজ। নিতৌ হেজাৰ বিজাৰ নতুনৰ চিন্তাই, নতুন আৱিস্কাৰে প্ৰভাম্বিত কৰে আমাৰ চৌদিশ। ইতিবাচক আৰু নেতিবাচক বিশ্লেষণৰ দোমোজাত দোলায়িত প্ৰতিদিনে আমাৰ মন মগজু। এনেবোৰ পৰিঘটনাৰ মাজতেই চামে চামে ওলাই আহে এজাক নতুন প্ৰজন্ম। প্ৰতিনিধিত্ব হয় ভৱিষ্যতৰ সমাজ এইজাক নতুনৰ নাৱিকৰ চিন্তাৰে। কিন্তু বৰ্তমানৰ কুটিল সামাজিক পৰিবেশে সকলোৰে মনত জন্ম দিয়ে এটি মুকলি প্ৰশ্নৰ। 'আমি সঁচাকৈয়েই বাৰু গঢ় দিব পাৰিমনে এইজাক নতুন প্ৰজন্মক এজন সুস্থ নাগৰিকে, এজন দেশপ্ৰেমিক অথবা এজন আদৰ্শৰ ৰূপত? নে কৃত্ৰিমতাৰ নিগনিৰ দৌৰত এইজাক প্ৰজন্ম হৈ পৰিব লেব'ৰেটৰীৰ গিনিপেগ?'

নতুন প্ৰজন্মৰ হকে এতিয়া প্ৰয়োজন এক যোগাত্মক বিশ্লেষণৰ। এক ইতিবাচক সমাধানৰ প্ৰয়োজন। আমি এইজাক নতুনৰ বীজ ৰোপণ কৰিব লাগিব এনে এক সেউজী পথাৰত, যাৰ মাটিত মিহলি হৈ থাকিব জাতীয়তাবাদৰ গোন্ধ, যি বীজক সাৰ-পানী যোগাব এক চহকী কলা-কৃষ্টিৰ ভঁৰালে। অন্যথা এই নতুন পক্ষীজাক হৈ পৰিব দিশহাৰা। প্ৰগতিবাদৰ বতাহত উৰি যাব ফিনিক্স পক্ষীৰ দৰে।

কাৰ্যকালত ঃ

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখনি অসমৰ আগশাৰীৰ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক প্ৰতিনিধিত্ব কৰিবলৈ সুযোগ লাভ কৰিছিলো ২০১২ চনৰ অক্টোবৰ .মাহত। ২০১২ চনৰ অক্টোবৰ মাহৰ পৰা ২০১৩ চনৰ অক্টোবৰ মাহলৈ এই সম্পূৰ্ণ এটা বছৰ মহাবিদ্যালয়ৰ ছাত্ৰসমাজক আমাৰ ১৫ জনীয়া ছাত্ৰ একতা সভাখনে বিভিন্ন দিশৰ মাজেৰে প্ৰতিনিধিত্ব কৰো।

১। ২০১২ বৰ্ষৰ অক্টোবৰ মাহত অনুষ্ঠিত হোৱা ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সাধাৰণ সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ ৩০ অক্টোবৰ তাৰিখে নৱনিৰ্বাচিত আন আন বিভাগৰ প্ৰতিনিধিৰ সৈতে শপত গ্ৰহণ কৰি আমি মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজত অগ্ৰসৰ হওঁ।

২। কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে ২০১৩ বৰ্ষৰ ৭ৰ পৰা ১১ জানুৱাৰীলৈ 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। ইয়াৰে মুকলি সভাত বিশিষ্ট সাহিত্যিক ড° অৰূপা পতংগীয়া কলিতা বাইদেউৰ লগতে অসমৰ নৱপ্ৰজন্মৰ জনপ্ৰিয় গায়ক সীমান্ত শেখৰ দেৱে অংশগ্ৰহণ কৰে।

৩। মহাবিদ্যালয়ত পূৰ্বৰ পৰম্পৰাৰ লগত সংগতি ৰাখি ১৫ ফেব্ৰুৱাৰী আৰু ৯ মে' তাৰিখে ক্ৰমে সৰস্বতী পূজা আৰু ফাতেহা-ই-দোৱাজ দাহম অনুষ্ঠান উলহ মালহেৰে অনুষ্ঠিত কৰা হয়।

৪। বহু বছৰৰ বিৰতিৰ অন্তত যোৱা ইং ৭ মে' ২০১৩ তাৰিখে ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন

অসুবিধা তথা অন্যান্য দিশৰ ওপৰত পৰ্যালোচনাৰ হেতুকে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ এখনি 'সাধাৰণ সভা' অনুষ্ঠিত কৰা হয়। উক্ত সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত ছাত্ৰ একতা সভাৰ পদৰ সংখ্যা হ্ৰাস কৰিবলৈ এটি প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই প্ৰস্তাৱৰ ভিত্তিতেই ২০১৩-১৪ বৰ্ষৰ পৰা মহাবিদ্যালয়ত সৰ্বমুঠ ১১ টি পদৰ সৈতে ছাত্ৰ একতা সভা গঠন কৰা হয়। ইয়াৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীকে মহাবিদ্যালয়ৰ ঐক্য পোছাক সম্পৰ্কে পুনৰ সজাগ কৰিবলৈ প্ৰচেষ্টা গ্ৰহণ কৰা হয়।

৫। কাৰ্যকালৰ শেষৰ কালছোৱাত যোৱা ইং ২৪ আগষ্ট, ২০১৩ তাৰিখে জাকজমকতাৰে 'নৱাগত আদৰণি সভা' অনুষ্ঠিত কৰা হয়। উক্ত সভাত অসম চৰকাৰৰ মীন, মুদ্ৰণ আৰু জনসংযোগ মন্ত্ৰী মাননীয় শ্ৰীযুত বসন্ত দাস ডাঙৰীয়াৰ লগতে নৱপ্ৰজন্মৰ জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মণ আৰু সু গায়িকা পম্পী নাথে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে উক্ত অনুষ্ঠানত ২০১৩ বৰ্ষত মহাবিদ্যালয়ৰ প্ৰথম স্থান (স্নাতক শ্ৰেণী) লাভ কৰা মুঠ ৫৮ জন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।কৃতজ্ঞতা জ্ঞাপন ঃ

কাৰ্যকালৰ সকলো সময়তে বিভিন্ন দিহা-পৰামৰ্শৰে আমাক উৎসাহিত কৰা আমাৰ ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক মাননীয় জামালুদ্দিন আহমেদ ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ লগতে বৰ্তমান মহাবিদ্যালয় অধ্যক্ষ মাননীয় ডঃ খগেন্দ্ৰ কুমাৰ নাথ ছাৰলৈ মোৰ অফুৰন্ত কৃতজ্ঞতা যাঁচিলো। তদুপৰি মহাবিদ্যালয় প্ৰতিজন ছাৰ-বাইদেউ আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ কৃতজ্ঞতা জনালোঁ। এওঁলোকৰ উৎসাহ আৰু পৰামৰ্শ অবিহনে মোৰ কাৰ্যকালৰ কৰ্মৰাজি আধৰুৱা হৈ ৰ'লহেতেন।

শেষ দফাত ঃ

বিগত এটা বছৰৰ কাৰ্যকালত মহাবিদ্যালয়ৰ হকে কি কৰিব পাৰিলো তাৰ বিশ্লেষণসমূহ মঙ্গলদৈ মহাবিদ্যালয় পৰিয়ালবৰ্গৰ হাতত তুলি দিলো। যান্ত্ৰিক ব্যৱস্থাৰ ব্যস্ততাৰ মাজতেই যিখিনি নগণ্য সেৱা মহাবিদ্যালয়ৰ হেতুকে আগবঢ়ালো, তাত হয়তো বহুতো ভুল ক্ৰুতি ৰৈ গ'ল। উক্ত ক্ৰুতিসমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

আগন্তুক বৰ্ষসমূহত মঙলদৈ মহাবিদ্যালয়ে প্ৰজ্ঞা আৰু জ্ঞানৰ জ্যোতিৰে আলোকিত হৈ সমাজ আৰু দেশৰ ইতিহাসত এক নিজস্ব স্থান দখল কৰিব বুলি আশা ৰাখিলো।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বঙ্গীন উন্নতি কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

'জয় আই অসম'।

শ্ৰদ্ধাৰে-

শ্ৰীকৌশিক জ্যোতি নাথ, সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা, ২০১২-১৩ বৰ্ষ।

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধা জ্ঞাপন সেইসকল মহান ব্যক্তিলৈ যিসকলে দেশ মাতৃৰ মুক্তিৰ কাৰণে জীৱন উচৰ্গা কৰি থৈ গ'ল লগতে যিসকল ব্যক্তিৰ মহান চিন্তাৰ ফলত শিক্ষা সমাজত জ্ঞাপন পোহৰ বিলাবলে আৰু শ শ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্বল হোৱাৰ কাৰণে মঙলদৈ মহাবিদ্যালয় গঢ়ি তুলিছিল। তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

দৰং জিলাৰ এক আগশাৰীৰ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়। যাৰ দীপ্তিৰে দীপ্তিমান হয় শ শ ছাত্ৰ-ছাত্ৰীৰ জীৱন আৰু তেওঁলোকৰ ৰঙীণ সপোনবোৰ।

মঙলদৈ মহাবিদ্যালয়ৰ ২০১২-২০১৩ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ ছাত্ৰী জিৰণী কোঠা বিভাগৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়খনৈ সেৱা আগবঢ়াবলৈ সুবিধাকণ পালো আৰু এই সুবিধাকণ দিয়াৰ বাবে মোৰ সকলো অগ্ৰজ, অনুজ আৰু সহপাঠী বন্ধু-বান্ধৱীসকললৈ শ্ৰদ্ধা,মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শপত গ্ৰহণ কৰি দায়িত্বভাৰ লোৱাৰ পিছতে মোৰ কাৰ্যকালৰ প্ৰথম মহাবিদ্যালয় সপ্তাহ। ২০১২-১৩ বৰ্ষৰ ডিচেম্বৰ মাহৰ ৭ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। সেয়েহে ছাত্ৰ-ছাত্ৰী জিৰণী কোঠা বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰিবলগীয়া খেলসমূহৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী কিনিলো। ছাত্ৰী জিৰণী কোঠাৰ বহিঃদ্বাৰত ৭-১২-২০১২ তাৰিখৰ পৰা ৯-১২-২০১২ তাৰিখলৈ বেডমিন্টন, টেবুল টেনিচ, কেৰম, ডবা, লুডু আদি খেল পাতিলো। ১০-১২-২০১২ তাৰিখে স্কিপিং আৰু 'বিশেষ আকৰ্ষণ' হিচাপে টেকেলি ভঙা খেল পাতিলো। এই টেকেলি ভঙা খেলত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ছাৰ বাইদেউসকলেও অংশ গ্ৰহণ কৰিছিল, আৰু ১১-১২-২০১২ তাৰিখে পুৰস্কাৰ বিতৰণ কৰা হ'ল।

কাৰ্যভাৰৰ শেষত তত্ত্বাৱধায়ক বৰ্ণালী বাইদেউ অনুমতিত ছাত্ৰী জিৰণী কোঠাত চাফাইৰ বাবে ঝাড়ু, কাৰপেট, ডাষ্টবিন ইত্যাদি সামগ্ৰী কিনিলো।

কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে বিভিন্ন দিহা-পৰামৰ্শ দি মোৰ প্ৰতিটো কামতে সহায়-সহযোগিতা আগবঢ়োৱা শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক মহোদয়া বৰ্ণালী ডেকা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়ৰসমূহ শিক্ষাগুৰু-কৰ্মচাৰী তথা ছাত্ৰ-একতা সভাৰসমূহ বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

তদুপৰি মহাবিদ্যালয় সপ্তাহৰ সকলো ক্ষেত্ৰতে মোক বিশেষভাৱে বিভিন্ন প্ৰকাৰে সহায় কৰা মনদা, দীপদা, দীপুদা, পাপুদা, জ্যোতি, প্ৰীতি, জুমি, জয়শ্ৰী, জেৰিফা, চুমি, সংগীতা, জুমিবা, দীপাঞ্জলী, বীভাৰাণী, লাভলীনা, বিনীতা, কৰবী তথা সমূহ সহপাঠী বন্ধু-বান্ধৱীলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

মঙলদৈ মহাবিদ্যালয় ২০১৩-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা হিচাপে মোৰ দায়িত্ব কিমানদূৰ পালন কৰিব পাৰিলো সেইয়া বন্ধু-বান্ধৱীসকলে বিচাৰ কৰিব। মহাবিদ্যালয়খনৰ বাবে আগন্তুক সময়ত সেৱা আগবঢ়াই যোৱাৰ আশা ৰাখিলো। মোৰ কাযকালত জ্ঞাতে অজ্ঞাতে হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো। মঙলদৈ মহাবিদ্যালয়খন অসমৰ ভিতৰতে আগশাৰীৰ শিক্ষানুষ্ঠান ৰূপে পৰিগণিত হওক লগতে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

'জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা'

**মঞ্জুলা দেৱী**

সম্পাদিকা ছাত্ৰী জিৰণী কোঠা।

# সংগীত আৰু সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন (২০১২-২০১৩ বৰ্ষ)

প্ৰতিবেদনৰ আৰম্ভণিতে শিক্ষাগুৰুসকলক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু মহাবিদ্যালয়ৰ হকে প্ৰাণ ত্যাগ কৰি শ্বহীদ হোৱা মহান ব্যক্তিসকলক মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। আনহাতে যিসকল মহান ব্যক্তিৰ চেষ্টাৰ ফলত

মঙলদৈ মহাবিদ্যালয়ে পাতনি মেলি ঠাল-ঠেঙুলিৰে জাতিষ্কাৰ হৈ আজিৰ হৈ সুন্দৰ ৰূপত বিকশিত হৈ উঠিছে তেওঁলোকক মই আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিছো।

সাহিত্য এটা জাতিৰ হৃদয়ৰ স্পন্দন। যি দেশৰ সাহিত্য নাই সেই দেশৰ জাতীয় স্পন্দনো নাই। সাহিত্যৰ লগত এটা জাতিৰ হৃদয়ৰ আশাৰ মহামিলন ঘটে। এই মহামিলনৰ ফলত বিকশিত হয় এটা জাতিৰ ভাষা, কলা-কৃষ্টি আদিৰ। এই বিকাশেই এখন দেশক এটা জাতিক যুগে যুগে পৃথিৱীৰ বুকুত জীয়াই ৰাখিছে।

এখন মহাবিদ্যালয়ৰ মুখপত্ৰ হ'ল মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি। মুখপত্ৰত মহাবিদ্যালয়ৰ সকলো দিশ প্ৰকাশ কৰি ছাত্ৰ-ছাত্ৰীৰ লগতে সদাশয় ব্যক্তিসকলকো প্ৰগতিৰ বিষয়ে অৱগত কৰোৱা হয়। মহাবিদ্যালয়ৰ এই মুখপত্ৰখনৰ জৰিয়তে প্ৰকাশ পায় মহাবিদ্যালয়খনৰ প্ৰতিচ্ছবি। এখন দাপোণত এজন মানুহ থিয় হোৱাৰ পিছত যেনেদৰে সম্পূৰ্ণ প্ৰতিচ্ছৱি দেখা যায়, তেনেদৰে মহাবিদ্যালয়ৰ মুখপত্ৰখনে দেখুৱা দিয়ে মহাবিদ্যালয়ৰ সৌন্দৰ্য ইয়াত প্ৰচলিত ৰীতি-নীতি, শিক্ষা প্ৰণালী বিভিন্ন প্ৰতিভাৰ বিকাশ ছাত্ৰ-ছাত্ৰীৰ মনোভাৱ আৰু জন্ম দিয়ে সাহিত্যিকসকলক। মুখপত্ৰখনে সদায় জীয়াই ৰাখিছে আৰু সামৰি ৰাখিছে মহাবিদ্যালয়খনৰ সকলো আভ্যন্তৰিক আৰু বাহ্যিক ৰূপ। এনেকুৱা এখন সকলো দিশৰ পৰা আগবঢ়া মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী হ'বলৈ পাই নিজকে ধন্য বুলি স্বীকাৰ কৰো।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে নামভৰ্ত্তি হোৱাৰ উপৰিও মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সংগীত আৰু সাংস্কৃতিক সম্পাদিকা হিচাপে ৩০ অক্টোবৰ ২০১২ তাৰিখে ছাত্ৰ-একতা সভাৰ সমূহ সদস্যবৃন্দৰ সৈতে শপত গ্ৰহণ কৰি মহাবিদ্যালয়ৰ এক বিশেষ দায়িত্বত অৱতীৰ্ণ হৈ নিজকে সৌভাগ্যবান্বিত বুলি অনুভৱ কৰো। সাংস্কৃতিক সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰা কালৰ প্ৰথম কাৰ্যসূচী হিচাপে ২০১৩ বৰ্ষৰ ০৭-০১-২০১৩ তাৰিখৰ পৰা ১১-০১-২০১৩ তাৰিখলৈ অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত বিভিন্ন দিশত অধ্যক্ষ মহোদয়, তত্বাৱধায়ক মহোদয় শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ ফলত উক্ত কাৰ্যসূচী সফলতাৰে ৰূপায়িত হয়। তাৰ পিছত ক্ৰমে ১৬ ফেব্ৰুৱাৰী ২০১৩ তাৰিখে মহাপুৰুষ শ্ৰীশ্ৰীসৰস্বতী পূজা। ৯ মে' ২০১৩ তাৰিখে 'ফাতেহা-ই-দোৱাজ-দহম, ৭ আগষ্ট ২০১৩ তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মতিথি ইত্যাদি উদ্‌যাপন কৰা হয়। উক্ত সভাত অসম চৰকাৰৰ মাননীয় মীন মুদ্ৰণ আৰু জনসংযোগ মন্ত্ৰী শ্ৰীযুত বসন্ত দাসদেৱ, সাহিত্য সমালোচক শ্ৰীযুত তৰুণ আজাদ ডেকা আৰু নৱপ্ৰজন্মৰ জনপ্ৰিয় কবি শ্ৰীযুত প্ৰণৱ কুমাৰ বৰ্মনে সংক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। উক্ত সভাৰ উপৰিও নৱাগতসকলৰ চা-চিনাকি আৰু বিভিন্ন নৃত্য-গীত আদিৰ দ্বাৰা অনুষ্ঠানৰ সামৰণি ঘটে। ইয়াৰ উপৰিও মঙলদৈ মহাবিদ্যালয়ৰ এক বিশেষ দিন ২০ ছেপ্তেম্বৰ ২০১৩ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অধ্যক্ষ মহোদয়ৰ নেতৃত্বত আধুনিকতাৰে পূৰ্ণনিৰ্মিত নতুন মহলা Science Gallaery মাননীয় মন্ত্ৰী মহোদয় শ্ৰীযুত বসন্ত দাসদেৱৰ দ্বাৰা মুকলি কাৰ্যসূচী অনুষ্ঠিত কৰি উক্ত মহলাতে মঙলদৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়।

প্ৰতিবেদনৰ অৱশেষত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলো যাৰ ফলত আজি মই বৰ্তমান স্তৰত নিজকে উপনীত কৰিব পাৰিছো। ছাত্ৰ একতা সভাৰ সংগীত আৰু সাংস্কৃতিক সম্পাদিকা পদত কাৰ্যনিৰ্বাহ কৰা কালত প্ৰতিতো সময়তে বিশেষ সহায়-সহযোগিতা আৰু ভুল-ত্ৰুটি দেখুৱাই দিহা-পৰামৰ্শ দি উৎসাহিত কৰাৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত ড°খগেন্দ্ৰ কুমাৰ নাথ দেৱ, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক মহোদয় শ্ৰীযুত অনুপম ঠাকুৰীয়া, ছাত্ৰ-একতা সভাৰ মুখ্য তত্বাৱধায়ক মহোদয় মাননীয় জামানুদ্দিন আহমেদ আৰু মহাবিদ্যালয়সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আনহাতে বিগত বছৰটোত যদি ব্যস্ততা বা অন্য কোনো ভুলবশত কাৰণত যদি কিবা ভুল ত্ৰুটি হৈ গ'ল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

মঙলদৈ মহাবিদ্যালয়ৰ আগন্তুক বৰ্ষসমূহৰ সফলতা তথা বিকাশ আৰু সদায় যেন এখন আগবঢ়া মহাবিদ্যালয় হিচাপে

প্ৰতিদিন খ্যাত হৈ থাকে তাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

শ্ৰীচুমি কলিতা
সংগীত আৰু সাংস্কৃতিক বিভাগ
(২০১২-১৩ বৰ্ষ)।

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ-মাতৃৰ অস্তিত্ব অটুট ৰখাত যিসকল বীৰ-বীৰঙ্গণাই নিজৰ জীৱন দান দি অকালতে নিজৰ প্ৰাণ হেৰুৱালে সেইসকল শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে দৰং জিলাৰ ঐতিহ্যমণ্ডিত বিদ্যানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মোক বিপুল ভোটত নিৰ্বাচিত কৰি দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যভাৰ গ্ৰহণৰ পিছতেই আমাৰ মহাবিদ্যালয়ত প্ৰথম পদক্ষেপ হিচাপে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। বিগত বছৰৰ দৰে এই বছৰো 'মহাবিদ্যালয় সপ্তাহ' অতি উলহ-মালহেৰে ০৩-০১-২০১২ তাৰিখৰ পৰা ০৭-০১-২০১২ তাৰিখলৈ উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সপ্তাহে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ বিকাশ ঘটোৱাৰ লগতে মানসিক আৰু আধ্যাত্মিক দিশতো বিশেষ অৰিহণা যোগায়।

মহাবিদ্যালয় সপ্তাহ সুকলমে পালন কৰাৰ পিছতেই আমাৰ মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয় সৰস্বতী পূজা। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী দেৱীৰ পূজাৰ গুৰু দায়িত্বৰ ভাৰ লয় আমাৰ আন আন বিভাগীয় সম্পাদকসকলেও তেওঁক পূজাখন সুকলমে চলাই নিয়াত সহযোগ আগবঢ়াই, লগতে পূজাখন পৰিচালনা কৰাত বিপুল সহযোগ আগবঢ়াই শ্ৰীডিম্বেশ্বৰ কলিতা ছাৰ আৰু শ্ৰীহৰিমন ডেকা ছাৰে। এইদৰে শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতি সৰস্বতী পূজাখনি ২৮-০১-২০১২ তাৰিখে সুকলমে পালন কৰা হয়।

সৰস্বতী পূজা উদ্‌যাপন হৈ যোৱাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয় ফাতেহা-ই-দোৱাজ দহম উৎসৱটি। বিগত বছৰৰ দৰে এই বছৰো ফাতেহা উৎসৱটি শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত ১৬-০১-২০১২ তাৰিখে উদ্‌যাপন কৰা হয়। লগতে মহাবিদ্যালয়ৰ আন আন উৎসৱসমূহো ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী উপস্থিতিত সুকলমে পালন কৰা হয়।

কৃতজ্ঞতা ঃ অধ্যক্ষ ড°খগেন্দ্ৰ কুমাৰ নাথ ছাৰ, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীবন্দনা গোস্বামী বাইদেউ লগতে মোৰ কাৰ্যকালত প্ৰতিটো দিশতে পৰামৰ্শৰে উপকৃত কৰা মোৰ বিভাগীয় তত্ত্বাৱধায়ক শ্ৰীশচীন চহৰীয়া ছাৰৰ লগেতে মোক সকলো ক্ষেত্ৰতে সহায় আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা মঙলদৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সামৰণি ঃ সদৌ শেষত মোৰ কাৰ্যকালত হোৱা জ্ঞাত-অজ্ঞাত সকলো দোষ-ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু মঙলদৈ মহাবিদ্যালয়'
'জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা'
'জয় আই অসম'

শ্ৰীমৃন্ময় কলিতা
সহঃ সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

জয় জয়তে প্ৰতিবেদনৰ আৰম্ভণিতে মই শ্ৰদ্ধাৰে সোঁৱৰিছো সেইসকল শ্বহীদলৈ যিসকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি স্বৰ্গভিমুখী হ'ল আৰু তেজৰ বিনিময়ত আজি আমাক পৰাধীনতাৰ ৰঙা শিকলিৰ পৰা মুকলি কৰি স্বাধীনতাৰ সোৱাদ দি গ'ল। লগতে যিসকল মহান ব্যক্তিৰ মহৎ চিন্তা, প্ৰচেষ্টা আৰু কপালৰ ঘামৰ বিনিময়ৰ ফলত দৰং জিলাৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল মঙলদৈ মহাবিদ্যালয়খন গঢ়ি উঠিল। সেইসকল মহান ব্যক্তিক মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ, লগতে স্মৰণ কৰিলোঁ।

মহাবিদ্যালয়ৰ ২০১২-১৩ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনত খেল বিভাগৰ সম্পাদক পদত মই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হওঁ। সেয়েহে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক মৰম, শ্ৰদ্ধ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ খেল সম্পাদকৰ পদত দায়িত্ব ভাৰ লোৱাৰ পিছৰে পৰা মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ। আমাৰ মহাবিদ্যালয় সপ্তাহ ০৭/০১/২০১৩ তাৰিখৰ পৰা ১১/০১/২০১৩ তাৰিখলৈ নিৰ্দ্ধাৰিত কৰা হৈছিল। কিন্তু সেই সীমিত দিনকেইটাত খেলবোৰ পৰিচালনা কৰা অসুবিধা হ'ব বুলি ভাবিব মই বিভাগীয় তত্বাৱধায়ক মহোদয়ৰ লগত আলোচনা কৰি আগতীয়াকৈ ০৪/০১/২০১৩ তাৰিখৰ পৰা খেলসমূহ আৰম্ভ কৰিছিলো।সেই খেলসমূহ হ'ল— ল'ৰা শাখাত ক্ৰিকেট, ফুটবল, ভলীবল, কাবাদী, মাৰাধান দৌৰ, দৌৰ প্ৰতিযোগিতা ক্ৰমে (১০০,২০০,৪০০,৮০০ মিটাৰ) লংজাম্প, হাইজাম্প, জেল্লিংথ', দিস্কাস, গধুৰ বল দলিওৱা ইত্যাদি। ছোৱালী শাখাত দৌৰ প্ৰতিযোগিতা (১০০,২০০,৪০০,৮০০ মিটাৰ), কাবাদী, লংজাম্প, হাইজাম্প, জেল্লিংথ', দিস্কাস আৰু গধুৰ বল দলিওৱা ইত্যাদি।

মহাবিদ্যালয়ৰ শেষৰ দিনা মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ আৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ মাজত এখন ছাত্ৰ-শিক্ষক ৰোমাঞ্চকৰ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। মই নিজে অনুভৱ কৰি দুখী যে মই নিজৰ দ্বায়িত্বভাৰ গ্ৰহণ কৰা পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি একেবাৰে সেৰেঙা আছিল। মহাবিদ্যালয়ৰ প্ৰায় তিনি হেজাৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মাত্ৰ এশমান ছাত্ৰ-ছাত্ৰী উপস্থিত থকাটো অতিকৈ দুখলগা। বিশেষকৈ ছাত্ৰীৰ খেলৰ প্ৰতি থকা আগ্ৰহ অতিকৈ চিন্তাজনক। মই মহাবিদ্যালয় সপ্তাহৰ খেলবোৰ নিয়াৰিকৈ পৰিচালনা কৰিছোঁ। খেল বিভাগত বহুতো কাম কৰিব পৰা নগ'ল, আশা কৰিছোঁ যে আগন্তুক খেল সম্পাদকে এই বৈ যোৱা কামখিনি নিয়াৰিকৈ পালন কৰে। মোৰ কাৰ্যকালত মঙলদৈ মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ খেলুৱৈ ল'ৰা শাখাত ঃ মহানন্দা হাজৰিকা আৰু ছোৱালী শাখাত ঃ মুনমী ডেকা। কৃতজ্ঞতা জ্ঞাপন ঃ মোৰ কাৰ্যকালত সকলো দিশতে প্ৰয়োজনীয় পৰামৰ্শৰে উপকৃত কৰা শ্ৰদ্ধাৰ শ্ৰীপৰেশ শৰ্মা চাৰ, মাননীয় শ্ৰীপ্ৰণৱ দাস চাৰৰ লগতে মোৰ দাদা হামিদুল ৰহমান, মহানন্দ হাজৰিকা, ইনামুল হুছেইন, মোহতাছিন বিল্লা ৰহিম, হুমায়ুন কবিৰ আৰু মোৰ সকলো বন্ধু-বান্ধৱৰ আন্তৰিক কৃতজ্ঞতা হৈ ৰ'লো।

শেষত মই মোৰ দায়িত্ব আৰু কৰ্তব্য পালনত অজানিতে হোৱা ভূল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু মঙলদৈ মহাবিদ্যালয়ৰ শৈক্ষিক, সাংস্কৃতিক, খেল-ধেমালি আৰু সকলো দিশৰে পৰা সফল হয় তাৰে কামনাৰে মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয় আই অসম'

'জয়তু মঙলদৈ মহাবিদ্যালয়'

'জয়তু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভা'

**ৰাব্বানী আজিজ**

খেল বিভাগ।

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

জয়জয়তে যিসকল মহান আত্মাই নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দেশ মাতৃৰ বাবে হেলাৰঙে মৃত্যুক সাৱটিছিল সেইসল পুণ্যাত্মালৈ জনাইছোঁ সশ্ৰদ্ধ প্ৰণাম। লগতে ঐতিহ্যমণ্ডিত এই বিদ্যামন্দিৰৰ ছাত্ৰ একতা সভাৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ দায়িত্ব অৰ্পণেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সেৱাৰ সুযোগ দিয়াৰ বাবে আটাইলৈকে যাচিছোঁ আন্তৰিক কৃতজ্ঞতা।

প্ৰাচুৰ্যতাৰে ভৰা শব্দ ভাণ্ডাৰৰ বিয়াগোম বিশ্লেষণ শৈলীৰে কৃতিত্বৰ পাহাৰ গঢ়াৰ কামনা মোৰ নাই। নিজকে মোচাহেৰ ৰূপ সজাবলৈ অপচেষ্টা কাহিনীও কৰা নাই আৰু নকৰো। এমুঠি বিবেক সৰ্ব্বস্ব মস্তিস্কত কল্পনাৰ মায়াজাল ৰচি হৃদয় জয় কৰাৰ ধৃষ্টতাও মোৰ নাই। সেই মহান আপ্তবাক্যশাৰীক সৰোগত কৰি আপোনাৰ স'তে খোজ বিলাবলৈ প্ৰচেষ্টা মোৰ আহোৰাত্ৰ—

*" Duty is Beauty, Beauty is truth and truth is God"*

তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক কচৰতৰ আখৰা থলীৰূপে কিমান প্ৰয়োজনীয় কিমান প্ৰয়োজনীয় তাক পুনৰ দোহাৰাৰ প্ৰয়োজন নাই। সঠিক চিন্তা আৰু আৰু শুদ্ধ ভাষা অবিহনে জ্ঞানৰ সত্যতা প্ৰতিপন্ন কৰিব নোৱাৰি সিদ্ধান্তৰ বৈধতা আৰু নিৰ্ণয় কৰাই হৈছে তৰ্কৰ কাব্য।

বৰ্তমান সমাজৰ প্ৰতিটো দিশতে সুস্থিৰভাৱে আগুৱাই যাবলৈ আমাক প্ৰয়োজন এখন সুস্থিৰ যুক্তিবাদী মন আৰু সমাজৰ উপকাৰী যুক্তিপূৰ্ণ আলোচনা। এইবোৰৰ সুস্থ প্ৰতিফলনৰ বাবে যৎকিঞ্চিত বৰঙণি আগবঢ়োৱাৰ উদ্দেশ্য সন্মুখত ৰাখি ২০১৩-২০১৪ বৰ্ষৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হিচাপে নিজৰ দায়িত্ব ও কতৰ্ব্য সম্পাদনৰ বাবে সন্মানীয় অধ্যক্ষৰ উপস্থিতিত ঈশ্বৰৰ নামত শপত লৈছিলো। নাজানো কিমান দূৰ ফলৱৰ্তী হ'লো

কাৰ্যভাৰ গ্ৰহণৰ পিছতে প্ৰথম কাৰ্যসূচীৰূপে মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা লগতে আকস্মিক বক্তৃতা অনুষ্ঠিত কৰিলো।

এই বছৰৰ মহাবিদ্যালয় সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাৰ বিষয়টি আছিল, সদনৰ মতে অসমত এখন নৱগঠিত বিধান পৰিষদে অসমৰ ৰাইজৰ সৰ্বাগীণ উন্নতি সাধন কৰিব। লগতে আমাৰ মহাবিদ্যালয়ৰ বাবে সৌভাগ্যজনক কথা যে এই বৰ্ষত বিশ্বনাথ মহাবিদ্যালয়ত আন্তঃমহাবিদ্যালয় ভিত্তিত অনুষ্ঠিত হোৱা কুইজ প্ৰতিযোগিতাৰ অংশগ্ৰহণ কৰি জ্যোতি চহৰীয়া আৰু কৌশিক ডেকা ২য় স্থানত জয়ী হয়।

যিয়েই নহওক, মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ সহযোগত মহাবিদ্যালয়ত অনুস্থিত প্ৰতিখন প্ৰতিযোগিতা শৃংখলাবদ্ধ আৰু সুপৰিকল্পিতভাৱে অতিবাহিত হয়। মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰত অকুণ্ঠচিত্তে সহায়ৰ হাত আগবঢ়োৱা সকলো তৰ্ক আৰু বক্তৃতা বিভাগৰ তত্ত্বাৱধায়ক তথা প্ৰবক্তা শ্ৰীসন্তোষ বৰকাকতি চাৰ, প্ৰবক্তা পৰেশ শৰ্মা প্ৰবক্তা হৰিমন ডেকা চাৰ, প্ৰবক্তা প্ৰমোদ শৰ্মা চাৰ, প্ৰবক্তা ডিম্বেশ্বৰ বৰুৱা চাৰ আটাইলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

লগতে *N.C.C Unit* ছাত্ৰী নিবাসৰ আবাসীসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো। পৰিশেষত তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগটিৰ সম্পাদকৰ দায়িত্ব কৰ্তব্য পালনত মোৰ সকলো জ্ঞাত অজ্ঞাত ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়, জয়তু ছাত্ৰ একতা সভা

জয় আই অসম।

**বিষ্ণু চহৰীয়া**

**সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ।**

# সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



মানৱ জীৱনৰ কৰ্ম প্ৰণালী, সাহিত্য, সংগীত, ধৰ্ম দৰ্শন আহি আটাইবোৰেই সংস্কৃতিৰ অন্তৰ্গত। মানৱ জীৱনৰ এই সমস্ত উৎসৰ পৰা আহৰিত হোৱা ধ্যান-ধাৰণাই সংস্কৃতিৰ বৰ ভেটি গঢ় দিছে। জন্মৰ পৰা মৃত্যুলৈকে মানুহে যিবোৰ কাম-কাজেৰে জীৱনপঞ্জী সজায় এই আটাইবোৰকে মানুহৰ জীৱন দৰ্শন চিন্তা আৰু ভাৱদৰ্শৰ স্ফুৰণ ঘটে।

মানুহৰ সংস্কাৰ সন্মত কাৰ্যকলাপৰ পৰিস্ফুৰণ সংস্কৃতিৰ অন্তৰ্গত। আজি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য আৰু উৎকৰ্ষৰ প্ৰয়োগ দেখা গৈছে। আমাৰ সাংস্কৃতিক পৰিমণ্ডলৰ বাবে ই এক শুভলক্ষণ।

**শ্ৰদ্ধাঞ্জলি ঃ**

এটা জাতি জীয়াই ৰখাৰ মহান সংগ্ৰামত যিসকলে তেজেৰে ইতিহাস লিখিলে সেই বীৰ শ্বহীদসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে যিসকলে আমাক বিশ্বৰ বুকুত এটা জাতি হিচাপে চিনাকি দিয়াৰ বাবে সংস্কৃতিৰ বৰভেটি গঢ়িলে সেইসকল সংস্কৃতিৰ জনক, ধাৰক আৰু বাহকলৈ মই মোৰ শ্ৰদ্ধা নিবেদিছো।

**কাৰ্যকলাপৰ চমু খতিয়ান ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সাংস্কতিক সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ ষৎকিঞ্চিত এই মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ যত্ন কৰিছো তাৰ এটি থূলমূল আভাস দিব বিচাৰিছো।

মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহৰ ছাত্ৰ-ছাত্ৰীৰ যোগদান সংখ্যানুপাতে আশানুৰূপ নহ'লেও ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহত যোগদান কৰি আমাক উৎসাহিত কৰাৰ লগতে নিজৰ পাৰদৰ্শিতাও প্ৰমাণ কৰে। গীত-মাত একাংক নাট, একক অভিনয়, কৌতুক অভিনয়, নৃত্য আদি প্ৰতিযোগিতা সফল ভাৱেই অনুষ্ঠিত কৰা হয়। ইয়াত উপৰিও মোৰ কাৰ্যকালছোৱাত I.I.T 'Alcharinga' অনুষ্ঠান যোগদান কৰাৰ লগতে কৃতকাৰ্যতাও অৰ্জন কৰিছো।

বিগত ভালেমান বছৰৰ পৰা আমাৰ মহাবিদ্যালয়ে আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত যোগদান কৰি বিশেষ কৃতিত্ব অৰ্জন কৰি আহিছে। এইবেলিও ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে এটি কৰ্মশালা অনুষ্ঠিত কৰিম বুলিও আশা কৰিছো। মোৰ কাৰ্যকালৰ সময়ছোৱাত সকলো ফালৰ পৰা দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক শিক্ষাগুৰু ড° খগেন্দ্ৰ কুমাৰ নাথ দেৱে সংগীত আৰু সাংস্কৃতিক দিশটোৰ উন্নতিৰ বাবে সততে নজৰ ৰখাৰ বাবে তেখেতলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো মোৰ সকলো ফালৰ পৰা সহায় আগবঢ়োৱা শিক্ষাগুৰুসকল, বন্ধু-বান্ধৱীসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ যিসকলে মোক উক্ত বিভাগত নিৰ্বাচিত তেওঁলোকক সহায় কৰাৰ সুযোগ দিলে।

মোৰ কাৰ্যকালত জ্ঞাত বা অজ্ঞাতভাৱে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোকে ক্ষমা বিচাৰিছো। মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি মোৰ চিৰকাম্য। সংস্কৃতিৰ প্ৰকৃত অৰ্থ সকলোৱে হৃদয়ংগম কৰক দুষ্কৃতি আৰু অপসংস্কৃতিৰ তমসা আঁতৰাই সংস্কৃতিৰ জ্যোতিৰে জ্যোতিষ্মান হওক মন, মগজু আৰু হৃদয়। শেষত এই শুভ কামনাৰে।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়।

জয়তু ছাত্ৰ একতা সভা।

জয় আই অসম।।

# ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ-বীৰাঙ্গগনাই আমাৰ অসমী আইৰ মুক্তি আৰু জাতিৰ নামত জীৱন উচৰ্গা কৰিছিল, সেই মহান ব্যক্তিসকললৈ মোৰ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো আৰু যিসকল মহান ব্যক্তিৰ সহযোগত এই মহাবিদ্যালয়খন স্থাপিত হৈছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈছিলো। মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ এই সুবিধাকণ দিয়াৰ বাবে মোৰ অনুজ, সহপাঠীসকললৈ শ্ৰদ্ধা ,মৰম আৰু কৃতজ্ঞতা যাচিলোঁ।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে দ্বায়িত্ব ভাৰ লোৱাৰ পিছৰে পৰা মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ। আমাৰ মহাবিদ্যালয় সপ্তাহ ০৫-০২-২০১৪ তাৰিখৰ পৰা ১০-০২-২০১৪ তাৰিখলৈ নিৰ্দ্ধাৰিত কৰা হৈছিল। সেয়েহে মহাবিদ্যালয় সপ্তাহত সকলো প্ৰয়োজনীয় খেলৰ সামগ্ৰীসমূহ কিনিলো। ছাত্ৰী জিৰণি কোঠাৰ ভিতৰত হোৱা খেল কেৰম, দবা, বেডমিন্টন আদি খেলসমূহ পতা হয়।

মোৰ কাৰ্যকালৰ প্ৰতিটো কামত দিহা-পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়, তত্বাৱধায়িকা বাইদেউ, সকলো শিক্ষাগুৰু কৰ্মচাৰীৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে বিদ্যালয় সপ্তাহৰ মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সমাৰিলো।

প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষা কৰিবৰ বাবে নিজৰ জীৱনৰ তুচ্ছ জ্ঞান কৰি ছহিদ হোৱা সেইসকল বীৰ-বীৰঙ্গণালৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

লগতে জিলাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বানত ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক পদত বিনা প্ৰতিদ্বন্বিতাৰে জয়ী হওঁ। সেয়েহে মই কলেজখনলৈ সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আমাৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ আছিল। 'মহাবিদ্যালয় সপ্তাহ' ০৫-০২-২০১৫ তাৰিখৰ পৰা ১০-০২-২০১৪ তাৰিখলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিবছৰৰ দৰে এইবাৰো মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহ শিক্ষাৰ বিকাশ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক, কায়িক আৰু আধ্যাত্মিক দিশত প্ৰভুত বৰঙণি যোগায়। এই ক্ষেত্ৰত মঙ্গলদৈ মহাবিদ্যালয়ে প্ৰতিবছৰে আপোচহীন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ লগত সংগতি ৰাখি অন্তঃদ্বাৰ খেলসমূহ যেনে বেডমিন্টন, ডবা, কেৰম আদি অনুষ্ঠিত কৰা হয়। মঙ্গলদৈ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত এটি ছাত্ৰ জিৰণী কোঠাৰ দায়িত্বৰ প্ৰাসংগিকতা কিমান এয়া আজি সকলোৱে উপলব্ধি কৰিব পাৰে।

কিন্তু সোণালী জয়ন্তী গৰকি যোৱা মঙ্গলদৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰৰ বাবে ছাত্ৰ জিৰণী কোঠা এটাৰ ডাঙৰ অভাৱ গতিকে মোৰ কাৰ্যকালত ছাত্ৰ জিৰণী কোঠাটোৰ বিষয়ে অধ্যক্ষ মহোদয় আৰু মোৰ তত্ত্বাবধায়ক ছাৰৰ লগত এই সন্দৰ্ভত কথা হৈছিলো আৰু ছাত্ৰ জিৰণী কোঠোটো কিছু কলেজৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত ছাত্ৰ জিৰণী কোঠাটো কিছু কলেজৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত ছাত্ৰ জিৰণী কোঠাৰ কাম হাতত ল'ব বুলি অধ্যক্ষ মহোদয়ে আশ্বাস দিয়ে। লগতে ছাত্ৰ জিৰণী কোঠাৰ প্ৰয়োজনীয় খেলৰ সামগ্ৰীসমূহ ভালদৰে সংৰক্ষণ কৰি ৰাখিব নোৱাৰাৰ বাবে প্ৰতিবছৰে বিভিন্ন ক্ৰয় কৰিব লগা হয়। সেয়েহে পৰৱৰ্তী সম্পাদকলৈ মোৰ বিনম্ৰ অনুৰোধ তেওঁলোকে যেন সেইবোৰৰ সংৰক্ষণৰ হকে অতি সোনকালে মহাবিদ্যালয়ত এটি ছাত্ৰ জিৰণী কোঠা নিৰ্মাণ কৰি উলিয়াই মই মোৰ কাৰ্যকালত কেৰম,ডবা, বেডমিন্টন ইত্যাদি কিনা হয়। গতিকে মোৰ আগন্তুক ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকসকলকৈ বিশেষ অনুৰোধ যে আগৰ সম্পাদকসকলৰ দৰে মহাবিদ্যালয় সপ্তাহৰ খেলসমূহ অনুষ্ঠিত কৰিয়েই যাতে নিজৰ দায়িত্ব সামৰি নহয়। এজন বিভাগীয় সম্পাদকৰ নিজৰ কাৰ্যকালত বহুতো দায়িত্ব পালন কৰিবলগীয়া থাকে।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্যকালত প্ৰতিটো দায়িত্ব পালন কৰিবলগীয়া থাকে। অধ্যক্ষ মহোদয় ছাৰ, তত্ত্বাৱধায়ক ড° মৃদুল ডেকা ছাৰ ড° সৰযু প্ৰিয়া দেৱী বাইদেউ, শ্ৰদ্ধাৰ পবিত্ৰ কুমাৰ নাথ ছাৰৰ লগতে দিপাংকৰ দা, জ্যোতি দা, অঞ্জন দা, কৌস্তভ, দেৱাসীক, মানস, ভাস্কৰ, ৰূপজ্যোতি,হীৰক, কংকনা, কৰবী, হিমাদ্ৰী, দ্বীপশিখা মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

■■

# মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্বাৱধায়কসকল

## (১৯৫৮-১৯৫৯ বৰ্ষৰ পৰা ২০১৩-২০১৪ বৰ্ষলৈ)

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-১৯৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-১৯৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-১৯৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-১৯৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-১৯৬৪ | শ্ৰীতুৰাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-১৯৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-১৯৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |
| ৮ম | ১৯৬৬-১৯৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-১৯৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১০ম | ১৯৬৮-১৯৬৯ | শ্ৰীনৰেন হাজৰিকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১১শ | ১৯৬৯-১৯৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১২শ | ১৯৭০-১৯৭১ | শ্ৰীদীনবন্ধু শৰ্মা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১৩শ | ১৯৭১-১৯৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৪শ | ১৯৭২-১৯৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৫শ | ১৯৭৩-১৯৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৬শ | ১৯৭৪-১৯৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৭শ | ১৯৭৫-১৯৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৮শ | ১৯৭৬-১৯৭৭ | শ্ৰীভৱকান্ত হাজৰিকা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৯শ | ১৯৭৭-১৯৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-১৯৭৯ | শ্ৰীশৈলেন্দ্ৰ কুঃ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰপ্ৰসাদ বৰুৱা |
| ২১ম | ১৯৭৯-১৯৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২ম | ১৯৮১-১৯৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৩ম | ১৯৮২-১৯৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৪ম | ১৯৮৩-১৯৮৪ | শ্ৰীদুলাল বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৫ম | ১৯৮৫-১৯৮৬ | শ্ৰীশিৱপ্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্বাৱধায়ক |
|---|---|---|---|
| ২৬ম | ১৯৮৬-১৯৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | শ্ৰীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-১৯৮৮ | শ্ৰীভৱেশ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-১৯৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ আলি |
| ২৯ম | ১৯৮৯-১৯৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০ম | ১৯৯১-১৯৯২ | শ্ৰীববিতা কুমাৰ মাজুডেকা | ইদ্ৰিছ আলি |
| ৩১ম | ১৯৯২-১৯৯৩ | মঃ আমিনুল হক | ইদ্ৰিছ আলি |
| ৩২ম | ১৯৯৩-১৯৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-১৯৯৫ | শ্ৰীজয়ন্ত শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৪ম | ১৯৯৫-১৯৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ আলি |
| ৩৫ম | ১৯৯৬-১৯৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-১৯৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-১৯৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড° বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০১-২০০১ | শ্ৰীপ্ৰবীন বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-২০০২ | শ্ৰীসম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-২০০৫ | শ্ৰীচিন্ময় বৰুৱা<br>শ্ৰীদেৱৰ্ষি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪২ম | ২০০৬-২০০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-২০০৮ | শ্ৰীজয়ন্ত ডেকা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-২০০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-২০১০ | শ্ৰীমানৱ জ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪৬ম | ২০১০-২০১১ | মঃ হামিদুৰ ৰহমান | ড° সৰযূপ্ৰিয়া দেৱী |
| ৪৭ম | ২০১১-২০১২<br>২০১২-২০১৩<br>২০১৩-২০১৪ | শ্ৰীঅবিনাশ বৰুৱা<br>শ্ৰীহীৰকজ্যোতি চহৰীয়া<br>শ্ৰীভাস্কৰ জ্যোতি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা<br>ড° সৰযূপ্ৰিয়া দেৱী |

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ৰ অংশ গ্ৰহণ



মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে যুৱ
সমহোৎসৱত অংশগ্ৰহণকাৰী দলটো




ব্যঙ্গ নাট প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত দল
বাওঁফালৰ পৰা দীপজ্যোতি কলিতা, দিব্যজ্যোতি নাৰায়ণ দেৱ, মৃনময় কলিতা, পম্পি নাথ,
কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ আৰু ত্ৰৈলোক্য নাথ




একাংক নাটৰ দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা
দীপজ্যোতি কলিতা

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মঙলদৈ মহাবিদ্যালয়ৰ অংশ গ্ৰহণ

কেইখনমান আলোকচিত্ৰ



হুমায়ুন কবিৰ
ভেঙুচালি প্ৰতিযোগিতাত
তৃতীয় স্থান



ভাস্কৰ কলিতা
শ্ৰেষ্ঠ সুকুমাৰ শিল্পী



তন্ময়ী বৰুৱা
পাৰ্বতীপ্ৰসাদ সংগীত প্ৰতিযোগিতাত
দ্বিতীয় স্থান

## নাট প্ৰতিযোগিতাৰ দুটি বিশেষ মুহূৰ্ত





# মহাবিদ্যালয়ৰ নবাগত আদৰণি সভাৰ আনন্দ মধুৰ মুহূৰ্ত





বিশিষ্ট শিল্পী জুপিতৰা ভূঞা, উদয় শংকৰ (গদা), আৰু বিপুল চলিহাৰ সৈতে
মহাবিদ্যালয়ৰ শিল্পীসকলৰ একাংশ

# মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী



মিলনাক্ষী শৰ্মা
শ্ৰেষ্ঠ সাহিত্যিক



মণি কংকনা বড়া
শ্ৰেষ্ঠ খেলুৱৈ



মানস জ্যোতি বড়া
শ্ৰেষ্ঠ খেলুৱৈ



ৰঞ্জন ডেকা
শ্ৰেষ্ঠ তাৰ্কিক



চুমন ঘাটোৱাৰ
শ্ৰেষ্ঠ মাৰাঠানদৌৰ প্ৰতিযোগী



মহাবিদ্যালয়ৰ নতুন কম্পিউটাৰ লেবৰ একাংশ



মহাবিদ্যালয়ৰ নৱ নিৰ্মিত পৰীক্ষা পৰিচালনা ভৱন



মহাবিদ্যালয়ৰ নৱ নিৰ্মিত শ্ৰেণীকোঠাৰ একাংশ



মহাবিদ্যালয়ৰ নতুন ছাত্ৰী নিবাসৰ একাংশ



মহাবিদ্যালয়ৰ বিজ্ঞান শখাৰ পুৰণি ভৱনৰ একাংশ



মহাবিদ্যালয়ৰ কলা শখাৰ পুৰণি ভৱনৰ একাংশ



মহাবিদ্যালয়ৰ বিজ্ঞান ভৱন




মহাবিদ্যালয় চৌহদত স্থাপিত বেংক অব বৰোডাৰ
মঙলদৈ মহাবিদ্যালয় শাখা

# মঙলদৈ মহাবিদ্যালয় আলোচনী

## ৪৭ তম সংখ্যা, ২০১৫ চন

ছপা — পাৰামাউণ্ট অফছেট, বৰদোলগুৰি, দৰং